JAGIROAD COLLEGE : ASSAM
ESTD. 1979
श्रद्धावान् लभते ज्ञानम्

# JCian

JAGIROAD COLLEGE
ACCREDITED
A+
CGPA 3.26
NAAC
3rd Cycle

জাগীৰোড মহাবিদ্যালয় আলোচনী ২০২৩-২০২৪

## Jagiroad College Magazine





তত্ত্বাৱধায়ক
ড° মীৰা বৈশ্য
অনিন্দিতা কৰ

সম্পাদক
নিখিতা দাস

# Members of the Teaching Staff



# Jcian

## জাগীৰোড মহাবিদ্যালয় আলোচনী

**২০২৩-২৪ বৰ্ষ**

Jagiroad College Magazine
2023-24





তত্ত্বাৱধায়ক
**ড° মীৰা বৈশ্য**
**অনিন্দিতা কৰ**

সম্পাদক
**নিখিতা দাস**

**JCian** : Annual Magazine of Jagiroad College, Edited by Nikhita Das and Published by Jagiroad College Students' Union, Jagiroad College, Morigaon (Assam) for the Sessions 2023-2024.

# জাগীৰোড মহাবিদ্যালয় আলোচনী

**২০২৩-২০২৪ বৰ্ষ**

## সম্পাদনা সমিতি

সভাপতি
**ড° ভবেন চন্দ্ৰ নেওগ**

তত্ত্বাৱধায়ক
**ড° মীৰা বৈশ্য**
**অনিন্দিতা কৰ**

শিক্ষক সদস্য
**ড° চিত্তৰঞ্জন চৰকাৰ**

ছাত্ৰ সদস্য
**প্ৰণৱজ্যোতি দাস**
**জিণ্টু কাঠাৰ**
**চুম্পি দাস**

সম্পাদক
**নিখিতা দাস**

বেটুপাত পৰিকল্পনা
সম্পাদনা সমিতি

বেটুপাতৰ ছবি
**ৰাহুল দাস**
(স্নাতক পঞ্চম যান্মাসিক, বাণিজ্য শাখা)

(লেখক-লেখিকাসকলৰ মতামতৰ বাবে সম্পাদনা সমিতি দায়ী নহয়)

## মহাবিদ্যালয় সংগীত

স্বাগতম্ স্বাগতম্ স্বাগতম্
কলং কপিলী কিলিং
এই ত্ৰিবেণীতে

আঁহা আজি সবে মিলি
বোটলোঁ জ্ঞানৰ মুকুতা
বিনাশোঁ এন্ধাৰ কালিমা

আমাৰ যাত্ৰাৰ শেষ নাই
দুৰ্বাৰ যাত্ৰা
জ্ঞান সূৰুযৰ জ্যোতিত আমাৰ
জিলিকে আশা
ডঙ্কা বজোৱা আকাশ নিনাদি
শঙ্কা নাশা
আ............................
ৰিক্ত পৃথিৱী সিক্ত কৰো
নতুন দিনক দুহাতে আদৰো
হাততে মিলাওঁ হাত, হিয়াতে মিলাওঁ হিয়া
যি আছে বন্ধু, বিলাই দুহাতে দিয়া
স্বাগতম্ স্বাগতম্ স্বাগতম্ স্বাগতম্

পাহাৰৰ চূড়া জিলিকে শ্যামল
পৰিলে তাতে সোণালী কিৰণ
সৃষ্টি সমল লওঁ তাৰে পৰা
উজ্বলাওঁ ইখনি এন্ধাৰ ধৰা
স্বাগতম্ স্বাগতম্ স্বাগতম্ স্বাগতম্।

ৰচনা ঃ মহেন্দ্ৰ আহোম
সুৰকাৰ ঃ পবন চন্দ্ৰ গগৈ

Printed at : Sri Ganesh Printers
Sankardev Market, Noonmati, Guwahati-781020
Phone : 9707010889, 9101164461
E-mail : bhattacharyyapratul@gmail.com

# অশ্ৰু অঞ্জলি

বিগত সময়ছোৱাত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ
সন্মানীয় সদস্যসকলৰ লগতে মহাবিদ্যালয়ৰ
যিসকল শিক্ষাগুৰু, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে
এই বিনন্দীয়া ধৰণীৰপৰা চিৰবিদায় মাগিলে
তেখেতসকলৰ পবিত্ৰ স্মৃতিত
আমাৰ এই অশ্ৰু অঞ্জলি

**সম্পাদনা সমিতি**



# কৃতজ্ঞতা সহকাৰে ঋণ স্বীকাৰ

জাগীৰোড সমষ্টিৰ সন্মানীয় বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী, মাননীয়  শ্ৰীযুত পীযুষ হাজৰীকা মহোদয়,
গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মাননীয় অধ্যাপক শ্ৰীযুত ননী গোপাল মহন্ত মহোদয়,
মৰিগাঁও জিলাৰ আয়ুক্ত মাননীয় শ্ৰীযুত দেবাশীষ শৰ্মা মহোদয়,
জাগীৰোড মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মাননীয় ডাঃ পুনিৰাম পাতৰ মহোদয়,
মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° ভবেন চন্দ্ৰ নেওগ মহোদয়,
আলোচনীখনৰ তত্ত্বাৱধায়কদ্বয় ড° মীৰা বৈশ্য আৰু অনিন্দিতা কৰ মহোদয়া,
IQAC-ৰ সমন্বয়ক তথা সম্পাদনা সমিতিৰ সদস্য মাননীয় ড° চিত্তৰঞ্জন চৰকাৰ মহোদয়,
সম্পাদনা সমিতিৰ সমূহ সদস্যবৃন্দ,
মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া,
চিত্ৰশিল্পী আৰু আলোচনীখনৰ প্ৰতিগৰাকী লেখক-লেখিকালৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।
লগতে ছপাশালৰ স্বত্বাধিকাৰী প্ৰতুল ভট্টাচাৰ্য ডাঙৰীয়া আৰু সমূহ কৰ্মচাৰীলৈ আমাৰ আন্তৰিক ধন্যবাদ জনালোঁ।

**সম্পাদক**



Shri Pijush Hazarika
Minister, Assam

सत्यमेव जयते

Water Resources, Information & Public Relations,
Printing and Stationery and Social Justice
& Empowerment Departments

Dated Dispur, the 29th January 2025



# MESSAGE

I am happy to learn that the Jagiroad College Students Union is bringing out the annual college magazine of the college for the session 2023-24. At the outset, I would like to offer my sincere wishes to all the members of the College fraternity.

We all know that the College Magazine is an apt platform for the students to nurture their creativity as it provides opportunity to develop their creative skills. There are many students gifted with good writing and creative skills, who initiate the literary journey exploring their innovative thoughts in college magazine. The college magazine also helps in documenting the students' activities of a particular year. I believe that the college magazine is the reflection of the intellectual and creative thinking of the youth of the society. Established in 1979, Jagiroad College has been a centre of higher education imparting knowledge to numbers of generations in the past four and a half decades. The college magazine of this esteemed educational institute is considered to be a literary and intellectual asset of the society. I am certain that the upcoming issue of the college magazine, *JCian*, will reflect the legacy of the college in an excellent way and will be widely appreciated among the readers. I offer my best wishes to everyone associated with the *JCian* on their endeavours.

**Date: 29-01-2025**

**(Pijush Hazarika)**

E-Block, Third Floor, Janata Bhawan, Dispur, Guwahati-781006, Assam

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Nani Gopal Mahanta**
**Vice Chancellor**



# MESSAGE

It gives me immense pleasure to convey these words of gratitude and appreciation for all stakeholders whose collective endeavour has contributed to the growth and emergence of Jagiroad College as an important centre for higher education in central Assam. The college has emerged as a strategically significant site for envisioning a sustainable future for the aspiring students of the region. I am sure it is going to play a determining role in fashioning the right kind of energetic individuals ready to redefine the socio-economic and cultural landscape of Assam.

The present Principal of the College, Dr. Bhaben Chandra Neog, has appreciably noticed the untapped potential of the region, and has accordingly introduced various employment-oriented and vocational courses geared towards upskilling the existing human resources and also moulding fresh talents from the local communities thereby enabling them to acquire the requisite competency as per the rising standards of academic and industrial excellence.

What I stated above is amply illustrated by the efforts of the students in bringing about yet another edition of the "Jagiroad College Magazine" with its content carefully and meticulously curated by the editorial board. I would like to urge the Principal and the Editorial Board of the College Magazine "JCian" to make digital copies of the magazine and also digitise earlier editions of the same, all of which could possibly be uploaded on the college website for easy accessibility of the global readership. I am thankful for this opportunity to share my thoughts on the college and the magazine it has brought out so beautifully, and I wish the very best for all concerned in every capacity in this noble endeavour.

Date : 08.02-2025

Vice Chancellor
Gauhati University

**Address** : Guwahati-781014 Assam:India | E-mail: vc@gauhati.ac.in | **Web** : www.gauhati.ac.in

**Devasish Sharma**, IAS
District Commissioner
Morigaon (Assam)

सत्यमेव जयते

Azadi Ka Amrit Mahotsav

**OFFICE OF THE DISTRICT COMMISSIONER**
MORIGAON (ASSAM)
Tel : 03678-240225 (O)
03678-240235 (R)
03678-240308 (F)
8811951552 (M)
Email : dc-morigaon@nic.in



# MESSAGE

I am delighted to learn that Jagiroad College is publishing its annual magazine, JCian, for the session 2023-24. This initiative reflects the vibrant academic and cultural environment of the college and serves as a platform for students to showcase their creativity, thoughts, and achievements.

Jagiroad College has consistently upheld its reputation as a center of excellence in higher education under the aegis of Gauhati University. The college's NAAC A+ accreditation is a testament to its commitment to academic rigor, holistic development, and societal contribution. The publication of JCian further underscores this commitment by fostering intellectual engagement and nurturing talents among students.

A college magazine is more than just a collection of articles; it is a mirror of the institution's ethos, aspirations, and dynamism. I am confident that JCian will inspire students to think critically, express freely, and contribute meaningfully to society. It will also serve as a repository of memories and achievements that will be cherished by all stakeholders in the years to come.

On this occasion, I extend my heartfelt congratulations to the editorial team, contributors, and the entire Jagiroad College community for their efforts in bringing out this publication. May this magazine continue to inspire and motivate students to strive for excellence in all their endeavors.

Best wishes.

(Devasish Sharma, IAS)
District Commissioner
Morigaon

**ডাঃ পুনিৰাম পাতৰ**
সভাপতি, পৰিচালনা সমিতি,
জাগীৰোড মহাবিদ্যালয়



# শুভেচ্ছাবাণী

সকলোলৈকে সেৱা জনাইছোঁ।

জাগীৰোড মহাবিদ্যালয়ৰপৰা ২০২৩-২৪ শিক্ষা বৰ্ষৰ ছাত্ৰ একতা সভাৰ পৰা Jcian নামৰ আলোচনীখন প্ৰকাশ হ'ব বুলি জানি নথৈ আনন্দিত হৈছোঁ। মহাবিদ্যালয়ৰ আলোচনী এখনে পূৰ্বৰ স্মৃতি, পূৰ্বৰ পৰম্পৰা, পূৰ্বৰ সাহিত্য-সংস্কৃতি আৰু অগ্ৰজ সকলৰ জ্ঞান গৰিমা সম্বলিত সাহিত্য আৰু পূৰ্বলোকৰ বুৰঞ্জী কঢ়িয়াই নতুন ৰূপত প্ৰস্ফুটিত হৈ উঠে আৰু তাৰ লগতে নতুন লেখকৰ জ্ঞান সমৃদ্ধ লেখাই সোণত শুৱগা চৰায়। তাৰ নামেই আলোচনী।

এখন আলোচনী বা গ্ৰন্থ সাৰ্থক ৰূপত জিলিকি উঠে পঢ়ুৱৈসকলৰ পঠন আৰু সমাদৰৰ যোগেদি, যাৰ ফলত লেখকে লাভ কৰে অফুৰন্ত প্ৰেৰণা। আলোচনীখনৰ সম্পাদনা সমিতিৰ তত্বাৱধায়কদ্বয়, সম্পাদক আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক আমাৰ হিয়াভৰা স্নেহ আৰু শুভাশীষ প্ৰদান কৰিছোঁ। আন্তৰিকতাৰে আশা কৰোঁ, তথ্য আৰু জ্ঞানসমৃদ্ধ আলোচনী এখন আপোনালোকৰ স্বহস্তে উজলি উঠক তাৰ কামনাৰে -

জয়তু জেচিয়ান।

দিনাংক ঃ ২৫-০১-২০২৫

**ডাঃ পুনিৰাম পাতৰ**
সভাপতি, পৰিচালনা সমিতি,
জাগীৰোড মহাবিদ্যালয়

**Dr. Bhaben Chandra Neog,** MSc. MPhil, PhD.
Principal & Secretary
Jagiroad College, Jagiroad, Morigaon, Assam
Contact: 9508399322
E-mail: jagiroadcollege12@gmail.com



# অধ্যক্ষৰ একলম

২০২৩-২৪ বৰ্ষৰ জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী 'জেচিয়ান' সময়মতে প্ৰকাশ হ'ব, ই এক খবৰ হৈ পৰিছে। ইন্টাৰনেটৰ সুবিধাসহ স্মাৰ্ট ম'বাইল হাতত পোৱাৰ পিছত শিক্ষানুষ্ঠানসমূহত গ্ৰন্থৰ অধ্যয়ন কৰা, সাহিত্য চৰ্চা কৰা, কবিতা লিখা বা পঢ়ি ভালপোৱা শিক্ষাৰ্থী আঙুলিৰ মূৰত গণিবলৈও নোহোৱা হোৱাৰ উপক্ৰম হৈ পৰিল। ফলত মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশৰ বাবে লিখনি দিয়াৰ বাবে লেখক-লেখিকাৰ ভিৰ নোহোৱা হ'ল। যি খিনি প্ৰকাশ হয় তাৰ গৰিষ্ঠ সংখ্যক লিখনি আলোচনী তত্ত্বাৱধায়কৰ তাগিদাৰ ফল বুলিহে ক'ব পাৰি। একো একোখন আলোচনী একো একোজন ভবিষ্যতৰ কবি বা সাহিত্যিকৰ জন্ম হোৱাৰ এখন মঞ্চ হোৱাৰ অলেখ উদাহৰণ আছে। আশা কৰিছোঁ, 'জেচিয়ান'ত লিখনি প্ৰকাশ কৰাসকলৰ মাজৰে কোনোবাজন তেনে এখন মঞ্চ শুৱনি কৰা ব্যক্তি হিচাপে আগন্তুক দিনত জিলিকি উঠিব।

'জেচিয়ান'ৰ জৰিয়তে জাগীৰোড মহাবিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ ইয়াত অধ্যয়ন কৰি থকাৰ সময়ত হোৱা তেওঁলোকৰ বিশেষকৈ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ অভিজ্ঞতাৰ আভাস পাব পৰা বহু কথাই সংযোজন হওঁক তাৰে কামনা কৰিলোঁ । এই 'জেচিয়ান' আলোচনীখন সৰ্বাঙ্গ সুন্দৰ ৰূপত জিলিকি উঠক তাৰে কামনা কৰি আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

দিনাংক ঃ ২৫-০১-২০২৫

ড° ভবেন চন্দ্ৰ নেওগ
অধ্যক্ষ,
জাগীৰোড মহাবিদ্যালয়




## মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি




অধ্যক্ষ মাননীয় ড° ভবেন চন্দ্ৰ নেওগৰ সৈতে
মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু তত্ত্বাৱধায়ক সকল

86 years of service to the nation

# The Assam Tribune

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & DIBRUGARH    Pages 16 Price: ₹ 9.00

RN-1127/57 TECH/GH – 103/2021-2023, VOL. 86, NO. 294    www.assamtribune.com    /THEASSAMTRIBUNE    /ASSAMTRIBUNEOFF    /THEASSAMTRIBUNE_OFFICIAL    GUWAHATI, WEDNESDAY, OCTOBER 30, 2024

## *Jagiroad College hosts workshop on semiconductor industry*

**CORRESPONDENT**

JAGIROAD, Oct 29: An international workshop on 'Semiconductor Ecosystem: Awareness and Opportunities for Northeast India' was held in the form of an industry-academia interaction at Jagiroad College on October 25.




In the inaugural session, the principal of the college, Dr Bhaben Chandra Neog, delivered the welcome address in front of the dignitaries, guests, and participants who came to the workshop from different universities and colleges.

The workshop discussed in detail about the potential impact, including employment, development and economic fallout, of the upcoming semiconductor industry to be set up by the Tata Group in Jagiroad.

The workshop was jointly organised by the North East India Scientific and Entrepreneurial Diaspora (NEISED), National Institute of Electronics and Information Technology (NIELIT), Guwahati, VSLI Society of India, and Jagiroad College, and attended by several renowned experts from India and abroad.

The workshop was attended by more than 500 participants from various educational institutions of Assam and other Northeastern states. A large number of students and faculty members of Jagiroad College also took part in the workshop.

The event was formally inaugurated by Devashish Sharma, the district commissioner of Morigaon, who was the chief guest. The distinguished guest, Ashish Mishra, designated director of the Jagiroad project of the Tata Group, provided an overview of the project.

Dr Y Jayant Singh, executive director of NIELIT, Dr Satya Gupta, president of VSLI Society of India, Rajeev Khusho, director, Govt Relations and Corporate Affairs of Texas Instrument India Pvt Ltd, Chitra Hariharan, the head of University Relations, Govt Affairs and Start-up Collaborations of Renesas, Dr Achyut Bora, head of R&D of Qukinno, Berlin, Germany, Sanjeev Hazarika, director of Exiger Technology, Bengaluru, L Lanuabang of NILIT, Prof Jogen Chandra Kalita from Gauhati University, vice chancellor of AdtU Prof Narayan Chandra Talukdar, Prof Hiranya Nath from USA, and more than 30 experts from various fields of semiconductor-linked industries participated in the parallel panel sessions.

Special guest Uddhav Bharali participated as the chief judge of the model and poster competitions. Among the 25 models and 45 posters displayed at the event, the best were selected and awarded with cash prizes and certificates.

It may be mentioned that the Tata Group has already performed the *bhumi pujan* ceremony in the erstwhile Nagaon Paper Mill campus to establish a large, ambitious semiconductor assembly, test and packaging plant. It was Dr Himanta Biswa Sarma whose visionary leadership yielded the semiconductor assembly, test and packaging plant as per the semiconductor industry policy of the Union Ministry of Information Technology, with the aim of ushering in a new era in India.

This new industry has huge potential for applying advanced technology in various sectors like communication, health, space, military, automotive, etc., to make the country self-reliant in the days to come.

The college's principal, Dr Neog, expressed his sincere appreciation to Dr Parmananda Saikia, a distinguished scientist from the United States, for his valuable behind-the-scenes participation in the workshop. Sanjeev Hazarika offered the vote of thanks.



## জাগীৰোডত চেমিকণ্ডাক্টৰ বিষয়ক আন্তৰ্জাতিক কৰ্মশালা

'আমাৰ অসম'ৰ জাগীৰোডৰ বিশেষ প্ৰতিবেদক আৰু প্ৰতিবেদক, ২৮ অক্টোবৰ ঃ ভাৰতৰ প্ৰযুক্তিখণ্ডত স্বনিৰ্ভৰশীলতাৰ নতুন যুগৰ সূচনা কৰাৰ লক্ষ্যৰে ভাৰত চৰকাৰৰ প্ৰত্যক্ষ তথ্য প্ৰযুক্তি নীতিৰ অধীনত অসম চৰকাৰৰ সহযোগত জাগীৰোডত টাটা ইলেক্টনিকছ' লিমিটেডৰ উদ্যোগত এক বৃহৎ অভিলাষী চেমিকণ্ডাক্টৰ এছেম্বলি, টেষ্ট এণ্ড পেকেজিং উদ্যোগৰ বাবে ভূমি পূজনকে ধৰি প্ৰাৰম্ভিক কাম-কাজ সম্পন্ন হৈ যায়। এই নব্য প্ৰযুক্তিৰ উদ্যোগে আগন্তুক দিনত কেনেদৰে আমাৰ দেশক স্বনিৰ্ভৰশীল হ'ব পৰাকৈ যোগাযোগ, স্বাস্থ্য, মহাকাশ, সামৰিক, অটোম'বাইল আদি বিভিন্ন খণ্ডত উন্নত প্ৰযুক্তিৰ কাৰিকৰী কৌশল প্ৰয়োগ কৰাৰ বৃহৎ সম্ভাবনা কঢ়িয়াই লৈ আহিছে আৰু নিযুক্তি, উন্নয়ন, অৰ্থনীতিকে ধৰি কেনেধৰণৰ প্ৰভাৱ পৰাৰ সম্ভাবনা কঢ়িয়াই লৈ আহিছে তাৰ বিষয়ে বিতংভাৱে আলোচনা বিলোচনা কৰাৰ উদ্দেশ্যে জাগীৰোড মহাবিদ্যালয়ত এক আন্তৰ্জাতিক কৰ্মশালা যোৱা ২৫ অক্টোবৰত অনুষ্ঠিত হৈ যায়। NEISED, NIELIT গুৱাহাটী, VSLI Society of India আৰু জাগীৰোড মহাবিদ্যালয়ৰ যৌথ উদ্যোগত আয়োজিত এই বিশেষ কৰ্মশালাত দেশ বিদেশৰ কেইবাজনো বিশেষজ্ঞই অংশগ্ৰহণ কৰে। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা প্ৰায় পাঁচ শতাধিক আৰু জাগীৰোড মহাবিদ্যালয়ৰ ভালেসংখ্যক প্ৰতিনিধিৰ উপস্থিত ৰে আয়োজিত এই কৰ্মশালাত মডেল আৰু পোষ্টাৰ প্ৰদৰ্শনী প্ৰতিযোগিতা আৰু অনুষ্ঠিত হৈছিল। কৰ্মশালাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে আদৰণি ভাষণ প্ৰদান কৰে। মৰিগাঁও জিলাৰ সন্মানীয় আয়ুক্ত দেৱশীষ শৰ্মাই মুখ্য অতিথি হিচাপে তেখেতৰ বক্তব্য আগবঢ়ায়। টাটা ইলেক্টনিকছ লিমিটেডৰ জাগীৰোড প্ৰকল্পৰ সঞ্চালক আশিস মিশ্ৰই বিশেষ আমন্ত্ৰিত অতিথি হিচাপে জাগীৰোডত টাটা গ্ৰুপৰ দ্বাৰা নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰা প্ৰকল্পৰ এক অৱলোকন আগবঢ়াই তেওঁৰ ভাষণ প্ৰদান কৰে। NIELIT ৰ কাৰ্য্যবাহী সঞ্চালক ড° ৱাই জয়ন্ত সিং, VSLI Society ৰ বিষয়া ড° সত্য গুপ্তা, টেক্সাস ইনষ্ট্ৰুমেণ্টেচনৰ বিষয়া ৰাজীৱ খুছো, ৰেনেচাছৰ চিত্ৰা হৰিহৰণ, জাৰ্মানীৰ কুকিন'ৰ মুখ্য বিষয়া আকৰ্ষণ ড° অচ্যুৎ বৰা, এক্সিজাৰ টেকৰ মুখ্য বিষয়া সঞ্জীৱ হাজৰিকা, নাইলিটৰ এল লনুৱাবাং, গুৱাহাটী বিশ্ববদ্যালয়ৰ পৰা অধ্যাপক যোগেন চন্দ্ৰ কলিতা, ডাউন টাউন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক নাৰায়ণ চন্দ্ৰ তালুকদাৰ, আমেৰিকাৰ পৰা অধ্যাপক হিৰণ্য নাথ, আৰু চেমিকণ্ডাক্টৰ উদ্যোগৰ ভিন্ন ক্ষেত্ৰৰ লগত জড়িত প্ৰায় ত্ৰিশজনৰো অধিক বিশেষজ্ঞই সমান্তৰালভাৱে অনুষ্ঠিত পেনেলত অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিশেষ আমন্ত্ৰিত অতিথি পদ্মশ্ৰী উদ্ধৱ ভৰালীয়ে মডেল আৰু পোষ্টাৰ প্ৰতিযোগিতাৰ মুখ্য বিচাৰক হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰদৰ্শন কৰা ২৫টা মডেল আৰু ৪৫খন পোষ্টাৰৰ মাজৰ পৰা শ্ৰেষ্ঠসকলক নিৰ্বাচিত কৰি নগদ ধনৰ টোপোলাসহ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। আমেৰিকাৰ পৰা বিশিষ্ট বিজ্ঞানী ড° পৰমানন্দ শইকীয়াই নেপথ্যৰ পৰা সমগ্ৰ কৰ্মশালাখনত অতি সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ বাবে অধ্যক্ষ ড° নেওগে তেওঁৰ আন্তৰিক শলাগ লয়। অসম সংগীতেৰে আৰম্ভ হোৱা কৰ্মশালাখনত অংশগ্ৰহণ কৰা সকলোকে Exiger Tech ৰ সঞ্চালক তথা NEISED ৰ কাৰ্যবাহী সঞ্জীৱ হাজৰিকাই শলাগৰ শৰাই আগবঢ়ায় আৰু ৰাষ্ট্ৰীয় সংগীতেৰে সামৰণি মাৰে।















NIELIT
Our Esteemed Academic Pa




Graduation Ceremony
HG AMOGH LILA DAS
slac




Cultural Programme



# তত্ত্বাৱধায়কৰ একাষাৰ





মানৱ জীৱনৰ স'তে সাহিত্যৰ সম্পৰ্ক অৱিচ্ছেদ্য। কিয়নো, মানুহৰ অভিজ্ঞতা তথা বৌদ্ধিক উৎকৰ্ষতাৰ নিঃসৰণ হৈছে মানুহৰ ভাৱ-অনুভূতি প্ৰকাশ কৰা সাহিত্য। মানুহে কেৱল অন্ন, বস্ত্ৰ, বাসস্থানৰ পৰিপূৰকতাৰ ওপৰতে সীমাৱদ্ধ হৈ থাকিব নোৱাৰে বা নোখোজে। আত্মাৰ তৃপ্তি বা মানসিক তৃপ্তিৰ বাবে মানুহে সাহিত্য পঢ়ে, সাহিত্য ৰচনা কৰে। সেয়ে সাহিত্য হৈছে মানুহৰ অন্তৰ্লীন চিন্তা-চেতনাৰ বৰ্হিপ্ৰকাশৰ মাধ্যম। মানুহৰ মানসিক উৎকৰ্ষতাৰ বাবে তথা আত্মাৰ পৰিপুষ্টিৰ বাবে সাহিত্য অধ্যয়ন কৰাটো আৰু লগতে সাহিত্য-চৰ্চা কৰাটো অতি দৰকাৰী।

ছাত্ৰ-ছাত্ৰীসকলৰ মহাবিদ্যালয়ত পঢ়ি থকা সময়ছোৱা হৈছে জীৱনৰ আটাইতকৈ মূল্যৱান সময়। কিয়নো, এই সময়ছোৱাত যদি সকলো দিশৰপৰা নিজক বিকাশ কৰাৰ প্ৰৱণতা গঢ় নিদিয়ে, তেতিয়া মানুহৰ জীৱনৰ পৰৱৰ্তী সময়ছোৱাত ব্যক্তিত্বৰ বিকাশ পূৰ্ণ ৰূপত প্ৰকাশ্যমান নহয়। জীৱনৰ সেই অপূৰ্ণতা পূৰণৰ স্বাৰ্থত মহাবিদ্যালয়সমূহত সেয়েহে 'মহাবিদ্যালয় সপ্তাহ' পালন কৰাৰ লগতে প্ৰতিটো কাৰ্যকালত একোখনকৈ মহাবিদ্যালয়ৰ মুখপত্ৰ স্বৰূপ আলোচনী প্ৰকাশ কৰিবলৈ যত্ন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ মাজেৰে গঢ় লোৱা বৌদ্ধিক জগতখনৰ মাজতো কল্পনাৰে উমাল আন এখন জগত থাকে। সেই জগতখন হৈছে সৃজনশীলতাৰ জগত। গল্প, কবিতা, প্ৰবন্ধ, চিন্তাশীল লেখনী, ৰস ৰচনা আদিয়ে ছাত্ৰ-ছাত্ৰীৰ মানসিক জগতখনৰ পৰিপুষ্টি সাধন কৰে। শাৰীৰিক, মানসিক আৰু বৌদ্ধিক- এই তিনিওৰে সমানুপাতিক বিকাশেহে সমাজৰ বাবে প্ৰগতিশীল আৰু কল্যাণকামী মানুহৰ সৃষ্টি কৰিব পাৰে।



জাগীৰোড মহাবিদ্যালয়ত ২০২৩-২০২৪ বৰ্ষৰ আলোচনী বিভাগৰ তত্ত্বাৱধায়কৰ গুৰু দায়িত্ব শ্ৰদ্ধাৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগদেৱে আমাক যথেষ্ট আস্থা সহকাৰে অৰ্পণ কৰে; ইয়াৰ বাবে আমি অধ্যক্ষ মহোদয়ক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিগত কিছু বছৰত আলোচনী প্ৰকাশৰ সুঁতিটো প্ৰায় স্তব্ধ হৈ যোৱাৰ দৰেই হৈছিল। সেয়েহে, যথেষ্ট প্ৰত্যাহ্বানেৰে এই সময়ছোৱা আগবাঢ়িব লগা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি অনীহা আৰু লিখাৰ প্ৰতি গুৰুত্বহীনতাই মাজে মাজে হতাশ কৰিছিল যদিও, ন ন কৌশল অৱলম্বন কৰি অৱশেষত যথেষ্ট লিখনি পোৱাটো সম্ভৱ হ'ল, যিয়ে আমাক উৎসাহিত কৰি তুলিলে আলোচনীখনক প্ৰকাশৰ পথলৈ নিয়াৰ বাবে। এইক্ষেত্ৰত, সম্পাদক গৰাকীৰ ঐকান্তিক প্ৰচেষ্টাক নিশ্চয়কৈ শলাগ ল'ব লাগিব। সম্পাদনা সমিতিৰ সকলোৰে আশাশুধীয়া প্ৰচেষ্টাত জাগীৰোড মহাবিদ্যালয় আলোচনীয়ে সময়ৰ কষটিত 'জেচিয়ান' (Jcian) ৰূপে ন খোজ ল'লে। মহাবিদ্যালয়ৰ মুখপত্ৰ খনক গতিশীলতাৰে প্ৰৱাহমান কৰাৰ ক্ষেত্ৰত দৰাচলতে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰসমাজ-সকলোৰে এক গুৰুদায়িত্ব। এই দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত আমাৰ অমনোযোগিতাই আমাৰ চিন্তা-চেতনাৰ বাৰ্ষিক স্মাৰকখনৰ গতি ৰুদ্ধ কৰি দিয়ে। আমি প্ৰত্যেকেই এই দায়িত্বৰ প্ৰতি আগ্ৰহী হোৱা উচিত। ছাত্ৰ-ছাত্ৰীসকলক বৰ্তমানৰ ডিজিটেল জগতখনৰ

পৰা একেবাৰে আঁতৰাই অনাটো কেতিয়াও সম্ভৱ নহয়। কিন্তু, সেই ডিজিটেল জগতখনক লগত ৰাখিয়ে সাহিত্য সৃষ্টিৰ ন ন তথ্য আৰু কৌশলৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহী কৰি তোলাটো আমাৰ সকলোৰে দায়িত্ব। সাহিত্য হৈছে চিন্তা-সাহিত্য হৈছে চেতনা-সাহিত্য হৈছে সৃষ্টি ...। চিন্তাৰপৰা সৃষ্টিলৈ গতি কৰাৰ যি অনন্ত প্ৰেৰণা, সেই প্ৰেৰণা আমাৰপৰা ছাত্ৰ সমাজলৈ বোঁৱাই দিব পাৰিলেই 'জেচিয়ান'ৰ গতি কোনোৱে স্তব্ধ কৰিব নোৱাৰে। ইয়াৰ বাবে আমি আশাবাদী।

আমাৰ এই যাত্ৰাত সৰ্বতো প্ৰকাৰে দিহা-পৰামৰ্শ দি আমাক উপকৃত কৰা অধ্যক্ষ মহোদয়ৰ পুনৰবাৰ শলাগ ল'লো। আলোচনীখনলৈ লেখা প্ৰদান কৰি তাক প্ৰকাশ কৰি উলিওৱাত সহায় কৰা আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ পুনিৰাম পাতৰ মহোদয়, অৱসৰপ্ৰাপ্ত প্ৰাক্তন অধ্যাপকসকল, বৰ্তমানৰ কৰ্মৰত শিক্ষাগুৰুসকল, কৰ্মচাৰীসকল, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা সুদহৃ সকলো কৃতজ্ঞতাৰ পাত্ৰ। লগতে সম্পাদনা সমিতিৰ সমূহ সদস্যক তেওঁলোকৰ নিৰবিচ্ছিন্ন সেৱাৰ বাবে আন্তৰিক কৃতজ্ঞতা জনালোঁ। আমি যোগাযোগ কৰাৰপৰা অতি সীমিত দিনৰ ভিতৰত আলোচনীখন সুন্দৰকৈ ছপা কৰি দিয়াৰ বাবে শ্ৰী গণেশ প্ৰিণ্টাৰ্ছৰ সমূহ কৰ্মকৰ্তালৈ আন্তৰিক ধন্যবাদ জনালোঁ। শেষত আলোচনীখনত ৰৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিলো।

**ড° মীৰা বৈশ্য**
**অনিন্দিতা কৰ**

●●●



# সম্পাদকীয়...



"সাহিত্য নো কি? সাহিত্য হৈছে এটি অমিয়া সুৰৰ ঝংকাৰ, এক সঁচা অনুভৱ, নিস্বাৰ্থভাৱে ভালপোৱাই হৈছে সাহিত্য। সাহিত্যৰ মাজতেই পোৱা যায় জীৱনৰ আচল সোৱাদ। সাহিত্যই জীয়াই ৰাখে এটি ভাষাক এটি জাতিক।"

এখন আলোচনীয়ে, সমাজ এখনক শৃংখলাৱদ্ধভাৱে চলাই নিয়াত বিশেষ অৰিহণা যোগায়। আলোচনীয়ে বিশেষকৈ প্ৰভাৱিত কৰে ছাত্ৰ সমাজক। ছাত্ৰ সমাজেই হৈছে দেশৰ ভৱিষ্যত য'ত বৰ্তমান আৰু ভৱিষ্যত পৰিচালনাত বিশেষ ভূমিকা পালন কৰে যুৱ-প্ৰজন্ম তথা ছাত্ৰ-সমাজেই। তাৰে মাজতেই মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰপৰা ওলোৱা এখন আলোচনীয়ে সমাজৰ লগতে শিক্ষা তথা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত এক আলোড়নৰ সৃষ্টি কৰে। ছাত্ৰ-সমাজ তথা যুৱ-প্ৰজন্মৰ চিন্তা-ধাৰাই হৈছে দেশৰ প্ৰগতিৰ চিন্তাধাৰা। এই আলোচনীৰ মাজতেই সৃষ্টি হয় নতুন আলোড়নৰ, নতুন চিন্তা ধাৰাৰ। আমি একবিংশ শতিকাৰ নৱপ্ৰজন্ম। আমাৰ মাজতেই নিৰ্ভৰ হৈ আছে এখন সমাজ, এখন দেশ। মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰকাশ কৰি উলিওৱা আলোচনীসমূহৰ উদ্দেশ্যই হৈছে নৱ-প্ৰজন্ম তথা ছাত্ৰ সমাজৰ মাজত নৱ চেতনাৰ উৎস যোগাই তোলা।

শৈক্ষিক জীৱনৰ সময়কালত আমাৰ মনৰ ভাৱ-চেতনা প্ৰকাশ কৰাৰ মাধ্যমেই হৈছে এই আলোচনী। কিন্তু আমি জানো সেই সুযোগ গ্ৰহণ কৰো? হয়তো বহুতেই নকৰো, কিয়নো বৰ্তমান সময়ত আমি লিখা-মেলা, সাহিত্য-সংস্কৃতিৰ চৰ্চা কৰাতকৈ বেছিকৈ মনোনিবেশ কৰো নিজৰ, পৰত আৰু তাতোকৈ বেছি সময় অতিবাহিত কৰো ইণ্টাৰনেটৰ সঁচা-মিছা জগতখনত।

মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ আলোচনী এখন সম্পাদনাত মুখ্য ভূমিকা পালন কৰে, ছাত্ৰ-ছাত্ৰীসকলে। য'ত ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যত সম্পৰ্কে বা নিজৰ মনৰ ভাৱ সম্পৰ্কে লিখা উন্নত মানসম্পন্ন লিখনীয়ে আলোচনীৰ প্ৰতিটো পৃষ্ঠাৰ মান সমৃদ্ধ কৰি তোলে। কিন্তু বৰ্তমান সময়ত যেন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য-চৰ্চা বা আলোচনী এখনৰ বাবে লিখা দিবলৈ যি হাবিয়াস বা আগ্ৰহ থাকিব লাগে, সেইয়া যেন লাহে লাহে কমি আহিছে বা আধুনিকতাৰ সোঁতত হেৰাই গৈছে। কিয়নো বৰ্তমান সময়ৰ ছাত্ৰ-সমাজ তথা যুৱ-প্ৰজন্মই কেৱল ভাৰ্চুৱেল পৃথিৱীখনতে নিজকে লৈ ব্যস্ত; এইবোৰ লৈ চিন্তা-চৰ্চা কৰাৰ কোনো প্ৰয়োজনবোধেই নকৰে। যাৰ ফলত বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অলপতে খং কৰা, মানসিক অশান্তিত ভোগা আৰু মূলবোধৰ অভাৱ বেছিকৈ পৰিলক্ষিত হোৱা দেখা গৈছে। প্ৰতিজন ব্যক্তিক বিশেষকৈ বৰ্তমানৰ নৱ-প্ৰজন্মক ভৱিষ্যতৰ একোজন ভাল নাগৰিক হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত, লগতে মূলবোধৰ শিক্ষা দিয়াৰ ক্ষেত্ৰত কিতাপ, আলোচনীয়ে বিশেষ ভূমিকা পালন কৰে। সেইবাবে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাঠ্যক্ৰমৰ লগতে বাহিৰা কিতাপ, আলোচনী, উপন্যাস, গল্প ইত্যাদি পঢ়া-শুনাৰ লগতে লিখা-মেলাৰ চৰ্চাও কৰিব লাগে। তেতিয়াহে একোখন সমাজ, এটি ভাষা, এটি জাতি

জীয়াই থাকিব; নহ'লে আমি যেন ক'ৰবাত নিজেই হেৰাই যাবলৈ উপক্ৰম হৈছোঁ; নিজৰ জাতিটোক, নিজৰ মাতৃভাষাটিক অস্তিত্বৰ সংকটত আগবঢ়াই দিছো। আজি যদি আমি আমাৰ নিজৰ ভাষাক, নিজৰ সাহিত্য-সংস্কৃতিক জীয়াই ৰখাৰ ক্ষেত্ৰত অৰিহণা আগ নবঢ়াও, তেনেহ'লে আমাৰ উত্তৰ প্ৰজন্মই কেনেকৈ জীয়াই ৰাখিব? সেইবাবে সময় থাকোতেই বৰ্তমানৰ যুৱ-প্ৰজন্ম তথা ছাত্ৰ সমাজে নিজৰ সাহিত্য-সংস্কৃতিক লৈ, নিজৰ মাতৃভাষাৰ অস্তিত্বক লৈ ভাবিবৰ সময় হ'ল। কিয়নো সময় থাকোতেই সময়ৰ সদ্ ব্যৱহাৰ নকৰিলে পিছত আনৰ ওচৰত নিজৰ সাহিত্য-সংস্কৃতিক লৈ অস্তিত্বৰ সংকটত ভুগিব লগাৰ মানসিক অন্তৰ্দ্বন্দ্বত দিন কটাব লাগিব । সেয়েহে, 'বনফুলৰ কবি' যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাৰ ভাষাৰেই কওঁ -

"গোটোৱা গোলাপ কলি
সময় থাকোতে সখী
জীৱনৰ সোঁত বলি যায়।
যিটি ফুলে হাঁহি আজি
ফুলনি ফুলাই তোলে
কাইলৈ পাহি মেলি নেহাঁহে দুনাই
সময়ৰ সোঁত বলি যায় ।"

জাগীৰোড মহাবিদ্যালয়ৰ আলোচনীখন সম্পাদনা কৰাৰ ক্ষেত্ৰত মোৰ ওপৰত আস্থা ৰাখি যি গুৰু দায়িত্ব অৰ্পণ কৰা হৈছিল, তাৰ বাবে মই আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ভবেন চন্দ্ৰ নেওগদেৱলৈ অশেষ কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ । আলোচনীখনৰ বাবে লেখাসমূহ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত আৰু বৰ্ণাশুদ্ধি কৰাৰ পৰা ছপাশালত পঠিওৱালৈকে মূল্যৱান দিহা-পৰামৰ্শ আৰু উৎসাহপূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা তত্বাৱধায়ক ড° মীৰা বৈশ্য বাইদেউ আৰু অনিন্দিতা কৰ বাইদেউলৈ আন্তৰিকতাপূৰ্ণ শলাগ আগবঢ়োৱাৰ লগতে তেখেতদ্বয়ৰ ওচৰত চিৰঋণী হৈ ৰ'লো। আলোচনীখনৰ সম্পাদনাত আৰম্ভণিৰেপৰা সহায়-সহযোগিতা আগবঢ়োৱা সম্পাদনা সমিতিৰ সকলো সদস্যকে ধন্যবাদ তথা কৃতজ্ঞতা জনালোঁ। ইয়াৰ লগতে ছাত্ৰ একতা সভাৰ সকলো সদস্যৰে আন্তৰিকতাপূৰ্ণ সহযোগিতাৰ শলাগ ল'লো। আলোচনীখনৰ সম্পাদনাত সহায় আগবঢ়োৱা মোৰ সকলো বন্ধু-বান্ধৱী বিশেষকৈ প্ৰণৱজ্যোতি দাস, জিণ্টু কাঠাৰ আৰু চুম্পি দাসলৈ আন্তৰিক ধন্যবাদ জনালোঁ । শেষত, আলোচনীখনলৈ লেখা আগবঢ়োৱা সকলো লেখক-লেখিকালৈ ধন্যবাদ আগবঢ়াই আলোচনীখনত অনাকাংক্ষিতভাৱে ৰৈ যোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিলো।

**নিখিতা দাস**
আলোচনী সম্পাদক

●●●

# সূচীপত্র


- সাক্ষাৎকাৰ ⏭ ড° মীৰা বৈশ্য /১৫


## প্ৰবন্ধ


- দেশত উদিত সূৰ্যৰ নব্য প্ৰতিশ্ৰুতি লৈ টাটাৰ ছেমিকণ্ডাক্টৰ উদ্যোগ ঃ এক বৃহৎ ঔদ্যোগিক আৰু অৰ্থনৈতিক সম্ভাৱনীয়তা ⏭ ড° ভবেন চন্দ্ৰ নেওগ/২১
- পৃথিৱীৰ উদাসীন সংগঠন আৰু অসমৰ উদাসীন সত্ৰানুষ্ঠান ⏭ ড° খগেন শৰ্মা/২৫
- সুন্দৰ সাধনাৰ অন্য এক নাম গীতি-সাহিত্য ⏭ ড° পবন চন্দ্ৰ গগৈ/২৯
- নাৰীচেতনা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ ‘দ্ৰৌপদী’ ⏭ অদিতি দাস বৰুৱা/৩২
- ‘থেয়্যাম’ আৰু কিছু অনুভৱ ⏭ ড° গাৰ্গী ফুকন/৩৪
- ভাৰতীয় প্ৰান্তীয় ভাষাত ‘ৰামায়ণ’ চৰ্চা আৰু নেপালী সাহিত্যৰ কবি ভানুভক্ত আচাৰ্য ⏭ ড° কণিমা পাঠক/৩৭
- মূকাভিনয় ঃ ভাৰতীয় নাট্যকলাৰ এক অভিনৱ দিশ ⏭ বিজিত কুমাৰ দাস /৪১
- মধ্যযুগৰ ভাৰতীয় ভক্তিবাদী আলংকাৰিকসকলৰ এটি পৰিচয় ⏭ অপৰ্ণা ৰাজা/৪৫
- অসমীয়া সমাজ জীৱনত ‘কলপাত’ ⏭ ৰিম্পী বৰুৱা/৪৮
- মানসিকতা ⏭ সুস্মিতা দাস/৫০
- কন্যা সন্তানৰ ভৱিষ্যৎ স্বাধীনতা লিংগ বৈষ্যমতা ⏭ চুম্পি দাস/৫১
- অসমীয়া সমাজত তামোল-পাণৰ ব্যৱহাৰ ⏭ সবিতা মেধি /৫৩
- পৰিৱেশ সংৰক্ষণত আমাৰ ভূমিকা ⏭ মোহন সিং/৫৫
- নাৰী আৰু বৰ্তমান সমাজ ⏭ দিপিকা ডেকা/৫৮
- বিষ্ণুপ্ৰসাদ ৰাভা ঃ জীৱন আৰু কৃতি ⏭ ধ্ৰুৱ কুমাৰ দাস/৫৯




## গল্পাঞ্জলি...


- বন্ধুত্বৰ বান্ধোন ⏭ শ্ৰেয়া চুতীয়া /৬৫
- Imperfectly perfect ⏭ প্ৰত্যুষ ডেকা/৬৭
- অপবাদ ⏭ নৱনীতা শইকীয়া/৭১
- কলঙৰ সীপাৰে ⏭ অসীম ডেকা/৭৩
- সময় ⏭ নিখিতা দাস/৭৭




## অনুগল্প


- আৱৰ্জনা ⏭ সুস্মিতা দাস/৭৯
- অভাৱ ⏭ ধিৰুপৱন বৰদলৈ/৭৯
- ভয় ⏭ প্ৰণৱজ্যোতি দাস/৮০
- বাস্তৱ ⏭ চুম্পি দাস/৮০
- প্ৰতাৰণা ⏭ ভনিতা শৰ্মা/৮০
- পৰিচয় ⏭ ড° মীৰা বৈশ্য/৮১
- প্ৰতিদান ⏭ নিখিতা দাস/৮১


## চিঠি


- নীলা খামৰ চিঠি ⏭ স্মৃতি দাস/৮২


## কবিতা


- বিয়লি বেলাৰ আকুতি ⏭ ড° হাবীবুৰ ৰহমান/৮৫
- সম্পৰ্ক ⏭ ড° লভিতা শৰ্মা/৮৭
- স্তৱকত স্তব্ধ সময় ⏭ ওম প্ৰকাশ ডেকা/৮৮
- তোমাৰ নামত এটি কবিতা ⏭ পৰাণজ্যোতি মহন্ত/৮৯
- প্ৰত্যাশিত ক্ষণ ⏭ অৱন্তি কুমাৰ বৰা/৯০
- স্ৰোতস্বিনী ⏭ বিপুল পাতৰ/৯০
- আই অসমী ⏭ অভিজিৎ কোঁৱৰ/৯১
- আকাশ চুবৰ মন ⏭ বিস্মিতা বৰা/৯১
- প্ৰকৃতিৰ সন্তান ⏭ মাণিক ডেকা/৯২
- প্ৰেম ⏭ ভৰেশ ডেকা/৯২
- এটি আশা ⏭ নিশিতা বৰ্মন/৯৩
- দেউতা ⏭ মানস প্ৰতীম দাস/৯৩
- দিপ্তী ⏭ দিপ্তী বিশ্বাস/৯৪
- সময় ⏭ সুস্মিতা দাস/৯৪
- নাই আজি নাই ⏭ ভূপালী ঠাকুৰীয়া/৯৫
- জীৱন ⏭ মণিকা সৰকাৰ/৯৫
- অলপ শান্তিৰ সন্ধানত ⏭ প্ৰত্যুষ ডেকা/৯৬
- নিসংগতাৰ পিছত ⏭ সবিতা মেধি/৯৭
- ৰস নাইকিয়া জীয়া বৃক্ষ ⏭ ৰিম্পী বৰুৱা/৯৭
- এটি সুন্দৰ আগমণি ⏭ শ্ৰেয়া চুতীয়া/৯৮
- জাগীৰোড মহাবিদ্যালয় ⏭ ধিৰু পৱন বৰদলৈ/৯৮
- শেষ নিশাৰ চকুলো ⏭ প্ৰণৱজ্যোতি দাস/৯৯
- তুমি মোৰ বৰ আপোন ⏭ ড° মীৰা বৈশ্য/১০০

## অনুভৱ

- বন্ধু আৰু বৰণীয়া দিন ⏭ দিপ্তী বিশ্বাস/১০৩
- বিজ্ঞানৰ সৌন্দৰ্য ⏭ যীশুমণি বিশ্বাস /১০৫
- জাগীৰোড মহাবিদ্যালয়ত পঢ়ি থকাৰ মোৰ অনুভৱ ⏭ অভিজিত চৌধুৰী/১০৬
- জাগীৰোড মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটোৰ অভিজ্ঞতা ⏭ ৰাজ চৰকাৰ/১০৭
- জাগীৰোড মহাবিদ্যালয়ত পঢ়ি থকাৰ মোৰ অনুভৱখিনি ⏭ বিদ্যুৎ দত্ত/১০৮
- কলেজীয়া জীৱনৰ প্ৰথম দিনৰ অনুভৱ ⏭ সবিতা মেধি /১০৯
- জাগীৰোড মহাবিদ্যালয় মোৰ এক প্ৰেম যাৰ নাম এক ৰসাল স্মৃতিৰ অনুভৱ ⏭ উজ্জ্বলমণি তালুকদাৰ /১১০
- জাগীৰোড মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটোৰ অভিজ্ঞতা ⏭ জিনি মেধী/১১১
- জাগীৰোড মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটো ⏭ দিপিকা বিশ্বাস/১১২
- জাগীৰোড মহাবিদ্যালয়ত পঢ়া মোৰ অনুভৱ ⏭ গীৰ্জা ঠাকুৰীয়া/১১৩
- জাগীৰোড মহাবিদ্যালয় আৰু মোৰ অনুভৱ ⏭ ধিৰু পৱন বৰদলৈ /১১৪
- এক আৱেগ জাগীৰোড মহাবিদ্যালয়- এৰি অহা স্মৃতি সুঁৱৰি ⏭ নমিতা দাস/১১৬
- জাগীৰোড মহাবিদ্যালয়ত পঢ়ি থকাৰ সময়ৰ মোৰ অনুভৱ ⏭ পৰিস্মিতা বৰা/১১৮
- মোৰ অনুভৱত জাগীৰোড মহাবিদ্যালয় ⏭ সঞ্জয় ৰাজভৰ/১১৯
- জাগীৰোড মহাবিদ্যালয়ত মোৰ প্ৰথম দিন ⏭ কুশল বৰদলৈ/১২০

# English Section

## Essays

- Artificial Intelligence ⏭ Dr. Pranjal Sarma/123
- Can Plants Talk? ⏭ Dr. Sangeeta Sarma/126
- Chewing Habit Of Tobacco: A Serious Threat To Human Health ⏭ Dr. Linton Hazarika/128
- Polycystic Ovarian Disease [PCOD] ⏭ Zulekha Yasmin/132
- Origin of the College and its Evolution in India ⏭ Santanoo Gogoi/135
- History of Rajputs ⏭ Tripti Singh/137

## Short Fiction

- Kaike Atomo ⏭ Klirni Terangpi/139
- Friendship is not about money ⏭ Ashtha Neog/142
- Masquerade ⏭ Arup Kumar Nath ⏭ trans : Anindita Kar/144





## Poetry

- State of Mind ⏭ Stacie Kropi/149
- Silent Star ⏭ Suntara Bordoloi/150
- Petals of hope ⏭ Hanalisa Engtipi/150
- Echoes of loneliness ⏭ Gracy Sangma/151
- Oversized ⏭ Anindita Kar/151
- When Day Becomes Night ⏭ Ashtha Neog/152
- My pretty Grandmother ⏭ Nafija Rahman/153
- A poet ⏭ Partha Pratim Deka/156
- Lunch Bag ⏭ Klirni Terangpi/156

- **প্ৰতিবেদন**/১৫৫-১৬২
- **ৰঙীণ ফটো**/১৬৫

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, মনত ৰাখিবা কোনো অভাৱ আৰু সমস্যাই মানুহৰ মনৰ দৃঢ়তাক বাধা দিব নোৱাৰে। মই নিজৰ কথাৰে ক'ব খোজো বৰ্ণনাতীত কষ্ট আৰু সমস্যাৰ মাজেৰে মই লক্ষ্যত উপনীত হৈছোঁ। তোমালোকৰ মেধা আছে, তাক সঠিক ভাৱে প্ৰয়োগ কৰা, কৃতকাৰ্য হ'বাই।



# জাগীৰোড মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি শ্ৰদ্ধাৰ ডাঃ পুনিৰাম পাতৰ মহোদয়ৰ সৈতে হোৱা এক সাক্ষাৎকাৰ

সাক্ষাৎ গ্ৰহণ ঃ ড° মীৰা বৈশ্য

**প্ৰশ্ন ঃ** নমস্কাৰ। ডাঃ পুনিৰাম পাতৰ মহোদয়, আপোনাক আমাৰ জাগীৰোড মহাবিদ্যালয় পৰিয়ালবৰ্গই মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰূপে পাই যথেষ্ট উপকৃত হৈছো। আপোনাৰ কৰ্ম জীৱনৰ বৰ্ণিল যাত্ৰাৰ বিষয়ে কিছুকথা আপোনাৰ পৰা জানিব বিচাৰিছো।

**উত্তৰ ঃ** নমস্কাৰ, অসমৰ ভিতৰতে মৰ্যাদাপূৰ্ণ এখন মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সন্মানীয় সভাপতিৰ দায়িত্ব পালন কৰিবলৈ সুবিধা পোৱাটো মোৰ জীৱনৰ বাবেই এক পৰম সৌভাগ্য বুলি অনুভৱ কৰোঁ।

**প্ৰশ্ন ঃ** সৰুৰেপৰাই আপুনি যথেষ্ট সংগ্ৰামৰ মাজেৰে শিক্ষা জীৱনটোক আগবঢ়াই লৈ যাবলগীয়া হৈছিল। এইক্ষেত্ৰত আপুনি যথেষ্ট প্ৰত্যাহবানৰো সন্মুখীন হৈছিল। আপোনাৰ শিক্ষা জীৱনৰ কিছু অভিজ্ঞতা জনাব নেকি, যিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনাগত দিনত প্ৰেৰণা হৈ ৰ'ব।

**উত্তৰ ঃ** হয়। অতি সৰুকালৰপৰাই মই পিতাইৰ কৃষিকৰ্মৰপৰা আৰম্ভ কৰি সৰু-সুৰা বেপাৰ-বাণিজ্যৰ সকলো কামতে ছাঁৰ দৰে সহযোগী আছিলো, মই নিজে বেমাৰত পৰা দিনলৈকে। বহুত কষ্টৰ মূৰত সামান্য উপাৰ্জনেৰে আমাক পোহ-পাল দি পঢ়াব লগা হৈছিল। তাৰ মাজতে কেইবাজনৰো চিকিৎসাৰ খৰছ বহন কৰিবলগীয়া হৈছিল। অতি কষ্টকৰ সংগ্ৰামৰ মাজেৰে আহি মই এই স্থানত উপনীত হৈছোহি। প্ৰত্যাহ্বানসমূহৰ মাজেৰে তিতা-মিঠা অলেখ অভিজ্ঞতাই লাভ কৰিলো যদিও, জীৱনটোক সদায় মিঠা ৰূপতহে চোৱাৰ প্ৰতি মনোযোগ দি আহিছো। মই ঋণাত্মক চিন্তাক প্ৰায়ে আঁতৰাই ধনাত্মক চিন্তাক অগ্ৰাধিকাৰ দি আহিছোঁ। কোনো সমস্যাই মোক নিজ কৰ্তব্যৰপৰা আঁতৰাই ৰাখিব পৰা নাই, বৰঞ্চ সংগ্ৰামৰ দ্বাৰা দুগুণে অনুপ্ৰাণিতহে হৈ আহিছোঁ। মোৰ জীৱন কাহিনী অতি যন্ত্ৰণাদায়ক। আজিৰ দিনত কষ্ট কৰি জীৱন গঢ়াসকলৰ তুলনাত মোৰ জীৱনে পোৱা সমস্যাবোৰ কল্পনাতীত বুলিয়েই ক'ব লাগিব। প্ৰশ্ন হ'ব পাৰে, হয়নে? হয়, সেইয়াই মোৰ জীৱনৰ বাস্তৱ কাহিনী। ইমানৰ মাজতো মই নিজক সজাবলৈ চেষ্টা কৰিছিলো - কেৱল মানসিক চেতনা তথা শক্তিৰ জোৰত। ছাত্ৰ-ছাত্ৰীসকলে একাগ্ৰতাৰে অধ্যয়ন কৰাটোৰেই তেওঁলোকৰ তপস্যা। অৰ্থাৎ, যি কৰ্ম তাক নিয়াৰিকৈ সমাপণ কৰাটোৰেই তপস্যা। সিদ্ধি লভিবলৈ সাধনা লাগিবই। সাধনা

কৰিবলৈকে গুৰুসকলৰ আৰ্শীবাদ লাগিব। সাধু-সন্ত, গুৰুসকলৰ কৃপাত সদ্ বুদ্ধি, সৎ চিন্তা আৰু সেইসকলৰ কোপত অসৎ চিন্তা জাগ্ৰত হয় আৰু তাৰ পিছত অধোগতি। মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, মনত ৰাখিবা কোনো অভাৱ আৰু সমস্যাই মানুহৰ মনৰ দৃঢ়তাক বাধা দিব নোৱাৰে। মই নিজৰ কথাৰে ক'ব খোজো বৰ্ণনাতীত কষ্ট আৰু সমস্যাৰ মাজেৰে মই লক্ষ্যত উপনীত হৈছোঁ। তোমালোকৰ মেধা আছে, তাক সঠিক ভাবে প্ৰয়োগ কৰা, কৃতকাৰ্য হ'বাই।

**প্ৰশ্ন ঃ** চিকিৎসা সেৱাৰ দৰে এটি মহৎ কৰ্ম বাছি লোৱাৰ মূল উঁহটো কি ?

**উত্তৰ ঃ** একেটা সুৰতে ক'ব লগা হয় যে - মই চিকিৎসা সেৱা বাচি লোৱাৰ আঁৰতো অনেক কাৰক আছে। আমাৰ নিচিনা দৰিদ্ৰ কৃষকৰ সন্তান তাতে লালুং, যাৰ পঢ়া-শুনাৰ প্ৰতি মুঠেও ধাউতি নাছিল, তেতিয়াও নাছিল আৰু আজিও নাই। তেনে পৰিৱেশত মোৰ কিয় এনে মৰসাহ হ'ল (?) প্ৰশ্ন হ'ব পাৰে। অৱশ্যে মই Meritorious নাছিলোঁ, হ'লৈও গাঁৱৰ পৰিৱেশৰ প্ৰাথমিক বিদ্যালয়, মজলীয়া বিদ্যালয় আৰু হাইস্কুলত পঢ়া কালত শ্ৰেণীৰ ভিতৰত ৰোল নং ১ৰ পৰা পিছলা নাছিলো। অৱশ্যে মই ঘৰখন, গাঁওখন আৰু বিদ্যালয়ৰ গুৰুসকল সকলোৰেপৰা আদৰ পাবলৈ সক্ষম হৈছিলোঁ। সেইবোৰ মোৰ বাবে আশীৰ্বাদ হৈ পৰিল। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা শিশু কালতেই অসুস্থ আইক লৈ বেজ, চিকিৎসকৰ ঘৰে ঘৰে অনেক দিন দৌৰিব লগা হৈছিল। এই প্ৰক্ৰিয়া মজলীয়া বিদ্যালয় পৰ্যন্ত চলিল। শেষত যেনিবা আই সুস্থ হৈ উঠিল। তাৰ কিছুদিন পিছতে মোৰ বিবাহিত বাইদেউজনীও কিবা ৰোগত আক্ৰান্ত হ'ল আৰু মই বাইদেউকলৈয়ো ব্যস্ত হ'ব লগা হ'ল, পিছে বাইদেউ সুস্থ হৈ নুঠিল। তেওঁ চিৰ বিদায় ল'লে। এনেদৰে মই হাইস্কুল পালোগৈ, কিন্তু দুৰ্ভাগ্যই লগ এৰা নিদিলে। নৱম মান শ্ৰেণীত থাকোতে মই নিজেও এটা জটিল বেমাৰত পৰিলোঁ। নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ আগে আগে মই বিদ্যালয় এৰিব লগা হ'ল। প্ৰায় এবছৰৰো অধিক কাল মই বিছনাতে যন্ত্ৰণাত চিঞৰি থাকিব লগা হৈছিল। চিকিৎসাই কাম নিদিলে। মৃত্যু যন্ত্ৰণাত কাতৰ হৈ পৰিলোঁ। লিখা-পঢ়া নজনা কৃষক অতি সৎ, পৰিশ্ৰমী, দুখীয়া পিতাই আৰু আই মোক লৈ অসহায় হৈ পৰিল। তেনে সময়তে আমাৰ গাঁৱৰে অতি দয়ালু শিক্ষক এজনে নগাঁৱৰ পৰা এজন মানৱদৰদী চিকিৎসকক মাতি আনিলে। তেখেতে আহি নিজা গাড়ীৰে নি পানবজাৰস্থিত গুৱাহাটী মেডিকেল কলেজত ভৰ্তি কৰিলেগৈ। পিছদিনাখনেই অপাৰেচন হ'ল। মই কিছু আৰাম পালোঁ। তেনেসময়তে আমাৰ হাইস্কুলৰ প্ৰধান শিক্ষক চাৰে সুধি পঠালে যে মেট্ৰিক পৰীক্ষাৰ বাবে প্ৰয়োজনীয় ফিজ স্কুলে বহন কৰিব আৰু সি পৰীক্ষা দিব নেকি? ময়ো নভবা নিচিন্তা কৈ একে উশাহতে পৰীক্ষা দিম বুলি খবৰ পঠালোঁ - চাৰসকললৈ। কিছু পৰিমাণে সুস্থ হোৱাত ফেব্ৰুৱাৰী মাহত চিকিৎসালয়ৰ পৰা ঘৰ পালোহি। অসুখীয়া শৰীৰেৰেই এদিন চাৰসকলৰ আশীৰ্বাদ লৈ মাৰ্চ মাহত মেট্ৰিক পৰীক্ষা দিবলৈ বুলি নগাঁৱত বাঁহ-খেৰৰ কোঠা এটা ভাড়াত লৈ পৰীক্ষা দিবলৈ সাঁজু হ'লো। মোৰ মাজু ভাই থিলেশ্বৰে ভাত ৰান্ধে আৰু মোক পঢ়ি শুনায়, মই বিছনাত বাগৰিয়েই তাৰ পঢ়া শুনি শুনি আগবাঢ়িলোঁ। পৰীক্ষা কোনোমতে শেষ কৰিলোঁ- তেতিয়াও মোৰ অপাৰেচনৰ ঘাঁ শুকুৱাই নাছিল। ৰিজাল্ট ওলাল। ভগৱানৰ কৃপা আৰু চাৰসকলৰ আশীৰ্বাদ আৰু পিতৃ-মাতৃৰ যত্নৰ ফলত দ্বিতীয় বিভাগত মোৰ লগৰ সহপাঠী পৰীক্ষাৰ্থীৰ ভিতৰত বেছি নম্বৰলৈ মেট্ৰিক পাছ কৰিলোঁ। চাৰসকলৰ মৰ্য্যাদা কিঞ্চিত হ'লেও ৰক্ষা কৰিব পাৰিলোঁ- দশম শ্ৰেণীত এদিনো পাঠ গ্ৰহণ নকৰাকৈ। দুৰ্বলদেহাৰে নগাঁও কলেজত P.U.Sc ত নাম লগালোঁ গৈ যদিও, ভগ্ন স্বাস্থ্য আৰু Trigeno Metry ৰ যন্ত্ৰণাত ফেইল মাৰি দিলোঁ। আই-পিতাইয়ে দুখ পালে, কিন্তু মই ভাগি নপৰিলোঁ। পিছৰ বছৰত দ্বিতীয় বিভাগত পাছ কৰিলো। কিন্তু মনত মেডিকেল পঢ়াৰ বেমাৰে ধৰিলে। ঘৰৰ আৰ্থিক অৱস্থা তথৈবচ, তথাপি মেডিকেল পঢ়াৰ মৰসাহ। পিতাইয়ে সাহস দিলে- “ডাঙৰ পা, পঢ়িব খুজিছ যদি পঢ়, মই যি কষ্ট কৰিব লাগে কৰিম।” সঁচা সাঁচিকৈয়ে এই দুৰ্ভগীয়ায়ো মেডিকেলত ছিট এটা পালোঁ। কোনো দিনে নিজাকৈ খৰচ কৰি একাপ চাহ খোৱা বা চিনেমা চোৱা বা অবাৰতে খৰচ নকৰাকৈ অতি কষ্টকৰ চেষ্টাৰে M.B.B.S বোলা ডিগ্ৰী এটা লৈ ঘৰ পালোহি। কিন্তু দুভাৰ্গজনকভাৱে মই তৃতীয় বৰ্ষত পঢ়ি থাকোতেই পিতাই গুছি গ'ল। মোৰ দেখা-দেখিও নহ'ল। সেই বেদনাই আজিও মোক দহিবলৈ এৰা নাই। সৌভাগ্য ক্ৰমে

মোৰ মেডিকেল যাত্ৰাত মোৰ ভাই থিলেশ্বৰ আগবাঢ়ি আহিল-চাকৰি কৰি কিছু টকাৰে সহায় কৰিবলৈ আৰু লগতে হাত উজান দিলে-এজন ভিনিদেউ আৰু এজন খুড়াদেৱে। তেওঁলোকৰ কৃপাতে মই এজন ডাক্তৰ বুলি পৰিচয় দিব পৰা হ'লো। এয়ে মোৰ চিকিৎসা বৃত্তি গ্ৰহণ কৰাৰ কাহিনী। অৱশ্যে মই চিকিৎসা বৃত্তিক এক মহান মানৱ সেৱা বুলিয়ে জীৱন পাৰ কৰিলোঁ।

**প্ৰশ্ন ঃ** আপোনাৰ লিখনি কৰ্মৰ সম্যক আভাস দাঙি ধৰিলে আমাৰ পাঠক সমাজ নিশ্চয়কৈ উপকৃত হ'ব বুলি ভাবো।

**উত্তৰ ঃ** হাইস্কুলত পঢ়ি থকা কালতে কিতাপ লিখাৰ অভ্যাস কৰিছিলো। দুখন লিখা হৈছিল যদিও ছপা হৈ নোলাল। তাৰ পিছত মেডিকেল যাত্ৰা, তাৰ পিছত চাকৰিৰ ব্যস্ততা, লিখা মেলা কৰাৰ সময় নহ'ল। এদিন চাকৰিৰ পৰা অৱসৰ ললোঁ। তাৰ পিছত সমাজৰ কামত আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কামত ব্যস্ত হৈ থাকোতে পুনৰ কিবা লিখাৰ আগ্ৰহ জাগিবলৈ ধৰিলে। আৰম্ভ কৰিলো কবিতা পুথি, গল্প সংকলন আৰু ধৰ্মীয় প্ৰৱন্ধ সংকলন। এনেদৰে অৱসৰৰ সময়ৰ পৰা বৰ্তমানলৈকে তেৰ (১৩) খন গ্ৰন্থ প্ৰকাশ কৰা হৈছে। ইয়াৰ ভিতৰত সৰহ খিনিয়েই ধৰ্মীয় প্ৰৱন্ধ, তিনিখন নাটক, দুখন গল্প সংকলন আৰু শেহতীয়াকৈ এখন বুৰঞ্জীমূলক উপন্যাস। প্ৰাথমিক বিদ্যালয়ৰ শেষ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বাবে বাৰপূজীয়া কপিলী খণ্ড কাৰ্যালয়ৰ পৰা মহাত্মা গান্ধীৰ জীৱনী নামৰ গ্ৰন্থ এখনেৰে সম্বৰ্দ্ধনা জনাইছিল আৰু মহাত্মাৰ গান্ধী জীৱনীয়ে মোৰ জীৱনতো গভীৰ প্ৰভাৱ পেলালে আৰু সৰুকালৰ পৰাই- "Simple living and high thinking" ধাৰণাটো মনত গভীৰ ভাৱে শিপাবলৈ ধৰিলে আৰু Simplicity ৰ পৰা চাকৰি কালতো আঁতৰিব পৰা নহ'ল। তাৰ পিছত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ গ্ৰন্থইয়ো বিশেষ ক্ৰিয়া কৰিবলৈ ধৰিলে -যাৰ ছাপ মোৰ গল্প বিলাকত পৰা বুলি সহৃদয় পাঠকসকলে কোৱা শুনিবলৈ পাঁও।

**প্ৰশ্ন ঃ** মহাপুৰুষজনাৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মই আপোনাক কেতিয়াৰপৰা প্ৰভাৱিত কৰিছে; আৰু এই প্ৰভাৱে আপোনাৰ ব্যক্তিগত জীৱনত কি অৱদান আগবঢ়াইছে বুলি আপুনি ভাবে?

**উত্তৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ প্ৰতি ভক্তি ভাৱ সৰু কালৰ পৰাই আছিল। মজলীয়া বিদ্যালয়ত পঢ়ি থকা কালতে দুগৰাকীমান একান্ত ভকত আমাৰ গৃহলৈ অহা মনত আছে. আইৰ লিখা-পঢ়া নাছিল যদিও ধৰ্মানুৰাগী আছিল আৰু সেই অনুৰাগৰ কাৰণেই নাম দিব পাৰিছিল আৰু ঘোষাও গাব পাৰিছিল। এনেদৰেই ৬০-৭০ দশকত আমি গোটেই ঘৰখন শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী হৈ পৰিলো। ১৯৯৩ চনত মই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, মৰিগাঁও জিলা শাখাৰ সভাপতিৰ দায়িত্ব ল'ব লগা হ'ল আৰু ভকতৰ তাগিদাত শাস্ত্ৰ পঢ়িবলৈ, প্ৰবন্ধ- পাতি লিখিবলৈ বাধ্য হৈ পৰিলো। ফলশ্ৰুতিত প্ৰবন্ধ-পাতিবিলাক গোটাই-ছপাই-আঠখন ধৰ্মীয় প্ৰবন্ধ সংকলন প্ৰকাশিত হৈছে । বৰ্তমানলৈকে শঙ্কৰদেৱৰ সাহিত্য ৰাজি, মাধৱদেৱৰ সাহিত্য ৰাজিৰ পিছৰ জীৱনত গভীৰ প্ৰভাৱ পেলালে বুলি ভাবোঁ। সেই সাহিত্য ৰাজিয়ে-জীৱনৰ পথ দেখুৱালে, গতি দিলে আদৰ্শ দিলে আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাতো হৈছে-প্ৰশান্তি প্ৰদান কৰিলে। মাধৱদেৱৰ ভাষাৰে-উপলব্ধি কৰিলোঁ-

'আন যত সৱে মিছা ভক্তিৰ অভাৱে।'- ঘোষা

'বিনে গুৰু চৰণে ভকতি মুকতি কবহু নাহুয়'।-গুৰু ভটিমা

'কৃষ্ণস্ত ভগৱান স্বয়ম্'। - ভাগৱত

সামগ্ৰিকভাৱে জীৱনশৈলীৰ নিদান প্ৰদান কৰিলে।

**প্ৰশ্ন ঃ** জাগীৰোড মহাবিদ্যালয়ৰ লগত জড়িত হোৱাৰ আপোনাৰ অভিজ্ঞতাৰ বিষয়ে আপোনাৰ অনুভৱ জানিব বিচাৰিছো।

**উত্তৰ ঃ** মই ইতিমধ্যে উল্লেখ কৰিছো যে-জাগীৰোড মহাবিদ্যালয়ত জড়িত হোৱাটোৱে মোৰ বাবে সৌভাগ্য। সভাপতি হিচাপে মহাবিদ্যালয়খনক একো দিব নোৱাৰিলেও, মই ব্যক্তিগতভাৱে লাভান্বিত হোৱা বুলিয়েই ভাবোঁ- কিয়নো মই ইতিমধ্যে এখন উচ্চ মাধ্যমিক বিদ্যালয়, এখন মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰি যি অভিজ্ঞতা অৰ্জন কৰিছিলো, তাৰ তুলনাত মহাবিদ্যালয় পৰিচালনাৰ অতি গধূৰ, বিশাল আৰু বিস্তৃত। সৌভাগ্য যে ড° ভবেন চন্দ্ৰ নেওগৰ নিচিনা এগৰাকী অতি উদ্যমী, নিষ্ঠাৱান, কৰ্মযোগী, অভিজ্ঞ আৰু সুশীল অধ্যক্ষক লগ পাই কলেজ পৰিচালনাৰ ধাৰণা, শৈক্ষিক ব্যৱস্থাপনা, দায়িত্ববোধ, নিয়মানুৱৰ্ত্তিতা আৰু শৃংখলাবোধৰ জ্ঞান, শিক্ষাগুৰুসকলৰ সদাচাৰ, সহমৰ্মিতা, একতা, মিলা-প্ৰীতি আৰু কৰ্তব্য পৰায়ণতাৰ লগতে নতুন প্ৰজন্মৰ



ছাত্ৰ-ছাত্ৰীসকলৰ সজ আচৰণৰ পৰা মই নতুন শিক্ষা লাভ কৰিছো। মহাবিদ্যালয়ৰপৰা হোৱা এই অভিজ্ঞতাসমূহে মোক মুগ্ধ কৰি ৰাখিছে। লগতে কলেজখনৰ শৈক্ষিক পৰিৱেশ, আন্তঃগাঠনিকে ধৰি প্ৰাকৃতিক পৰিৱেশে সদায় আকৰ্ষণ কৰি থাকে। পুনৰবাৰ বুজি উঠিলো- শিক্ষাই জীৱন গঢ়ে, সমাজ গঢ়ে, সমাজ ধৰি ৰাখে, সমাজ পৰিচালনাত সহায় কৰে, প্ৰকৃতাৰ্থত এখন বিদ্যালয়ে মানুহ গঢ়া কাৰখানা ৰূপে পৰিচিত লাভ কৰে। 'যিমানে বিলাই দিবা, সিমানে মহান হবা'- এই আপ্ত বাক্যৰ সাৰ্থকতা-শিক্ষাগুৰুসকলৰ শিক্ষা প্ৰদানত-যাক দিনম্ দিনম্ প্ৰতিদিনম্ ছাত্ৰ-ছাত্ৰীক বিলাইও শিক্ষাগুৰুসকল নিৰ্ধনী হোৱা নাই, বৰং জ্ঞানৰ ভৰাঁল বিশাল হৈহে গৈ থাকে আৰু সেই গুৰুসকল মহানৰপৰা মহানেতাৰফালে ধাৱমান হৈ আছে।

**প্ৰশ্ন ঃ** আমাৰ জাগীৰোড মহাবিদ্যালয়ৰ অনাগত দিনৰ শ্ৰীবৃদ্ধি তথা উকৰ্ষতাৰ বাবে তথা ছাত্ৰ-ছাত্ৰীসকলৰ গুণগত দিশত অগ্ৰসৰ হোৱাৰ বাবে আপোনাৰ পৰা কিছু দিহা-পৰামৰ্শ পাম বুলি আশা কৰিছোঁ।

**উত্তৰ ঃ** ইয়াৰ উত্তৰত কওঁ - "জয়তু জাগীৰোড মহাবিদ্যালয়"। জয়তু..জয়তু...

"ওঁ, সৰ্বে ভৱন্তু সুখিনঃ সৰ্বে সন্তু নিৰাময়াঃ।
সৰ্বে ভদ্ৰাণি-পশ্যন্তু মা কশ্চিদুঃখ ভাৱেৎ।।
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ।।

হে মোৰ শ্ৰদ্ধেয়, প্ৰিয় জাগীৰোড মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলো কৰ্মকৰ্তা, শিক্ষাগুৰুসকল, কৰ্মচাৰীসদস্য-সদস্যাসকল, মৰমৰ ছাত্ৰ-ছাত্ৰীসকল-আপোনালোক সদায় সুখী হৈ থাকক, সদায় নিৰোগী হৈ থাকক, আপোনালোকৰ সদায় মঙ্গল হওঁক আৰু ইহকাল-পৰকাল কাহানিও যেন দুঃখ ভোগ কৰিব লগা নহয়- তাকে ভগৱানক প্ৰাৰ্থনা জনালোঁ।

অনুষ্ঠানৰ শ্ৰীবৃদ্ধি আৰু উৎকৰ্ষতা নিৰ্ভৰ কৰে পৰিচালনাৰ নিখুঁত, সুপৰিকল্পিত পৰিচালনা আৰু অনুষ্ঠানটোৰ লগত জড়িত সকলো পদাধিকাৰীৰ একান্ত সহযোগিতা, সমন্বয়, ভাতৃত্ববোধ আৰু একতা - এইবোৰ অনুষ্ঠানটোৰ শক্তি, শৌৰ্য আৰু এই সমূহৰ যথাযথ ব্যৱহাৰ, প্ৰয়োগ আৰু কৰ্তব্য নিষ্ঠাই হৈছে- মূলমন্ত্ৰ। জ্যেষ্ঠসকলৰ সজ আচৰণেই অনুজসকলৰ আদৰ্শ আৰু প্ৰেৰণা। অনুষ্ঠানৰ উৎকৰ্ষতা নিৰ্ভৰ কৰে তাত জড়িত পদাধিকাৰী তথা সদস্য-সদস্যাসকলৰ- "Sciencerity, Honestry and Punctuality"ৰ ওপৰত।

স্বামী বিবেকানন্দই প্ৰায়ে উক্ত কৰা বাণীটো হৈছে-
**"উত্তিষ্ঠত, জাগ্ৰত, প্ৰাপ্য বৰাণ্ নিবোধতঃ।"**
উঠা, জাগা আৰু বৰেণ্য জনৰপৰা জানি বুজি লোৱা।

●●●

# প্ৰবন্ধ



## একক চিন্তনেৰে গঢ়ি-পিটি সজোৱা শব্দবোৰ

প্ৰবন্ধ এক শিলাখণ্ড। শ্ৰমিক এগৰাকীয়ে শিলাখণ্ড ভাঙি ভাঙি
সৰু সৰু শিলৰ টুকুৰা গঢ়াৰ দৰে
মূল সত্য উপলব্ধিৰে
তাক নিজস্ব সৃষ্টিৰে অৱলোকন কৰাৰ প্ৰয়াস কৰে প্ৰবন্ধই...





# দেশত উদিত সূৰ্যৰ নব্য প্ৰতিশ্ৰুতি লৈ টাটাৰ ছেমিকণ্ডাক্টৰ উদ্যোগ ঃ এক বৃহৎ ঔদ্যোগিক আৰু অৰ্থনৈতিক সম্ভাৱনীয়তা


**ড° ভবেন চন্দ্ৰ নেওগ**
অধ্যক্ষ, জাগীৰোড মহাবিদ্যালয়



দেশৰ এক মৰ্যাদা সম্পন্ন আৰু ঐতিহ্যমণ্ডিত ব্যৱসায়ী সাম্ৰাজ্যৰ অধিকাৰী টাটা গ্ৰুপৰ অধীনৰ “টাটা ইলেক্ট্ৰ’নিকচ” প্ৰতিষ্ঠানৰ ছেমিকণ্ডাক্টৰ চিপ নিৰ্মাণ, সংযোজন, পৰীক্ষণ আৰু পেকেজিং কৰিবলৈ শুভাৰম্ভ কৰা এই তিনিওটা ছেমিকণ্ডাক্টৰ উদ্যোগে গুজৰাটৰ লগতে আগন্তুক দিনবোৰত আমাৰ ৰাজ্যখনক ঔদ্যোগিক মানচিত্ৰত বিশেষ কৈ প্ৰযুক্তি খণ্ডত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হ’বগৈ বুলি আশা কৰা হৈছে।


আমাৰ দেশত ছেমিকণ্ডাক্টৰ উদ্যোগ স্থাপন, ভৱিষ্যতৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক এক বৃহৎ সম্ভাৱনা। বিশ্বৰ বাণিজ্য আৰু প্ৰযুক্তিত ব্যাপক প্ৰভাৱ পেলাব পৰাৰ ক্ষমতা আগত ৰাখি ২০২৪ চনৰ ১৩ মাৰ্চ তাৰিখে গুজৰাটৰ সানন্দ আৰু ধলেৰাত আৰু অসমৰ জাগীৰোডত দেশৰ দূৰদৰ্শী প্ৰধানমন্ত্ৰী মাননীয় শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ভাৰ্চুৱেল পদ্ধতিৰে একেলগে তিনিটাকৈ ঐতিহাসিক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

দেশৰ এক মৰ্যাদা সম্পন্ন আৰু ঐতিহ্যমণ্ডিত ব্যৱসায়ী সাম্ৰাজ্যৰ অধিকাৰী টাটা গ্ৰুপৰ অধীনৰ “টাটা ইলেক্ট্ৰ’নিকচ” প্ৰতিষ্ঠানৰ ছেমিকণ্ডাক্টৰ চিপ্ নিৰ্মাণ, সংযোজন, পৰীক্ষণ আৰু পেকেজিং কৰিবলৈ শুভাৰম্ভ কৰা এই তিনিওটা ছেমিকণ্ডাক্টৰ উদ্যোগে গুজৰাটৰ লগতে আগন্তুক দিনবোৰত আমাৰ ৰাজ্যখনক ঔদ্যোগিক মানচিত্ৰত বিশেষ কৈ প্ৰযুক্তি খণ্ডত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হ’বগৈ বুলি আশা কৰা হৈছে।

ইতিমধ্যে বিশ্বৰ মুষ্টিমেয় যিকেইখন দেশে ছেমিকণ্ডাক্টৰৰ চিপ্ নিৰ্মাণ আৰু ব্যৱসায়ৰ লগত জড়িত হৈ আহিছে সেইবোৰলৈ লক্ষ্য কৰিলে আমাৰ দেশেও যে আগন্তুক দিনবোৰত এই প্ৰযুক্তিৰ সহায়ত  বিশ্ব বাণিজ্যত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব ই ধুৰূপ। ছেমিকণ্ডাক্টৰ প্ৰযুক্তিয়ে কেৱল বাণিজ্যতেই নহয় সামৰিক, চিকিৎসা, মহাকাশ গৱেষণা, যোগাযোগ, বতৰ বিজ্ঞান, অটোম’বাইল, কম্পিউটাৰ আৰু কৃত্ৰিম বুদ্ধিমত্তা আদি বিভিন্ন ক্ষেত্ৰত ইতিমধ্যেই ব্যাপক প্ৰভাৱ বিস্তাৰ কৰাৰ ফল আমি সকলোৱে প্ৰত্যক্ষ নাইবা পৰোক্ষ ভাৱে লাভ কৰি আহিছোঁ। এই উদ্যোগে  আমাৰ দেশক ভৱিষ্যতৰ প্ৰযুক্তি আৰু কৌশলৰ

পৰিকল্পিত প্ৰয়োগৰ লগতে আন্তৰ্জাতিক পৰ্যায়ত শক্তিৰ নিয়ন্ত্ৰণ কৰাৰ উপৰিও বিশ্বৰ শক্তিধৰ দেশসমূহৰ সন্মুখত নিজৰ স্থিতি মজবুত কৰিবলৈ সক্ষম হ'ব।

এটা উদাহৰণ দিলে শক্তিৰ নিয়ন্ত্ৰণৰ কথাবোৰ পৰিষ্কাৰ কৈ বুজিব পৰা যাব। টাইৱান এখন ক্ষুদ্ৰ দেশ। কিন্তু এই ক্ষুদ্ৰ দেশখনৰ এনে কি আভ্যন্তৰীণ শক্তি আছে যে প্ৰচণ্ড সামৰিক শক্তিৰ অধিকাৰী চীনক ইমান দিনে প্ৰত্যাহ্বান জনাই আহিব পাৰিছে? চাবলৈ গ'লে অকণমান শক্তি প্ৰয়োগ কৰিলেই চীনা শাসকপক্ষই টাইৱানক নিজৰ অধীনলৈ আনিব পাৰে। কিন্তু নাই, সেইটো সম্ভৱ হোৱা নাই। কাৰণ হিচাপে আমি সকলোৱে জানো যে বিশ্বৰ অন্যতম বৃহৎ শক্তিৰ দেশ আমেৰিকাই টাইৱানক সুৰক্ষা প্ৰদান কৰি আহিছে। কিন্তু আমেৰিকাই এই ক্ষুদ্ৰ দেশখনক কিয়নো সুৰক্ষাৰ আৰেষ্টনীৰে আগুৰি আছে? সামৰিক দিশৰ পৰা কৌশলগত ভৌগোলিক অৱস্থান আৰু পূবৰ দেশসমূহৰ নিয়ন্ত্ৰণ নিজৰ হাতত ৰাখি সামৰিক আৰু বাণিজ্যিক বিস্তাৰ কৰাৰ উপৰিও আমেৰিকাৰ বাবে এক গুপুত আৰু অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত বিষয় হৈছে টাইৱানৰ নিৰ্ভৰযোগ্য ছেমিকণ্ডাক্টৰ চিপৰ বিশাল উদ্যোগ ব্যৱস্থা। টাইৱানৰ "টাইৱান ছেমিকণ্ডাক্টৰ মেনুফেকচাৰিং কোম্পানী - TSMC" হৈছে বিশ্বৰ আটাইটকৈ বেছি আৰু উন্নত প্ৰযুক্তিৰ ছেমিকণ্ডাক্টৰ প্ৰস্তুত কৰা উদ্যোগ। ২০২৩ ৰ সমীক্ষা অনুসৰি সমগ্ৰ বিশ্বৰ ৫০ শতাংশ আৰু আজিৰ দিনত ৫৩ শতাংশ মাৰ্কেট নিয়ন্ত্ৰণ কৰি আছে এই উদ্যোগে। ইয়াৰ পিছতে আছে দক্ষিণ কোৰিয়াৰ বৃহত্তম উদ্যোগ "ছেমচাং ফাউন্দ্ৰী"।

আমাৰ দেশত ISRO ই ছেমিকণ্ডাক্টৰ লেবৰেটৰী প্ৰকল্প SCL ৰ জৰিয়তে নিজাকৈ প্ৰয়োজন হোৱা ছেমিকণ্ডাক্টৰ চিপৰ গৱেষণা আৰু উন্নয়নৰ কাম কাজ চলাই আহিছে। ইতিমধ্যে গুজৰাটত TATA CG Power এ ১৮৮ একৰ এলেকাত ইয়াৰ প্ৰথমটো ছেমিকণ্ডাক্টৰ তৈয়াৰ কৰা প্ৰকল্প প্ৰতিষ্ঠাৰ কাম আৰম্ভ কৰিছে। যোৱা ১৩ মাৰ্চ তাৰিখে ইয়াৰ সৈতে অন্য তিনিটা অত্যন্ত ব্যয়বহুল প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ জৰিয়তে নব্য প্ৰযুক্তিৰ উদিত সূৰ্যৰ প্ৰতিশ্ৰুতিৰে আমাৰ দেশক টাটা ইলেক্ট্ৰনিক্সে নতুন মাত্ৰা প্ৰদান কৰিবলৈ আগবাঢ়ি আহিছে।

এতিয়া আমাৰ মনলৈ স্বাভাৱিকতেই প্ৰশ্ন আহিছে যে এই ছেমিকণ্ডাক্টৰনো কি?

নামটোৱে আমাক এটা ধাৰণা দিছে যে ইয়াৰ অসমীয়া প্ৰতিশব্দ হৈছে অৰ্ধপৰিবাহী। এই অৰ্ধপৰিবাহীনো কি? বিজ্ঞানৰ সংজ্ঞাৰ মাজলৈ বেছিকৈ নোযোৱাকৈ ক'বলৈ হ'লে বিদ্যুৎ পৰিবহণ কৰিব পৰা পদাৰ্থক পৰিবাহী বোলা হয় আৰু বিদ্যুৎ পৰিবহণ কৰিব নোৱাৰা পদাৰ্থক ইনচুলেটৰ বুলি জনা যায়। অৰ্ধপৰিবাহী এনে এক পদাৰ্থ যিবোৰ পৰিবাহী আৰু ইনচুলেটৰৰ মাজত অৱস্থান কৰি থাকে। অৰ্ধপৰিবাহী হৈছে এনে এটা পদাৰ্থ যাৰ নিৰ্দিষ্ট বৈদ্যুতিক ধৰ্ম থাকে, যিয়ে ইয়াক কম্পিউটাৰ আৰু অন্যান্য ইলেক্ট্ৰ'নিক যন্ত্ৰৰ বাবে ভেটি হিচাপে কাম কৰিবলৈ সুবিধা কৰি দিয়ে। সাধাৰণতে ই এটা কঠিন ৰাসায়নিক মৌল বা যৌগ যিয়ে কিছুমান বিশেষ পৰিস্থিতিত বিদ্যুৎ পৰিবাহী হিচাপে কাম কৰে কিন্তু সাধাৰণ পৰিস্থিতিত বিদ্যুৎ অপৰিবাহী হৈ থাকে। ইয়াৰ এই বিশেষ গুণৰ বাবেই ই বৈদ্যুতিক প্ৰবাহ আৰু দৈনন্দিন বৈদ্যুতিক সঁজুলি নিয়ন্ত্ৰণৰ বাবে এক আদৰ্শ মাধ্যম হৈ পৰে।

আমেৰিকাৰ ছান্টা ক্লাৰাত মুখ্য কাৰ্যালয় থকা খ্যাতিমান বহুজাতিক কোম্পানী "ইণ্টেল কৰ্পৰেচন" কম্পিউটাৰ পৃথিবীৰ এক প্ৰতিষ্ঠিত নাম। এই কোম্পানীৰ অন্যতম এজন প্ৰতিষ্ঠাপক আছিল গৰ্ডন মূৰ নামৰ এজন ৰসায়নবিদ। ১৯৬৮ চনত প্ৰতিষ্ঠা কৰা ইণ্টেল কৰ্পৰেচনৰ মুখ্য প্ৰশাসনিক বিষয়া গৰ্ডন মূৰৰ এক বিশেষ সূত্ৰই ছেমিকণ্ডাক্টৰৰ উদ্যোগ ক্ষেত্ৰত এক নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। গৰ্ডন মূৰৰ সূত্ৰ অনুসৰি প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে ছেমিকণ্ডাক্টৰৰ প্ৰযুক্তি উন্নতি হৈ গৈ থাকিব য'ত ইণ্টিগ্ৰেটেড চাৰ্কিটৰ আকাৰ আধা হ'ব, কিন্তু ক্ষমতা দুগুণ বৃদ্ধি পাব। আচলতে ইণ্টিগ্ৰেটেড চাৰ্কিটৰ ভিতৰত অসংখ্য ট্ৰানজিষ্টৰ থাকে। একোটা ইণ্টিগ্ৰেটেড চাৰ্কিটৰ ভিতৰত থকা এই ট্ৰানজিষ্টৰৰ সংখ্যাই ইয়াৰ ক্ষমতা নিৰ্ধাৰণ কৰে।

অৰ্ধপৰিবাহীয়ে কেনেকৈ কাম কৰে?

বেছিভাগ অৰ্ধপৰিবাহী কেইবাটাও পদাৰ্থৰে নিৰ্মিত স্ফটিকেৰে গঠিত। অৰ্ধপৰিবাহীয়ে কেনেকৈ কাম কৰে সেই বিষয়ে ভালদৰে বুজিবলৈ ব্যৱহাৰকাৰীয়ে পৰমাণু আৰু ইলেক্ট্ৰনে পৰমাণুৰ ভিতৰত কেনেকৈ সংগঠিত হয় সেই বিষয়ে বুজিব লাগিব। ইলেক্ট্ৰনবোৰে পৰমাণুৰ ভিতৰত খোলা নামৰ স্তৰত নিজকে সজ্জিত কৰে। পৰমাণুৰ আটাইতকৈ বাহিৰৰ খোলাটোক ভেলেন্স শ্বেল বা খোলা বুলি জনা যায়। এই ভেলেন্স শ্বেলত থকা ইলেক্ট্ৰনবোৰেই ওচৰৰ পৰমাণুৰ সৈতে বন্ধন গঠন কৰে।

এনে বান্ধোনক স-সঙ্কেত বন্ধনী বোলা হয়। বেছিভাগ পৰিবাহীৰ ভেলেন্স শ্বেলত মাত্ৰ এটা ইলেক্ট্ৰন থাকে। আনহাতে অৰ্ধপৰিবাহীবোৰৰ ভ্যালেন্স খোলাত সাধাৰণতে চাৰিটা ইলেক্ট্ৰন থাকে। কিন্তু ওচৰৰ পৰমাণুবোৰ একে ভ্যালেন্সৰ হ'লে ইলেক্ট্ৰন আন পৰমাণুৰ ভেলেন্স ইলেক্ট্ৰনৰ সৈতে বান্ধ খাব পাৰে। যেতিয়াই তেনেকুৱা হয়, পৰমাণুবোৰে নিজকে স্ফটিক গঠনত সংগঠিত কৰে। বেছিভাগ অৰ্ধপৰিবাহী এনে স্ফটিকেৰে তৈয়াৰ কৰা হয়।

অৰ্ধপৰিবাহী পদাৰ্থৰ মৌলিক অৰ্ধপৰিবাহীসমূহৰ ভিতৰত এন্টিমনি, আৰ্ছেনিক, ব'ৰন, কাৰ্বন, জাৰ্মেনিয়াম, চেলেনিয়াম, চিলিকন, চালফাৰ আৰু টেলুৰিয়াম আদি অন্তৰ্ভুক্ত। ইয়াৰে ছিলিকন আটাইতকৈ বেছি পৰিচিত, ই বেছিভাগ আইচি ৰ ভিত্তি গঠন কৰে। সাধাৰণ অৰ্ধপৰিবাহী যৌগসমূহৰ ভিতৰত গেলিয়াম আৰ্চেনাইড, ইণ্ডিয়াম এন্টিমনাইড আৰু বেছিভাগ ধাতুৰ অক্সাইড আদি অন্তৰ্ভুক্ত।

অৰ্ধপৰিবাহী চিপ্ কি? সাধাৰণতে পৰিবাহী আৰু ইনচুলেটৰৰ মাজত এটা অৰ্ধপৰিবাহী পদাৰ্থ থাকে। ই ইলেক্ট্ৰনিক সঁজুলি আৰু যন্ত্ৰত বৈদ্যুতিক প্ৰবাহৰ প্ৰবাহ নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে। ফলত ই কম্পিউটিং উপাদান আৰু কঠিন অৱস্থাৰ সংৰক্ষণকে ধৰি বিভিন্ন ইলেক্ট্ৰনিক যন্ত্ৰৰ বাবে নিৰ্মিত ইলেক্ট্ৰনিক চিপ্‌ৰ জনপ্ৰিয় উপাদান হিচাপে বিবেচিত হয়। ইয়াৰ জৰিয়তে কেনেদৰে প্ৰযুক্তিৰ সমগ্ৰ কাঠামোৰ পৰিৱৰ্তন হৈছিল তাক তলৰ উদাহৰণৰপৰা বুজিব পৰা যায়।

আগৰ দিনত পিকচাৰ টিউব যুক্ত ডাঙৰ ডাঙৰ টেলিভিছনৰ ঠাইত আমাৰ ঘৰবোৰত চেপেটা আকাৰৰ টেলিভিছন পাবলৈ সক্ষম হোৱাৰ মূল ভূমিকা পালন কৰিছিল এই ছেমিকণ্ডাক্টৰ চিপৰ আৱিষ্কাৰে। প্ৰথম অৱস্থাত IC গৈ Large Scale Integrated Circuit (LSIC) হ'ল আৰু পৰৱৰ্তী সময়ত Very Large Scale Integrated Circuit (VLIC) ৰ সহায়ত প্ৰযুক্তিত নতুনত্ব অনাৰ পাছত প্ৰচণ্ড উত্তাপ সৃষ্টি কৰা কেথড ৰে' টিউবৰ ঠাইত গৰম নোহোৱা IC চিপযুক্ত TV ছেট আমাৰ ঘৰে ঘৰে সুলভ হৈ পৰিল। ইয়াৰ মূল আধাৰ হৈছে ছেমিকণ্ডাক্টৰ চিপ্‌ৰ ভিতৰত থকা অসংখ্য ট্ৰানজিষ্টৰ শক্তি।

আজিৰপৰা কিছু বছৰৰ আগলৈকে এই চিপ্ সমূহৰ আকাৰ বুজাবলৈ মাইক্ৰণ একক ব্যৱহাৰ কৰা হৈছিল। কিন্তু এতিয়া ইয়াৰ আকাৰ বুজাবলৈ নেন'মিটাৰ একক ব্যৱহাৰ কৰা হয়। অৰ্থাৎ একোটা চিপ্‌ৰ আকাৰ আমি কল্পনা কৰিব নোৱাৰা পৰ্যায়লৈ সৰু হৈছে। আকাৰ সৰু হৈছে কিন্তু তাৰ সক্ষমতা লক্ষাধিক গুণে বৃদ্ধি পাই গৈ আছে।

গৰ্ডন মূৰৰ সূত্ৰ অনুসৰিয়েই একোটা চিপ্‌ৰ আকাৰৰ হ্ৰাস পৰিৱৰ্তনৰ ক্ৰম এনে ধৰণৰ - ১৯৬৮ চনৰ ২০ মাইক্ৰণ, ১৯৭১ চনত ১০ মাইক্ৰণ, ১৯৮৪ চনত ১ মাইক্ৰণ, ১৯৭৮ চনত ৮০০ নেন'মাইক্ৰণ আৰু ২০২২ চনত ৩ নেন'মাইক্ৰণ হ'লহি। অৰ্থাৎ প্ৰায় দুই বছৰৰ পিছে পিছে ইয়াৰ আকাৰ সৰু হৈ আহি আছে আৰু ইয়াৰ ক্ষমতা বহু হাজাৰ গুণে বৃদ্ধি পাই আহিছে।

শেহতীয়াকৈ এপল কোম্পানীৰ নিৰ্দেশত TSMC এ এনে একোটা নেন' চিপ্ তৈয়াৰ কৰি উলিয়াইছে যাৰ আকাৰ ৩ নেন'মিটাৰ আৰু ইয়াত ১৯ বিলিয়ন মানে ১৯০০ কোটি ট্ৰানজিষ্টৰ সংলগ্ন কৰা হৈছে, যিটো বিশ্বৰ মুঠ জনসংখ্যাতকৈ অধিক। কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ক্ষেত্ৰ সমূহত এনে চিপ্ প্ৰয়োগ কৰি অত্যাধুনিক প্ৰযুক্তিক এনে এটা স্তৰলৈ উন্নীত কৰাৰ তীব্ৰ প্ৰতিযোগিতা উন্নত দেশসমূহৰ মাজত আৰম্ভ হৈ পৰিছে। গতিকে অনুমান কৰিব পাৰি যে, আজিৰ দিনত কিমান দ্ৰুত গতিত প্ৰযুক্তিৰ উন্নতি হৈছে আৰু ইয়াত ছেমিকণ্ডাক্টৰ উদ্যোগে কিমান গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

আমাৰ দেশত ছেমিকণ্ডাক্টৰ উদ্যোগে কেনে ধৰণৰ ভূমিকা পালন কৰিব?

প্ৰথম কথা আমাৰ দেশত ব্যৱসায়িক ভাৱে ২০২২ চনলৈকে কোনো ছেমিকণ্ডাক্টৰ উদ্যোগ প্ৰতিষ্ঠা হোৱাই নাছিল। টাটা ইলেক্ট্ৰনিক্সে ১৩ মাৰ্চ, ২০২৪ তাৰিখে একেলগে দেশত তিনিটাকৈ আৰু ওপৰত উল্লেখিত CG Power ৰ সৈতে যি চাৰিটা ছেমিকণ্ডাক্টৰ উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি আহিছে এই আটাকেইটাই আমাৰ দেশৰ ভৱিষ্যতৰ ৰূপৰেখা সম্পূৰ্ণৰূপে সলনি কৰিবলৈ সক্ষম হ'ব গৈ। ইয়াৰ জৰিয়তে কেৱল আমাৰ দেশেই নহয় প্ৰযুক্তি প্ৰয়োগ কৰি নিজক সময়ৰ লগত উন্নতিৰ খোজত খোজ মিলাই চলিব বিচৰা সকলো দেশক এই উদ্যোগে লাভবান কৰিবলৈ সক্ষম হ'ব। আগন্তুক দিনবোৰত কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত চিকিৎসা বিজ্ঞান, সামৰিক অস্ত্ৰৰ বিকাশ, মহাকাশ অধ্যয়ন, বতৰ বিজ্ঞান, অটোমোবাইল, যোগাযোগ আদি ক্ষেত্ৰ সমূহত এই ছেমিকণ্ডাক্টৰ উদ্যোগে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

ভাৰতৰ অৰ্থনীতিত এই ছেমিকণ্ডাক্টৰ বা অৰ্ধপৰিবাহী উদ্যোগে কেনেধৰণৰ প্ৰভাৱ পেলাব?

প্ৰথম আৰু গুৰুত্বপূৰ্ণ কথাটো এই যে এতিয়ালৈকে ISRO ক বাদ দি আমাৰ দেশে টাইৱান, কোৰিয়া, আমেৰিকা আদি দেশৰ পৰা ছেমিকণ্ডাক্টৰ চিপ্ আমদানি কৰি আহিছে। ছেমিকণ্ডাক্টৰ তৈয়াৰ কৰাটো এটা অত্যন্ত ব্যয়বহুল উদ্যোগ।

ইয়াৰ উৎপাদন কৰা যন্ত্ৰবোৰ বহু কোটি টকীয়া আৰু উৎপাদিত চিপ্‌বোৰৰ একাংশৰ কাৰিকৰী আসোঁৱাহ ৰৈ যায় বাবে তৈয়াৰ কৰাৰ পিছতো টেষ্টিং কৰিব লগীয়া হয়। যিটো কাৰণত বহুতে এনে উদ্যোগ এটা নিজে নগঢ়ি আনৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ ইচ্ছা কৰে। সেয়ে নিজৰ বাবে প্ৰয়োজন হোৱা চিপ্ আমদানি কৰে আৰু নিজৰ মতে সেইবোৰ ব্যৱহাৰ কৰে।

আজিকালি কৃত্ৰিম বুদ্ধিমত্তা যুক্ত গাড়ীসমূহ বুকিং কৰোঁতে বহুদিন অপেক্ষা কৰিব লগা মূল কাৰণ হৈছে এই যে এনে গাড়ী সমূহত ব্যৱহাৰ কৰা চিপ্ বেলেগৰ পৰা আমদানি কৰিব লগা হয়। আৰু এনে চিপ্ অৰ্ডাৰ দিয়াৰ পিছতহে তৈয়াৰ কৰা হয়। আৰু আহি পোৱাৰ পিছত নিজৰ মতে প্ৰগ্ৰামিং কৰি ল'বলগীয়া হয়।

গতিকে আমাৰ দেশত চিপ্ প্ৰস্তুত হ'লে গোটেই প্ৰক্ৰিয়াবোৰত সময় ৰাহি হ'ব। অৰ্থাৎ আত্মনিৰ্ভৰশীলতা উন্নত হ'ব আৰু চিপ্ আমদানিৰ প্ৰয়োজনীয়তা হ্ৰাস হ'ব। অৱশ্যে ব্যয়বহুলতা লৈ চাই টাটাই চিপ্ নিৰ্মাণ কৰিব নে অন্য উৎসৰ পৰা আমদানিকৃত চিপ্ আহৰণ কৰি ব্যৱহাৰ কৰিব সেইটো জানিব পৰা নাই।

দ্বিতীয়তে, এই উদ্যোগে বহুতক নিযুক্তিৰ সুবিধা প্ৰদান কৰিব। অনুমান কৰা হৈছে যে অহা পাঁচ বছৰত এই খণ্ডত ৮ লাখৰ পৰা ১০ লাখতকৈ অধিক নিয়োগৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে।

তৃতীয়তে, অৰ্থনীতিত এই উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব আৰু অৰ্থনৈতিক বৃদ্ধিত অৰিহণা আগবঢ়াব। অৰ্থাৎ এই অৰ্ধপৰিবাহী উদ্যোগ অৰ্থনৈতিক বৃদ্ধিৰ এক উল্লেখযোগ্য চালক হিচাপে পৰিগণিত হ'ব। অনুমান কৰা হৈছে যে অহা তিনিটা দশকত জিডিপিৰ তুলনাত গ্লোবেল চিপ্‌ৰ ৰাজহৰ গুৰুত্ব দুগুণ হ'বগৈ।

আনহাতে, অৰ্ধপৰিবাহী উদ্যোগে ভাৰতক প্ৰযুক্তি উদ্যোগত বিশ্বব্যাপী স্থান মান বৃদ্ধি কৰাত সহায় কৰিব। প্ৰতিৰক্ষা, দূৰসংযোগ, শক্তি সঞ্চাৰণকে আদি কৰি বহুতো জটিল উদ্যোগত অৰ্ধপৰিবাহী অপৰিহাৰ্য উপাদান হোৱাৰ বাবে এই ক্ষেত্ৰ সমূহত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

মুখ্যতঃ, দেশত নিজাকৈ চিপ্ নিৰ্মাণ হোৱাৰ ফলত আনুষংগিক উদ্যোগৰ বিকাশ ঘটিব আৰু ইয়ে ষ্টাৰ্ট আপ উদ্যোগ স্থাপনত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ফলত এই খণ্ডত নতুন বিনিয়োগক আকৰ্ষণ কৰিবলৈ ইন্ধন যোগাব।

বিশ্ব অৰ্থনীতিত অৰ্ধপৰিবাহী উদ্যোগৰ ভূমিকা কি?

যিহেতু ছেমিকণ্ডাক্টৰ মাইক্ৰ'চিপ্ (আজিকালি নেন' চিপ্) ইলেক্ট্ৰনিক যন্ত্ৰৰ বাবে প্ৰাথমিক বিল্ডিং ব্লক। গতিকে, স্বাস্থ্যসেৱা, মহাকাশ, প্ৰতিৰক্ষা, অটোম'বাইল আদি বহু উদ্যোগত ইয়াৰ অপৰিহাৰ্য ব্যৱহাৰৰ ফলত অৰ্থনৈতিক বৃদ্ধি, ৰাষ্ট্ৰীয় নিৰাপত্তা, আৰু বিশ্ব প্ৰতিযোগিতামূলক ক্ষমতাসমূহত ছেমিকণ্ডাক্টৰ বা অৰ্ধপৰিবাহীসমূহ অতি গুৰুত্বপূৰ্ণ।

২০২২ চনত অৰ্ধপৰিবাহী যন্ত্ৰই বিশ্বৰ ২০ সংখ্যক সৰ্বাধিক ব্যৱসায় কৰা সামগ্ৰী হিচাপে পৰিগণিত হৈছিল, যাৰ মুঠ ব্যৱসায় আছিল ১৫৬ বিলিয়ন ডলাৰ। অৰ্ধপৰিবাহী যন্ত্ৰৰ ব্যৱসায়ে মুঠ বিশ্ব বাণিজ্যৰ ০.৬৬ শতাংশ প্ৰতিনিধিত্ব কৰে। বহুমুখী ঔদ্যোগিক প্ৰসাৰণৰ বৃহৎ সম্ভাৱনা থকা এনে ছেমিকণ্ডাক্টৰ উদ্যোগে আমাৰ দেশৰ ভৱিষ্যতৰ ৰূপৰেখা সম্পূৰ্ণৰূপে সলনি কৰিবলৈ সক্ষম হ'ব বুলি গণ্য কৰিব পাৰি।

দেশৰ ভৱিষ্যতৰ প্ৰযুক্তিৰ লগতে অৰ্থনৈতিক উন্নতিৰ প্ৰচুৰ সম্ভাৱনা থকা এনে আধুনিক উদ্যোগ জাগীৰোডত স্থাপনত আগভাগ লোৱা অসমৰ দূৰদৰ্শী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক আমি ভূয়সী প্ৰশংসা কৰিছোঁ। জাগীৰোডৰ বিধায়ক তথা মাননীয় মন্ত্ৰী শ্ৰী পিযুষ হাজৰীকা ডাঙৰীয়াই কাগজ কলৰ পৰিত্যক্ত বিশাল চৌহদক মুখ্যমন্ত্ৰীৰ দৃষ্টি গোচৰ কৰাই অত্যাধুনিক প্ৰযুক্তিৰ প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ জৰিয়তে যি মহানুভৱতা প্ৰদৰ্শন কৰিলে তাৰ বাবে জাগীৰোডবাসীৰ হৈ তেখেতক আন্তৰিক শলাগ লৈছোঁ। ইতিমধ্যে মৃত প্ৰায় কাগজ কলৰ চৌহদ পুনৰ প্ৰাণৱন্ত হৈ উঠক, স্থানীয় আৰু দূৰ দূৰণিৰ পৰা ইয়ালৈ আহি নিযুক্তি লাভ কৰিবলগীয়াসকলক আমি আগতীয়াকৈ অভিনন্দন আৰু স্বাগতম জনাইছো। আমাৰ দেশৰ মাননীয় আৰু যশস্বী প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক আমাৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

অসমবাসী হিচাপে টাটা ইলেক্ট্ৰনিকচৰ সমূহ বিষয়ালৈ আন্তৰিক স্বাগতম জনোৱাৰ লগতে সমূহ অসমবাসী লৈ আমাৰ এক বিনম্ৰ আহ্বান থাকিল যে টাটা গ্ৰুপৰ প্ৰতিজন বিষয়া আৰু কৰ্মচাৰীক আমাৰ দেশৰ অৰ্থনীতিৰ একোজন "উন্নতি দূত - development ambassadorê" হিচাপে গণ্য কৰোঁ আহক।

যোগাযোগ ঃ 9508399322

●●●

উদাসীন সত্ৰানুষ্ঠান অসমৰ সত্ৰসমূহৰ এটা ভাগ, য'ত অধিকাৰ আৰু ভকতসকলে বিয়া-বাৰু নকৰাই উদাসীনভাৱে জীৱন-যাপন কৰে। ই এক বিশেষ ধৰণৰ অনুষ্ঠান আৰু পৃথিৱীৰ কোনো ঠাইতে এনে ধৰণৰ অনুষ্ঠান দেখা পোৱা নাযায়। ভাৰতৰ বিভিন্ন ঠাইত বিশেষকৈ কাশী অঞ্চলত থকা 'মঠ' সমূহৰ সন্ন্যাসী সকলৰ লগত উদাসীন সত্ৰৰ অধিকাৰ বা ভকতৰ কিছু বৈসাদৃশ্য আছে। উদাসীন শব্দটো ইয়াত মাত্ৰ বিয়া-বাৰু নকৰা কাৰ্যতহে ব্যৱহৃত হৈছে।



# পৃথিৱীৰ উদাসীন সংগঠন আৰু অসমৰ উদাসীন সত্ৰানুষ্ঠান

▸▸ ড° খগেন শৰ্মা
অৱসৰ প্ৰাপ্ত মূৰব্বী অধ্যাপক,
ভূগোল বিজ্ঞান বিভাগ

পৃথিৱীৰ প্ৰায়বিলাক ধৰ্মৰে উদাসীন পৰম্পৰা আছে। উদাসীন (Monastic) শব্দটো গ্ৰীক শব্দ, অৰ্থ হ'ল অকলে থকা - Living Alone। গতিকে সন্ন্যাসী হ'ল - যি পুৰুষে সন্ন্যাস ধৰ্ম পালন কৰে আৰু সমাজৰ পৰা অকলশৰে থাকে। ধৰ্মীয় কাম-কাজতে তেওঁলোকৰ জীৱনটো উচৰ্গা কৰা হয়। তিৰোতা লোকে সন্যাস ধৰ্ম ল'লে তেওঁলোকক 'Nun' বুলি কোৱা হয়। প্ৰায়সকল সন্ন্যাসীয়েই অকলে নেথাকি সমূহীয়া ভাৱে থকা দেখা যায়। সন্ন্যাসীসকল থকা ঠাইক 'Monasteries' বা আশ্ৰম আৰু সন্ন্যাসিনীসকল থকা ঠাইক 'Convents' বোলে। সকলো সন্ন্যাসী বা সন্ন্যাসিনীয়ে জীৱনৰ কোনোবা এটা সুখ ত্যাগ কৰে। বহুতৰে নিজা কোনো সা-সম্পত্তি নেথাকে বা টকা-পইচাও নেথাকে। বহুতেই কিবা এটা কামতো লাগি থাকে - শিক্ষক, সমাজসেৱা, নাৰ্চ আদি (ব্ৰিটেনিকা, ২০০৫)।

অসমৰ সত্ৰানুষ্ঠান নৱ-বৈষ্ণৱ আন্দোলনৰ লগত জড়িত। এই অনুষ্ঠানে বৈষ্ণৱ ধৰ্ম প্ৰচাৰত সহায় কৰিছিল (শৰ্মা, ১৯৬০)। এই সত্ৰানুষ্ঠানে ধৰ্ম প্ৰচাৰ কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ মাধ্যমেৰে জনসাধাৰণক একতাৰ ডোলেৰে বান্ধ খুৱাই ৰাখিছিল। উদাসীন সত্ৰানুষ্ঠান অসমৰ সত্ৰসমূহৰ এটা ভাগ, য'ত অধিকাৰ আৰু ভকতসকলে বিয়া-বাৰু নকৰাই উদাসীনভাৱে জীৱন-

> বৈষ্ণৱ ধৰ্মত উদাসীন ভকতৰ এক সুকীয়া স্থান আছে। কিন্তু কি পৰিস্থিতিত উদাসীন সত্ৰ পাতিব লগা হ'ল তাৰ সবল যুক্তি নাই। হয়তো যি জনে প্ৰথম সত্ৰখন প্ৰতিষ্ঠা কৰিছিল বা প্ৰতিষ্ঠাতা সত্ৰধিকাৰ গৰাকী উদাসীন হ'লে, সত্ৰ খনেই পিছলৈও উদাসীন পৰম্পৰাৰে থাকি যায়।

যাপন কৰে। ই এক বিশেষ ধৰণৰ অনুষ্ঠান আৰু পৃথিৱীৰ কোনো ঠাইতে এনে ধৰণৰ অনুষ্ঠান দেখা পোৱা নাযায়। ভাৰতৰ বিভিন্ন ঠাইত বিশেষকৈ কাশী অঞ্চলত থকা 'মঠ' সমূহৰ সন্ন্যাসী সকলৰ লগত উদাসীন সত্ৰৰ অধিকাৰ বা ভকতৰ কিছু বৈসাদৃশ্য আছে। উদাসীন শব্দটো ইয়াত মাত্ৰ বিয়া-বাৰু নকৰা কাৰ্যতহে ব্যৱহৃত হৈছে। অৰ্থাৎ বিয়া কৰোৱা কাৰ্যতহে উদাস। এই সুখটোহে তেওঁলোকে ত্যাগ কৰে। কিন্তু ইচ্ছা কৰিলে সত্ৰৰ পৰা ওলাই গৈ বৈবাহিক কাৰ্যত মনোনিবেশ কৰিব পাৰে। সমাজৰ লগত, ঘৰখনৰ লগত সংযোগ বিচ্ছিন্ন নহয়, সন্ন্যাসীৰ নিচিনাকৈ। উদাসীন ভকতৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি থাকে আৰু ভোগ কৰে। গতিকে আগতে কোৱা ধৰণৰ সন্ন্যাসী পন্থাৰ এক সংশোধিত আৰু উদাৰ পন্থা হ'ল উদাসীন সত্ৰানুষ্ঠান ব্যৱস্থা। সন্ন্যাস প্ৰথাৰ লগত উদাসীন প্ৰথাৰ বহুত পাৰ্থক্য আছে। সন্ন্যাসীৰ পুনৰ জনম হৈ যায় আৰু নতুন নাম লৈ সন্ন্যাস জীৱন অতিবাহিত কৰে আৰু ইচ্ছা কৰিলেও আগৰ ঘৰলৈ ঘুৰি যাব নোৱাৰে। নিজৰ পূৰ্বৰ ঘৰৰ লগত কোনো সম্বন্ধ নেথাকে, কিন্তু উদাসীন সত্ৰৰ অধিকাৰ বা ভকতৰ ক্ষেত্ৰত তেনে কঠোৰ নীতি নাই, ঘৰৰ লগত সম্বন্ধ থাকে আৰু ইচ্ছা কৰিলে ঘৰলৈ ঘূৰি যাব পাৰে। উদাসীন সত্ৰৰ নিচিনা অনুষ্ঠান পৃথিৱীৰ কোনো ঠাইতে পোৱা নাযায় - ই অদ্বিতীয়। সত্ৰাধিকাৰ আৰু ভকতে অন্তঃকৰণেৰে সাংস্কৃতিক কাৰ্যত জড়িত হৈ পৰে। বৈবাহিক সুখ ত্যাগ কৰি কঠোৰ উদাসীন জীৱনত আত্মনিয়োগ কৰাটোৱেই উদাসীন সত্ৰানুষ্ঠানৰ বৈশিষ্ট্য। সকলো ভকতেই পুৱাৰপৰা গধূলিলৈকে কিবা নহয় কিবা এটা সাংস্কৃতিক কাৰ্যত জড়িত হৈ থাকে। তেওঁলোকৰ এনেয়ে আড্ডা মাৰি থাকিবলৈ সময় নাই। বোধ হয় অত্যন্ত ব্যস্ত আৰু ভগবানৰ নামত উৎসৰ্গিত জীৱনৰ বাবেই অধিকাৰ আৰু ভকত সকলে আনন্দ মনেৰে জীৱন অতিবাহিত কৰিবলৈ সক্ষম হৈছে।

সন্ন্যাসবাদ (Monasticism) হ'ল জীৱনৰ চৰম ত্যাগ পন্থা। এই পৰম্পৰা পৃথিৱীৰ বহুত ধৰ্মতে আছে। ভাৰতত পুৰণি কালৰে পৰা এই সন্ন্যাস ধৰ্ম পালন কৰি আহিছে কোনো কোনো লোকে। হিন্দু, খ্ৰীষ্টান, বৌদ্ধ, জৈন আদি সকলো ধৰ্মতে সন্ন্যাসী লোক আছে। ভাৰতৰ ঋষি-মুনিসকললৈ আঙুলিয়াব পাৰি যি সকলে আশ্ৰমত আছিল আৰু তাৰ বহুতে গৃহস্থী ধৰ্ম পালন কৰা নাছিল।

প্ৰাচীন ভাৰতত কাশীয়েই (বৰ্তমানৰ বাৰানসী) সন্ন্যাসবাদৰ কেন্দ্ৰ আছিল। 'বীৰাশৈচব' বা 'জঙ্গম মঠ' ৬ খ্ৰীষ্টাব্দত স্থাপিত হৈছিল (সিনহা, সৰস্বতী, ১৯৭৮)। ভাৰতবৰ্ষত প্ৰণালীৱদ্ধ সন্ন্যাস পৰম্পৰাৰ (হিন্দু ধৰ্মত) কাশীতে অঙ্কুৰ মেলিছিল। পিছত এলাহবাদ আৰু অযোধ্যাতো এনে উদাসীন পৰম্পৰা প্ৰচলিত হ'ল। এই সন্ন্যাসবাদ সম্পৰ্কে পোন প্ৰথমবাৰৰ বাবে ১৯৭৮ চনত সুজিৎ সিন্‌হা আৰু বৈদ্যনাথ সৰস্বতীয়ে অধ্যয়ন কৰিছিল। কাশীয়ে হিন্দু ধৰ্মৰ সকলো সম্প্ৰদায়ৰে সন্ন্যাসী সকলক আশ্ৰয় দিছিল (সিন্‌হা, সৰস্বতী, ১৯৭৮)।

শঙ্কৰাচাৰ্যই হিন্দু ধৰ্ম প্ৰচাৰৰ অৰ্থে পুৰীত এটা মঠ নিৰ্মাণ কৰিছিল। তেওঁ হিন্দু ধৰ্ম প্ৰতিষ্ঠাৰ বাবে আন্তৰিকতাৰে কাম কৰিছিল। শঙ্কৰাচাৰ্যই ৩০০ খন গ্ৰন্থ সংস্কৃত ভাষাত লিখিছিল। জৈন আৰু বৌদ্ধ ধৰ্মৰ প্ৰত্যাহ্বান ওফৰাই তেওঁ হিন্দু ধৰ্মৰ বুনিয়াদ স্থাপন কৰিছিল। কাশীৰ পণ্ডিত আৰু 'দাণ্ডি সন্ন্যাসী' সকলৰ মত যে শঙ্কৰাচাৰ্যই কাশীত পঞ্চম পীঠ স্থাপন কৰিছিল (সিন্‌হা, সৰস্বতী, ১৯৭৮)। প্ৰায় সংখ্যক সন্ন্যাসীয়ে দাণ্ডি, নাগা, পৰমহংস বৈষ্ণৱ সম্প্ৰদায়ৰ লগত জড়িত।

বৌদ্ধ ধৰ্মতো সন্ন্যাসবাদ আছে। এওঁলোকৰ আশ্ৰম সমূহক অসমত বৌদ্ধবিহাৰ বোলে। অসমত খামটি জনগোষ্ঠী বৌদ্ধিষ্ট। তেওঁলোক লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ ওচৰে-পাজৰে বাস কৰে। অসমৰ অন্যান্য বৌদ্ধিষ্ট সকল হ'ল - টাই-ফাকে, টাই-টুৰুং, টাই-আইটেন, টাই-শ্যাম ইত্যাদি। এওঁলোকৰ প্ৰতিখন গাঁৱতে 'বিহাৰ' থাকে আৰু ভিক্ষুসকল তাতে থাকে

(ভট্টাচাৰ্য, ২০০৮) ।

ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছত, কাশীৰ ‘মঠ’ৰ বাহিৰেও বহুকেইটা ‘উদাসীন সংগঠন’ (Monastic Organisation) বা অৰ্দ্ধ-উদাসীন সংগঠন প্ৰতিষ্ঠা হ’ল যি অন্তঃকৰণেৰে সামাজিক-ধৰ্মীয় কামত আত্মনিয়োগ কৰিব ধৰিলে। তেনেধৰণৰ উল্লেখযোগ্য অনুষ্ঠানবিলাক হ’ল - ৰামকৃষ্ণ মিছন, ইন্টাৰনেচনেল চ’চাইটি ফৰ কৃষ্ণ কনচিয়াচনেচ (ISCON) বা ইস্কন, প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়, ভাৰত সেৱাশ্ৰম সংঘ ইত্যাদি।

১৮৯৭ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা ৰামকৃষ্ণ মিছনৰ শাখা পৃথিবীৰ বিভিন্ন ঠাইত আছে। মিছনৰ অন্তৰ্গত সন্ন্যাসীসকলে যোগ সাধনৰ জৰিয়তে সু-শৃঙ্খলিত জীৱন অতিবাহিত কৰে আৰু ৰামকৃষ্ণ পৰমহংসৰ বাণী প্ৰচাৰ কৰাৰ লগতে বিদ্যালয়, চিকিৎসালয় আদি অনুষ্ঠান পাতি দুৰ্গম অঞ্চলতো শিক্ষা তথা চিকিৎসা সেৱা সকলোৰে বাবে খোলা ৰাখে। মিছনৰ নিজা শিক্ষক তথা ডাক্তৰো আছে। ২০০৭ চনত ভাৰতত ১৬ খন মিছন চিকিৎসালয়, ১২০ খন ডিচপেনচেৰী, ৬৫০০ খন শিক্ষানুষ্ঠান আছিল - (ইছপ’ছিট, ফেচ্চিং, লিউছ, ২০০৪)।

অন্য এটা প্ৰভাৱশালী আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ উদাসীন সংগঠন হ’ল ইন্টাৰনেচনেল চচাইটি ফৰ কৃষ্ণ কনচিয়াচনেচ (ISCON)। ইয়াত দুই প্ৰকাৰৰ স্বেচ্ছাসেৱক থাকে - কিছুমানে বিয়া পাতে আৰু কিছুমানে বিয়া নেপাতি সন্ন্যাস জীৱন কটায়। বিয়া পতা সকলে বগা বস্ত্ৰ আৰু বিয়া নপতা সকলে গেৰুৱা বস্ত্ৰ পিন্ধে। এই সংগঠনতো ১৯৬৫ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত এ.চি. ভক্তিবেদান্ত স্বামীয়ে (১৮৯৬ - ১৯৭৭) স্থাপন কৰিছিল। ১৯৬০ আৰু ৭০ দশকত হৰেকৃষ্ণ মুভমেন্ট আমেৰিকা আৰু ইউৰোপত ডেকাসকলৰ মাজত বেছ জনপ্ৰিয় হৈছিল (ব্ৰিটেনিকা ২০০৫)। ইয়াৰ সদস্য সকল নিৰামিষাহাৰী।

অন্য এটা গুৰুত্বপূৰ্ণ উদাসীন অনুষ্ঠান হ’ল ভাৰত সেৱাশ্ৰম সংঘ। এই সংঘৰ সন্ন্যাসীসকলে মানৱৰ একতা আৰু শান্তিৰ বাবে কাম কৰে। কোনো ঠাইত প্ৰাকৃতিক দুৰ্যোগ - বানপানী, ভূমিকম্প, চুনামী আদি হ’লে এই সংঘৰ সদস্য সকলে নিঃস্বাৰ্থ ভাবে সেৱা আগবঢ়ায়। ১৯১৭ চনত স্বামী প্ৰাণভানন্দজী মহাৰাজে এই সংঘ স্থাপন কৰিছিল। বানপানীৰ সময়ত দুৰ্গম অঞ্চলত সংঘৰ সদস্য সকলে নাৱেৰে গৈ দুৰ্গতক সহায় কৰে। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ পোৰ্টব্লেয়াৰ আৰু তামিলনাডুত হোৱা চুনামিত, উৰিষ্যাত হোৱা ভূমিকম্পত, ১৯৭৮, ১৯৮৪, ১৯৯২ আৰু ২০০২ চনত হোৱা বানপানীত এই সংঘৰ সদস্য সকলে আগবঢ়োৱা সেৱা উল্লেখযোগ্য। ইয়াৰ উপৰি এই সংঘৰ দাতব্য হস্পিতেল, চিকিৎসালয়ৰ যোগেদি দুখীয়া আৰু দুৰ্বল শ্ৰেণীৰ লোক সকলক ধৰ্ম, বৰ্ণ নিৰ্বিশেষে চিকিৎসা সেৱা প্ৰদান কৰে। গোটেই ভাৰততে ৩০০০ মান জনজাতীয় পিচপৰা সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীক বিদ্যালয় তথা ছাত্ৰাবাস স্থাপন কৰি বিশেষকৈ নগালেণ্ড, ঝাৰখণ্ড, অসমতো পাহাৰীয়া জিলাকেইখনত শিক্ষাৰ পোহৰ বিলাই আহিছে। বিদেশতো এওঁলোকৰ কেন্দ্ৰ আছে।

**উদাসীন সত্ৰৰ প্ৰকৃতি ঃ**

ইতিমধ্যেই কোৱা হৈছে যে, বৈবাহিক সম্বন্ধ অনুসৰি সত্ৰসমূহক উদাসীন, গৃহস্থী, অৰ্দ্ধ উদাসীন আৰু মিশ্ৰ সত্ৰ - এই চাৰি প্ৰকাৰত ভাগ কৰা হৈছে (শৰ্মা, ১৯৬৬)। উদাসীন সত্ৰত সত্ৰাধিকাৰ আৰু ভকত সকলে অবিবাহিত হিচাবে থাকে। গৃহস্থী সত্ৰত সত্ৰাধিকাৰ তথা ভকতসকলে বিয়া পাতে, অৰ্দ্ধ উদাসীন সত্ৰত অধিকাৰে বিয়া নেপাতে, ভকত সকলে বিয়া পাতে আৰু মিশ্ৰ সত্ৰত অধিকাৰে বিয়া পাতে ভকত সকলৰ দুই চাৰিজনে বিয়া নপতাকৈ থাকে, বাকীসকলে বিয়া পাতে। গৃহস্থী সত্ৰৰ বাহিৰে বাকী তিনিখনতে উদাসীনত্বৰ প্ৰভাৱ আছে। অতীজতে গড়মূৰ সত্ৰ উদাসীন আছিল। কিন্তু সেই সময়ৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে ভকতসকলক বিয়া পাতিবলৈ অনুমতি দিয়ে (নাথ, ২০০৯), কিন্তু নিজে অবিবাহিত হৈ থাকিল। বৰপেটাৰ পাটবাউসীত এসময়ত উদাসীন আছিল ( শৰ্মা ১৯৭৫)। ইয়াৰ আগলৈকে উদাসীন সত্ৰৰ উমান পোৱা নেযায়। সেই কাৰণেই দামোদৰদেৱেই উদাসীন সত্ৰৰ প্ৰতিষ্ঠাতা বুলি ক’ব পাৰি। পাটবাউসী সত্ৰত ভট্টদেৱৰ আদেশ মতেই বিয়া পাতিলে ভকতসকলে। ইয়াৰ পিছত এই সত্ৰই উদাসীন সত্ৰৰ মৰ্যাদা হেৰুৱালে (শৰ্মা, ১৯৭৬) যেনেদৰে কুৰুৱাবাহী আৰু পলাশবাৰীৰ ওচৰৰ শিলপোতা

ও উদাসীন সত্ৰ আছিল এসময়ত। এতিয়াও বহু গৃহস্থী সত্ৰত এজন বা দুজন উদাসীন ভকত থাকে আৰু প্ৰধান কাম যেনে ঘাই বন্তি জ্বলোৱা, থাপনা পতা আদি কাৰ্য কৰে।

গতিকে বৈষ্ণৱ ধৰ্মত উদাসীন ভকতৰ এক সুকীয়া স্থান আছে। কিন্তু কি পৰিস্থিতিত উদাসীন সত্ৰ পাতিব লগা হ'ল তাৰ সবল যুক্তি নাই। হয়তো যি জনে প্ৰথম সত্ৰখন প্ৰতিষ্ঠা কৰিছিল বা প্ৰতিষ্ঠাতা সত্ৰধিকাৰ গৰাকী উদাসীন হ'লে, সত্ৰ খনেই পিছলৈও উদাসীন পৰম্পৰাৰে থাকি যায়।

উদাসীন শব্দটো কেৱলীয়া শব্দৰ সমাৰ্থক শব্দ। উজনী অসমৰ সত্ৰসমূহৰ সাধাৰণতে 'কেৱলীয়া' শব্দতকৈ 'উদাসীন' শব্দটোহে জনপ্ৰিয়। কেৱলীয়া শব্দটো প্ৰধানতঃ নামনি অসমত জনপ্ৰিয়। ভোগপুৰ সত্ৰৰ অধিকাৰেও উদাসীন শব্দটোহে সমৰ্থন কৰে (গোস্বামী, ২০০৯)।

বৰ্তমান অসমত মাত্ৰ ১২ খনহে উদাসীন সত্ৰ আছে। তাৰে ৬ খন মাজুলীত, ২ খন লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰত, ১ খন তিতাবৰ মহিমাবৰীত, ১ খন শিৱসাগৰৰ জাঁজীত, ১ খন শুৱালকুছিত আৰু আনখন অসমৰ পশ্চিম প্ৰান্তৰ ধুবুৰী জিলাৰ হালাকুৰাত। এই কেইখন হ'ল - শ্ৰীশ্ৰী আউনীআটী সত্ৰ, শ্ৰীশ্ৰী নতুন কমলাবাৰী সত্ৰ, শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰ, শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰ, শ্ৰীশ্ৰী ভোগপুৰ সত্ৰ, শ্ৰীশ্ৰী মধ্য মাজুলী কমলাবাৰী সত্ৰ, শ্ৰীশ্ৰী বদলা সত্ৰ, শ্ৰীশ্ৰী ধুৱাহাট বেলগুৰি সত্ৰ, শ্ৰীশ্ৰী জৰাবাৰী সত্ৰ, শ্ৰীশ্ৰী ঈশ্বৰহাটী সত্ৰ, শ্ৰীশ্ৰী কমলাবাৰী সত্ৰ আৰু শ্ৰীশ্ৰী জিনকাটা বাৰী সত্ৰ। এই সত্ৰসমূহৰ অসমৰ সমাজ জীৱনলৈ অপৰিসীম অৱদান আছে।

**প্ৰসঙ্গ** (Reference)

১। ব্ৰিটেনিকা, 2008 : Britanica Ready Reference, Encyclopedia, Encyclopedia, Britanica (India) Pvt. Ltd., New Delhi.

২। শৰ্মা, এচ. এন (1966) : The new vaishnavite movement and the Sattra institution, Assam, Gauhati University.

৩। সিন্হা, এচ. গু সৰস্বতী B. (1978) : Ascetis of Kashi, N.K. Bose Memorial Foundation, Varanashi.

৪। ভট্টাচাৰ্য. পি, (2008)অসমৰ জনজাতি, কিৰণ প্ৰকাশন ইত্যাদি।

৫। Eposito, J.L., Fasching, D.J. & Lawis. T, (2008) : Religion and Globalization, World Religion in Historical Perspective, Oxford University Press.

৬। নাথ, দি. (২০০৯) ঃ দি মাজুলী আইলেণ্ড চচাইটি, ইকনমি এণ্ড কালচাৰ, আনচা পাব্লিকেচন, নিউ দিল্লী।

৭। গোস্বামী, দত্ত দেৱ (২০০৯) ঃ ভোগপুৰ সত্ৰ, সত্ৰাধিকাৰ দত্ত দেৱ গোস্বামীৰ লগত হোৱা কথোপকথন।

৮। শৰ্মা, ডি. এন. (১৯৭৫) ঃ আউনীআটী সত্ৰৰ বুৰঞ্জী, আউনীআটী সত্ৰ।

●●●

## কুইজ

- সাহিত্য অকাডেমী পুৰস্কাৰ পোৱা 'ৰং মিলিৰ হাঁহি' উপন্যাসখনৰ ৰচক কোন?
  উত্তৰঃ ৰংবং তেৰাং।
- শ্ৰীমন্ত শংকৰদেৱ বিৰচিত প্ৰধান পুথিখনৰ নাম কি?
  উত্তৰঃ কীৰ্ত্তন ঘোষা।
- আধুনিক অলিম্পিক খেল প্ৰথমে ক'ত আৰু কেতিয়া অনুষ্ঠিত হয়?
  উঃ এথেঞ্চত, ইং ১৮৯৬ চনত।
- ফুটবল খেল পৰিচালনা কৰা বিশ্বৰ সৰ্বোচ্চ প্ৰতিষ্ঠানটোৰ নাম কি?
  উঃ ফিফা (fifa)।

# সুন্দৰ সাধনাৰ অন্য এক নাম গীতি-সাহিত্য

**ড° পবন চন্দ্ৰ গগৈ**
প্ৰাক্তন উপাধ্যক্ষ, জাগীৰোড মহাবিদ্যালয়

সুন্দৰ সাধনাৰ অন্য নাম গীতি-সাহিত্য হিচাপে কল্পনা কৰিলেই অসংখ্য উচ্চ খাপৰ গীত মনলৈ ভাঁহি আহে। সভ্য সমাজ এখনৰ প্ৰত্যেকজন মানুহৰে এটা দাৰ্শনিক সত্বা থাকে আৰু থকাটো উচিত। সেই সত্বাৰে মানুহে সত্য অন্বেষণৰ পথত অগ্ৰসৰ হয়। কবি, সাহিত্যিক বা গীত লিখা মানুহবিলাকৰো সত্য অন্বেষণৰ এটা প্ৰৱণতা থাকে বা থকাটো উচিত। এই সত্য অন্বেষণৰ প্ৰৱণতাই সমাজত এচাম সত্যনিষ্ঠ, মূল্যবোধসম্পন্ন আৰু মানৱীয় দায়ৱদ্ধতা সম্বলিত দূৰদৰ্শী মানুহৰ সৃষ্টি কৰে।

"সুউচ্চ পাহাৰৰ শৃঙ্গলে উঠা মই
এক প্ৰেমিক অশ্বাৰোহী
দূৰন্ত অশ্বৰ পদধ্বনিত
উন্মাদ হোৱা এক চিৰবিদ্ৰোহী"

অসমীয়া সংগীতৰ এক প্ৰেমিক অশ্বাৰোহী অথবা দূৰন্ত অশ্বৰ পদধ্বনিত উন্মাদ হোৱা এক চিৰবিদ্ৰোহী ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ উল্লেখিত গীতৰ শাৰীটিয়ে অসমীয়া গীতি-সাহিত্যৰ এক শীৰ্ষতম শৃঙ্গত যেন আৰোহণ কৰা সূচাইছে। এই গীতটিৰ ৰচনাত অৱশ্যে বিশ্ববিখ্যাত কবি আমেৰিকাৰ Robert Frost ৰ 'Stopping by woods on a snowy evening' (ৰচনা কাল ১৯২২ চন) কবিতাৰ শেষৰ শাৰীকেইটা "The woods are lovely, dark and deep, I have promises to keep. And miles to go before I sleep, And miles to go before I sleep" ৰ সুৰ ৰিণি ৰিণি ভাঁহি অহা যেন অনুভৱ হয়। মানুহ আৰু প্ৰকৃতিৰ মাজৰ চিৰ পুৰাতন সম্পৰ্ক আৰু তাৰ ভিত্তিতে গঢ় লোৱা জীৱন জয়ৰ সংকল্পৰ ওপৰত ভিত্তি কৰি মানৱতাবাদৰ স্বাৰ্থত কবিতা লিখা কুৰি শতিকাৰ এই বৰেণ্য কবি গৰাকীৰ দৰে পৃথিৱীৰ বহু কবিয়ে কবিতা বা গীত লিখি মানৱ জাতিৰ কল্যাণৰ বাবে নিজক উছৰ্গা কৰি গৈছে। আমাৰ অসমৰ পটভূমিতো এনে বহু কবি-গীতিকাৰে প্ৰকৃতি আৰু মানুহৰ চিৰন্তন সম্পৰ্ক, লোক জীৱনৰ ৰূপ ৰং ছন্দ, পৰিশ্ৰমী জীৱনৰ হা-হুমুনিয়াহ তথা প্ৰতিবাদী সত্বা, দেশপ্ৰেম তথা ঈশ্বৰ প্ৰীতি বা আধ্যাত্মিকতাবাদ সামৰি বহু গীত কবিতা লিখি গৈছে।

প্ৰাক্-স্বাধীনতাৰ কালছোৱাত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঁঞি বৰুৱা, অম্বিকাগিৰি ৰায়চৌধুৰী, পদ্মধৰ চলিহা আদি মহান সাহিত্যিকে দেশক বৃটিছ শাসনৰ অসূয়া-অপ্ৰীতি, শোষণ-নিস্পেষণৰ কলিয়া এন্ধাৰ আঁতৰোৱাৰ বাবেও নিজৰ সুন্দৰ সাধনা আৰু মানবীয় চেতনা প্ৰকাশ কৰিছিল। ৰায়চৌধুৰীৰ "বন্দো কি ছন্দেৰে", "কওঁ শুনিবি ভাই দেশৰ কথা কওঁ" আদি গীত দেশপ্ৰেম বা মানৱতাবাদৰ অমৰ স্বাক্ষৰ বুলি গ্ৰহণ কৰিব পাৰি। পদ্মধৰ চলিহাৰ 'ফুলনি' (১৯১৪) আৰু 'গীত লহৰী' (১৯২৮) ত স্বদেশপ্ৰেমৰ উপৰিও প্ৰকৃতিপ্ৰেম তথা জনজীৱনৰ চিত্ৰ বিৰাজ কৰিছে। এইখিনিতে লক্ষীৰাম বৰুৱাৰ (অসমত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ পথ প্ৰদৰ্শক) গীতৰ পুথি 'সংগীত কোষ'ৰ গীতবোৰ নিজে সুৰ কৰি প্ৰতিষ্ঠা কৰা কথাটোও বিশেষভাৱে উল্লেখযোগ্য।

পাৰ্বতি প্ৰসাদ বৰুৱাৰ 'লুইতী' (১৯৫৯), শুকুলা ডাৱৰ ঐ কহুৱা ফুল (১৯৬৩) আদি পুথিত গীত আৰু কবিতাৰ মাজত পাৰ্থক্যই যেন নাছিল। অসমৰ সেউজীয়া প্ৰাকৃতিক শোভা, এক পাতলীয়া ৰহস্যবাদী সুৰ (অসমৰ দিহা নাম, টোকাৰী গীত বা দেহ বিচাৰ গীত আদিৰ সুৰ-ব্যঞ্জনা), লোক জীৱনভিত্তিক থলুৱা গ্ৰাম্য জীৱনৰ সহজ-সৰল মাত- কথা সামৰি পাৰ্বতি প্ৰসাদৰ গীতি-সাহিত্য অসমীয়া সংগীত আৰু সাহিত্যৰ ভৰাঁলৰ অমৰ স্বাক্ষৰ। পাৰ্বতি প্ৰসাদৰ সম-সাময়িক জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাৰ উপৰিও কমলানন্দ ভট্টাচাৰ্য্য, মুক্তিনাথ বৰদলৈ আদিৰ গীতৰ মাজত নিজস্ব কাব্য ৰীতি আৰু স্বকীয় আবেদনৰ লগতে স্বদেশ প্ৰেম আৰু বিশেষকৈ অসমৰ মোহনীয়া পথাৰ-সমাৰ, সেউজীয়া প্ৰকৃতিৰ গছ-বন সামৰি সৰল জীৱনৰ চিত্ৰ ফুটি উঠাৰ উপৰিও সংস্কাৰবাদী তথা প্ৰতিবাদী সুৰো (কিছু গীতত) বিৰাজ কৰা দেখা যায়।

অসম সাহিত্য সভাৰ আৰম্ভণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী' (মুকলি সভা)ৰ ৰচক মিত্ৰদেব মহন্ত (স্বৰলিপি ইন্দ্ৰেশ্বৰ শৰ্মা) দেৱৰ 'গীত শতদল'ত (১৯৫৬) সন্নিবিষ্ট বিভিন্ন বিষয়ৰ এশ গীতত অসমীয়া প্ৰীতি, আধ্যাত্মিক সুৰৰ সুবাস বিয়পি আছে। স্বাধীনতাৰ পিছত গোপীনাথ বৰদলৈৰ তৎপৰতাত অসমৰ গুৱাহাটীত স্থাপন হোৱা অনাতাঁৰ কেন্দ্ৰৰ পৰৱৰ্তী পৰ্যায়ত অসমীয়া গীতি-সাহিত্যৰ ক্ষেত্ৰখনতো উত্তৰণ দেখিবলৈ পোৱা যায়। ১৯৫৮ চনৰপৰা সংগীত, বাতৰি আদিৰ সম্প্ৰচাৰে অসমৰ সংগীত শিল্পীৰ লগতে সাধাৰণ জনতাৰ মাজতো নতুন চেতনাৰ জোৱাৰ তোলে বুলি ক'ব পাৰি। এই আকাশবাণী কেন্দ্ৰৰ সুৰুঙাতে ড° ভূপেন হাজৰিকা, পুৰুযোত্তম দাস, কমল নাৰায়ণ চৌধুৰী, হেমেন হাজৰিকা আদি ভালেকেইগৰাকী সুযোগ্য অসমীয়াই গীতৰ ৰচক-গায়কৰ ৰূপত নিজকে প্ৰতিষ্ঠা কৰি অসমৰ গীতি-সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াই গৈছে। উল্লেখ্য যে, ড° ভূপেন হাজৰিকাই 'জিলিকাব লুইতৰে পাৰ', 'সংগ্ৰাম লগ্নে আজি' আৰু 'বহ্নিমান ব্ৰহ্মপুত্ৰ' আদি পুথিত প্ৰকাশিত গীতি-সাহিত্যত থলুৱা আৰু দেশী-বিদেশী সুৰৰ সমন্বয়ত, নিজস্ব সৃষ্টিশীলতাৰে (কিছু পৰিমাণে জ্যোতিপ্ৰসাদৰ আৰ্হিত) এফালে শোষিতজনৰ প্ৰতি সীমাহীন দৰদ আৰু আনফালে সমন্বয়ৰ সুৰ প্ৰকাশিত উদাৰ মানৱতাৰ গান গাই গ'ল। ড° লক্ষহীৰা দাস, তফজ্জুল আলী, বনকোঁৱৰ আনন্দিৰাম দাসৰ গীতি সাহিত্যত আন দিশবোৰৰ লগতে লোক জীৱনৰ সুৰে প্ৰাণ পাই উঠা দেখা যায়। বিশেষভাৱে আনন্দিৰাম দাসৰ পথৰুৱা জীৱনৰ গীতে-সুৰে পৃথিৱীৰ ক'তো পাবলৈ নোহোৱা 'বনগীত'ক অসমীয়া সংগীতৰ ভেঁটিত অজৰ-অমৰ কৰি থাপি থৈ গ'ল। উল্লেখ্য যে পদ্মশ্ৰী নলিনীবালা দেৱীৰ অতিন্দ্ৰীয়বাদী সুৰেৰে সজোৱা গীতসমূহেও অসমীয়া গীতি-সাহিত্যলৈ সুকীয়া অৱদান আগবঢ়াই গৈছে। ইয়াৰোপৰি ড° লীলা গগৈৰ 'গীত মালঞ্চ', আলিমুন্নিছা পিয়াৰৰ 'সুৰ নিজৰা' আদি গীতৰ পুথিয়ে গ্ৰাম্য জীৱনৰ লগতে প্ৰাকৃতিক সৌন্দৰ্য্য আৰু মানবীয় অনুভূতিৰ স্বাক্ষৰ বহন কৰি গৈছে। 'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচাৰ্য্য, মুকুল বৰুৱা, নৱকান্ত বৰুৱা, ৰুদ্ৰ বৰুৱা, দিজেন্দ্ৰ মোহন শৰ্ম্মাৰ দৰে গীতিকাৰে স্বকীয়তা প্ৰকাশি গীতি-সাহিত্যলৈ অৱদান আগবঢ়াই গৈছে। অসমৰ বিশিষ্ট কবি কেশৱ মহন্ত আৰু নিৰ্মলপ্ৰভাৰ বৰদলৈয়ে বহু গীতত সুন্দৰ সাধনাৰ স্বাক্ষৰ ৰাখি স্বকীয় আৱেগ-অনুভূতিৰে অসমৰ গীতি-সাহিত্যলৈ অক্ষয় চানেকী ৰাখি গৈছে।

সংগীত এক বিশ্বজনীন কলা। গীত বা গীতি-সাহিত্যও জীৱনক পোহৰ কৰি, জীৱনক সুন্দৰ কৰা আৰু জীৱনক নতুন বাট দেখুওৱা এক কলাত্মক উৎস-আহিলা বুলি মানি ল'ব পাৰি। এইক্ষেত্ৰত এটি কবিতা বা গীতি-সাহিত্যত বিশ্বজনীনতাৰ আবেদন এক অপৰিহাৰ্য বৈশিষ্ট্য বুলিব পাৰি; আৰু এই বৈশিষ্ট্যই এটি গীতক উৎকৃষ্ট পৰ্যায়লৈ উন্নীত কৰিব পাৰে।

সাহিত্যৰথী বেজবৰুৱাৰ "অ' মোৰ আপোনাৰ দেশ" জাতি আৰু দেশপ্ৰেমৰ উৎকৃষ্ট নিদৰ্শন হোৱাৰ লগতে ভাৱ-ভাষা আৰু ৰচনা শৈলীত প্ৰকাশ পোৱা সুন্দৰতা এক বিৰল উৎকৃষ্টতাৰ উদাহৰণ। অসমৰ 'জাতীয় সংগীত' হিচাপে গোটেই অসমীয়া জাতিটোক দেশক ভাল পাবলৈ উদ্বুদ্ধ কৰাটোতকৈ আৰু সুন্দৰ সাধনা কি হ'ব পাৰে? অৱশ্যে এই গীতটিৰ সুৰৰ আধাৰ অসমৰ মাটি, বায়ু-পানী বা থলুৱা জীৱনশৈলী নহয়। এই গীতটিৰ সুৰৰ আধাৰ হিচাপে খ্ৰীষ্টিয়ান মিচনেৰী সকলৰ গীৰ্জাঘৰৰ পৰা ভাহি অহা মূলতঃ নিগ্ৰোসকলৰ লম্বমান (Vertical) আধ্যাত্মিক সুৰৰ (Spiritual) ৰ পৰা লোৱা হৈছিল বুলি

ছাত্ৰাৱস্থাতে জানিবলৈ পাইছিলো। ইয়াৰোপৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অজৰ-অমৰ গীতবোৰৰ সুৰৰ আধাৰ থলুৱা আইনাম, বিয়ানাম আৰু পশ্চিমীয়া কৌশলেৰে সমৃদ্ধ হৈ নৰতম ৰূপত 'অসমীয়া গীত' হৈ সুন্দৰতাৰ সন্মোহনী শক্তিৰে 'ৰূপান্তৰৰ গায়ত্ৰী মন্ত্ৰ'ৰ ৰূপ লৈ প্ৰজন্মৰ পিছত প্ৰজন্মৰ বাবে আকৰ্ষণৰ বা আদৰৰ গীত হৈ পৰা নাই জানো? ড° ভূপেন হাজৰিকাৰ গীতি-সাহিত্যই মানবীয়তাৰ মহত্ব আৰু সুন্দৰতাৰ মহিমাৰেই মানুহৰ মাজত সমাদৃত হৈ আহিছে। " Music for beautification of life." "Music is sublime Art." অৰুণাচল প্ৰদেশৰ পাহাৰীয়া ভাইসকলৰ লোক সংগীতৰ সুৰৰ ওপৰত আধাৰিত (বিশিষ্ট তবলা বাদক সূৰ্য্য গোস্বামীৰ পৰা জ্ঞাত) "অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ" গীতৰ ভাষা, সুৰ, আবেদনে গীতি-সাহিত্যৰ এক সুউচ্চ শিখৰত আৰোহণ কৰিছে বুলি ক'ব পাৰি।

কথা সাহিত্যিক চৈয়দ আব্দুল মালিকৰ "জীৱনে মৰণে মই চিৰদিন অসমীয়া/অসমীয়া দেহে-প্ৰাণে মই/জীয়াই থাকোতে মই অসমৰে অসমীয়া মৰিলেও বৰি ল'ম অসমৰ অমিয়া মৰণ" বুলি লিখা গীতৰ সুন্দৰতা, সুৰ-গায়কী (সংগীতা বৰঠাকুৰৰ কণ্ঠ) অনন্য ৰূপত জিলিকি উঠিছে। প্ৰকাশভংগী আৰু আবেদন কিছু সুকীয়া হ'লেও কবি হীৰেণ ভট্টাচাৰ্য্যৰ কলমত প্ৰাণ পোৱা "মোৰ জীৱনেৰে মোৰ মৰণেৰে/সজাই তুলিব খোজো মোৰ মৰমৰ দেশ/ মোৰ প্ৰথম প্ৰেমৰ উন্মেষ" গীতটি একেই পবিত্ৰ দেশপ্ৰেমৰ উজ্জ্বল চানেকী। কবি কেশৱ মহন্তৰ ৰচনা, গণশিল্পী খগেন মহন্তৰ সুৰত অৰ্চনা মহন্তই গোৱা "অ ফুলপাহ হালিছ-জালিছ, অ ফুলপাহ কি কথা পাতিছ" গীতটিৰ সুন্দৰতা আৰু সৰলতাই সকলো শ্ৰোতাকে মুগ্ধ কৰে। এই গীতটিৰ সুৰৰ আধাৰ আছিল বিয়ানাম "ৰাম কৃষ্ণই সন্ধ্যাতে গমনে/ৰাম কৃষ্ণই যাত্ৰা সুমঙ্গলে, হৰি মোৰ ঐ/নৈ যমুনালৈ যাওঁ।" (খগেনদাই নিজে কোৱা কথা) অথবা "ৰাম ৰাম পানী তুলিবলৈ ...." বুলি আন এটি অসমীয়া বিয়া নামলৈ আঙুলিয়াব পাৰি। কেশৱ মহন্তৰ দৰে ফুলৰ প্ৰতি আকৰ্ষিত হৈ সুকীয়া প্ৰকাশভংগীৰে লিখা হীৰেণ ভট্টাচাৰ্য্যৰ এটা গীত হ'ল 'ফুলে লাহেকৈ ক'লে, মোক তোমাৰ খোপাত গুজি ল'বানে?" বিষয় একে হ'লেও অৱশ্যে উপস্থাপন, পটভূমি আছিল সুকীয়া। কিন্তু সুন্দৰতাৰ ক্ষেত্ৰত এটা সমনীতি উপলব্ধি কৰিব পাৰি।(হীৰেণ ভট্টাচাৰ্য্য ৰচিত দুয়োটি গীতত সুৰ কৰিবলৈ এই অভাজনৰ সৌভাগ্য হৈছিল। 'দেশপ্ৰেম'ৰ গীতটি গাইছে ৰাজশ্ৰী বৰদলৈয়ে আৰু 'ফুল' বিষয়ক গীতৰ গায়িকা পল্লৱী দাস। প্ৰথমটোৰ সংগীত ব্যৱস্থাপক নতুন প্ৰজন্মৰ প্ৰতিশ্ৰুতি সম্পন্ন শিল্পী অমৰজ্যোতি ডেকা আৰু দ্বিতীয়টোৰ বিশিষ্ট সংগীতজ্ঞ ৰমেন চৌধুৰী।)

সুন্দৰ সাধনাৰ অন্য নাম গীতি-সাহিত্য হিচাপে কল্পনা কৰিলেই অসংখ্য উচ্চ খাপৰ গীত মনলৈ ভাঁহি আহে। সভ্য সমাজ এখনৰ প্ৰত্যেকজন মানুহৰে এটা দাৰ্শনিক সত্বা থাকে আৰু থকাটো উচিত। সেই সত্বাৰে মানুহে সত্য অন্বেষণৰ পথত অগ্ৰসৰ হয়। কবি, সাহিত্যিক বা গীত লিখা মানুহবিলাকৰো সত্য অন্বেষণৰ এটা প্ৰৱণতা থাকে বা থকাটো উচিত। এই সত্য অন্বেষণৰ প্ৰৱণতাই সমাজত এচাম সত্যনিষ্ঠ, মূল্যবোধসম্পন্ন আৰু মানৱীয় দায়বদ্ধতা সম্বলিত দূৰদৰ্শী মানুহৰ সৃষ্টি কৰে। কবি-গীতিকাৰ আৰু শিল্পীসকলৰো এই দূৰদৰ্শীতা থাকে বা থাকিব লাগে। অসমৰ পটভূমিত এনে দূৰদৰ্শী, মানবীয় মূল্যবোধসম্পন্ন কবি-গীতিকাৰসকলৰ কথা ভাবিলেই থিতাতে মনলৈ আহে ভালেমান কবি-গীতিকাৰ বা শিল্পী-গায়কৰ ছবি। "তোৰ নাই যে বন্ধোৱা বাট" বুলি গীত লিখা পাৰ্বতি প্ৰসাদ বৰুৱা, "নিয়ৰৰে ফুল, এপাহ ফুলিল এপাহ সৰিল" বুলি গীত লিখা অধ্যাপক নৱকান্ত বৰুৱা (দুয়োটি গীত ড° ভূপেন হাজৰিকাই গাইছে), "ঘূৰ্ণী বতাহে বিচাৰি নেপালে মোৰ সঁচা পৰিচয়" গীতেৰে ৰত্ন ওজা আৰু পুৰুষোত্তম দাস বিৰচিত, জীতেন দেৱৰ সুৰত "কাৰ ৰাতিৰ পৃথিৱী স্বপ্নভৰা, জীৱন জয়ৰ কল্পনা" বুলি সত্য অন্বেষণ তথা জীৱন জিজ্ঞাসা প্ৰকাশি লিখা গীতবোৰ ভাহি আহে। এই দুয়োটা গীত গাইছে অসমৰ সকলোৰে মৰমৰ শিল্পী জয়ন্ত হাজৰিকাই। নতুন প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ আৰু গায়িকা অনিন্দিতা পালৰ কণ্ঠত ড° ভবেন্দ্ৰনাথ শইকীয়া ৰচিত ('দীনবন্ধু' বোলছবি) "ক'ৰ এজাক সপোন যেন বৰষুণ" গীতটি জনপ্ৰিয় হোৱাৰ মূল আধাৰ হ'ল যেন ইয়াৰ সুন্দৰ গায়কীৰ লগতে সুন্দৰ সাধনাৰ মহত্ব আৰু সত্য-অন্বেষণৰ কাব্য-সাহিত্য অথবা গীতি-সাহিত্য!

●●●



নাৰী প্ৰকৃততে সৌন্দৰ্য পিয়াসী। নাৰী হৃদয়ৰ নিভৃত কোণত লুকাই থাকে মায়া-মমতা-স্নেহ। সেয়েহে নাৰীয়ে মাতৃ-পত্নী বিবিধ ৰূপৰ গৰাকী হ'ব বিচাৰে। কবিয়ে নাৰী মনে বিচৰা বিভিন্ন সৌন্দৰ্যক যেন বিভিন্ন ৰঙৰ ফুল বুলি ক'ব বিচাৰে।

# নাৰীচেতনা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী'


▸▸| **অদিতি দাস বৰুৱা**

প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ


আধুনিক সভ্যতাৰ অগ্ৰগতিৰ লগে লগে নাৰী স্বাধীনতা সম্পৰ্কীয় এটি সুকীয়া ধাৰণাই গা কৰি উঠিছে; যাক নাৰীবাদ বুলি কোৱা হয়। 'ফেমিনিজম' গ্ৰন্থৰ গ্ৰন্থকাৰ জন চাৰ্ভেৰ মতে "নাৰী আৰু সমতাৰ ধাৰণাই নাৰীবাদ।" মূল্য বা গুৰুত্বৰ ফালৰপৰা পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই। পুৰুষসত্বা আৰু নাৰীসত্বা কোনো ভিন্ন নহয়। দুয়োটা একেই মানৱ সত্ত্বা। মানুহৰ প্ৰকৃতি আৰু লিংগৰ ভিত্তিত বিচাৰ কৰা অনুচিত। এনেধৰণৰ যুক্তিবাদী চিন্তাই অনা আলোকপ্ৰাপ্ত চেতনা আৰু ইয়াৰ ফলত উদ্ভৱ হোৱা বৈপ্লৱিক আলোড়নৰ পৰাই নাৰীবাদৰ উন্মেষ ঘটিছিল বুলি ক'ব পাৰি।

প্ৰায় ঊনবিংশ শতিকাৰ চতুৰ্থ দশকত ভাৰতবৰ্ষতো নাৰীৰ স্থান সম্পৰ্কীয় প্ৰশ্নটোৱে গুৰুত্ব লাভ কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল লৰ্ড উইলিয়াম বেণ্টিংকে আদি কৰি ৰাজা ৰামমোহন ৰায়, ৰামকৃষ্ণ পৰমহংস আদি বৰেণ্য ব্যক্তিসকলে স্ত্ৰী শিক্ষা প্ৰচলন, বাল্যবিবাহ, সতীদাহ প্ৰথা নিবাৰণত গুৰুত্ব দিছিল। বিংশ শতিকাৰ আৰম্ভণিৰপৰাই কলা বাণিজ্য, সুকুমাৰ কলা, ৰাজনীতি আদি সকলো বিষয়তে নাৰীয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাৰ পথ উন্মোচিত হ'ল। নাৰীসকলে প্ৰত্যাহিক ঘৰুৱা কামতে আৱদ্ধ নাথাকি স্ব-অৰ্জিত শিক্ষাৰ জৰিয়তে সকলো দিশতে মনোনিবেশ কৰিলে। অৰ্থনৈতিক স্থিতি সবল কৰিবলৈ হ'লে নাৰী আৰু পুৰুষৰ লক্ষ্য এটাই হ'ব লাগিব। যোগ্য ভোগ্য বসুন্ধৰাৰ সৃষ্টি। কিন্তু নাৰীসকলৰ এই সচেতনাৰ ফলত তেওঁলোকে যে প্ৰাপ্য অধিকাৰ লাভ কৰিছে বুলি ক'ব নোৱাৰি। যাৰ ফলত বৰ্তমান সময়তো নাৰীয়ে নানা সমস্যাৰ সন্মুখীন হৈ আহিছে।

নাৰী স্বাধীনতাৰ এনে বৈপ্লৱিক চেতনা সৃষ্টি ধৰ্ম্মী সাহিত্যলৈ সম্প্ৰসাৰিত হ'বলৈ ধৰিলে। বিংশ শতিকাৰ তৃতীয় দশকমানৰপৰাই অসমীয়া সাহিত্যতো নাৰীৰ স্থান সম্পৰ্কে প্ৰতিফলন হ'বলৈ ধৰিলে। এনে ধ্যান-ধাৰণাৰ এখন চিত্ৰ কবি নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' শীৰ্ষক কবিতাটোত প্ৰতিফলিত হৈছে। অসমীয়া কবিতাৰ গতি আৰু শক্তি বৃদ্ধিত বৰদলৈৰ অৱদান অপৰিসীম । কবিতাটিত নাৰী মনৰ বিশেষ

স্তৰৰ অনুভূতিৰ কথা প্ৰকাশ কৰিছে।

কবিতাক অন্তঃকৰণেৰে ভালপোৱা কবিৰ কাব্যত সৰ্বসাধাৰণ মানুহৰ সুখ-দুখ, পোৱা-নোপোৱা নিঃসংগতাৰ, গ্ৰাম্য জীৱনৰ চিত্ৰ আদিৰ লগতে সাম্প্ৰতিক সময়ৰ নাৰীৰ স্বাধীনতা সম্পৰ্কে এখন ছবি কবিতাসমূহত বাঙ্ময় হৈ উঠিছে। মহাকাব্যৰ যুগৰপৰা বৰ্তমানলৈ নাৰীয়ে পাই অহা লাঞ্চনা, বঞ্চনা আদিৰ ছবি কবিতাৰ ভাষাৰে ব্যক্ত কৰিছে। জ্ঞানৰ পোহৰ নোপোৱা, অজ্ঞ নাৰীসকলে প্ৰতিবাদ নকৰাকৈ সমাজৰ গোড়া, যুক্তিহীন নিয়ম-নীতি কবিয়ে সহ্য কৰিব পৰা নাছিল। দ্ৰৌপদী, সীতা, গান্ধাৰী আদি কবিতাৰ মাধ্যমেৰে এনে ভাৱধাৰ প্ৰকাশ পাইছে।

'দ্ৰৌপদী' অৰ্থৰহ চিত্ৰবাদী কবিতা। কবিৰ মতে পৃথিৱীৰ মহৎ আৰু বিচিত্ৰ শক্তিসমূহৰ ভিতৰত নাৰী শক্তি অন্যতম। ভাৰতীয় মহাকাব্যসমূহৰ পৰা তুলি অনা নাৰীসকলক নতুন মূল্যায়ন কৰি নিজৰ সৃষ্টিত সাৰ্থকতা লাভ কৰিছে। শৈশৱতে পাৰ কৰি অহা সংঘাতময় জীৱনে কবিৰ মনক আঘাত হানিছিল। নানা অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বলি হোৱা কবিয়ে বুজি উঠিছিল---জীয়াই থকাৰ নামেই জীৱন নহয়, নিয়ম জীৱনৰ কাৰণেহে, জীৱন নিয়মৰ কাৰণে নহয়। কম বয়সতে বাল্য বিবাহৰ বলি হৈ মাতৃ হোৱা কবিক দেউতাকৰ এষাৰ কথাই যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল, 'জীৱন ক্ষণস্থায়ী, কীৰ্তি চিৰস্থায়ী, জীৱনৰ মাজত মহাজীৱন বিচাৰি লোৱা । বাল্যকালতে সন্মুখীন হোৱা নানা ধৰণৰ সংঘাতে পৈণত বয়সত কবিক সমাজ ব্যৱস্থাৰ প্ৰতি বিদ্ৰোহী কৰি তুলিছিল। এনেদৰে জীৱনৰ কাঁইটীয়া পথ অতিক্ৰম কৰি নিজৰ মেধা আৰু প্ৰজ্ঞা সাধনাৰে কবিয়ে লিখি গ'ল---'দ্ৰৌপদী'ৰ নিচিনা অনেক কবিতা।

কবিৰ মতে 'দ্ৰৌপদী' হৈছে চিৰসৌন্দৰ্য সন্ধানী উন্মুখ নাৰী। তেওঁ পঞ্চপাণ্ডৱৰ পত্নীয়ে নহয়, তেওঁ হৈছে যুগমীয়া ৰহস্যৰে ভৰা নাৰী মনৰ বিচিত্ৰ প্ৰকাশ । মহাকাব্যৰ নাৰীসকল আৰু বৰ্তমান নাৰীসকলৰ মাজত কোনো পাৰ্থক্য নাই। দ্ৰৌপদী আদৰ্শ নাৰী হ'লেও সাধাৰণ নাৰীতকৈ ব্যতিক্ৰম নহয়। দৈহিক কামনা-বাসনাৰ উপৰিও নাৰীসকলৰ এখন মানসিক জগত থাকে। য'ত সৌন্দৰ্যক স্বকীয় ৰূপত চোৱা হয়। ধাৰ্মিক যুধিষ্ঠিৰ, বাহুবলী ভীম, বীৰ অৰ্জুন আৰু শান্ত-নম্ৰ নকুল, সহদেৱক স্বামীৰূপে পোৱাৰ পিচতো দ্ৰৌপদীৰ মানসিক জগতত কৰ্ণৰ প্ৰতি অনুকম্পা জাগে। এয়া কোনো দোষণীয় নহয়। নাৰীসকলে সমাজৰ ভয়ত সত্যক সহজে স্বীকাৰ কৰি ল'ব নোৱাৰে।

কবিৰ ভাষাত ---

"মোৰ দোষ ক'ত?
মই মাথো কৰি গলোঁ
সত্যৰ সহজ স্বীকাৰ
যিবোৰ স্বীকাৰ ভণ্ডামিৰ মুখাৰ তলত
সৰ্বদায় গুপ্ত হই থাকে।"

কবিতাটিত নাৰীৰ সৌন্দৰ্য সন্ধানী মনটোক সমাজে যাতে বাধা দিব নোৱাৰে, তাৰ প্ৰতিবাদী সুৰ প্ৰকাশ পাইছে। কবিয়ে কৈছে যে, মানুহ শুৱনি হয়, সুন্দৰ ব্যক্তিত্বৰে -অৱয়বৰে নহয়। সেয়েহে কবিয়ে নাৰীসকলক মুক্ত মনেৰে মনৰ সকলো কথা ব্যক্ত কৰি প্ৰাপ্য স্বাধীনতাক স্বীকাৰ কৰি ল'বলৈ আহ্বান জনাইছে।

নাৰী প্ৰকৃততে সৌন্দৰ্য পিয়াসী। নাৰী হৃদয়ৰ নিভৃত কোণত লুকাই থাকে মায়া-মমতা-স্নেহ। সেয়েহে নাৰীয়ে মাতৃ-পত্নী বিবিধ ৰূপৰ গৰাকী হ'ব বিচাৰে। কবিয়ে নাৰী মনে বিচৰা বিভিন্ন সৌন্দৰ্যক যেন বিভিন্ন ৰঙৰ ফুল বুলি ক'ব বিচাৰে।

অসমীয়া সাহিত্যত আজি এশবছৰে নাৰীবাদী চিন্তাধাৰাই বিশেষ প্ৰাধান্য লাভ কৰিছে। কিন্তু বৰ্তমানলৈ নাৰীৰ প্ৰাপ্য স্বাধীনতা লাভ কৰিব পৰা নাই। নাৰী পুৰুষৰ পাৰ্থক্যহীন সমাজ এখন পাবলৈ হ'লে নাৰী শিক্ষিত হ'ব লাগিব। বৈদিক যুগৰে পৰা সাম্প্ৰতিক কাললৈকে কীৰ্তিৰে নাম উজলাই ৰখা গাৰ্গী, মৈত্ৰেয়ী, জয়মতী, মূলাগাভৰু, মাদাৰ টেৰেছা, চন্দ্ৰপ্ৰভা, কল্পনা চাওলা, নিৰ্মলপ্ৰভা বৰদলৈ আদি বিদুষী নাৰীৰ আদৰ্শৰে আগুৱাই গৈ প্ৰাপ্ত স্বাধীনতা নাৰীয়ে সাব্যস্ত কৰিব লাগিব। 'দ্ৰৌপদী' শীৰ্ষক কবিতাটিৰ নাৰী সৰলীকৰণৰ ক্ষেত্ৰত যথেষ্ট প্ৰাসংগিকতা বা গুৰুত্ব আছে বুলি ক'ব পাৰি।

●●●

‘থেয়্যাম’ উত্তৰ কেৰেলাৰ অতি জনপ্ৰিয় লোক পৰিৱেশ্য কলা তথা পাৰম্পৰিক এক ধৰ্মীয় অনুষ্ঠান । ঈশ্বৰৰ প্ৰতি ভক্তি উৎসৰ্গিত ঐশ্বৰিক পূজা-অৰ্চনা জনোৱা এই পৰম্পৰাগত অনুষ্ঠানটি এই অঞ্চলটোৰ সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। থেয়্যামৰ উৎপত্তি বিচাৰ কৰিবলৈ গ'লে কেইবা শতিকাৰ আগলৈ যাব লাগিব। জনবিশ্বাস অনুসৰি এই অনুষ্ঠানটি জনজাতীয় ৰীতি-নীতি তথা লোককথাৰপৰা উৎপত্তি লাভ কৰা বুলি কোৱা হয়। ই হৈছে পৌৰাণিক কাহিনী, আধ্যাত্মিকতা আৰু স্পন্দনশীল অভিনয়ৰ সংমিশ্ৰিত এক অনন্য আৰু মনোমোহা শিল্পকলা।

# ‘থেয়্যাম’ আৰু কিছু অনুভৱ

ড° গাৰ্গী ফুকন
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

আজি দেওবাৰ বাবে ক্লাছ নাই। মই কলেজৰ ক্লাছৰ কথা কোৱা নাই, Refresher Course ৰ বাবে kannur University লৈ আহি ক্লাছ কৰি আছোহি। বহু দিনৰ বিৰতিত, দিন নহয় আচলতে বহু বছৰৰ মূৰত আকৌ বিদ্যালয়, মহাবিদ্যালয়ৰ দিনলৈ উভতি যোৱা যেনহে লাগিছে। কেৰেলাৰ উৎকট গৰমত দেৰিলৈকে শুই থাকিবই নোৱাৰি অথচ, পুৱা চাৰে ছয় বজাটো বেলিৰ মুখ দেখিবলৈকে নাই। দুখনকৈ ফেন চলাই থোৱাৰ পিছতো এই জানুৱাৰী মাহৰ ভৰ ঠাণ্ডাৰ দিনকেইটাতো যে এনেকৈ ঘামি থাকিম ঘৰত থকাহেঁতেন সেইটো মোৰ বাবে সপোনৰো অগোচৰ কথা। পুৱা ১০:০০ বজাৰ পৰা বিয়লি ৫:০০ বজালৈ ক্লাছৰ এনে বোজা যে পিচবেলাৰ শ্ৰেণীত কেতিয়াবা টোপনিয়ে হেঁচা মাৰি ধৰে; কেতিয়াবা থিয় হৈ সমলব্যক্তিজনক ক'বলৈ মন যায় “হ'ব আৰু ছাৰ- বাইদেউ, আৰু কিমাননো জ্ঞান দিয়ে।” মনলৈ ভাব আহে আমাৰ ল'ৰা-ছোৱালী কেইটাৰো ছাগৈ কেতিয়াবা নিশ্চয় এনেকৈ আমাকো ক'বলৈ মন যায়। অৱশ্যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ দৰেই মই বা এই ক'ৰ্ছৰ মোৰ কোনো এজন সহপাঠীয়েই এনেকৈ ক'ব পৰা নাই। কেতিয়াবা বহি থাকিবলৈ আমনি পালেও এইটো কথা কিন্তু সঁচা যে বহু কথা জানিবলৈ শিকিবলৈ পাইছোঁ আৰু আমনি লগাতকৈ বহু বেছি কিন্তু ভাল লাগিছে। এক কথাত স্বীকাৰ কৰিবলৈ গ'লে বহুত enjoy কৰি আছো। আজি দেওবাৰ বাবে ক্লাছ নাই। শুনি আছিলো আগৰেপৰা উত্তৰ কেৰেলাৰ ‘থেয়্যাম’ (Theyyam) নামৰ এক বিশেষ অনুষ্ঠানৰ বিষয়ে । বৰ্তমান মই আছোহি কেৰেলাৰ উত্তৰ অংশৰ কান্নুৰ জিলাস্থিত কান্নুৰ বিশ্ববিদ্যালয়ৰ এটি চৌহদত। গতিকে কান্নুৰ জিলাত থাকি যদি থেয়্যাম চাই নাযাওঁ, তেন্তে ইয়ালৈ অহাটোৱেই আধৰুৱা হৈ ৰ'ব। ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অহা বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ শিক্ষাগুৰু তথা মোৰ বৰ্তমান এই ক'ৰ্ছৰ সহপাঠী কেইগাৰাকী মান লগ হৈ গাড়ী এখন লৈ আমি থেয়্যাম অনুষ্ঠান চাবলৈ যোৱাৰ কথা। ওপৰ মহলাৰ মোৰ ৰুমৰপৰা সেয়েহে মই তললৈ নামি আহিলো। নামি আহিয়ে দেখিলো তলৰ চিৰিতে ছাৰ এজন বহি আছে। যোৱাৰাতি ছাৰ এজনে মোক মেছেজ কৰিছিলে "Hello ma'am, this is Dr. Amin, if you all are going theyyam tomorrow please let me know, I will also join." তললৈ নামি এইগৰাকী

ছাৰক দেখি মোৰ আমিনল ছাৰলৈ মনত পৰিল। ছেহঃ ছাৰক জনাবলৈ পাহৰিলো। কিছু দূৰলৈ গৈ ফোনকে কৰো বুলি আগুৱাই আহি ফোন কৰিলোঁ "Hello Sir, its me Gargi, sorry for calling you so late, but we are downstairs waiting for the vehicle, if your wish you can join us for theyyam." সিফালৰ পৰা তেওঁ ক'লে "Not to worry ma'am, I am totally ready" ।মই বোলো ঠিকেই আছে তেন্তে তেওঁ যদি ৰেডি হৈ গ'ল, নহ'লে পিছত সংকোচবোধ হ'লহেঁতেন মোৰ। ইতিমধ্যে বাকী ছাৰ-বাইদেউকেইগৰাকীও তললৈ আহি গাড়ীৰ বাবে ৰৈছেহি আৰু হাতে হাতে ফোন লৈ ঘৰা-ঘৰী ফোন কৰাত ব্যস্ত। মোৰ নতুন বান্ধৱীগৰাকী তেতিয়াও তললৈ নামি অহা নাই আৰু অলপ আগত দেখা ছাৰজন তেতিয়াও তাতেই বহি আছে। মই লগৰজনীলৈ এটা ফোন কৰিলোঁ আৰু ছাৰ জনকো শুধিলোঁ "আমিন ছাৰ?" মানে মই এইটো বুজাব বিচাৰিছিলো যে "আমিন ছাৰ ক'ত, গাড়ীছোন পাবহিয়েই?" তেওঁ হাতৰ ভংগীমাৰে নিজৰফালে কিবা দেখুৱালে আৰু মইও সৌজন্যতামূলক এনেই হাঁহি এটা যাক ইংৰাজীত Smile বুলি ক'ব পাৰি সেই হাঁহিটো মাৰি থৈ দিলো। তথাপি আমিন ছাৰক জনোৱাৰ দায়িত্বটো যিহেতু মোৰ আছিল গতিকে মনৰ শংকাটো দূৰ কৰোঁ বুলিয়েই ছাৰজনক আকৌ সুধি পেলালো, "Amin Sir is with you Sir or you mean to say that you will inform Amin Sir?" ছাৰজনে এক মুহূৰ্তৰ বাবে আচৰিত হৈ মোলৈ চাই ক'লে "I am Amin Sir" ।মই শুনি হকবাক হ'লো, হাঁহিও উঠিল আৰু নিজৰ মুৰ্খামিৰ বাবে লাজো পালো অলপ। যি কি নহওঁক গাড়ী আহি পালেহি আৰু আমিও উৎফুল্লিত হৈ নিজৰ নিজৰ আসনত বহি যাত্ৰা আৰম্ভ কৰিলোঁ। প্ৰায় এক ঘণ্টামান জোৰ যাত্ৰাৰ অন্তত আমি আহি 'মুচিলট্টু ভাগৱতী' (Muchilottu Bhagavathy) ত মন্দিৰৰ প্ৰাংগনত উপস্থিত হ'লোহি। ইমান ভিৰ যদিও মন্দিৰ চৌহদত বহুলোক চিজিল লাগি নিয়াৰিকৈ চাৰিওদিশে বহি আছে, কিছুলোকে দূৰৈৰ পৰা থিয় হৈ চাই আছে আৰু আন এক অংশই মন্দিৰ চৌহদৰ ভোজন গ্ৰহণ কৰা কক্ষত বহি নিয়াৰিকৈ আহাৰ গ্ৰহণ কৰি আছে। মন্দিৰৰ মূল অংশত ঈশ্বৰৰ প্ৰতিমূৰ্তি ৰখা হৈছে আৰু বন্তি প্ৰজ্বলনেৰে সেই অংশ উজ্জ্বলাই ৰখা হৈছে। গোটেই দেহত ৰঙা লেপন সনা আৰু দেহৰ ওপৰ অংশত প্ৰকাণ্ড সাজ ধাৰণ কৰা এজন ব্যক্তিয়ে মন্দিৰ চৌহদৰ মূল অংশত কিছু নৃত্যৰত ভংগীমাত ঘূৰি আছে আৰু মানুহে তেওঁক চাবলৈ ভিৰ কৰিছে। মন্দিৰ প্ৰাংগন ৰজন-জনাই যোৱাকৈ বাদ্যৰ মধুৰ শব্দ ধ্বনিত যেন



দশোদিশ মুখৰিত হৈ পৰিছে। কিছুমুহূৰ্ত সেই বাদ্যৰ তালে তালে নৃত্যভংগীমা পৰিৱেশন কৰাৰ পিছত তেওঁ এটি আসনত বহিলে। মোৰ মনলৈ কিছু বেজাৰো নামি আহিলে এইটো ভাবি যে, ইমান গৰমত এই উগ্ৰ মেকআপ আৰু ইমান গধুৰ সাজ-সজ্জা পৰিধাৰণ কৰি নৃত্য প্ৰদৰ্শন কৰি থকাটো কম কষ্টনে! অৱশ্যে সেইটো মোৰ ব্যক্তিগত অনুভৱহে। তেওঁ আসন গ্ৰহণ কৰিলত মহিলা আৰু পুৰুষৰ ভাগে ভাগে দীঘলীয়া শাৰী লাগিল। আমিও শাৰী পাতিলো আৰু সকলোৰে কি কৰিছে অলপ লক্ষ্য কৰি আমিও তেওঁৰ চৰণ স্পৰ্শ কৰি আশীৰ্বাদ ললোঁ। মোৰ মূৰ আৰু হাতত চুই তেওঁ বগা কিবা পাউদাৰ অলপ মোৰ হাতত দি দিলে। হয়তু চন্দন আৰু হালধী আৰু কিবা কিবি সানমিহলি গুৰি আছিল। সেইখিনি লৈ কি কৰিম একো ভাবি পোৱা যে নাই সেইকথা বুজিব পাৰি মোক দূৰৈৰ পৰা চাই থকা আইতা গৰাকীয়ে মোক মৰমেৰে হাত বাউলি দি মাতিলে। হাতৰ পৰা সেই চন্দন-হালধী গুৰিখিনি লৈ প্ৰথমে তেওঁ মোৰ কঁপালত

পথালিকৈ এটা ফোঁট দি একেদৰেই ডিঙিৰ থিক তল আৰু বুকুৰ থিক ওপৰৰ অংশটো আন এটি পথালি ফোঁট দিলে, তাৰ পিছত কিছু অংশ গালত আৰু মূৰতো দিলে আৰু অলপ আকাৰে ইংগিতে মুখখন মেলিবলৈ ক'লে আৰু খুবায়ো দিলে। মই বাকীকেইগৰাকী বাইদেউতকৈ শাৰীত আগে গৈছিলোঁ আৰু যেতিয়া বাকীকেইগৰাকীৰো আশীৰ্বাদ লৈ হ'ল তেওঁলোকেও হাতত দিয়া সেই গুৰিখিনি কি কৰিব ভাবি পোৱা নাছিল আৰু মই অতি গৰ্বেৰে "I know what to do, let me" বুলি কৈ সেই আইতাগৰাকীয়ে কৰাৰ দৰে লগৰকেইগৰাকীক তেনেকৈ ফোঁট দি অতি আমোদ লাভ কৰিলোঁ।

'থেয়্যাম' উত্তৰ কেৰেলাৰ অতি জনপ্ৰিয় লোক পৰিৱেশ্য কলা তথা পাৰম্পৰিক এক ধৰ্মীয় অনুষ্ঠান। ঈশ্বৰৰ প্ৰতি ভক্তি উৎসৰ্গিত ঐশ্বৰিক পূজা-অৰ্চনা জনোৱা এই পৰম্পৰাগত অনুষ্ঠানটি এই অঞ্চলটোৰ সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। থেয়্যামৰ উৎপত্তি বিচাৰ কৰিবলৈ গ'লে কেইবা শতিকাৰ আগলৈ যাব লাগিব। জনবিশ্বাস অনুসৰি এই অনুষ্ঠানটি জনজাতীয় ৰীতি-নীতি তথা লোককথাৰপৰা উৎপত্তি লাভ কৰা বুলি কোৱা হয়। ই হৈছে পৌৰাণিক কাহিনী, আধ্যাত্মিকতা আৰু স্পন্দনশীল অভিনয়ৰ সংমিশ্ৰিত এক অনন্য আৰু মনোমোহা শিল্পকলা। এই অনুষ্ঠানত নৃত্য, গীত আৰু নাটকীয় কাহিনী কথনেৰে বিভিন্ন দেৱ-দেৱী আৰু পূৰ্বপুৰুষক চিত্ৰায়ণ কৰি অনুষ্ঠান পৰিৱেশন কৰা হয়। জনসমাজত থেয়্যামক এনে এক মাধ্যম হিচাবে গণ্য কৰা হয়, যাৰ জৰিয়তে ঐশ্বৰিক শক্তি বা মহিমাক আমন্ত্ৰণ কৰি ঈশ্বৰৰ উপস্থিতি অনুভৱ কৰিব পাৰি। প্ৰতিবছৰে কালিয়াট্টমৰ বতৰত ডিচেম্বৰৰপৰা এপ্ৰিলৰ ভিতৰত কান্নুৰ আৰু কাছাৰাগোড জিলাৰ অসংখ্য মন্দিৰত থেয়্যাম প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠান বিশেষভাৱে নিৰ্মিত মুকলি আকাশৰ তলৰ এক মঞ্চ যাক 'Kaavus' বুলি কোৱা হয় নতুবা উৎসৱৰ বতৰত মন্দিৰ প্ৰাঙ্গনত পৰিৱেশন কৰা হয়। 'থেয়্যাম শিল্পী' বা 'থেয়্যাম অনুশীলনকাৰী' নামেৰে পৰিচিত থেয়্যাম পৰিৱেশনকাৰীসকলে তেওঁলোকে প্ৰতিনিধিত্ব কৰা দেৱ-দেৱতা পূৰ্বপুৰুষৰ কোনো পবিত্ৰ আত্মা অনুসৰি সেই হিচাপে বেশ ধাৰণ কৰি সাজ-পোছাক পৰিধান কৰে । বিশাল আকৃতিৰ বিশেষভাৱে নিৰ্মিত সাজ-পোছাক পিন্ধাই, গোটেই দেহত স্পন্দনশীল উজ্জ্বল বিশেষ ৰং ব্যৱহাৰ কৰি, গধুৰ আ-অলংকাৰ পিন্ধাই, মুখটো বিশেষ ৰং সনি তেওঁলোকক সজাই তোলা হয়। থেয়্যামৰ অসংখ্য ৰূপ আছে। ৪০০ৰো অধিক থেয়্যামৰ প্ৰত্যেকেই স্থান অনুসৰি বেলেগ বেলেগ দেৱ-দেৱতা-দেৱী পূৰ্বপুৰুষৰ আত্মাক প্ৰতিনিধিত্ব কৰাকৈ সজাই তুলা হয়। কিছুমান জনপ্ৰিয় থেয়্যামৰ ৰূপৰ ভিতৰত ৰক্ত চামুণ্ডি, মুচিল্যেটু ভাগৱতী, কথিভানুৰ বীৰম, পট্টান থেয়্যাম, গুলিকান, কন্দনাৰ কেলান আদি উল্লখযোগ্য।

'থেয়্যাম' 'দৈৱম্' শব্দৰ পৰা উদ্ভৱ হোৱা বুলি বিশ্বাস কৰা হয়, যাৰ অৰ্থ হৈছে 'দেৱতা'। সেয়েহে এই অনুষ্ঠানটিৰ পৰিৱেশনৰ সময়ত শিল্পীগৰাকীয়ে ঐশ্বৰিক শক্তি লাভকৰি ঈশ্বৰলৈ ৰূপান্তৰিত হোৱা বুলি জনসমাজত বিশ্বাস কৰা হয়। পৰিৱেশনৰ পূৰ্বে সেয়ে শিল্পীগৰাকীয়ে শুদ্ধিকৰণকে আদি কৰি উপবাস, ধ্যান, খাদ্যত নিৰ্দিষ্ট নিষেধাজ্ঞা মানি চলা ইত্যাদি নানান কঠোৰ নিয়ম-নীতি, আচাৰ-ব্যৱহাৰৰ মাজেৰে সময় পাৰ কৰিবলগীয়া হয়।

এই পৰিৱেশনৰ লগত পৰম্পৰাগত সংগীত আৰু বাদ্যযন্ত্ৰ সংগত কৰি অনুষ্ঠান পৰিৱেশন কৰা হয়। এই অনুষ্ঠানত ব্যৱহৃত বিভিন্ন বাদ্যযন্ত্ৰ যেনে চেণ্ডা (এটা নলাকাৰ ঢোল) ইলাথালাম আৰু ভিক্কুচেণ্ডাৰ ছন্দময় স্পন্দনে এক সজীৱ পৰিৱেশ সৃষ্টি কৰি তুলে। পৰিৱেশনকাৰীসকলে সবল আৰু শক্তিশালী নৃত্যস্পন্দনেৰে বিভিন্ন ভংগীমাৰ সৃষ্টি কৰি বিভিন্ন পৌৰাণিক কাহিনী আদিক আকৰ্ষণীয় ৰূপত দৰ্শকৰ বাবে দাঙি ধৰে।

'থেয়্যাম' ভক্তিসাধনাৰ সৈতে জড়িত এক কাৰ্য আৰু ইয়াৰদ্বাৰা দেৱতা আৰু আত্মাৰ আশীষ বিচাৰি লগতে বিপদ বিঘিনিৰপৰা সুৰক্ষা কামনা কৰা হয়। স্থানীয় লোকসকলে থেয়্যাম পৰিৱেশকসকলৰ প্ৰতি অতি শ্ৰদ্ধাশীল মনোভাৱেৰে সেৱা জনাই তেওঁলোকৰপৰা আশীৰ্বাদ বিচাৰে। জনবিশ্বাস অনুসৰি এই অনুষ্ঠানৰ পৰিৱেশনকাৰী একোজন মানৱ জগত আৰু ঐশ্বৰিক জগতৰ মাজৰ এক সংযোগস্থাপনকাৰী মাধ্যম হিচাপে বিবেচনা কৰা হয় আৰু ঈশ্বৰৰ সৈতে সংযোগ স্থাপন এক মাধ্যম হিচাপে সৰ্বসাধাৰণ ৰাইজেও অতি আগ্ৰহেৰে এই অনুষ্ঠানত অংশ গ্ৰহণ কৰে।

এনে এক মহিমামণ্ডিত অনুষ্ঠান চাক্ষুসভাৱে দৰ্শন কৰিবলৈ পাই আমি সঁচাকৈ অভিভূত হলোঁ। এনে উদাত্ত নৃত্যানুষ্ঠান, বাদ্য আৰু সংগীতৰ এনে অপূৰ্ব সমাহাৰ, ৰং আৰু সাজ-সজ্জাৰ মনোৰম দৃশ্যমান ৰূপে বুকুত আমাৰো এক বুজাব নোৱাৰা সজীৱ চিত্ৰ আৰু স্পন্দনৰ আলোড়ন সৃষ্টি কৰি তুলিলে আৰু এক বুজাব নোৱাৰা ভক্তি আৰু স্মৃতি বুকুত সাঁচি আমিও পুনৰ গাড়ীখনত উঠি আমাৰ উভতনি যাত্ৰা আৰম্ভ কৰিলোঁ।

●●●

ৰামায়ণৰ আদৰ্শ কেৱল ভাৰতীয় সভ্যতা, সমাজ-সংস্কৃতিতেই সীমাৰদ্ধ নহয়; ইয়াৰ বিস্তৃতি এছিয়া, ইউৰোপ আৰু পৃথিৱীৰ প্ৰায়বোৰ বিশিষ্ট ভাষাতে অনূদিত তথা বিদ্যমান বুলি ক'ব পাৰি। ৰামকথা কেৱল হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ মাজতে সীমাৰদ্ধ হৈ থকা নাই; আন আন ধৰ্মাৱলম্বী লোকসকলৰ মাজতো ৰামকথা অত্যন্ত জনপ্ৰিয়।

# ভাৰতীয় প্ৰান্তীয় ভাষাত 'ৰামায়ণ' চৰ্চা আৰু নেপালী সাহিত্যৰ কবি ভানুভক্ত আচাৰ্য

**ড° কণিমা পাঠক**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

ভাৰতীয় জাতীয় জীৱনত ৰামায়ণ কেৱল এখন শ্ৰেষ্ঠ মহাকাব্যই নহয়, এখন ধৰ্মগ্ৰন্থ, নৈতিক আৰু মানবীয়তাৰ আদৰ্শ প্ৰকাশক এখন মহান গ্ৰন্থ। মহৰ্ষি বাল্মিকীক 'ৰামায়ণ' মহাকাব্যৰ স্ৰষ্টা বুলি সকলোৱে বিশ্বাস কৰে। মৈথুনাসক্ত ক্ৰৌঞ্চ চৰাই এহালৰ চৰাইটোক এজন ব্যাধে শৰবিদ্ধ কৰাত ক্ৰৌঞ্চজনী বিৰহত ইচাত-বিচাত কৰি ফুৰা দেখি মহৰ্ষি বাল্মিকীৰ এফাঁকি শ্লোক স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছিল। যেনে—

"মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ।
যৎ ক্ৰৌঞ্চ মৈথুনাদেকমবধীঃ কামমোহিতম।।"

(অৰ্থাৎ হে নিষাদ, যিহেতু তই, এই ক্ৰৌঞ্চমিথুনৰ কাম মোহিত ক্ৰৌঞ্চক বধ কৰিছ, গতিকে তই প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰিবি।)

এই শ্লোক ফাঁকিৰপৰাই হেনো বাল্মিকীয়ে 'ৰামায়ণ' ৰচনা কৰিলে আৰু এই শ্লোক ছন্দ ভাৰতীয় লোকবিশ্বাসত আদি শ্লোক হিচাপে স্বীকৃত হৈ আহিছে। সেয়েহে 'ৰামায়ণ'ক আদিকাব্য বুলিও কোৱা হয়। 'ৰামায়ণ'ৰ ৰচনা কাল সন্দৰ্ভত পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। যদিও সৰহ সংখ্যক পণ্ডিতে খৃষ্টপূৰ্ব ৪ৰ্থ শতিকামানত আৰম্ভ হয় বুলি মতপোষণ কৰিছে; কিন্তু আদিকাণ্ড উত্তৰাকাণ্ডৰ সৈতে সম্পূৰ্ণ কেইবাবছৰ লাগিছিল। বৰ্তমান বাল্মিকীৰ নামত প্ৰচলিত 'ৰামায়ণ'খন খৃষ্টীয় দ্বিতীয় শতিকামানত সম্পূৰ্ণ হয় আৰু 'ৰামায়ণ'খন খৃষ্টপূৰ্ব পঞ্চম শতিকাৰ পাছত কিন্তু খৃষ্টীয় দ্বিতীয় শতিকাৰ পূৰ্বৰ ৰচনা বুলি অধিক সংখ্যক পণ্ডিতে মতপোষণ কৰিছে।

ৰামায়ণৰ আদৰ্শ কেৱল ভাৰতীয় সভ্যতা, সমাজ-সংস্কৃতিতেই সীমাৰদ্ধ নহয়; ইয়াৰ বিস্তৃতি এছিয়া, ইউৰোপ আৰু পৃথিৱীৰ প্ৰায়বোৰ বিশিষ্ট ভাষাতে অনূদিত তথা বিদ্যমান বুলি ক'ব পাৰি। ৰামকথা কেৱল হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ মাজতে সীমাৰদ্ধ হৈ থকা নাই; আন আন ধৰ্মাৱলম্বী লোকসকলৰ মাজতো ৰামকথা অত্যন্ত জনপ্ৰিয়। উদাহৰণস্বৰূপে— দক্ষিণ-পূব এছিয়াৰ মালয় উপদ্বীপৰ সৰহসংখ্যক ইছ্লামধৰ্মী লোক যদিও 'ৰামায়ণ'ৰ জনপ্ৰিয়তা আছে। তেওঁলোকৰ মাজত বিভিন্ন লোক-সাহিত্যৰ উপৰিও 'ৰামায়ণ'ৰ কাহিনীৰ আধাৰত 'হিকয়ৎ সেৰীৰাম' নামৰ কাব্য আদিও ৰচনা হৈছে। ইছলামধৰ্মী লোকৰ বসতি প্ৰধান ইণ্ডোনেছিয়াতো 'ৰামায়ণ'ৰ অৱলম্বনত নানা গীত-মাত, সাধুকথা, কাব্য আদিৰ ৰচনা হৈছে। যেনে— 'ৰামায়ণ ককৱিন' হৈছে তেওঁলোকৰ প্ৰধান ৰামায়ণী কাব্য। বৌদ্ধ মতাৱলম্বী দেশ

থাইলেণ্ডতো 'ৰাম-কিয়েন' (ৰাম কীৰ্তন) নামেৰে পোৱা যায়। ৰামায়ণৰ জনপ্ৰিয়তাৰ বাবে আনকি তেওঁলোকৰ ৰজাসকলে 'ৰাম' নামেৰে নামাংকিত হৈছিল আৰু ৰাজ্যৰ ৰাজধানীৰ নামো অযোধ্যা ৰাখিছিল। সেইদৰে কম্বোডিয়াত 'ৰামকেৰ্তি' (ৰাম কীৰ্তি); ব্ৰহ্মদেশত ছন্দত ৰচিত 'ৰামথাগ্যনী', গদ্যত ৰচিত 'ৰামবন্দু', 'মহাৰাম'। ফিলিপাইন দ্বীপৰাষ্ট্ৰত 'মহাৰাদিয়া লাওৱানা' তদুপৰি বৌদ্ধ ধৰ্মাৱলম্বী লাওচদেশ, চীন-জাপান, তিব্বত, শ্ৰীলংকা আৰু মধ্য এছিয়াৰ ইৰাণতো 'ৰামায়ণ'ৰ জনপ্ৰিয়তা পোৱা যায়। গতিকে ক'ব পাৰি যে— মংগোলীয়, ককেছীয় তথা সমগ্ৰ এছিয়া, ইউৰোপ আদি মহাদেশবোৰতো 'ৰামায়ণ'ৰ কাহিনীৰ সমাদৰ পোৱা যায়।

মূল বাল্মিকীৰ সংস্কৃত 'ৰামায়ণ'খনক ভিত্তি কৰি ভাৰতৰ আন আন প্ৰান্তীয় ভাষাসমূহতো 'ৰামায়ণ'ৰ কাহিনীক লৈ অনুবাদ আৰু সাহিত্যাদিৰ ৰচনা কৰা হৈছে। সংস্কৃত, পালি, প্ৰাকৃত আৰু ভাৰতৰ আন আন প্ৰান্তীয় ভাষাৰ 'ৰামায়ণ' আৰু সাহিত্যসমূহ এনেধৰণৰ— জৈনসকলৰ মাজত প্ৰচলিত প্ৰাকৃত ভাষাত ৰচিত 'পউম চৰিউ'; পালি ভাষাত ৰচিত বহুতো জাতকমালাত ৰামকথাৰ ৰচনা পোৱা যায়। সংস্কৃত ভাষাত ৰচিত ৰামক পৰম ব্ৰহ্মত্ব আৰোপ কৰা 'ৰামায়ণ'সমূহৰ ভিতৰত — 'যোগ বশিষ্ঠ', 'আধাত্ম্য ৰামায়ণ', 'বেদান্ত-ৰামায়ণ', 'অদ্ভুত ৰামায়ণ', 'আনন্দ ৰামায়ণ', 'তত্ত্ব সংগ্ৰহ ৰামায়ণ', 'বেদান্ত ৰামায়ণ', 'আনন্দ ৰামায়ণ' ইত্যাদি। কালিদাস-ভৱভূতি আদিয়ে ৰামৰ কাহিনীৰ আধাৰত সংস্কৃতত সাহিত্য ৰচনা কৰিছে। যেনে— কালিদাসৰ 'ৰঘুবংশ', ভৱভূতিৰ 'উত্তৰ ৰামচৰিত', 'মহাবীৰ চৰিত' উল্লেখযোগ্য।

ভাৰতীয় প্ৰান্তীয় ভাষাসমূহৰ ভিতৰত দ্ৰাবিড় ভাষা পৰিয়ালৰ অন্তৰ্গত তামিল ভাষাত ৰচিত 'কম্ব ৰামায়ণ'খনেই প্ৰথম। এই 'ৰামায়ণ'খন খ্ৰীষ্টিয় ১২ শতিকাত কম্বনে ৰচনা কৰিছিল 'ৰামাৱতাৰাম' নামেৰে; কিন্তু এইখন ৰচকৰ নামেৰে 'কম্ব ৰামায়ণ' নামেৰেহে জনপ্ৰিয়। কৰ্ণাটকত খ্ৰীষ্টিয় ১২ শতিকাত কানাড়ী ভাষাত নাগচন্দ্ৰই 'ৰামচন্দ্ৰ চৰিত্ৰ পুৰাণ', খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাত কুমাৰাৰ 'কুমুডেণ্ডু ৰামায়ণ' (জৈন খণ্ড) ৰচনা কৰে। খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাত তেলেগু ভাষাত গনা বুদ্দা ৰেড্ডিয়ে 'ৰঙ্গনাথা ৰামায়ণ' ৰচনা কৰে। ইয়াৰ পিছত আৰ্যমূলীয় ভাষাৰ ভিতৰত অসমীয়া ভাষাতে চতুৰ্দশ শতিকাত মাধৱ কন্দলিয়ে 'সপ্তকাণ্ড ৰামায়ণ' ৰচনা কৰিছে। অসমীয়া ভাষাৰ এই 'ৰামায়ণ'খন কেইবাটাও দিশৰপৰা গুৰুত্বপূৰ্ণ। অসমীয়া ভাষাৰ ভিতৰত প্ৰথম, উত্তৰ-ভাৰতৰ ভাষাৰ ভিতৰতো প্ৰথম আৰু ভাৰতৰ আৰ্যমূলীয় ভাষাসমূহৰ ভিতৰতো প্ৰথম অনূদিত 'ৰামায়ণ'। পৰৱৰ্তী সময়ত উড়িআ ভাষাত খ্ৰী. ১৫শ শতিকাত সৰলা দাসে 'ৱিলাঙ্কা ৰামায়ণ' নামেৰে আৰু খ্ৰী. ১৬শ শতিকাত বলোৰাম দাসে 'জগমোহন ৰামায়ণ' নামেৰে 'ৰামায়ণ'ৰ ৰচনা কৰিছে। 'জগমোহন ৰামায়ণ'খন 'দণ্ডী ৰামায়ণ' নামেৰেও জনাযায়। খ্ৰীষ্টিয় ১৬শ শতিকাত তুলসীদাসে হিন্দী ভাষাত 'ৰামচৰিতমানস' ৰচনা কৰে। খ্ৰীষ্টিয় ১৮শ শতিকাত কাশ্মীৰী ভাষাত দেৱনাগৰী লিপি আৰু পাৰ্চীয়-আৰবী লিপিত 'ৰামায়ণ'ৰ ৰচনা কৰা হৈছিল। মুন্সী জগনাথলাল কুশতাৰে খ্ৰীষ্টিয় ১৮৬০ত উৰ্দু ভাষাত 'ৰামায়ণ' ৰচনা কৰে। পাঞ্জাৱী ভাষাত গুৰু গোবিন্দ সিংহই 'ৰামাৱতাৰ' নামেৰে 'ৰামায়ণ' ৰচনা কৰিছে। বাঙালী কবি কৃতিবাসে ১৫/১৬শ শতিকাত বাংলা ভাষাত 'ৰামায়ণ' ৰচনা কৰিছে; যাক 'কৃতিবাসী ৰামায়ণ' নামেৰে জনাযায়। এই 'ৰামায়ণ'খনৰ অনুকৰণত কবি অঙ্গোম গোপয়ে ১৮শ শতিকাত মণিপুৰী ভাষাত 'ৰামায়ণ' ৰচনা কৰিছে। ১৬শ শতিকাত শান্ত একনাথে 'ভাৱাৰ্থ ৰামায়ণ' নামেৰে মাৰাঠী ভাষাত 'ৰামায়ণ' ৰচনা কৰিছে। ১৭শ শতিকাৰ প্ৰথমাৰ্ধত 'আধ্যাথমৰামায়ানম কিলিপ্পত্তু' নামেৰে মালায়ালম ভাষাত থুনছাথথু ৰামানুজন এযহুথাচন নামৰ কবিগৰাকীয়ে 'ৰামায়ণ' ৰচনা কৰিছিল বুলি লোক-সমাজত জনাযায়। উনবিংশ শতিকাৰ মাজ ভাগত ভানুভক্ত আচাৰ্যই নেপালী ভাষাত 'ৰামায়ণ' ৰচনা কৰে। পৰৱৰ্তী সময়ত ভাৰতীয় প্ৰান্তীয় ভাষাসমূহত 'ৰামায়ণ'ৰ কাহিনীৰ আধাৰত বহুতো গীত-মাত, পদ, নাটক, কাব্য আদিৰ ৰচনা হৈছে। তদুপৰি ভাৰতৰ জনজাতীয় ভাষাসমূহতো 'ৰামায়ণ'ৰ কাহিনীক লৈ বহুতো লোককথা আৰু লোকবিশ্বাসৰ প্ৰচলন পোৱা যায়। উদাহৰণস্বৰূপে— অসমৰ কাৰ্বি জনগোষ্ঠীৰ মাজত প্ৰচলিত লোক-ৰামায়ণ হৈছে— 'ছাবিন আলুন'। এনেদৰে আন আন জনজাতীয় ভাষাসমূহতো ৰাম-কথাৰ লৌকিক প্ৰবাদ-প্ৰবচন আদি পোৱা যায়। গতিকে ক'ব পাৰি যে পৃথিৱীৰ প্ৰায় সৰহ সংখ্যক লোকৰ মাজতে 'ৰামায়ণ' আৰু ৰাম-কথাৰ জনপ্ৰিয়তা আৰু প্ৰচলন কম-বেছি পৰিমাণে সকলোতে পোৱা যায়।

ৰাম-কথাৰ জনপ্ৰিয়তা যিহেতু পৃথিৱীৰ প্ৰায়বোৰ দেশ তথা উল্লেখনীয় ভাষাতে আছে; গতিকে নেপালী ভাষাও ইয়াৰ ব্যতিক্ৰম নহয়। আধুনিক ভাৰতীয় আৰ্য ভাষাৰ ভিতৰত অসমীয়া ভাষাত চতুৰ্দশ শতিকাত 'ৰামায়ণ' ৰচনা হোৱাৰ পিছত পৰৱৰ্তী সময়ত অন্যান্য আৰ্যমূলীয় ভাষাসমূহতো 'ৰামায়ণ'ৰ অনুবাদ

হয়। সেইদৰে আৰ্যমূলীয় ভাষাসমূহৰ ভিতৰত নেপালী ভাষাত বহুত আগৰেপৰা ৰাম-কথাৰ চৰ্চা হৈছিল যদিও ভানুভক্ত আচাৰ্যৰ হাততহে ঊনবিংশ শতিকাত লিখিত ৰূপত 'ৰামায়ণ'খন 'আধাত্ম্য ৰামায়ণ' (১৮৮৭) নামেৰে প্ৰকাশ পাইছিল। ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত নেপালীভাষা আৰু নেপাল ৰাষ্ট্ৰ, ভাৰত ৰাষ্ট্ৰৰ ৰাজনৈতিকভাৱে একে নহ'লেও সাংস্কৃতিকভাৱে বহুতো সম্পৰ্ক আছে। বহুসংখ্যক নেপালী তথা নেপালৰ লোক হিন্দু ধৰ্মাৱলম্বী গতিকে তেওঁলোকৰ মাজত 'ৰামাৰণ'ৰ প্ৰভাৱ পৰিলক্ষিত হোৱা দেখা যায়। বাল্মিকীৰ মূল 'ৰামায়ণ'খনত ৰামক মানৱীয় ৰূপৰ বিপৰীতে নেপালীসকলে ৰামক পৰম ব্ৰহ্মৰূপে গণ্য কৰে। অৰ্থাৎ নেপালী ভাষাত মূল সংস্কৃত 'ৰামায়ণ'খনতকৈ 'আধাত্ম্য ৰামায়ণ'ৰ প্ৰভাৱহে জনসমাজত বেছিকৈ প্ৰতিফলিত হয়। অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত যিদৰে ভগৱান শ্ৰীকৃষ্ণক পৰম ব্ৰহ্ম তথা পূৰ্ণাৱতাৰ ঈশ্বৰৰূপে পৰিলক্ষিত হৈছে; সেইদৰে নেপালী সমাজ-জীৱন তথা নেপালী ভাষাৰ এই 'আধাত্ম্য ৰামায়ণ'তো ৰামক তেনেদৰেই প্ৰতিষ্ঠিত কৰা হৈছে।

ঊনবিংশ শতিকাৰ আগতে নেৱাৰী ভাষাত মল্লবংশীয় ৰজাসকলৰ দিনত ৰাম বিষয়ক নাট আদিৰ ৰচনা হৈছিল। নেপালী ভাষাত ৰাম বিষয়ক প্ৰথম পুথি 'ৰামেশ্বমেধ' গ্ৰন্থ ১৮৩৩ চনত গদ্যত ৰচনা হয়। 'আধ্যাত্ম্য ৰামায়ণ'ৰ উত্তৰাকাণ্ডৰ কাহিনী ইয়াত সন্নিবিষ্ট হৈছে। সুন্দৰানন্দ নামৰ আন এজন নেপালী লেখকে ১৮৩৯খৃষ্টাব্দমানত 'সমস্ত ৰামায়ণ' ৰচনা কৰে। ২১৯ টা সৰ্গত বিভক্ত এই 'ৰামায়ণ'ৰ প্ৰথম পাঁচটা কাণ্ড 'আধ্যাত্ম ৰামায়ণ'ৰ সহায়ত আৰু বাকী দুটা কাণ্ড (যুদ্ধকাণ্ড আৰু উত্তৰাকাণ্ড) 'আদি ৰামায়ণ'ৰ ভিত্তিত ৰচিত। ঠায়ে ঠায়ে 'মহানাটক' আৰু 'ৰামচৰিতমানস'ৰো প্ৰভাৱ পৰিছে (শৰ্মা, ১৯১)। পণ্ডিত ৰঘুনাথ পোখৰেলে ভানুভক্ত আচাৰ্যৰ আগেয়ে সাতকাণ্ডত 'আধ্যাত্ম ৰামায়ণ' নেপালী ভাষাত সংস্কৃতৰ বিভিন্ন ছন্দ প্ৰয়োগ কৰি শ্লোকানুবাদ কৰে; যদিও কেৱল 'সুন্দৰাকাণ্ড'হে প্ৰকাশ পাইছিল; বাকী কাণ্ডবোৰ সংৰক্ষিত অৱস্থাতে পোৱা গৈছে। ভানুভক্তই 'আধাত্ম ৰামায়ণ' সম্পূৰ্ণৰূপে নেপালী ভাষাত পদানুবাদ কৰে। ১৮৪১ চনৰপৰা ১৮৫৫ চনৰ ভিতৰত সম্পূৰ্ণ কৰা এই 'ৰামায়ণ'খনেই নেপালী ভাষাত পূৰ্ণাংগ প্ৰকাশিত 'ৰামায়ণ'। ভানুভক্ত আচাৰ্যৰ আগতে যদিও অন্যান্য লেখকৰ ৰচনাত ৰাম কথাৰ প্ৰচলন আছিল; তথাপিও নেপালী 'ৰামায়ণ'ৰ কথা ক'লে ভানুভক্ত আচাৰ্যৰ 'আধ্যাত্ম ৰামায়ণ' খনৰ কথাকে বুজাযায়। জনসাধাৰণে ব্যৱহাৰ কৰা ভাষাত সৰ্বজনবোধ্য ভাষাত কাব্য চৰ্চা তথা 'ৰামায়ণ' নেপালী কবিসকলৰ ভিতৰত ভানুভক্ত আচাৰ্যই প্ৰথম। ভানুভক্তৰ পাছত নেপালী সাহিত্যত সোমনাথ সিগ্‌দেলে বাল্মিকী 'ৰামায়ণ'ৰ অনুসৰণৰ যোলটা সৰ্গত এহেজাৰৰো অধিক শ্লোকেৰে 'আদৰ্শ ৰামায়ণ' (১৯৪৮) ৰচনা কৰে। গদ্যত ৰচিত চক্ৰপাণি চালিসেৰ 'সংক্ষিপ্ত ৰামায়ণ' (১৯১৫), ভৈৰব থাপাৰ 'আত্ম ৰামায়ণ' আৰু কাব্যছন্দত ৰচিত লেখনাথ পৌদিয়ালৰ 'মেৰো ৰাম' অন্যতম। নেপালী ভাষাত 'বাল্মীকি ৰামায়ণ' আৰু 'আধ্যাত্ম ৰামায়ণ'ৰ প্ৰভাৱে বেছি যদিও অন্য প্ৰান্তীয় ভাষাৰ দুই এখন 'ৰামায়ণো' নেপালী ভাষালৈ অনুবাদ হৈছে। যেনে— কুলচন্দ্ৰ গৌতমে তুলসীদাসৰ 'ৰামচৰিতমানস'খন নেপালী গদ্যত ৰচনা কৰিছে। পৰৱৰ্তী সময়ত ৰমাকান্ত বৰলেৰ 'অদ্ভুত ৰামায়ণ' (১৮৮২ খ্ৰীষ্টাব্দ), খড়্গ বাহাদুৰ শ্ৰেষ্ঠৰ 'ৰাধেশ্যাম ৰামায়ণ' আৰু ভোজৰাজ শৰ্মাই ১৯০১ চনত 'আনন্দ ৰামায়ণ'ৰ অধিকাংশ অনুবাদ কৰে।

প্ৰান্তীয় ভাষাত 'ৰামায়ণ' ৰচক তথা সহজ-সৰল ভাষাত জনগণৰ মন আপ্লুত কৰি 'ৰামায়ণ' বুজাব পৰা কবি-সাহিত্যিকসকলৰ ভিতৰত ভানুভক্ত আচাৰ্য অন্যতম। ভাৰতীয় আৰ্য ভাষাৰ ভিতৰত পোন প্ৰথমে প্ৰান্তীয় ভাষাত 'ৰামায়ণ' ৰচক হিচাপে তথা সৰ্বসাধাৰণৰ সহজে বোধগম্যকৈ 'ৰামায়ণ' ৰচক হিচাপে অসমৰ মাধৱ কন্দলীৰ যি স্থান নেপালী ভাষাৰ ক্ষেত্ৰত ভানুভক্ত আচাৰ্যৰো একে স্থান বুলি ক'ব পাৰি। যদিও ভানুভক্ত ঊনবিংশ শতিকাৰ কবি আৰু মাধব কন্দলী চতুৰ্দশ শতিকাৰ কবি, তথাপিও ৰচনা-ৰীতিত সাধাৰণ জনগণৰ বোধগম্যতালৈ লক্ষ্য কৰিয়েই এনে তুলনা কৰিব পাৰি। সাধাৰণ জনগণে আত্মীয়তাৰে বুজিব পৰাকৈ ৰাম-সীতাৰ কাহিনীক শ্লোকৱদ্ধ কবিতাৰে 'ৰামায়ণ' ৰচনা ভানুভক্ত আচাৰ্যৰ আগে নেপালী ভাষাত আন কোনোৱে কৰা নাছিল। যদিও ৰঘুনাথ ভট্টই সাতকাণ্ডৰ 'আধ্যাত্ম্য ৰামায়ণ' নেপালী ভাষাত শ্লোকানুবাদ কৰিছিল তথাপিও তাত কিন্তু সংস্কৃতৰ বিভিন্ন ছন্দ প্ৰয়োগ কৰিহে ৰচনা কৰিছে। ভানুভক্ত আচাৰ্যই কিন্তু সম্পূৰ্ণ নেপালী ভাষাত নিজস্ব মৌলিক প্ৰতিভাৰে জনগণৰ বোধগম্য হোৱাকৈ সহজ-সৰলভাৱে সাতটা কাণ্ডত সৰ্বমুঠ ১১১৭ টা শ্লোক বিভিন্ন ছন্দত 'আধ্যাত্ম ৰামায়ণ' ৰচনা কৰিছে। গতিকে ক'ব পাৰি যে— প্ৰান্তীয় ভাষাসমূহত 'ৰামায়ণ' ৰচক হিচাপে আৰু নেপালী ভাষাত 'ৰামায়ণ' ৰচকসকলৰ ভিতৰত ভানুভক্ত আচাৰ্যৰ এক বিশেষ স্থান আছে। ভানুভক্তৰ আগতে যদিও নেপালী ভাষাত অন্যান্য বহুতো কাব্য-সাহিত্য থকাৰ প্ৰমাণৰ কথা সমালোচকসকলে কয়; তথাপিও কিন্তু নেপালী সাহিত্যত

ভানুভক্ত আচাৰ্যকে নেপালী ভাষাৰ 'আদি কবি' বুলি আখ্যা দিয়া হয়। ভানুভক্ত আচাৰ্যৰ প্ৰথম জীৱনীকাৰ মোতীৰাম ভট্টৰ মতে "কবিতাৰ মৰ্ম উপলব্ধি কৰি কবিতা লিখা সকলৰ ভিতৰত তেৱেঁই প্ৰথম। সেই কাৰণেই সাধাৰণ মানুহৰ বাবে তেওঁ আদিকবি।" সমালোচকসকলৰ মতে ভানুভক্ত আচাৰ্যই সাহিত্য ৰচনাৰ প্ৰেৰণা এগৰাকী ঘাঁহকটীয়া লোকৰপৰা পাইছে। 'আধ্যাত্ম্য ৰামায়ণ'ৰ অসমীয়া অনুবাদৰ গ্ৰন্থখনৰ পাতনিত গীতা উপাধ্যায়ে এই সম্পৰ্কত উল্লেখ কৰিছে। ইয়াত ভানুভক্ত আচাৰ্য্যৰ প্ৰথম জীৱনীকাৰ মোতিৰাম ভট্টৰ এটা ঘটনাৰ কথা উল্লেখ কৰিছে— এদিন ভানুভক্তই পাহাৰীয়া বাটেদি ফুৰিবলৈ গৈছিল। তেওঁ বহুদূৰ যোৱাত ভাগৰ লগাত এচটা শিলতে জিৰণি লয়, টোপনিৰপৰা সাৰ পাই ওচৰতে এজন মানুহক ঘাঁহ কাটি থকা দেখিলে। বুঢ়া মানুহজনে সন্ধিয়া পৰতো কিয় ঘাঁহ কাটিছে বুলি প্ৰশ্ন কৰাত উত্তৰত বুঢ়াই ক'লে যে- গোটেই জীৱন ঘাঁহ কাটি বিক্ৰী কৰি পোৱা পইচা গোটাইছে আৰু সেই পইচাৰে মানুহৰ বাবে এটা ধৰ্মশালা নিৰ্মাণ কৰিব। মানুহৰ উপকাৰত অহা এনে কামে হেনো তেওঁক মৃত্যুৰ পাছতো সোঁৱৰণ কৰিব। সাধাৰণ ঘাঁহকটীয়া মানুহজনৰ মুখত এনে মহান কথা শুনাৰ পাছত ভানুভক্ত ভাৱত বিভোৰ হৈ পৰিল আৰু বহি থকা শিলটোৰ ওপৰতে সৰু শিল এটুকুৰাৰে এটা আঠশাৰীৰ কবিতা ৰচনা কৰিলে। কবিতাটো এনেধৰণৰ—

"ভৰ জন্ম ঘাঁচতিৰ মন দিয়েৰ ধন কমায়ো।
নামকেই ৰহোচ পছি ভনেৰ কুঁৱা খনায়ো।।
ঘাঁচী দৰিদ্ৰ ঘৰোকা তৰ বুদ্ধি কস্তো।
মো ভানুভক্ত ধনী ভই কন আজ এস্তো।।
মেৰা ইনাৰ নত সওল পাটী কেই ছন।
জে ধনৰ চিজ হৰু ছন ঘৰ ভিত্ৰ নৈ ছন।।
তেচ ঘাঁচীলে কচৰি আজ দিয়েচ অৰ্তি।
ধিক্কাৰ হো মকণ বচ্‌নু নৰাখি কীৰ্ত্তি।।

(অৰ্থাৎ গোটেই জীৱন ঘাঁহকটীয়াজনে ঘাঁহ কাটি টকা গোটাই পাছলৈ নিজৰ নাম থাকক বুলি কুঁৱা খন্দাব, ধৰমশালা স্থাপন কৰিব; ঘাঁহকটীয়াজন দৰিদ্ৰ হ'লেও কিমান বুদ্ধিমান, অথচ মই ধনী ভানুভক্তৰ অৱস্থা এয়া। মই কুঁৱা খন্দা, বাটৰুৱাৰ বাবে জিৰণি ঘৰ তথা ধৰমশালা একোৱে নিৰ্মাণ কৰি পুণ্য অৰ্জন কৰা নাই। মোৰ যি ধন-সম্পত্তি আছে, সকলো ঘৰৰ ভিতৰতে আছে। এই ঘাঁহকটীয়া মানুহজনে আজি মোক কিমান ডাঙৰ উপদেশ দিলে। ধিক্ মোৰ এই কীৰ্তিহীন জীৱন ধাৰণ।) এই ঘটনাৰ পাছৰপৰা তেওঁ সংস্কৃত নুবুজা মানুহৰ বাবে কথিত ভাষাত (নেপালী) 'ৰামায়ণ' লিখাৰ সিদ্ধান্ত ল'লে বুলি জনাযায়।

ভানুভক্ত আচাৰ্য্যৰ ৰচনা সম্ভাৰৰ ভিতৰত 'সাতকাণ্ড ৰামায়ণ' (১৮৫৩)ৰ উপৰিও 'ভক্তমালা' (১৮৫৩), 'বধুশিক্ষা' (১৮৬২), 'প্ৰশ্নোত্তৰী' (১৮৫৯) আৰু 'ৰামগীতা' (১৮৫৯) ইত্যাদিৰ ৰচনা কৰিছিল। এই সাহিত্যসমূহৰ ভিতৰত কেৱল 'সাতকাণ্ডৰ ৰামায়ণ'খনৰ বাবেহে তেওঁ প্ৰসিদ্ধি লাভ কৰিছে। শাস্ত্ৰীয় পৰম্পৰাৰে সাতটা কাণ্ডত বিভাজিত এই মহাকাব্যখন বাল্মিকী 'ৰামায়ণ'ৰ আধাৰত ৰচিত। ইয়াত ৰামৰ মাহাত্ম্য সুন্দৰভাৱে বৰ্ণনা কৰি, ৰামৰ মানৱীয় গুণৰ পৰিৱৰ্তে ঐশ্বৰিকত্ব ভাৱক অধিক প্ৰাধান্য দি ৰামক স্বয়ং ভগৱান ৰূপত দেখুওৱা হৈছে। সেইবাবে এই 'ৰামায়ণ'খনক 'আধাত্ম্য ৰামায়ণ' আখ্যা দিয়া হৈছে। তদুপৰি তৎকালীন সময়ৰ নেপালৰ ভাষা, সমাজ-সংস্কৃতি আৰু আঞ্চলিকতা প্ৰকাশেৰে সহজ-সৰল ভাষাত ৰচিত এখন অতি উৎকৃষ্ট গ্ৰন্থ অৰ্থাৎ নেপালৰ জাতীয় জীৱনৰ দলিল স্বৰূপ। বাল্মীকিৰ 'ৰামায়ণ'ৰ ৰাম-সীতাৰ কাহিনীক আঞ্চলিক ৰহণ সানি মৌলিক প্ৰতিভাৰে আঞ্চলিক ভাষাত (আৰ্য ভাষাৰ ক্ষেত্ৰত) লোকভাষাৰ প্ৰয়োগেৰে অসমৰ মাধৱ কন্দলিৰ আগেয়ে যিদৰে কোনোৱে কৰা নাছিল; সেইদৰে নেপালী ভাষাৰ সাহিত্যৰ ক্ষেত্ৰতো সহজ-সৰল ভাষাত, জনগণৰ আত্মীয়তাৰে বুজিবপৰাকৈ ৰাম-সীতাৰ কাহিনীক শ্লোকবদ্ধ কবিতাৰে ভানুভক্তৰ আগেয়ে কোনোৱে কৰা নাছিল। তদুপৰি ভানুভক্ত আচাৰ্য্যৰ 'ৰামায়ণ'খনক নেপালী ভক্তি সাহিত্যৰ দ্বিতীয় স্তৰৰ উত্তম কৃতি হিচাপে স্বীকৃতি দিয়া হয়।

**গ্ৰন্থপঞ্জী**

উপাধ্যায়, গীতা (অনু.) ঃ ***ভানুভক্তৰ ৰামায়ণ***। প্ৰথম প্ৰকাশ। গুৱাহাটী ঃ অসম সাহিত্য সভা, ১৯৬৭। মুদ্ৰিত।

শৰ্মা, সতেন্দ্ৰনাথ ঃ ***ৰামায়ণৰ ইতিবৃত্ত***। চতুৰ্থ প্ৰকাশ। গুৱাহাটী ঃ বীণা লাইব্ৰেৰী, ২০১৩। মুদ্ৰিত।

আমত্য, নন্দকুমাৰ, সুশ্ৰী তপেশ্বৰী আমাত্ম (অনু.)। ***নেপালী भानुभक्त रामायण***। द्वितीय सङ्स्क्प्रण। भुवन वाणी ट्रस्ट : मौसम बाग : लखनऊ। मुद्रित।

Acharya, Jayaraj: ***Bhanubhakta Acharya:His life and Selected Poems***. 1st edition : Kathmandu :Vidyarthi Pustak Bhandar Bhotahity, 2011. print.

●●●

মূকাভিনয় বুলিলে প্ৰথমেই আমাৰ মনলৈ এটা বিশেষ চৰিত্ৰৰ ধাৰণাই চকুৰ আগত দেখা দিয়ে, যি কোনো কথাৰ প্ৰয়োগ নকৰে, কোনো শব্দৰ উচ্চাৰণ নকৰে, ফলত স্বাভাৱিকতে মূকাভিনেতাৰ দেহ-ভংগীমা ইমানেই দ্ৰুত (Swift) আৰু স্পষ্ট হোৱা প্ৰয়োজন, যাতে দৰ্শকে শব্দৰ অনুপস্থিতিৰ কোনো উমান নাপায়। তীক্ষ্ণ স্মৰণ শক্তি, অনুভৱ প্ৰৱণতা, দ্ৰুত ধাৰণাৰ গঠন শক্তি, বিষয়বস্তু বাছি উলিওৱাৰ শক্তি আৰু বিচাৰৰ ক্ষমতা আদি এজন দক্ষ মূকাভিনেতাৰ অতিকৈ আৱশ্যকীয় গুণৰাজিৰ ভিতৰত উল্লেখনীয়।



# মূকাভিনয় ঃ

## ভাৰতীয় নাট্যকলাৰ এক অভিনৱ দিশ


**বিজিত কুমাৰ দাস**

মূৰব্বী অধ্যাপক, অভিনয় বিভাগ


**মূকাভিনয় কি ?**

বৰ্তমানৰ এক অন্যতম কলা মাধ্যম মূকাভিনয় বা Pantomime হৈছে নাট্যশিল্পৰ এটা বিশেষ গুৰুত্বপূৰ্ণ দিশ। এই শব্দটো এটা গ্ৰীক শব্দ আৰু ইয়াৰ অৰ্থ বিশুদ্ধ অনুকৃতি। এই কলা মাধ্যমৰ উদ্ভৱ কেতিয়া ক'ত হৈছিল সঠিককৈ কোৱাটো দুঃসাধ্য যদিও, প্ৰাচীন গ্ৰীছত ইয়াৰ নিশ্চিত প্ৰচাৰেৰে এই অনুকৃতি শিল্পক ইংৰাজীতো Pantomime বুলিয়েই জনা যায়। মানৱ সভ্যতাৰ জন্মই যে মূকাভিনয়ৰ পাতনি।

**ভাৰতীয় নাট্য আৰু মূকাভিনয় ঃ**

ভাৰতীয় নাট্যকলা মূলতে ধৰ্মীয় অনুষ্ঠানৰ সাৰ্বজনীনতা আৰু পৌৰাণিক কাহিনীসমূহৰ সৈতে জড়িত। অতি উচ্চমানৰ তত্ত্বকৌশলসমৃদ্ধ এই নাট্যকলা সম্ভৱত পৃথিৱীতে প্ৰাচীনতম। মূকাভিনয়ৰো অনুশীলন ভাৰতত বহু পূৰ্বৰে পৰা প্ৰচলিত বুলি প্ৰমাণ পোৱা যায়। নাট্যশাস্ত্ৰত মূকাভিনয়ৰ সম্পূৰ্ণ ব্যাখ্যা পোৱা যায়। কোৱা হয় যে, কঠোৰ পৰিশ্ৰম আৰু অনুশীলনে শিল্পীৰ অংগাভিনয়ক ফুটাই তোলে। ইয়াৰ বাবে কেৱল কলাজ্ঞান অথবা ভাববস্তুৰে যথেষ্ট নহয়, মনৰ কল্পনাশক্তি আৰু মনৰ সাত্তিক অভিনয় গুৰুতৰ বিষয়। ভাৰতত আজিৰপৰা হাজাৰ বছৰ আগতেই নাট্যকলা চৰ্চাৰ উমান পোৱা যায়।

অভিনয়ক মূলতে চাৰিভাগত বিভক্ত কৰা হয় ঃ

১। আংগিক ২। ৰাচিক ৩। সাত্তিক ৪। আহাৰ্য্য

আংগিক ঃ অংগ-প্ৰত্যংগেৰে কৰা অভিনয়।

ৰাচিক ঃ শব্দ প্ৰয়োগৰ দ্বাৰা কৰা অভিনয়।

সাত্তিক ঃ মনৰ পৰা অকৃত্ৰিম অভিনয়।

আহাৰ্য্য ঃ সাজ-সজ্জা, পোহৰ ইত্যাদি।

দেহৰ বিভিন্ন অংগসমূহৰ তিনিটা ভাগঃ অংগ, প্ৰত্যংগ, উপাংগ।

অংগ ঃ শিৰ, হস্ত, পাদ, কটি, বক্ষ, পাৰ্শ্ব।

প্ৰত্যংগ ঃ স্কন্ধদ্বয়, বাহুদ্বয়, পৃষ্ঠ, উদৰ, উৰু আৰু জংঘা

উপাংগ ঃ চকু, চেলাউৰি, ডিঙি, নাক, ওঁঠ, দাঁত, হনু, জিভা, মুখ ইত্যাদি।

• **ভাৰতীয় মূকাভিনয় শিক্ষা ঃ**

অংগাভিনয় বা মূকাভিনয় যে অভিনয় শিক্ষাৰ এক অবিচ্ছেদ্য অংগ, এই কথাক উপলব্ধি কৰিয়েই ভাৰতৰ স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত কেবাখনো মূকাভিনয়ৰ শিক্ষানুষ্ঠান গঢ়ি উঠে। উল্লেখযোগ্য যে, ভাৰতৰ ইয়াৰ উন্নতিৰ হকে অনেক মূকাভিনয় শিল্পীয়ে অহোপুৰুষাৰ্থে চেষ্টা চলাই আহিছে। এইসকলৰ ভিতৰত উল্লেখ কৰিব পাৰি মূকাভিনেতা যোগেশ দত্ত, নিৰঞ্জন গোস্বামী আদিৰ নাম। অসমতো বিংশ শতিকাৰ সত্তৰৰ দশকৰ আৰম্ভণিৰপৰাই এই কলাৰ প্ৰসাৰ আৰু বিকাশৰ চেষ্টা চলাই অহা হৈছে। সেই সময়তে প্ৰথমবাৰৰ বাবে মূকাভিনয় শিল্পক মইনুল হকে আৱিষ্কাৰ কৰিছিল আৰু নিজস্ব প্ৰকাশভংগীৰে কোনো গুৰুৰ শিক্ষা অবিহনেই এক আত্মপ্ৰত্যয় লৈ এই দিশত আগবাঢ়িছিল। তেওঁৰ সাহস তথা সাধনাই তেওঁক মূকাভিনয় জগতত প্ৰতিষ্ঠা কৰিছিল। ১৯৯১ চনত মূকাভিনয় চৰ্চাৰ মহৎ উদ্দেশ্য লৈয়েই গুৱাহাটীত মাইম একাডেমী নামেৰে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন মূকাভিনয় প্ৰতিষ্ঠান আৰম্ভ কৰিছিল। এই প্ৰতিষ্ঠানৰ পৰাই কেইবাটাও মূকাভিনয়ৰ অনুষ্ঠান ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত পৰিৱেশন কৰা হৈছে। তদুপৰি এই প্ৰতিষ্ঠানৰ পৰাই বহুতো ছাত্ৰ-ছাত্ৰীয়ে বিছমিল্লা খান বঁটা, Young Talent Artist Award, Senior, Fellowship, Junior Fellowship সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। তাৰ ভিতৰত কুলদীপ পাটগিৰি, বিজিত কুমাৰ দাস, দেৱজিত ডেকা, ধ্ৰুৱজ্যোতি তালুকদাৰ আদি প্ৰখ্যাত মূকাভিনয় শিল্পীৰ নাম উল্লেখযোগ্য। এই প্ৰতিষ্ঠানৰ পৰা শিক্ষালাভ কৰা কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়াকৈ মূকাভিনয়ৰ লগত জড়িত সাংস্কৃতিক প্ৰতিষ্ঠান আৰম্ভ কৰি এই কলাৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তাৰ ভিতৰত কুলদীপ পাটগিৰিৰ Assam Mime and Skit Treatre, বিজিত কুমাৰ দাসৰ Third theatre a Socio-Cultural Organization উল্লেখযোগ্য। অলপতে Third treatre a Socio- Cultural Organization ৰ দুই ছাত্ৰী গায়ত্ৰী মুদৈ আৰু ধন্যাপ্ৰিয়া সিংহই মূকাভিনয়ত junior National Scholarship লাভ কৰিবলৈ সক্ষম হৈছে।

**মূকাভিনেতাৰ আৱশ্যকীয় গুণাৱলী ঃ**

মূকাভিনয় বুলিলে প্ৰথমেই আমাৰ মনলৈ এটা বিশেষ চৰিত্ৰৰ ধাৰণাই চকুৰ আগত দেখা দিয়ে, যি কোনো কথাৰ প্ৰয়োগ নকৰে, কোনো শব্দৰ উচ্চাৰণ নকৰে, ফলত স্বাভাৱিকতে মূকাভিনেতাৰ দেহ-ভংগীমা ইমানেই দ্ৰুত (Swift) আৰু স্পষ্ট হোৱা প্ৰয়োজন, যাতে দৰ্শকে শব্দৰ অনুপস্থিতিৰ কোনো উমান নাপায়। তীক্ষ্ণ স্মৰণ শক্তি, অনুভৱ প্ৰৱণতা, দ্ৰুত ধাৰণাৰ গঠন শক্তি, বিষয়বস্তু বাছি উলিওৱাৰ শক্তি আৰু বিচাৰৰ ক্ষমতা আদি এজন দক্ষ মূকাভিনেতাৰ অতিকৈ আৱশ্যকীয় গুণৰাজিৰ ভিতৰত উল্লেখনীয়। এজন নিখুঁত মূকাভিনেতা হ'বলৈ আটাইতকৈ প্ৰয়োজনীয় দিশটো হৈছে এটা সঠিক পৰিমাণৰ দেহৰ গৰাকী হোৱাটো। দেহৰ স্বাভাৱিক গতিভংগীমা, সহজে বা অনায়াসে যিকোনো ভাঁজ দিব পৰা, নমনীয়, দ্ৰুত দৃঢ় হোৱাটো অতি আৱশ্যক। প্ৰত্যেক মূকাভিনয় শিল্পীয়ে নিজকে গঢ়ি তুলিবলৈ সংগীত, নৃত্য, ক্ৰীড়া আৰু শিক্ষাৰ আন আন দিশবোৰৰ কিছু অভিজ্ঞতা তথা জ্ঞান অৰ্জন কৰি তীক্ষ্ণ প্ৰতিভাসম্পন্ন এগৰাকী মূকাভিনেতা হৈ সুন্দৰ মূকাভিনয়ৰ উপস্থাপন কৰিব পাৰে। প্ৰদৰ্শিত চৰিত্ৰক সংগীত মঞ্চ, পোহৰ আৰু দৰ্শকৰ সৈতে সংগত ৰাখি এজন নিখুঁত মূকাভিনেতাই অভিনয়ৰ প্ৰকৃত ভাৰসাম্য ধৰি ৰাখিব পাৰে।

**মূকাভিনয়ৰ বাবে বিশেষ প্ৰয়োজনীয় কিছুমান দিশ ঃ**

১। শৰীৰৰ নমনীয়তা (Body Flexibility)
২। শৰীৰৰ নিয়ন্ত্ৰণ (Body control)
৩। শৰীৰ চালনা (Body movement)
৪। নিৰীক্ষণ ক্ষমতা (power of observation)
৫। শৰীৰৰ অনুভূতি প্ৰৱণতা (Body sensibility)
৬। ভ্ৰান্তি সৃষ্টিকাৰক ক্ষমতা (Power of making illusion)
৭। আৱেগিকতা (Emotion)
৮। সময়ৰ জ্ঞান (Knowledge of time)

**১। শৰীৰৰ নমনীয়তা ঃ**

মানৱ দেহৰ দুটা পৃথক দিশ হৈছে মন আৰু দেহ। মন আৰু শৰীৰৰ অৱস্থাক এক স্থানত উপনীত কৰিব পাৰিলেহে এটা কাৰ্য সুচাৰুৰূপে সমাধান কৰিব পাৰি। মন আৰু দেহৰ ইচ্ছা-অনিচ্ছাৰ দুয়ো অৱস্থাক একত্ৰিত কৰিবলৈ আমি নিজকে আৱশ্যক অনুযায়ী প্ৰস্তুত কৰিবলগীয়া হয়। শিল্পীৰ দেহযন্ত্ৰটো একেদৰে প্ৰস্তুত কৰা প্ৰয়োজন, য'ত ইয়াৰ ভাব আৱেগৰ চূড়ান্ত আৰু শৈল্পিক অভিব্যক্তি প্ৰকাশ পায়। এই উদ্দেশ্য পূৰণ কৰিবলৈ

মূকাভিনেতাই শৈথিলীকৰণ ব্যায়ামৰ (relexation exercise) সম্পূৰ্ণ পাঠ্যক্ৰম আয়ত্ত কৰা দৰকাৰ। এই ব্যায়ামৰ জৰিয়তে এজন মানুহৰ মাংসপেশী, বিভিন্ন অংগ-প্ৰত্যংগৰ প্ৰতিটো গ্ৰন্থিৰ নমনীয়তা লাভ কৰা হয় আৰু অভিব্যক্তিৰ যন্ত্ৰসমূহ সক্ৰিয় হৈ উঠে। ইয়াৰ দ্বাৰা ইচ্ছাশক্তি প্ৰচণ্ড শক্তিশালী আৰু উন্নত হৈ উঠে আৰু শিল্পীক পৰিপূৰ্ণ আত্মসংহতি প্ৰদান কৰে।

**২। শৰীৰৰ নিয়ন্ত্ৰণ ঃ**

মূকাভিনয়ত এজন অভিনেতাই কিদৰে নিজকে সংযমী কৰি ৰাখিব পাৰে, সেইটোও এটি বিশেষ লক্ষ্য কৰিবলগীয়া বিষয়। অতি সূক্ষ্ম আৰু ক্ষন্তেকীয়া অংগী-ভংগীসমূহতো মূকাভিনেতাই স্পষ্টতা আৰু সৰু সৰু ৰেখাচিত্ৰসমূহক বজাই ৰাখিব লাগে। দেহৰ পেশীসমূহৰ কোন সময়ত কঠোৰ হ'ব লাগে, কোন সময়ত শিথিল কৰিব লাগে, তাৰ সম্যক জ্ঞান দৰকাৰ। সেই কাৰণে অংগী-ভংগীত সঠিক মাত্ৰাত বিস্তৃতি ঘটাবলৈ উপযুক্ত শৰীৰ নিয়ন্ত্ৰণ বা সংযমৰ খুবেই প্ৰয়োজন। স্নায়ুমণ্ডলীৰ অনুভূতিপ্ৰৱণতা আৰু ইয়াৰ উৎকৰ্ষ সাধন ইমানেই তীক্ষ্ণ বা সবল হ'ব লাগে, যাতে আৱেগসমূহ অনুভৱ কৰাৰ নিজস্ব শক্তি আপোনা-আপুনি হস্তদ্বয়ত গঢ়ি উঠে তথা স্পৰ্শ, শীত, তাপ, আত্মিক, দৈহিক, অভিজ্ঞতাসমূহ দেহৰ প্ৰতিটো অংগই স্বতঃস্ফূৰ্তভাৱে ব্যক্ত কৰাত নিপুণ হৈ উঠে।

**৩। শৰীৰ চালনা ঃ**

মূকাভিনয় শিল্পীৰ মূল শৰীৰ চালনা নিৰ্ভৰ কৰে গতিৰ তিনিটা সুস্পষ্ট ধাৰণাৰ ওপৰত - (ক) কেন্দ্ৰত্যাগী গতি ঃ ইয়াৰদ্বাৰা অন্তৰ আৱেগৰ প্ৰচণ্ডতাৰ প্ৰকাশ কৰা হয়। সজীৱ, প্ৰাণৱন্ত, শক্তিৰ বিকাশ এই গতিৰ পৰিচায়ক। (খ) কেন্দ্ৰাভিমুখী গতিঃ অৰ্থাৎ কেন্দ্ৰবিন্দুলৈ চালিত গতি। ইয়াৰদ্বাৰা মানসিক সংহত ৰূপ প্ৰকাশ কৰা হয়। ঘৃণা, পৰাজিত, বিধ্বস্ত অনুভূতি এই গতিৰ পৰিচায়ক। (গ) স্বাভাৱিক গতিঃ ইয়াৰদ্বাৰা অন্তৰৰ স্থিত অৱস্থাক বুজোৱা হয়। উপৰোক্ত গতিৰ ধাৰণাসমূহত কেন্দ্ৰবিন্দুৰে হৃদয়ক বুজোৱা হৈছে। মূকাভিনেতাই কাৰ্যক্ষেত্ৰত, অৰ্থাৎ মঞ্চত সাধাৰণতে দুবিধ খোজ বা গতিৰ প্ৰয়োগ কৰিব লাগে। ১। স্বাভাৱিক (normal) খোজ বা সচল খোজ, ২। একে স্থানতে ৰৈ থাকিয়েই কঢ়া খোজ (stationary) বা অচল খোজ। স্বাভাৱিক খোজেৰে মূকাভিনেতাই চৰিত্ৰানুযায়ী মঞ্চত সাধাৰণভাৱেই নিজকে প্ৰকাশ কৰে। আনহাতে, stationary খোজেৰে মূকাভিনেতাই এক স্থানতে ৰৈ থাকিয়েই খোজ কঢ়াৰ দৰে কৰি দেখুৱায়। অচল ভংগিমাত খোজকঢ়া কিছু কঠিন যদিও নিখুঁতভাৱে ইয়াক দেখুৱাব পাৰিলে মঞ্চত খুবেই দৃষ্টিনন্দন হয়। সৰু, ডেকা, বৃদ্ধ লোক, ভদ্ৰলোক, মহিলা, যি চৰিত্ৰই নহওক কিয়, মূকাভিনেতাই প্ৰায়েই stationary খোজেৰে সেই বিশেষ চৰিত্ৰক অচলাৱস্থাতে মুখ, হাত আৰু দেহৰ অভিব্যক্তিৰে বুজাই দিয়ে তথা দৰ্শকে ইমান পৰ্যন্ত বুজি উঠে যে তেওঁ চিৰিৰে উঠা-নমা কৰিছে, বহুদূৰ অতিক্ৰম কৰি আহিছে ইত্যাদি। শৰীৰ চালনা বুলি ক'লে খোজ বা গতিৰ উপৰি দেহৰ আন অংগ-প্ৰত্যংগৰ চালনাও অৱশ্যেই গুৰুত্বপূৰ্ণ। সেই ধাৰণাৰে আমি দেহযন্ত্ৰক তিনিভাগত বিভক্ত কৰিব পাৰো- ১। মস্তক ২। দেহকাণ্ড ৩। হস্ত-পদ্দয়।

**৪। নিৰীক্ষণ ক্ষমতা ঃ**

মূকাভিনেতাৰ নিৰীক্ষণ ক্ষমতা তীক্ষ্ণ হোৱাটো নিতান্তই আৱশ্যকীয়। কাৰণ, মূকাভিনয় অনুকৰণ কৰাৰ এবিধ বিশেষ শিল্প। ব্যক্তিগত জীৱনত এজন মূকাভিনেতাই যি দেখে সেয়েই তেওঁৰ অভিনয়ৰ দৃশ্যাৱলীত ব্যৱহাৰ কৰাৰ সুযোগ পায়। দৈনন্দিন জীৱনত আমি যিবোৰ নানান ঘটনাৱলী প্ৰত্যক্ষ কৰো, মনেৰে নিৰীক্ষণ নকৰাৰ বাবেই পাহৰি পেলাও। কিন্তু মূকাভিনেতাই সেই ঘটনাৰাজিক মনৰ মাজত পূৰামাত্ৰাই গাঁঠি পেলোৱাটো দৰকাৰ। আমি বিভিন্ন কথা, দৈনন্দিন জীৱনৰ নানা ঘৰুৱা কাম-কাজ আদি নিৰীক্ষণ কৰি মনৰ মাজত থকা কেমেৰাৰে এনেদৰে আৱদ্ধ কৰি ৰখা উচিত, যাতে পাছত আমি সময়ত চকু মুদিলেই সেই কেমেৰাৰ পৰা কাম-কাজবোৰ পট্‌পট্‌কৈ ভাহি উঠা দেখো।

**৫। শৰীৰৰ অনুভূতিপ্ৰৱণতা ঃ**

শৰীৰৰ অনুভূতিপ্ৰৱণতা মূকাভিনয়ৰ বাবে এবিধ অতি প্ৰয়োজনীয় কাৰ্যস্বৰূপ। হস্তদ্বয়ক অনুভূতিপ্ৰৱণ কৰিবলৈ হ'লে প্ৰথমে ইয়াক আমি স্পৰ্শানুভূতিৰ শক্তিৰে সমৃদ্ধ কৰিব লাগিব। যেতিয়া আমি বিভিন্ন বস্তুক হাতেৰে স্পৰ্শ কৰো, প্ৰত্যেক বস্তুৰে নিজস্ব একোটা পৰিচয়ক আমি হাতেৰে চুয়েই গম পাওঁ। এজন মূকাভিনেতাই এনেধৰণৰ অনুভূতিবিলাক অতি মনোযোগেৰে লক্ষ্য কৰিব লাগে। মূকাভিনয় অনুকৰণ কৰাৰ এটা বিশেষ শিল্প মাত্ৰ আৰু ইয়াৰদ্বাৰা আমি আমাৰ চাৰিওকাষৰ পৰিৱেশক মঞ্চত এনেদৰে উপস্থাপন কৰোঁ, যাতে দৰ্শকে সেই মূকাভিনয়ক দেখা মাত্ৰেই নিজে অনুভৱ কৰে। দৰ্শকে মূকাভিনেতাজনৰ অভিনয় দেখিয়েই গম পাব লাগে যে তেওঁ অভিনয়েৰে গৰম চাহ খাইছে,

ঠাণ্ডা পানী খাইছে, টেঙা আম খাইছে নে টেঙা জলফাই খাইছে। তাৰ বাবে মূকাভিনেতাৰ অনুভূতিপ্ৰৱণতা অতি শক্তিশালী হোৱাটো অৱশ্যেই প্ৰয়োজনীয়। ইয়াৰ বাবে আমি যেতিয়াই কোনো বস্তু স্পৰ্শ কৰোঁ, ইয়াক হৃদয়ংগম কৰি, উক্ত বস্তু বা পৰিস্থিতিৰ অনুপস্থিতিতো আমাৰ কল্পনাশক্তিৰে পুনৰ সেই অনুভৱক বাৰে বাৰে মনলৈ আনিবলৈ চেষ্টা কৰিব লাগে। একেটা কাৰ্যকে বাৰে বাৰে কৰি থাকিলে অনুভূতিপ্ৰৱণতাক অধিক শক্তিশালী কৰি তুলিব পাৰো।

**৬। ভ্ৰান্তি সৃষ্টিকাৰক ক্ষমতা ঃ**

মূকাভিনয়ৰ দ্বাৰা এজন অভিনেতাই মঞ্চত ভ্ৰান্তিজনকভাৱে এটা দৃশ্য তৈয়াৰ কৰি লয়। মঞ্চত কেৱল মূকাভিনেতাহে থাকে। কিন্তু দৰ্শকে অদৃশ্যভাৱে মূকাভিনেতাৰ চাৰিওকাষে থকা টেবুল, চকী, ঘৰৰ চাৰিবেৰ, দুৱাৰ, দুৱাৰত থকা পৰ্দা বা দেৱালয়ত থকা লাইটৰ ছুইচ পৰ্যন্ত কল্পনা কৰি পেলাব পাৰে। ইয়াৰ বাবে মূকাভিনেতাজন ভ্ৰান্তিকাৰক পৰিস্থিতি সৃষ্টি কৰাত পাকৈত হ'বই লাগিব আৰু মন কৰিব লাগিব যে তেওঁ যি বস্তুকে কল্পনাৰে দেখুৱাব বিচাৰিছে, তাৰ আকাৰ, আয়তন, ওজন আদি যাতে দৰ্শকে দেখা মাত্ৰে বুজি উঠে। ইয়াতকৈও গুৰুত্বপূৰ্ণ কথা হৈছে, যদি তেওঁ এখন টেবুল দেখুৱাইছে, টেবুলখন যি স্থানত যিমান আকাৰেৰে বুজাইছে, সেই স্থান আৰু আকাৰক গোটেই দৃশ্যাৱলীতে যাতে একে পৰিমাণতে উপস্থাপন কৰে যাতে ইয়াৰ উপস্থিতিক দৰ্শকে উপলব্ধি কৰে, তালৈ লক্ষ্য কৰাটো প্ৰয়োজন। এইধৰণৰ ভ্ৰান্তিকাৰক দৃশ্যাৱলী সৃষ্টি কৰিবলৈ মূকাভিনেতাজনৰ স্মৰণশক্তি প্ৰচুৰ হোৱাটো আৱশ্যকীয়। প্ৰতিটো দৃশ্যাৱলী বুজাওঁতে সতৰ্ক হ'ব লাগিব আৰু এই দৃশ্যাৱলীয়ে মানুহৰ মনত এখন মায়াৰ ছবি হিচাপে ধৰা দিব লাগিব।

**৭। আৱেগিকতা ঃ**

ভাব-আৱেগক নিজে উপলব্ধি কৰি আনৰ আগত অভিনয়ৰ মাজেৰে আৱেগিক হৈ পৰাটো আটাইতকৈ কঠিন কাৰ্য। যেতিয়া মূকাভিনেতাই এটা চৰিত্ৰৰ মাজত নিজকে কল্পনা কৰে বা চৰিত্ৰক উপস্থাপন কৰে, তেতিয়া তাৰ মাজেদিয়ে অভিনেতাজনে প্ৰেম, বিষাদ, আনন্দ, উল্লাস, ভয় আদি ভাবসমূহ প্ৰকাশ কৰে। এই কাল্পনিক চৰিত্ৰৰ আৱেগিক অৱস্থাসমূহ তথা প্ৰতিক্ৰিয়া বুলি বুজাত সহজ হৈ উঠিব। আৱেগক ফুটাই তুলিব পৰাকৈ মূকাভিনেতাজন অবিশ্বাস্য কল্পনাশক্তিৰ অধিকাৰী হোৱাটো দৰকাৰ। কাৰণ, এইদৰে প্ৰাণ পাই উঠা এটা কাল্পনিক চৰিত্ৰক দৰ্শকে বিভিন্ন দৃষ্টিকোণেৰে পৰ্যবেক্ষণ কৰিব পাৰে।

**৮। সময়ৰ জ্ঞান ঃ**

মঞ্চত এজন অভিনেতা আৰু তেওঁৰ সন্মুখত সমূহ দৰ্শকবৃন্দ-- দুয়োপক্ষৰে মাজত সম্বন্ধ গঢ়ি উঠে মঞ্চত অভিনীত অভিনয়ৰদ্বাৰ। সৰু-সুৰা, খুঁটি-নাটি কথাৰ পৰা যিকোনো পৰ্যায়ৰ কথাতে এই সম্বন্ধৰ সবাতোকৈ গুৰু ত্বপূৰ্ণ দিশটো হৈছে সময়ৰ জ্ঞান। সচৰাচৰ জীৱনত দেখা ঘটনাবোৰহে যদিও মঞ্চত প্ৰতিফলিত হয়, তেন্তে উপস্থাপনৰ সৌন্দৰ্য ৰক্ষাৰ অৰ্থতে তাক প্ৰকৃত ঘটনাৰ দৰে দীঘলীয়া কৰিব নালাগে। দৰ্শকৰ মনৰ অৱস্থাক ধৰি ৰাখি এক সঠিক সময়ৰদ্বাৰা যিকোনো চৰিত্ৰক জীৱন্ত কৰি ৰাখিব পাৰি। সময়ৰ এই জ্ঞানৰ সংজ্ঞা উপস্থাপিত হোৱা আন আন কলাৰ মাধ্যমতো প্ৰযোজ্য হয়। মূকাভিনেতাৰ কল্পনাশক্তি আৰু উপস্থাপন ৰীতিয়ে দৰ্শকৰ সৈতে গঢ়ি তোলে এটা সম্বন্ধ। অভিনেতা (Performer) অনুভূতি বা উপলব্ধি (Feeling) ভাব, আৱেগক মুখৰ অভিব্যক্তিত প্ৰকাশ কৰা (converts the joy facial expression) দৰ্শকলৈ আৱেগক উপলব্ধি কৰা (passes it to the audience) দৰ্শকে আৱেগক উপলব্ধি কৰা (audience feels the emotion) ৰসৰ-ভাৱৰ সৃষ্টি (development of Rasa) উপভোগ (enjoyment) দৰ্শকৰ সঁহাৰি (audience's reaction) দৰ্শকে মঞ্চৰ উপস্থাপিত কাৰ্যত যাতে বিৰক্তি অনুভৱ নকৰি আদিৰপৰা অন্তলৈ এক সুস্পষ্ট ছবিৰ দৰে প্ৰকৃত উপলব্ধি আৰু সোৱাদ ল'ব পাৰে , সেইটোৱেই গুৰুত্বপূৰ্ণ বিষয়।

কোৱা হয় যে শিল্পীৰ নিপুণতা অন্তৰৰ ভাব-আবেগৰ অধীন নহয়। ই সম্পূৰ্ণ এক পৃথক কলা-কৌশৰ প্ৰদৰ্শনী মাত্ৰ। তেনেদৰে এক স্বকীয় বৈশিষ্ট্যযুক্ত এক নাট্যকলা মূকাভিনয়ো। এই মূকাভিনয় শিল্পৰ জ্ঞান তথা চৰ্চাই নাট্যজগতত পূৰ্বৰে পৰা এক অমূল্য অৱদান আগবঢ়াই আহিছে। সাম্প্ৰতিক সময়ত এই কলাৰ বহুল চৰ্চা তথা প্ৰসাৰ দেখিবলৈ পোৱা গৈছে। ই ভাৰতৰ তথা অসমৰ নাট্যজগতলৈ এক শুভসংকেতৰ সূচক।

●●●

আচাৰ-বিচাৰৰ মানদণ্ড একে হয়, য'ত যাগ-যজ্ঞ আদি কঠিন নিয়মৰ দ্বাৰা আবৃত বৈদিক ধৰ্ম সৰলীকৃত হৈ মুক্তিৰ সাধন সহজ তথা সৰ্বসাধাৰণৰ গ্ৰহণযোগ্য হ'ব পাৰে। যুগৰ এই আৱশ্যকতা পূৰণৰ অৰ্থে বৈষ্ণৱ ভক্তি আলৱাৰ আৰু শৈৱ ভক্ত কবি নায়নমাৰসকলৰ আৱিৰ্ভাৱ হ'ল আৰু সূচনা কৰিলে ভক্তি আন্দোলনৰ।

# মধ্যযুগৰ ভাৰতীয় ভক্তিবাদী আলংকাৰিকসকলৰ এটি পৰিচয়

**অপৰ্ণা ৰাজা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল দক্ষিণ ভাৰত বা তামিল প্ৰদেশত। কিন্তু কি কাৰণত দাক্ষিণাত্যত এই আন্দোলনৰ সূচনা হৈছিল সেইকথা বিচাৰ কৰি চাবলগীয়া। ভক্তি আন্দোলনৰ সৃষ্টিৰ মূলতেও আছিল কিছুমান সামাজিক আৰু ধৰ্মীয় পৰিস্থিতিৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া। তামিল প্ৰদেশৰ খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ এই কালছোৱাক ভক্তিকাল বুলি আখ্যা দিয়া হয়।

ষষ্ঠ শতিকাৰ আগৰ সময়ছোৱাক কোৱা হয় ভক্তি পূৰ্বকাল বা বেছি জৈনকাল। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে ষষ্ঠ শতিকাৰ আগতে দক্ষিণ ভাৰতত বৌদ্ধ আৰু জৈন ধৰ্মৰ প্ৰচলন আছিল। এই বৌদ্ধ আৰু জৈন ধৰ্মৰ আঁৰতে ৰচিত হৈছিল ভক্তি বা বৈষ্ণৱ আন্দোলনৰ পটভূমি।

ভক্তি পূৰ্বকালৰ সাহিত্যিকসকলে প্ৰথম অৱস্থাত যদিও অকল সাহিত্য সৃষ্টিতে মনোনিবেশ কৰিছিল। পিছলৈ ধৰ্ম প্ৰচাৰৰ সুৰ স্পষ্ট হৈ উঠিল আৰু ভক্তিসকলৰ ভক্তিকালৰ আৰম্ভণিৰ সময়ত শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ বিৰোধিতা কৰাহে তেওঁলোকৰ উদ্দেশ্য হৈ পৰিল। বৌদ্ধ ধৰ্মৰ ব্ৰহ্মচৰ্য্য আৰু ভিক্ষু জীৱনৰ ওপৰত গুৰুত্ব আৰোপিত হৈছিল। অহিংসা, কৰুণা, দয়া আদি জৈন ধৰ্মৰ যিবোৰ মূল তত্ত্ব আছিল সেইবোৰৰ বিৰুদ্ধ আচৰণতহে তেওঁলোক লিপ্ত হ'ল।

আচাৰ-বিচাৰৰ মানদণ্ড একে হয়, য'ত যাগ-যজ্ঞ আদি কঠিন নিয়মৰ দ্বাৰা আবৃত বৈদিক ধৰ্ম সৰলীকৃত হৈ মুক্তিৰ সাধন সহজ তথা সৰ্বসাধাৰণৰ গ্ৰহণযোগ্য হ'ব পাৰে। যুগৰ এই আৱশ্যকতা পূৰণৰ অৰ্থে বৈষ্ণৱ ভক্তি আলৱাৰ আৰু শৈৱ ভক্ত কবি নায়নমাৰসকলৰ আৱিৰ্ভাৱ হ'ল আৰু সূচনা কৰিলে ভক্তি আন্দোলনৰ।

ভক্তি আন্দোলনৰ বৈশিষ্ট্য ঃ সমগ্ৰ ভাৰতবৰ্ষ জুৰি সৃষ্টি হোৱা নৱ-বৈষ্ণৱ আন্দোলনৰ অভিব্যক্তিলৈ লক্ষ্য কৰিলে আমি বহু বৈশিষ্ট্য দেখিবলৈ পাওঁ।

সকলো নৱ-বৈষ্ণৱ সম্প্ৰদায়েই একেশ্বৰবাদী। বিষ্ণু বা নাৰায়ণ একমাত্ৰ উপাস্য দেৱতা। ৰামানুজী নিম্বাকী আৰু চৈতন্য সম্প্ৰদায়ত লক্ষ্মী বা ৰাধাৰ বিশেষ স্থান আছে যদিও তেওঁক কৃষ্ণ বা বিষ্ণুৰ মায়া অৰ্থাৎ ঐশ্বৰিক শক্তিৰ প্ৰতীক স্বৰূপেহে দৃষ্টি দিছে। যাগ-যজ্ঞ ব্ৰত আৰু তপস্যাতকৈ ভক্তি বা প্ৰেমৰ

দ্বাৰা ভগৱান সহজে উপলব্ধি হয়। ভক্তিৰ পাত্ৰাপাত্ৰ নাই। ব্ৰাহ্মণৰ পৰা চণ্ডাললৈকে সকলোৰে ভক্তি ধৰ্মৰ ওপৰত অধিকাৰ আছে।

ভক্তি দুটা ভাগত বিভক্ত ঃ সগুণ ভক্তি আৰু নিৰ্গুণ ভক্তি। সগুণ সবিশেষ, সাকাৰ, আৰু উপাধিযুক্ত। আনহাতে, নিৰ্গুণ, গুণ, বিশেষণ আকাৰ আৰু উপাধিৰহিত। অসমৰ ভক্তি আন্দোলনৰ ক্ষেত্ৰত নাম, দেৱ, গুৰু আৰু ভকত - এই চাৰিটা তত্ত্ব অতিৰিক্তভাৱে সংযোজিত হৈছে। আনহাতে অসমৰ বাহিৰে অন্য দুই-এক প্ৰদেশত কৃষ্ণ আৰু ৰাধাক ঈশ্বৰ- ঈশ্বৰীৰূপে কল্পনা কৰা হয়।

মধ্যযুগৰ ভাৰতীয় ভক্তিবাদী আলংকাৰিকসকল ঃ শ্ৰীবল্লভাচাৰ্যই গোপীবল্লভ শ্ৰীকৃষ্ণৰ উপাসনাৰ দ্বাৰা বৈষ্ণৱ ধৰ্মত এক নতুন শক্তিৰ সঞ্চাৰ কৰিলে। তেওঁৰ প্ৰভাৱ উত্তৰ ভাৰতৰ জনসাধাৰণৰ ওপৰত ভালকৈয়ে পৰিল। ১৪৭৯ চনত কাশীত বাস কৰা দাক্ষিণাত্যৰ এক ব্ৰাহ্মণ পৰিয়ালত জন্ম হয়। ইয়াতেই তেওঁৰ ল'ৰাকাল অতিবাহিত হয়। ইয়াতেই তেওঁ শিক্ষা-দীক্ষা গ্ৰহণ কৰে। তেৰ বছৰ বয়সতে শ্ৰীবল্লভাচাৰ্যই বেদ, বেদাংগ, পুৰাণ ধৰ্মশাস্ত্ৰ আদিত নিপুণতা অৰ্জন কৰি ঠায়ে ঠায়ে বিদ্বান সকলৰ লগত শাস্ত্ৰৰ আলোচনাত ৰত হৈ শ্ৰীশংকৰাচাৰ্যৰ মায়াবাদৰ সগুণৰ দ্বাৰা ব্ৰহ্মবাদ আৰু ভক্তিৰ প্ৰচাৰ চলায়।

দাৰ্শনিক জগতত শ্ৰী বল্লভাচাৰ্যৰ সিদ্ধান্ত 'শুদ্ধদ্বৈত' নামে প্ৰসিদ্ধ। প্ৰকৃততে তেওঁ বিষ্ণু স্বামীৰ মতকে প্ৰচাৰ কৰে। শ্ৰীবল্লভাচাৰ্যৰ মত অনুসৰি ব্ৰহ্ম, সৎ, চিৎ আৰু আনন্দ স্বৰূপা। তেওঁৰ মতে প্ৰেম নহ'লে অবিদ্যাৰ নাশ নহয়। বিদ্যাৰ দ্বাৰাহে অবিদ্যাৰ নাশ হয়। ভক্তি বিদ্যাৰ এটা অংশ।

শ্ৰীবল্লভাচাৰ্যই নৱধা ভক্তিক স্বীকাৰ কৰে। শ্ৰীবল্লভ মতৰ মন্ত্ৰ হৈছেঃ "শ্ৰীকৃষ্ণঃ শৰণং মম"।

মধ্যভাৰতীয় ভক্তিবাদী আন এজন আলংকাৰিক হৈছে "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ"। ভাৰতৰ পূব প্ৰান্ত অসমত এনে এক প্ৰচেষ্টা চলাইছিল শংকৰদেৱে। সমস্ত ভাৰতবৰ্ষক প্লাৱিত কৰা বৈষ্ণৱ ভক্তি-আন্দোলনৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্ক স্থাপন কৰি সমসাময়িক অসমখনত প্ৰচলিত নানা দেৱ-দেৱীৰ পূজা উপসনাৰ প্ৰতি সচেতন হৈ শংকৰদেৱে জন-সমাজক এজন দেৱতাৰ সন্ধান দিলে যদিও অন্য অনেক দেৱতাৰ সৈতেও তেওঁৰ অভেদত্ব স্বীকাৰ কৰা হ'ল। মূলতঃ শংকৰদেৱ অদ্বৈতবাদী। একমেয় দ্বিতীয়ম পৰমেশ্বৰৰ প্ৰতি একনিষ্ঠ অব্যভিচাৰী ভক্তি শংকৰ-মাধৱৰ ধৰ্মৰ মূল ভিত্তি আছিল। শংকৰদেৱে লিখিছে --- "প্ৰথমে প্ৰণামো ব্ৰহ্মৰপী সনাতন।" 'ব্ৰহ্ম নিৰঞ্জন নিৰাকাৰ। সেই ব্ৰহ্ম আৰু জগতৰ ভিতৰতো একো পাৰ্থক্য নাই ঃ

'তুমি প্ৰিয়তম জগতৰ ঈশ এশ।

একো বস্তু নাহিকে তোমাত ব্যাতিৰেকা।

কিন্তু শংকৰদেৱ মুখ্যত ঃ বিশিষ্ঠাদ্বৈতবাদী নিৰঞ্জন, নিৰাকাৰ ব্ৰহ্মৰ কথা ক'লেও সেই ব্ৰহ্মক শংকৰদেৱে সাকাৰ ৰূপেহে স্থাপন কৰিছে। শংকৰদেৱৰ কীৰ্তন পুথিখনতে এইবোৰৰ উল্লেখ আছে। সাকাৰ ৰূপৰ ভিতৰতো বিষ্ণুৰ ৰূপৰ দ্বাৰাহে শংকৰদেৱ বেছি আকৃষ্ট। ভাৰতীয় আন বৈষ্ণৱ সাধু-সন্তসকলৰ নিচিনা শংকৰদেৱেও হৰি নামৰ মহিমা উপলব্ধি কৰি হৰিনামৰ শ্ৰেষ্ঠত্ব নিৰূপণ কৰিছে। বৰগীতত শংকৰদেৱে শ্ৰীকৃষ্ণৰ বৰ্ণনা দিওঁতেও তেওঁক বিষ্ণুৰূপেহে সজাইছে ঃ

"মকৰ কুণ্ডল, মণ্ডিত গুণ গ'লে গজমতি লুলে।

তৰিতাম্বৰ, শ্যামসুন্দৰ। শিৰে সিখণ্ডক তুলে।"

ভক্তিবাদী আন এজন আলংকাৰিক হৈছে, "গুৰু নানক"। শিখ ধৰ্মৰ স্থাপনকৰ্তা গুৰু নানক কবীৰদাসে দেখুৱা পথৰে এজন প্ৰচাৰক। তেওঁ অসাধাৰণ প্ৰতিভাৰে দৃষ্টি তত্ত্বৰ গূঢ়াৰ্থ উপলব্ধি কৰি সমসাময়িক সমাজখনৰ দুৰ্যোগ আঁতৰাই সাম্য আৰু মৈত্ৰীৰ ওপৰত প্ৰতিষ্ঠিত সমাজ এখনৰ কথাকে তেওঁৰ গীত-পদৰ দ্বাৰা কৈ গৈছে।

মীৰাবাঈ ভাৰতীয় ভক্তিবাদীসকলৰ এগৰাকী আলংকাৰিক। অষ্টছাপৰ কবিসকলৰ পাছত কৃষ্ণ ভক্ত কবিসকলৰ ভিতৰত ভক্তকবি মীৰাবাঈৰ নাম বিশেষভাৱে উল্লেখ কৰিবলগীয়া। ৰাজৰাণী হৈও বৈভৱ আৰু সুখ-সুবিধাবোৰক তুচ্ছ জ্ঞান কৰি শ্ৰীকৃষ্ণক নিজৰ আৰাধ্য দেৱ আৰু পতিৰূপে মানি মীৰাবাঈ তেওঁ আৰাধনাত ৰত হয়।

মাধুৰ্য ভক্তি-ভাৱৰ দ্বাৰা প্ৰেৰিত হৈ মীৰাই লোক সজ্জা এৰি শ্ৰীকৃষ্ণৰ ভজনত মত হৈ পৰিছিল আৰু গীত ৰচনা কৰিছিল। সেই গীতবোৰত বাসনাৰ গোন্ধ নাই। আছে আত্ম নিবেদন, বিৰহ আৰু আধ্যাত্মিক তত্ত্ব।

শ্ৰীকৃষ্ণৰ লগত মীৰাৰ সম্পৰ্ক ঘোষণা কৰি ৰচনা কৰা গীত এটাও মীৰাই এনেদৰে বৰ্ণনা কৰিছেঃ যিজনৰ শিৰত ম'ৰা পাখিৰ মুকুট শোভিত হৈছে সেই গিৰিধৰ গোপালেই মোৰ পতি। তেওঁৰ বাহিৰে মোৰ আন কোনো নাই। মীৰাৰ গীত পদৰ মাজেদি মধুৰভক্তি ভাবৰ অভিব্যক্তি মুখ্যতঃ হৈছে যদিও দাস্য ভক্তি-ভাবৰ নিদৰ্শনো ঠায়ে ঠায়ে আছে। শ্ৰীকৃষ্ণৰ ভক্তিত লীন যোৱা মীৰাক মানুহে পাগলী ক'বলৈ ধৰিলে। ৰজাই বিহৰ পিয়লা পঠিয়ালে, সেয়াও হাঁহি মুখে পান কৰিলে। মীৰা এগৰাকী প্ৰকৃত ভক্তিৰ দাসী; সেয়ে কৈছে ঃ

'পগ ঘূঘৰু বান্ধী মীৰা নাসী ৰে,<br>
লোক কহৈ মীৰা হো গঙ্গ কমৰী,<br>
সাম কহৈ কুলনাগী ৰে।<br>
জহৰ কা প্যাল। ৰূপাজী ভেজ্যা<br>
পীৰত মীৰা হাঁসী ৰে।'

এইদৰেই মীৰাবাঈৰ ভক্তি ধৰ্ম দেখিবলৈ পোৱা গৈছে। মাধবাচাৰ্য্য,ৰামানুচাৰ্যৰ বিশিষ্টা দ্বৈতবাদ মতৰ পিছত শংকৰাচাৰ্যৰ মায়াবাদৰ বিৰোধস্বৰূপ উদ্ভৱ হোৱা দক্ষিণ ভাৰতৰ প্ৰধান মত হ'ল দ্বৈত মত। ইয়াৰ প্ৰতিষ্ঠাপক হ'ল মধবাচাৰ্য। ১১৯৭ চনত কৰ্ণাটকৰ উতুপি নামৰ ঠাইত মধবাচাৰ্যৰ জন্ম হয়। মাধবমত অনুসৰি পৰমাত্মা হৈছে সাক্ষাৎ বিষ্ণু। তেওঁ অনন্ত গুণৰ অধিকাৰী। তেওঁৰ মূল ৰূপ আৰু অৱতাৰ ধাৰণ কৰা ৰূপৰ মাজত পাৰ্থক্য একো নাই। ভক্তি আন্দোলনৰ দৃষ্টিৰে চালে মধবাচাৰ্যৰ দ্বাৰা স্থাপিত দ্বৈত মতৰ মহত্ত্ব যথেষ্ট আছে। মধবাচাৰ্যৰ মত উপাসনাৰ দুটা ৰূপ ঃ শাস্ত্ৰানুশীলন আৰু ধ্যান। শাস্ত্ৰৰ অনুশীলনৰ দ্বাৰা অপৰোক্ষ জ্ঞানৰ প্ৰাপ্তি হয়। মধবাচাৰ্যই মায়াবাদৰ খণ্ডন কৰে। তাৰ ফলত ভক্তি পথ নিষ্কটন হয়।

আন এজন আলংকাৰিক চৈতন্যদেৱ। পশ্চিমবংগৰ নৱদ্বীপ বা নদীয়া নামৰ গাঁৱত এক ব্ৰাহ্মণ পৰিয়ালত চৈতন্যদেৱৰ জন্ম হয় ১৪৮৫ চনত। চৈতন্যদেৱে ভগৱানক শ্ৰীকৃষ্ণৰূপে স্থাপিত কৰি তেওঁৰ প্ৰতি ভক্তিৰ কথা প্ৰচাৰ কৰিলে। ভগৱানৰ চকুত সকলো সমান। ভগৱানৰ ভক্তিত জাত-পাতৰ প্ৰশ্ন নাই। এনে উদাৰ-মনোভাবেৰে চৈতন্য দেৱৰ বৈষ্ণৱ ধৰ্ম প্ৰতিষ্ঠিত। চৈতন্যদেৱক ৰাধাৰ অৱতাৰৰূপে গণ্য কৰা হয়। চৈতন্যদেৱে নিজে যেনেকৈ ভগৱানৰ নাম কীৰ্তন কৰি ভাল পাইছিল, তেওঁ তেনেকৈয়ে শিষ্যবৰ্গকো সংকীৰ্তনত যোগদান কৰাটো বাঞ্চা কৰিছিল। বৃন্দাবন দাসৰ 'চৈতন্য ভাগৱত'ৰ উল্লেখ অনুসৰি নৱদ্বীপৰ ভক্তসকলে চৈতন্যদেৱৰ প্ৰতি ভক্তি প্ৰদৰ্শন কৰি পুৱাঁলৈ দেখা কৰিবলৈ যোৱা সময়ত তেওঁ তেওঁলোক সকলোকে কৃষ্ণৰ নাম 'শন্ত' হিচাপে বাৰে বাৰে উচ্চাৰণ কৰিবলৈ উপদেশ দিছিল আৰু হৰে কৃষ্ণ হৰে কৃষ্ণ, কৃষ্ণ কৃষ্ণ হৰে হৰে- এইটোকে সংকীৰ্তন গাবলৈ কৈছিল। চৈতন্যদেৱে তেওঁৰ ভক্তি পদ্ধতিত দ্বৈত আৰু অদ্বৈতৰ সমন্বয় ঘটাইছে। চৈতন্য মত অনুসৰি ভক্তি হৈছে 'পৰম প্ৰেমস্বৰূপা'। চৈতন্যদেৱে শ্ৰীকৃষ্ণৰ প্ৰেমত তন্ময় হৈ নিজকে পাহৰি গৈছিল। তেওঁৰ এনে ভক্তিক ৰাধা ভাব বোলে। চৈতন্যদেৱেও ভগৱদ ভক্তিৰ দুৱাৰ সমাজৰ সকলো শ্ৰেণীৰ লোকৰ কাৰণে মুকলি কৰি দিছে।

এইদৰেই আমি মধ্যভাৰতীয় ভক্তিবাদী আলংকাৰিক সকলৰ ভক্তি ধৰ্মৰ প্ৰচাৰ দেখিবলৈ পাওঁ। ইয়াৰে প্ৰায় সকলো আলংকাৰিকেই শ্ৰীকৃষ্ণৰ পৰম ভক্ত। শ্ৰীকৃষ্ণৰ গুণানু-কীৰ্তন, ভজন আদি গাই সমাজৰ মাজত শ্ৰীকৃষ্ণৰ ভক্তিধৰ্ম প্ৰচাৰ কৰিছে। সমাজৰ ভক্তি-ধৰ্মত যে জাতি বা জাত-পাতৰ কোনো কথা নাই, সেই কথাও ভক্তিৰ মাধ্যমেৰে আলংকাৰিকসকলে প্ৰচাৰ কৰিছে।

●●●

জীৱন মানে যে প্ৰতিটো দিন আৰু প্ৰতিটো ঘণ্টা উপযুক্তভাবে যাপন কৰা সেই কথাটো আমি বহুত পলমকৈ উপলব্ধি কৰোঁ।

--ষ্টিফেন লিকক

কলগছ অসমীয়াৰ অতি প্ৰয়োজনীয় এবিধ গছ। কল আৰু কলপাতৰ লগত জড়িত বিভিন্ন মাংগলিক অনুষ্ঠানসমূহে অসমীয়াৰ ঐতিহ্য বহন কৰি আহিছে। অসমীয়া সমাজত যিমানেই চীনামাটিৰ প্লেটে ঠাই নলওঁক কিয় কলপাতৰ সমান উপযোগী আৰু স্বাস্থ্যসন্মত কেতিয়াও হ'ব নোৱাৰে। কলপাত ৰ ব্যৱহাৰৰ পৰম্পৰাসমূহ সদায় জীয়াই থাকিব প্ৰতিজন অসমীয়াৰ মনে-প্ৰাণে।



# অসমীয়া সমাজ জীৱনত ‘কলপাত’

▸▸ **ৰিম্পী বৰুৱা**
স্নাতক পঞ্চম ষান্মাসিক (কলা শাখা)

“কলৰে পাততে কাউৰী পৰে
আগলতি চিত মোৰ লৰে চৰে

অ-অ জেউতি তোলৈ মোৰ মনত পৰে-।”

“আজি ওৰে নিশা কলৰে পাততে
জোনাক সৰিছিল টোপাটোপে।”

ক'তো কবিৰ কলমত কলপাতে কবিতাৰ ৰূপ পালে, ক'তো গীতত কলপাতে সুৰ হৈ নিগৰিলে। অকল কবিতা বা গীততেই নহয় কলপাত অসমীয়া সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ। দৈনন্দিন জীৱনৰ প্ৰায় ক্ষেত্ৰতে কলপাতৰ বিশেষ ভূমিকা আছে। সাধু-কথা, ফকৰা-যোজনা, গীত-মাত, সাঁথৰ মাংগলিক কাৰ্য, প্ৰবচন, অসমীয়া লোকাচাৰ ইত্যাদিত কলপাতৰ উল্লেখ মন কৰিবলগীয়া।

কলপাত হৈছে কলগছৰ পাত। অসমত কলপাতক কলাপাত বুলিও কোৱা হয়। এজোপা কলগছে ইয়াৰ জীৱন কালত প্ৰায় ৪০ খিলা পৰ্যন্ত পাত মেলে। পাতবোৰ যথেষ্ট দীঘলীয়া আৰু বহল। লগতে ই নমনীয় আৰু পানীত নিভিজে বাবে ইয়াৰ বহুল ব্যৱহাৰ হোৱা দেখা যায়। ৰন্ধন কাৰ্য, বস্তু বন্ধা, খাদ্য ৰখা, বস্তু ঢকা ইত্যাদি কামত কলপাতৰ ব্যৱহাৰ হয়।

অসমীয়া লোকসকলে ধৰ্মীয় বিশ্বাস অনুসৰি কলপাতক পবিত্ৰ বুলি মানে। বিশেষভাৱে আগলটি কলপাতৰ মৰ্যাদা অধিক। পৰম্পৰাগত পদ্ধতিৰে ঘৰ আদি সাজিলে ঘৰৰ চালত শুকান কলপাত বা কলমগুণা ব্যৱহাৰ কৰে। অৱশ্যে বৰ্তমান সমাজত তেনেধৰণৰ ঘৰ দেখা পোৱা নাযায়। ঐতিহাসিকভাৱে দক্ষিণ আৰু দক্ষিণ পূব এচিয়াৰ লোকে লিখন সঁজুলি হিচাপে কলাপাত কাগজৰ ৰূপত ব্যৱহাৰ কৰিছিল।

কলৰ প্ৰজাতি অনুসৰি কলপাতৰ দীঘ, প্ৰস্থ ভিন্ন হয়। চেনিচম্পা, অমৃত সাগৰ, ইত্যাদি কলৰ পাত ভীমকলৰ পাতৰ তুলনাত ঠেনুকা, ই সহজেই ফাটি যায়। এখিলা বয়স্ক কলপাতৰ গড় হিচাপত দৈঘ্য প্ৰায় ২ মিটাৰ আৰু প্ৰস্থ আধাৰ পৰা ১ মিটাৰ পৰ্যন্ত হয়। এজোপা কলগছত এবাৰত প্ৰায় ৮-১২ খিলা পাত দেখা যায়। পাতবোৰ মমৰ দৰে পিছল, নমনীয় আৰু চিকমিকিয়া। বৰণ পাতল বা গাঢ় সেউজীয়া। পাতৰ পিছফালে

চূণৰ দৰে পদাৰ্থ থাকে। ইয়াৰ মধ্যভাগত এডাল ডাঙৰ আকাৰৰ শিৰা থাকে, তাৰ পৰা সমান্তৰাল ভাৱে শিৰবিন্যাস ওলোৱা দেখা যায়। একেবাৰে নতুন পাত খিলাৰ ঠাঁৰি অংশইদি আন এখিলা নতুনপাত ওলাই আহে। প্ৰথম অৱস্থাত এই পাতখিলা নুৰীয়াই থোৱাৰ দৰে দেখি। ইয়াক থোৰ বুলি কোৱা হয়। লাহে লাহে পাতখিলা মুকলি হৈ পৰে।

হিন্দুধৰ্মৰ সকলো মাংগলিক কাৰ্যতে কলপাতৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। কলপুলি শুভমংগল আৰু আগলতি কলপাত পৱিত্ৰতাৰ প্ৰতীক। অসমীয়া ফকৰা-যোজনা, প্ৰৱচন আদিত কল, কলপাত বা কলগছৰ উল্লেখ দেখিবলৈ পোৱা যায়

"কল ৰুৱা আগে
বিয়া পাতিবা পাছে
কলো হ'ব লৰায়ো খাব।"

"কলাপুতি নাকাটে পাত
তাতেই কাপোৰ তাতেই ভাত।"

কলপাতত ক্লোৰোফিল থকাৰ কাৰণে ইয়াক খালে চৰ্মৰোগ নহয়, অন্ত্ৰৰ ঘা নিৰাময় হয়, লিউকোমিয়া নহয়। কলপাতত কেলচিয়াম, ভিটামিন এ, ভিটামিন চি, চাইট্ৰিক এচিড, কেৰোটিন আৰু টেনিন গুণ আছে। বৰলে কামুৰিলে, কাঁইটে বিন্ধিলে সেই ঠাইত কলপাত বটি প্ৰলেপ দিলে উপকাৰ পোৱা যায়। কলপাত গৰু-ছাগলীৰ প্ৰিয় খাদ্য। ৰেচম শিল্পত কলপাতৰ ব্যৱহাৰ হয়। পলুবোৰে লেটা সাজিবৰ বাবে শুকান কলপাত দিয়া হয়।

কলপাতে খাদ্যত এক বিশেষ সৌৰভৰ সংযোগ ঘটাই; কলপাতত মেৰিয়াই ভাপত সিজোৱা খাদ্যত এক বিশেষ সুগন্ধ তথা সোৱাদৰ সংযোজন ঘটে। অৱশ্যে এইদৰে খাদ্যৰ প্ৰস্তুত কৰণত ব্যৱহৃত কলপাতবোৰ খোৱা নহয়। ইয়াৰোপৰি কলপাতে খাদ্যৰ পৰা পানী ভাগ ভাপ হৈ উৰি যোৱাত বাধা দিয়ে ফলত খাদ্যত ৰসৰ সংযোজন ঘটি থাকে। কলপাতে খাদ্যসমূহ পুৰি যোৱাতা বাধা দিয়ে।

কল এবিধ স্বাস্থ্য স্বাস্থ্যকৰ ফল হোৱাৰ উপৰিও কলগছ এনে এবিধ গছ যাৰ প্ৰতিটো অংশ আমাৰ বাবে অতি প্ৰয়োজনীয়। কলৰ ফুল যাক আমি কলডিল বা কলফুল বুলি কওঁ এয়া অতি সুস্বাদু খাদ্য হোৱাৰ উপৰিও ঔষধি গুণেৰে ভৰপূৰ। কলৰ বাকলি বা গা অংশৰ পৰা কলৰ খাৰ বনোৱা হয় সেয়া অতি স্বাস্থ্য সন্মত। কলৰ পাত আমাৰ বিভিন্ন মাংগলিক অনুষ্ঠানত ব্যৱহাৰ কৰা হয়। সকলো মাংগলিক কাৰ্যতে 'কল' প্ৰসাদ হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও 'কলপুলি', 'কলদোনা' নাইবা 'কলপাত' অপৰিহাৰ্য। গুৱা-পাণটি আগবঢ়াবলৈ, মাহ-প্ৰসাদ খাবলৈ কলপাত ব্যৱহাৰ কৰা হয়। বিশেষকৈ গুৰুত্বপূৰ্ণ কাম বা শৰাই আগবঢ়োৱাৰ ক্ষেত্ৰত আগলতি কলপাতৰ ব্যৱহাৰ অতিকৈ অপৰিহাৰ্য।

আগৰ দিনত বিয়া-সবাহত কলৰ পাতত ভাত খোৱাৰ পৰম্পৰা আছিল। আজিৰ দিনত নানা ধৰণৰ সামগ্ৰীৰ আৱিষ্কাৰ হোৱাত কলপাতত ভাত খোৱা পৰম্পৰা অতীত হ'ল। কলপাতৰ কাঁহীত যোড়শ ব্যঞ্জনেৰে ভুৰিভোজনৰ সেই ছবি এতিয়া অসমীয়া সমাজৰ পৰা নোহোৱা হ'ব ধৰিছে। তাৰ ঠাই দখল কৰিছে ডিছপ'জিবল প্লেটে। নগৰৰ ধনী-মধ্যবিত্ত অসমীয়াৰ বিয়া-সবাহ অনুষ্ঠানত চীনামাটিৰ প্লেটে ৰাজত্ব কৰাৰ দৰে গ্ৰামাঞ্চলতো কলপাতত পৰিৱেশনৰ প্ৰথা খুব কমেহে বৰ্তি আছে।

মুঠতে কলগছ অসমীয়াৰ অতি প্ৰয়োজনীয় এবিধ গছ। কল আৰু কলপাতৰ লগত জড়িত বিভিন্ন মাংগলিক অনুষ্ঠানসমূহে অসমীয়াৰ ঐতিহ্য বহন কৰি আহিছে। অসমীয়া সমাজত যিমানেই চীনামাটিৰ প্লেটে ঠাই নলওঁক কিয় কলপাতৰ সমান উপযোগী আৰু স্বাস্থ্যসন্মত কেতিয়াও হ'ব নোৱাৰে। কলপাত ৰ ব্যৱহাৰৰ পৰম্পৰাসমূহ সদায় জীয়াই থাকিব প্ৰতিজন অসমীয়াৰ মনে-প্ৰাণে।

●●●

আমি আধুনিক হৈছোঁ, পশ্চিমীয়া সংস্কৃতি, পশ্চিমীয়া সাজ- সজ্জা, খোৱা-বোৱা আদি আকোঁৱালি লৈছো ঠিকেই আছে, কিন্তু তাৰ বিপৰীতে আমাৰ মানসিকতাক আমি আধুনিক কৰিব পৰা নাই।

# মানসিকতা

**সুস্মিতা দাস**
প্ৰাক্তন ছাত্ৰী

আমি একবিংশ শতিকাৰ স্বাধীন দেশৰ স্বাধীন নাগৰিক। আমাৰ দেশখন স্বাধীন হোৱা আজি বহু বছৰেই হ'ল। কিন্তু এতিয়ালৈ আমাৰ মানুহৰ মন- মগজু স্বাধীন হ'ব পৰা নাই। কেতিয়াবা কিছুমান কথা ভাবিলে বৰ আচৰিত লাগে- যিখন দেশত দিনৰ পাছত দিন নাৰীৰ ওপৰত অত্যাচাৰ কৰা হয়, সেইখন দেশতে আকৌ লাখ লাখ টকা খৰচ কৰি মূৰ্তিৰূপে নাৰীক পূজা-অৰ্চনাও কৰা হয়। মানুহ যিমানেই আধুনিক সমাজত বাস কৰিবলৈ লৈছে সিমানেই যেন দিনে দিনে দেশত নাৰীৰ ওপৰত শাৰীৰিক নাইবা মানসিক অত্যাচাৰ বাঢ়ি আছে। ক'ৰবাত যদি ধৰ্ষণ, আন ক'ৰবাত যৌতুকৰ বাবে ৰোৱাৰীৰ ওপৰত অত্যাচাৰ নাইবা কন্যা সন্তানৰ ভ্ৰণ হত্যা। মুঠতে যিমানেই দিন বাগৰি গৈছে সিমানেই অত্যাচাৰবোৰো বাঢ়ি আছে।

এতিয়া আচল প্ৰশ্ন হ'ল ইয়াৰ আঁৰৰ মূল কাৰণ কি? নাইবা ইয়াৰ বাবে দায়ী কোন- আমাৰ মানসিকতা নে আমাৰ সমাজ ব্যৱস্থা? আচলতে প্ৰত্যক্ষ ভাৱে ইয়াৰ বাবে কাকো দায়ী বুলি ক'ব নোৱাৰি। কিন্তু পৰোক্ষ ভাৱে ইয়াৰ লগত উল্লেখিত প্ৰতিটো প্ৰশ্নই জড়িত। আমি আধুনিক হৈছোঁ, পশ্চিমীয়া সংস্কৃতি, পশ্চিমীয়া সাজ- সজ্জা, খোৱা-বোৱা আদি আকোঁৱালি লৈছো ঠিকেই আছে, কিন্তু তাৰ বিপৰীতে আমাৰ মানসিকতাক আমি আধুনিক কৰিব পৰা নাই।

সৰুতে কিতাপত পঢ়িছিলো মানুহ হৈছে জীৱ- শ্ৰেষ্ঠ প্ৰাণী। কিন্তু এতিয়া মানুহক জীৱ-শ্ৰেষ্ঠ প্ৰাণী বুলি ক'বলৈ নিজকে কিবা লাজ লাগে। ৰাস্তাৰে কোনোবা ছোৱালী বা বোৱাৰী এগৰাকী অকলে ক'ৰবাত ওলাই গ'লে তেওঁ আকৌ ঘৰলৈ উভতি আহিব পাৰিবনে বুলি মনতে ভয় -ভাৰ জাগে। ৰাস্তাৰ দুঠেঙীয়া কুকুৰবোৰেও চিকাৰৰ অপেক্ষাত ৰাজপথত পিয়াপি দি ফুৰে। এই কুকুৰবোৰেও আকৌ ভদ্ৰতাৰ মুখা পিন্ধি দেশ শাসন কৰে।

চৰকাৰ আৰু সমাজ ব্যৱস্থাও একে, তেওঁলোকে কেতিয়াও দোষীক শাস্তি দিব নোৱাৰে। এষাৰ কথা আছে- দেশৰ ৰক্ষকেই যদি ভক্ষক হয়, তেন্তে দেশৰ উন্নতিয়েই বা ক'ত?অ দিনে দিনে ধৰ্ষণৰ সংখ্যা বাঢ়িয়ে আছে, কিন্তু চৰকাৰে এতিয়ালৈ তাৰ ওপৰত এক কঠোৰ শাস্তি প্ৰণয়ন কৰিব পৰা নাই। বহু পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানক হেৰুৱাই পেলাইছে। বহুত কন্যাই নিজৰ সপোনবোৰক হেৰুৱাই পেলাইছে। তথাপিও চৰকাৰৰ গাঁৰ নোম শিঁয়ৰি উঠাৰ সময় হোৱা নাই। কেইমাহমান আগতে কলকাতাৰ আৰ.জি. কলেজ তথা চিকিৎসালয়ত চিকিৎসক ডাঃ মৌমিতা দেবনাথক ১৮জন নৰ-পিশাচে একেলগে অত্যাচাৰ চলাইছিল। কিন্তু তাৰ আঁৰৰ ৰহস্য এতিয়ালৈ সম্পূৰ্ণভাৱে পোহৰলৈ অহা নাই। আৰু চৰকাৰেও এতিয়ালৈ দোষীক উপযুক্ত শাস্তি দিব পৰা নাই। কাৰণ, বৰ্তমান চৰকাৰ ব্যৱস্থা হৈছে মুখা পিন্ধি ঘূৰি ফুৰা ভদ্ৰ মানুহ, ভিতৰত কিবা এটা ৰূপ আৰু বাহিৰত আন কিবা ৰূপ। চৰকাৰে দোষীক শাস্তি দিম দিম বুলি কৈ থাকোঁতেই আকৌ আন এটা জঘন্য কাণ্ড সংঘটিত হৈ যায়। প্ৰত্যেক বাৰেই ধৰ্ষণকাৰীবোৰে ধৰ্ষণ কৰি মুক্ত আকাশৰ তলত ঘূৰি ফুৰে। আনহাতে আজীৱন দুখৰ ভাণ্ডাৰ কঢ়িয়াই লৈ ফুৰে অসহায় পৰিয়ালবোৰে।

এতিয়া সকলোকে এটাই আহ্বান চৰকাৰৰ মুখলৈ বাট চাই থাকি লাভ নাই। এতিয়া সময় নিজৰ বিচাৰ নিজেই কৰাৰ, ন'হলে মণিষা, সুনীতা, মৌমিতাৰ দৰে আন বহুতকেই হয়তো হেৰুৱাব লাগিব। যদি এতিয়াই আমি উচিত ব্যৱস্থা হাতত নলওঁ। তেতিয়া হয়তো তাৰবাবে দায়ী হ'ব লাগিব আপুনি, মই নাইবা আমাৰ সমাজ ব্যৱস্থা।

●●●

প্ৰকৃততে আমাৰ সমাজখন এতিয়াও পৰিৱৰ্তনৰ গতিতে আছে। সম্পূৰ্ণৰূপে পৰিৱৰ্তন হোৱা নাই আৰু সেইকাৰণে স্বাধীনতাক সক্ৰিয় ৰূপত ব্যৱহাৰ কৰাৰ জ্ঞান আজিও হোৱা নাই। যদি স্বাধীনতাক সক্ৰিয় ৰূপত ব্যৱহাৰ কৰা হ'লহেতেন, তেন্তে আমাৰ সমাজখনত ধৰ্ষণ, হত্যা, বিবাহ-বিচ্ছেদ আদি নহ'লহেতেন আৰু সমাজত মহিলাই মুকলি মনেৰে আৰু নিৰ্ভয়ে বিচৰণ কৰিব পাৰিলেহেঁতেন।



# কন্যা সন্তানৰ ভৱিষ্যৎ স্বাধীনতা লিংগ বৈষ্যমতা

**চুম্পি দাস**
স্নাতক তৃতীয় যান্মাসিক (কলা শাখা)

সমগ্ৰ বিশ্বতে উত্তৰ আধুনিকতাৰ যুগ যদিও আজিও লিংগ বৈষ্যমতা প্ৰতিপন্ন কৰা হয় কন্যা সন্তানৰ ক্ষেত্ৰত । যিখন ভাৰতবৰ্ষত বৈদিক যুগত কন্যা সন্তানক দেৱীৰ লগত তুলনা কৰা হৈছিল সেই ভাৰতবৰ্ষত এতিয়া বিধ্বস্ত প্ৰায় হৈছে কন্যা সন্তানৰ ভৱিষ্যৎ। আমাৰ দেশে স্বাধীনতা লাভ কৰিলে। আমি আটায়ে স্বাধীন, কিন্তু এই শতিকাতো আমি মহিলাসকল স্বাধীন হ'ব পৰা নাই। কিয়নো আমি মুকলি মনে আৰু নিৰ্ভয়ে বিচৰণ কৰিব নোৱাৰো। টেন্সপাৰেন্সি ইন্টাৰনেচনেল নামৰ এটা সংস্থাই সমগ্ৰ দেশতে চলোৱা এক সমীক্ষাত প্ৰকাশ পাইছিল যে প্ৰতি এশ গৰাকী কন্যা শিশুৰ ভিতৰত দুগৰাকী ভ্ৰূণতে হত্যা কৰা হয়। তিনিগৰাকীক জন্মৰ পিছতে হত্যা কৰা হয় আৰু ৭ গৰাকীকৈ কন্যা শিশু শৈশৱতে সন্মুখীন হয় যৌন নিযাৰ্তনৰ। ইয়ে তুলি ধৰে এখন অতি দুখ লগা প্ৰতিচ্ছবি। এইখন ভাৰতবৰ্ষত ভ্ৰূণ হত্যা ৰোধৰ বাবে নানান আইন প্ৰণয়ন কৰাৰ লগতে কিছুমান আঁচনি কৰা হৈছে যদিও, সেই আইনসমূহে চুব পৰা নাই সমাজৰ এক শ্ৰেণীৰ মানুহক। চিকিৎসকসমূহে উচ্চ হাৰত কমিছন লৈ এতিয়াও চলাই আছে ভ্ৰূণ হত্যা। আটাইতকৈ দুখৰ বিষয় হৈছে ভাৰতবৰ্ষত দেখা দিয়া কন্যা শিশুৰ পুষ্টিহীনতা। গুজৰাটৰ দৰে বিকশিত ৰাজ্যৰ এতিয়া প্ৰধান সমস্যা হ'ল কন্যা শিশুৰ পুষ্টিহীনতা। যিখন গুজৰাটৰ উন্নয়নৰ শ্লোগান দি দেশৰ প্ৰধানমন্ত্ৰী হ'বলৈ সক্ষম হ'ল নৰেন্দ্ৰ মোডী, সেইখন গুজৰাটতে প্ৰতি এহাজাৰগৰাকী কন্যা শিশুৰ মৃত্যু হয় পুষ্টিহীনতাত ভুগি। তেনেদৰে ৰাজস্থানৰ কোনো কোনো অঞ্চলত আজিও কন্যা সন্তানৰ জন্মৰ লগে লগে নিমখ খুৱাই হত্যা কৰে। দেশৰ ৰাজধানী নতুন দিল্লীতদৈনিক শিশুৰ যৌন নিৰ্যাতন চলোৱাৰ অকথিত কাহিনী। কন্যা সন্তানক দেহাংগ ঢাকি ৰখাৰ শিক্ষা দিয়াৰ সলনি নিজৰ পুত্ৰ সন্তানক মহিলাক সন্মান

যাঁচিবলৈ আৰু ৰক্ষা কৰিবলৈ শিকোৱা উচিত। নিজৰ ভনীজনীক নিজতকৈ দুৰ্বল জ্ঞান নকৰাৰ শিক্ষা প্ৰতিজন ভাতৃয়ে ঘৰখনতে পোৱা উচিত। যি নিয়ম তথা সীমাৰদ্ধতা সেয়া ল'ৰাজনৰ ক্ষেত্ৰতো হোৱা উচিত; কিয়নো শিশুক অনুশাসন কৰাৰ ক্ষেত্ৰত লিংগভেদৰ কথা নাহে।

আমি সকলোৱে সংঘৰদ্ধ হৈ প্ৰতিজ্ঞা কৰা উচিত অথবা কিদৰে কন্যা শিশুৰ উন্নয়ন হ'ব পাৰে তাৰ বাবে আঁচনিৰ বাস্তৱ ৰূপ দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহ'লে এইখন ভাৰতবৰ্ষৰে প্ৰদেশ হাৰিয়ানাত সৃষ্টি হোৱা লিংগ বৈষম্যতাই এদিন বিপদত পেলাব ভাৰতবৰ্ষক। হাৰিয়ানাত শিশু কন্যা হত্যা কৰোঁতে কৰোঁতে আজি এনেকুৱা এটা পৰ্যায় পাইছেগৈ যে নিৰ্বাচন সময়ত ৰাজনৈতিক দলৰ প্ৰধান প্ৰতিশ্ৰুতি হৈ পৰে অবিবাহিত দৰাসকলৰ কন্যা যোগান ধৰাটো। য'ত প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে এতিয়া আছে মাত্ৰ ৬৫০ গৰাকী মহিলা। সেয়েহে সময় থাকোতে আমি কথাবোৰ নতুন ধৰণে; নতুন উদ্যমেৰে চিন্তা কৰা উচিত। ২০১১ চনৰ লোকপিয়লৰ তথ্যই কিন্তু এক হতাশজনক ছবিহে দাঙি ধৰিছে। এই তথ্যত প্ৰকাশ পোৱা মতে দেশত প্ৰতি ১০০০ ল'ৰা সন্তানৰ বিপৰীতে ছোৱালী শিশু ৯১৪। অৱশ্যে অসমত এই সংখ্যা ৯৫৪ 954 গৰাকী। আমি মনত ৰখা উচিত, পুৰুষ মহিলাৰ উমৈহতীয়া প্ৰচেষ্টাতহে এখন সমাজ তথা ৰাষ্ট্ৰৰ পূৰ্ণ বিকাশ সম্ভৱ। প্ৰকৃততে নাৰীৰ তিনিটা ৰূপ। কন্যা, পত্নী আৰু জননী। ইহুদীসকলৰ এক প্ৰবাদমতে 'God could not be everywhere therefore he made mothers. প্ৰকৃততে আমাৰ সমাজখন এতিয়াও পৰিৱৰ্তনৰ গতিতে আছে। সম্পূৰ্ণৰূপে পৰিৱৰ্তন হোৱা নাই আৰু সেইকাৰণে স্বাধীনতাক সক্ৰিয় ৰূপত ব্যৱহাৰ কৰাৰ জ্ঞান আজিও হোৱা নাই। যদি স্বাধীনতাক সক্ৰিয় ৰূপত ব্যৱহাৰ কৰা হ'লহেতেন, তেন্তে আমাৰ সমাজখনত ধৰ্ষণ, হত্যা, বিবাহ-বিচ্ছেদ আদি নহ'লহেতেন আৰু সমাজত মহিলাই মুকলি মনেৰে আৰু নিৰ্ভয়ে বিচৰণ কৰিব পাৰিলেহেঁতেন। সেয়েহে আমি বৰ্তমান সময়ত ভৱিষ্যৎ প্ৰজন্মৰ ওপৰত এইবোৰ ক্ৰিয়াকলাপৰ প্ৰভাৱ নপৰাকৈ উচ্চ চিন্তা কৰা উচিত আৰু মহিলাক সন্মান কৰা উচিত আৰু সমাজ খনক আগুৱাই নিয়া উচিত।

●●●

## কুইজ

- প্ৰথম অসমীয়া সংগীত সাধনাৰ পুথিখনৰ নাম কি?
  উত্তৰঃ সংগীত কোষ।
- লক্ষ্যধৰ চৌধুৰীয়ে কোনখন পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?
  উত্তৰঃ 'মানুহ বিচাৰি' নামৰ পুথিৰ বাবে।
- 'আৱাহন' ৰ প্ৰথম সম্পাদক কোন আছিল?
  উত্তৰঃ দীননাথ শৰ্মা।
- অসমীয়া ভাষাত প্ৰথম ব্যাকৰণ ৰচোঁতা কোন আছিল?
  উত্তৰঃ ৰবিন্সন (১৮৯৩ খ্ৰীঃ)
- অসমীয়া সাহিত্যত ৰোমান্টিক যুগৰ আৰম্ভণি কেতিয়াৰ পৰা হয়?
  উত্তৰঃ 'জোনাকী' কাকত ওলোৱাৰ পৰা।

তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজ-সংস্কৃতিৰ এক অপৰিহাৰ্য অংগ বুলিও ক'ব পাৰি। অসমীয়া বিয়া- সবাহ, অন্ন-প্ৰসন্ন, নাম-প্ৰসংগ আদিকে ধৰি নানান মাংগলিক তথা ৰাজহুৱা কাম-সকামত তামোল-পাণৰ ব্যৱহাৰ কৰা হয়। অসমৰ বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ মাজতো তামোল-পাণৰ ব্যৱহাৰ কৰা দেখা যায়। অসমীয়া সমাজ আৰু সংস্কৃতিত তামোল-পাণে এটি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে।

# অসমীয়া সমাজত তামোল-পাণৰ ব্যৱহাৰ

**সৰিতা মেধি**
স্নাতক পঞ্চম ষান্মাসিক (কলা শাখা)

তামোল-পাণৰ সৈতে আমাৰ প্ৰতিজন অসমীয়াৰ আছে এক গভীৰ সম্পৰ্ক। তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজ-সংস্কৃতিৰ এক অপৰিহাৰ্য অংগ বুলিও ক'ব পাৰি। অসমীয়া বিয়া-সবাহ, অন্ন-প্ৰসন্ন, নাম-প্ৰসংগ আদিকে ধৰি নানান মাংগলিক তথা ৰাজহুৱা কাম-সকামত তামোল-পাণৰ ব্যৱহাৰ কৰা হয়। অসমৰ বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ মাজতো তামোল-পাণৰ ব্যৱহাৰ কৰা দেখা যায়। অসমীয়া সমাজ আৰু সংস্কৃতিত তামোল-পাণে এটি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে।

সাধাৰণতে অসমৰ চহৰ অঞ্চলবোৰতকৈ গ্ৰাম্যাঞ্চলত ইয়াৰ প্ৰচলন অধিক দেখা পোৱা যায়। বিভিন্ন শুভ অনুষ্ঠানত তামোল-পাণৰ প্ৰয়োজনীয়তা আছে। কেৱল মাংগলিক আৰু শুভ কাম বুলিও নহয়, বিভিন্ন ধৰণৰ ৰাজহুৱা দোষ বা জগৰ ভাগিবলৈ এতিয়াও অসমৰ বিভিন্ন ঠায়ে ঠায়ে ৰাইজলৈ তামোলৰ বটা আগবঢ়াই ক্ষমা খুজা নিয়ম আছে।

অসমীয়া সমাজত তামোল খোৱা অভ্যাসটো কম-বেছি পৰিমাণে সকলো লোকৰেই আছে। সাধাৰণতে ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৰে সকলো সময়তে তামোল খায়। বিশেষকৈ ভাত খোৱাৰ পাছত মুখ শুদ্ধি হিচাপে তামোল খোৱাটো অসমীয়া সমাজৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। কিছুমান লোকে অনবৰতে তামোল খোৱা অভ্যাস, আনকি ৰাতি সাৰ পাই উঠি তামোল খোৱাৰ অভ্যাস বহুতো বয়সীয়াল অসমীয়া মানুহৰ আছে। বুঢ়া লোকসকলে খুন্দনা ব্যৱহাৰ কৰি মিহিকৈ খুন্দি লৈ তামোল খায়।



তামোল-পাণে বিয়াৰ নিমন্ত্ৰণী পত্ৰ হিচাপেও কাম কৰে। অসমীয়া সমাজত বিয়া-সবাহৰ লগত জড়িত বিভিন্ন ধৰণৰ কামত তামোল-পাণৰ

ব্যৱহাৰ মন কৰিবলগীয়া। বিবাহ কাৰ্যৰ লগত জড়িত ৰীতি-নীতি সমূহ যেনে-জোৰণৰ দিনৰ পৰা বিবাহ কৰ্ম পৰ্যন্ত আৰু তৎপৰৱৰ্তী কাৰ্যসমূহতো তামোল-পাণৰ ব্যৱহাৰ অপৰিহাৰ্য। বিয়াৰ দিনা দৰা-কইনাই এযোৰ তামোল-পাণ আৰু এখন কটাৰী লগত ৰাখিব লাগে। বিবাহৰ অনুষ্ঠান শেষ হ'লে দৰা-কইনাই এই তামোল কটাৰী সলনা-সলনি কৰে। বিবাহ কাৰ্যত কইনাক পাণ গছকাই পিতৃৰ গোত্ৰ ত্যাগ কৰি স্বামীৰ গোত্ৰ গ্ৰহণ কৰোৱা হয়।

অসমৰ গ্ৰাম্যাঞ্চলৰ লোকসকলে এতিয়াও দূৰ ভ্ৰমণলৈ যাবলৈ ওলালে তামোল-পাণৰ টোপোলা লৈ ওলায়। ই ভ্ৰমণৰ ক্লান্তি আঁতৰায়, লগতে সহযাত্ৰীৰ লগত সম্পৰ্ক অতি কম সময়ৰ ভিতৰত মধুৰ কৰাতো বিশেষভাৱে সহায় কৰে।

ৰাস্তা-ঘাটে হঠাতে চিনাকী মানুহক লগ পালে ওচৰৰ পাণ দোকানলৈ লৈ গৈ তামোল এখন যচা পৰম্পৰাটো এতিয়াও অসমীয়া মানুহৰ মাজত সজীৱ হৈ আছে। সময়ৰ লগে লগে মিঠাপাণ, জৰ্দাপাণৰ প্ৰভাৱত তামোলৰ প্ৰাধান্য কিছু কমিছে যদিও, তামোল-পাণে অসমীয়া সমাজ আৰু সংস্কৃতিত এক অপৰিহাৰ্য আৰু বিশিষ্ট স্থান গ্ৰহণ কৰি আহিছে।

ধৰ্মীয় অনুষ্ঠান আৰু সামাজিক উৎসৱত তামোল-পাণে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। পূজাৰ নৈবেদ্যত তামোল-পাণ অপৰিহাৰ্য। গুৰু-গোসাঁইলৈ বা ৰাইজলৈ অথবা অপায়-অমংগলৰ সময়ত গুৰুঘৰলৈ, নামঘৰলৈ, দেৱতা বা অপদেৱতালৈ তামোল-পাণ আগবঢ়োৱা হয়। আলহী অতিথিক সৰ্বপ্ৰথম তামোল-পাণ দি অভ্যৰ্থনা কৰা হয়। তামোল-পাণৰ শৰাই আগবঢ়োৱাটো অতি সন্মানৰ চিন। সামাজিক বিচাৰৰ ক্ষেত্ৰতো দুয়োপক্ষই সমাজলৈ তামোল-পাণৰ শৰাই আগবঢ়োৱা মানেই হ'ল দুয়ো পক্ষৰ মাজত মিত-মাত হোৱা কাৰ্য।

অসমীয়া সংস্কৃতিৰ অন্যতম লোকগীত-বিহুগীতৰ বহু ঠাইত তামোলক প্ৰেম-ভালপোৱাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰি আহিছে।

অসমীয়া গাঁৱলীয়া মানুহৰ এক ধৰা-বন্ধা ৰীতি হৈছে বাৰীত তামোল-পাণ ৰোৱা। অসমীয়া মানুহৰ প্ৰিয় কথা এফাঁকি মন কৰিবলগীয়া। সেই কথাফাঁকি হ'ল - "আগফাল শুৱনি কাকিনী তামোল, পাছফাল শুৱনি পাণ।" তামোল ৰোৱা আৰু তামোলৰ বাৰী পতা সম্বন্ধে ডাকৰ বচনো আছে।

অসমীয়া জাতিৰ এক অন্যতম উপাদান হৈছে তামোল-পাণ। অসমীয়া নিদান মতে তামোল খালে পেটৰ অসুখ, দাঁতৰ ৰোগ আৰু বিষ ভাল হয়। তামোল-পাণৰ অলৌকিক শক্তিত বিশ্বাস কৰি ইয়াক মন্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়। এনেদৰেই অসমীয়া সমাজত অতি প্ৰাচীন কালৰেপৰা তামোল-পাণৰ প্ৰচলন চলি আহিছে।

●●●

## কুইজ

- এচিয়ান গেমচ্‌ত স্বৰ্ণপদক লাভ কৰা অৰ্জুন বঁটা বিজয়ী অসমীয়া খেলুৱৈজনৰ নাম কি?
  উঃ ভোগেশ্বৰ বৰুৱা।
- প্ৰথম অৰ্জুন বঁটা বিজয়ী ক্ৰিকেট খেলুৱৈ কোন?
  উঃ চেলিম দুৰাণী।
- হকীৰ যাদুকৰ কোন?
  উঃ ধ্যানচান্দ।
- ফুটবল খেলৰ পৰিচালকক কি বোলে?
  উঃ ৰেফাৰী।

শিক্ষা আৰু সজাগতা পৰিৱেশ সংৰক্ষণৰ মৌলিক উপাদান। বিদ্যালয়ৰ পাঠ্যক্ৰমত পৰিৱেশ শিক্ষাক একত্ৰিত কৰি আমি এনে এটা প্ৰজন্ম গঢ়ি তুলিব পাৰো যিয়ে পৰিৱেশগত পৰিচালনাৰ গুৰুত্বক মূল্য দিয়ে আৰু বুজি পায়। জনসজাগতা অভিযানে সংৰক্ষণ প্ৰচেষ্টাৰ জৰুৰী প্ৰয়োজনীয়তাক উজ্জ্বল কৰি তুলিব পাৰে আৰু ব্যক্তি আৰু সম্প্ৰদায়ে অৱিহণা যোগাবলৈ ল'ব পৰা ব্যৱহাৰিক পদক্ষেপ প্ৰদান কৰিব পাৰে। সংবাদ মাধ্যম, সামাজিক নেটৱৰ্ক, আৰু অন্যান্য যোগাযোগ মঞ্চসমূহ তথ্য প্ৰচাৰ আৰু সামূহিক কাৰ্যক প্ৰেৰণা যোগোৱাৰ বাবে শক্তিশালী আহিলা।

# পৰিৱেশ সংৰক্ষণত আমাৰ ভূমিকা

**মোহন সিং**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

আমাৰ দ্ৰুতগতিত ঔদ্যোগিকতা বৃদ্ধি পোৱা পৃথিৱীখনত পৰিৱেশ সংৰক্ষণ এক আৱশ্যকীয় কামত পৰিণত হৈছে। মানুহৰ কাৰ্যকলাপে বনাঞ্চল ধ্বংস আৰু প্ৰদূষণৰপৰা আৰম্ভ কৰি জলবায়ু পৰিৱৰ্তন আৰু জৈৱ বৈচিত্ৰ্যৰ ক্ষতিলৈকে যথেষ্ট পৰিৱেশ অৱক্ষয়ৰ সূচনা কৰিছে। আমি এই পৰিৱেশ সংকটৰ সন্মুখীন হোৱাৰ সময়ত পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত আমাৰ ভূমিকা বুজাটো অতি গুৰুত্বপূৰ্ণ। এই দায়িত্ব ব্যক্তিগত কাৰ্য, সম্প্ৰদায়ৰ প্ৰচেষ্টা, কৰ্পৰেট কৌশল আৰু চৰকাৰী নীতিসমূহক সামৰি লৈছে, যিবোৰে বহনক্ষম ভৱিষ্যত গঢ়ি তুলিবলৈ সহযোগিতা কৰিব লাগিব।

ব্যক্তিগত পৰ্যায়ত আমাৰ দৈনন্দিন পছন্দই পৰিৱেশত যথেষ্ট প্ৰভাৱ পেলায়। সৰল কাৰ্য যেনে - সামগ্ৰী হ্ৰাস কৰা, পুনৰ ব্যৱহাৰ কৰা আৰু পুনঃ ব্যৱহাৰ কৰা আদিয়ে আৱৰ্জনা হ্ৰাস কৰিব পাৰে আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণ কৰিব পাৰে। ৰাজহুৱা পৰিবহণ, কাৰপুলিং, বাইকিং বা গাড়ী চলোৱাৰ ওপৰত, খোজ কাঢ়িলে কাৰ্বন নিৰ্গমন হ্ৰাস পাব পাৰে। আনহাতে ঘৰত পানী আৰু শক্তি সংৰক্ষণ কৰিলে সম্পদৰ অভাৱ কম হয়। তদুপৰি বিবেকবান গ্ৰাহকবাদৰ জৰিয়তে বহনক্ষম সামগ্ৰী আৰু কোম্পানীসমূহক সমৰ্থন কৰিলে ব্যৱসায়ীসকলক পৰিৱেশ অনুকূল পদ্ধতি গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হয়। শিক্ষাই গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰে; পৰিৱেশৰ সমস্যা আৰু সমাধানৰ বিষয়ে অৱগত হৈ ব্যক্তিসকলে অধিক দায়িত্বশীল সিদ্ধান্ত ল'ব পাৰে আৰু নিজৰ সম্প্ৰদায়ৰ ভিতৰত প্ৰয়োজনীয় পৰিৱৰ্তনৰ পোষকতা কৰিব পাৰে।

সম্প্ৰদায়সমূহে তেওঁলোকৰ অনন্য পৰিৱেশগত প্ৰত্যাহ্বানসমূহ নিৰ্মূলকৰণৰ বাবে স্থানীয় পদক্ষেপসমূহ ৰূপায়ণ কৰি পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। নগৰীয়া অঞ্চলসমূহে জৈৱ বৈচিত্ৰ্যক প্ৰসাৰিত কৰিবলৈ, চহৰৰ তাপ-দ্বীপসমূহ হ্ৰাস কৰিবলৈ আৰু বাসিন্দাসকলৰ জীৱনৰ মান উন্নত কৰিবলৈ

সেউজীয়া স্থান, সম্প্ৰদায়ৰ বাগিচা আৰু উদ্যান স্থাপন কৰিব পাৰে। স্থানীয় চৰকাৰ আৰু সংস্থাসমূহে সম্প্ৰদায়ৰ সদস্যসকলৰ মাজত পৰিৱেশৰ তত্বাৱধান গঢ়ি তুলিবলৈ চাফাই অভিযান, বৃক্ষৰোপণ কাৰ্য্যকলাপ আৰু শিক্ষামূলক কৰ্মশালাৰ আয়োজন কৰিব পাৰে। তদুপৰি সম্প্ৰদায়সমূহে এনে নীতিৰ পোষকতা কৰিব পাৰে যিয়ে প্ৰাকৃতিক বাসস্থানক সুৰক্ষা প্ৰদান কৰে, প্ৰদূষণ হ্ৰাস কৰে আৰু বহনক্ষম উন্নয়নক প্ৰসাৰিত কৰে। প্ৰায়ে সম্প্ৰদায়ৰ প্ৰচেষ্টাত শিপাই থকা তৃণমূল পৰ্যায়ৰ আন্দোলনে ঐতিহাসিকভাৱে উল্লেখযোগ্য পৰিৱেশ সংস্কাৰৰ সূচনা কৰিছে আৰু কৰিয়েই আছে।

নিগম আৰু ব্যৱসায়ীসকলেও পৰিৱেশ সংৰক্ষণৰ বাবে যথেষ্ট দায়িত্ব বহন কৰে। আৱৰ্জনা হ্ৰাস কৰা, নিৰ্গমন কম কৰা আৰু নবীকৰণযোগ্য শক্তিৰ উৎস ব্যৱহাৰ কৰা আদি বহনক্ষম ব্যৱসায়িক পদ্ধতিসমূহ পৰিৱেশৰ ওপৰত ঔদ্যোগিক প্ৰভাৱ হ্ৰাস কৰাৰ বাবে অতি প্ৰয়োজনীয়। কোম্পানীসমূহে পৰিৱেশ-বন্ধুত্বপূৰ্ণ সামগ্ৰী বিকশিত কৰি আৰু বৃত্তাকাৰ অৰ্থনীতিৰ নীতিগ্ৰহণ কৰি উদ্ভাৱন কৰিব পাৰে, য'ত সম্পদসমূহ পুনৰ ব্যৱহাৰ আৰু পুনঃ ব্যৱহাৰ কৰা হয়, যাৰ ফলত কেঁচামালৰ প্ৰয়োজনীয়তা হ্ৰাস পায়। পৰিৱেশ বহন ক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা কৰ্পৰেট সামাজিক দায়বদ্ধতা (CSR) পদক্ষেপ কোম্পানী এটাৰ ৰাজহুৱা ভাবমূৰ্তি বৃদ্ধি কৰাই নহয়, বিশ্ব সংৰক্ষণ প্ৰচেষ্টাতো অৰ্থপূৰ্ণ অৰিহণা যোগাব পাৰে। তদুপৰি ব্যৱসায়ীসকলে তেওঁলোকৰ যোগানকাৰীৰ পৰা বহনক্ষম পদ্ধতিৰ দাবী কৰি যোগান শৃংখলক প্ৰভাৱিত কৰিব পাৰে, যাৰ ফলত এক ৰিপল ইফেক্টৰ সৃষ্টি হয়, যিয়ে সমগ্ৰ বিভিন্ন উদ্যোগত পৰিৱেশৰ দায়বদ্ধতাক প্ৰসাৰিত কৰে।

পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰসমূহে এক গুৰুত্বপূৰ্ণ নিয়ন্ত্ৰণ আৰু সুবিধাজনক ভূমিকা পালন কৰে। প্ৰাকৃতিক সম্পদ সুৰক্ষা, প্ৰদূষণ নিয়ন্ত্ৰণ, জলবায়ু পৰিৱৰ্তন প্ৰশমনৰ লক্ষ্যৰে নীতি আৰু আইন প্ৰণয়ন বহনক্ষম উন্নয়ন নিশ্চিত কৰাৰ বাবে মৌলিক। পেৰিছ চুক্তিৰ দৰে আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহে পৰিৱেশৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাত বিশ্ব সহযোগিতাৰ গুৰুত্ব প্ৰদৰ্শন কৰে। ৰাষ্ট্ৰীয় চৰকাৰে এনে আইন ৰূপায়ন কৰিব পাৰে যিয়ে নিৰ্গমন সীমিত কৰে, বিপন্ন প্ৰজাতিৰ সুৰক্ষা আৰু আৱৰ্জনা ব্যৱস্থাপনা নিয়ন্ত্ৰণ কৰে। নবীকৰণযোগ্য শক্তি, শক্তি দক্ষতা আৰু বহনক্ষম কৃষি পদ্ধতিৰ বাবে ৰাজসাহায্য আৰু প্ৰৰোচনাই সেউজ অৰ্থনীতি লৈ পৰিৱৰ্তন ত্বৰান্বিত কৰিব পাৰে। তদুপৰি চৰকাৰে পৰিৱেশ প্ৰযুক্তি আৰু সংৰক্ষণ কৌশলৰ গৱেষণা আৰু উন্নয়নৰ বাবে ধন আগবঢ়াব পাৰে, যাৰ ফলত বৈজ্ঞানিক উন্নতিয়ে পৰিৱেশ সমস্যাৰ নতুন সমাধান অব্যাহত ৰখাটো নিশ্চিত কৰিব পাৰে।

শিক্ষা আৰু সজাগতা পৰিৱেশ সংৰক্ষণৰ মৌলিক উপাদান। বিদ্যালয়ৰ পাঠ্যক্ৰমত পৰিৱেশ শিক্ষাক একত্ৰিত কৰি আমি এনে এটা প্ৰজন্ম গঢ়ি তুলিব পাৰো যিয়ে পৰিৱেশগত পৰিচালনাৰ গুৰুত্বক মূল্য দিয়ে আৰু বুজি পায়। জনসজাগতা অভিযানে সংৰক্ষণ প্ৰচেষ্টাৰ জৰুৰী প্ৰয়োজনীয়তাক উজ্জ্বল কৰি তুলিব পাৰে আৰু ব্যক্তি আৰু সম্প্ৰদায়ে অৰিহণা যোগাবলৈ ল'ব পৰা ব্যৱহাৰিক পদক্ষেপ প্ৰদান কৰিব পাৰে। সংবাদ মাধ্যম, সামাজিক নেটৱৰ্ক, আৰু অন্যান্য যোগাযোগ মঞ্চসমূহ তথ্য প্ৰচাৰ আৰু সামূহিক কাৰ্যক প্ৰেৰণা যোগোৱাৰ বাবে শক্তিশালী আহিলা।

বৈজ্ঞানিক গৱেষণা ফলপ্ৰসূ সংৰক্ষণৰ আন এক মূল শিলাস্তম্ভ । পৰিৱেশতন্ত্ৰ, প্ৰজাতিৰ আচৰণ, জলবায়ুৰ আৰ্হি আৰু মানুহৰ কাৰ্যকলাপৰ প্ৰভাৱ বুজি পোৱাটোৱে আমাক সংৰক্ষণ আৰু পুনৰুদ্ধাৰৰ বাবে জ্ঞাত কৌশল প্ৰস্তুত কৰিবলৈ সক্ষম কৰে। গৱেষণাই সংৰক্ষণৰ অগ্ৰাধিকাৰসমূহক পথ প্ৰদৰ্শন কৰিব পাৰে। জটিল বাসস্থান আৰু সুৰক্ষাৰ প্ৰয়োজনীয় প্ৰজাতিসমূহ চিনাক্ত কৰিব পাৰে আৰু সংৰক্ষণ ব্যৱস্থাৰ ফলপ্ৰসূতা মূল্যায়ন কৰিব পাৰে। বনাঞ্চল ধ্বংসৰ উপগ্ৰহৰ নিৰীক্ষণৰ পৰা আৰম্ভ কৰি জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ বাবে জেনেটিক সঁজুলিলৈকে প্ৰযুক্তিগত উদ্ভাৱনে পৰিৱেশ পৰিচালনা আৰু সুৰক্ষাৰ আমাৰ ক্ষমতা বৃদ্ধি কৰে। পৰিৱেশ সংৰক্ষণৰ এটা জটিল দিশ হল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ। জৈৱ বৈচিত্ৰ্যই পৰিৱেশ তন্ত্ৰৰ স্থিতিস্থাপকতা নিশ্চিত কৰে, মানৱ জীৱনক সমৰ্থ কৰা বহুতো সেৱা প্ৰদান কৰে, যেনে বিশুদ্ধ বায়ু আৰু পানী, শস্যৰ পৰাগছা আৰু ৰোগ নিয়ন্ত্ৰণ। প্ৰাকৃতিক বাসস্থান সুৰক্ষিত কৰা, বন্যপ্ৰাণীৰ কৰিডৰ স্থাপন কৰা, চোৰাং চিকাৰ বিৰোধী আইন বলবৎ কৰাটো জৈৱ বৈচিত্ৰ্য

সংৰক্ষণৰ বাবে অতি প্ৰয়োজনীয়। স্থানীয় সম্প্ৰদায়ক জড়িত কৰা সংৰক্ষণ কাৰ্যসূচী যেনে সম্প্ৰদায় পৰিচালিত সংৰক্ষিত বনাঞ্চল আৰু পৰিৱেশ পৰ্যটন, প্ৰাকৃতিক সম্পদৰ বহনক্ষম ব্যৱহাৰক প্ৰসাৰিত কৰাৰ লগতে অৰ্থনৈতিক সুবিধা প্ৰদান কৰিব পাৰে।

জলবায়ু পৰিৱৰ্তনে পৰিৱেশৰ বহনক্ষমতাৰ বাবে অন্যতম উল্লেখযোগ্য ভাবুকিৰ সৃষ্টি কৰিছে। জলবায়ু পৰিৱৰ্তনৰ সৈতে মোকাবিলা কৰিবলৈ বহুমুখী পদ্ধতিৰ প্ৰয়োজন, য'ত সেউজ গৃহ গেছৰ নিৰ্গমন হ্ৰাস কৰা, নবীকৰণযোগ্য শক্তিৰ উৎসলৈ পৰিৱৰ্তন হোৱা, আৰু বনাঞ্চল আৰু সাগৰৰ দৰে কাৰ্বন ডুব যোৱা বৃদ্ধি কৰা। শক্তি দক্ষতা, বহনক্ষম পৰিবহণ আৰু কম কাৰ্বনযুক্ত প্ৰযুক্তিক প্ৰসাৰিত কৰা নীতিসমূহ অতি গুৰুত্বপূৰ্ণ। ইয়াৰ উপৰিও জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ যেনে সাগৰৰ জলপৃষ্ঠ বৃদ্ধি, চৰম বতৰৰ পৰিঘটনা আৰু কৃষি অঞ্চলৰ পৰিৱৰ্তন আদিৰ সৈতে খাপ খুৱাই লোৱাটো দুৰ্বল সম্প্ৰদায় আৰু পৰিৱেশতন্ত্ৰক সুৰক্ষিত কৰাৰ বাবে অতি প্ৰয়োজনীয়।

পানী সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়া আন এক জটিল ক্ষেত্ৰ। মিঠা পানীৰ সম্পদ সীমিত আৰু অতিমাত্ৰা ব্যৱহাৰ; প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তনৰ ফলত ক্ৰমান্বয়ে মানসিক চাপৰ সৃষ্টি হয়। জলসিঞ্চনৰ কাৰ্যদক্ষতা উন্নত কৰা; ঔদ্যোগিক পানীৰ ব্যৱহাৰ হ্ৰাস কৰা, অনাময় ব্যৱস্থাৰ সুবিধা নিশ্চিত কৰাটো এটা মৌলিক মানৱ অধিকাৰ আৰু পৰিৱেশ বহনক্ষমতাৰ এক মূল উপাদান।

খাদ্য সুৰক্ষা কৰা পৰিৱেশ স্বাস্থ্যৰ বাবে বহনক্ষম কৃষি অতি প্ৰয়োজনীয়। শস্য আৱৰ্তন, জৈনিক কৃষি, কৃষি বনানীকৰণ আৰু সংহত কীট-পতংগ ব্যৱস্থাপনাৰ দৰে পদ্ধতিয়ে মাটিৰ স্বাস্থ্য বৃদ্ধি কৰিব পাৰে, ৰাসায়নিক সামগ্ৰী হ্ৰাস কৰিব পাৰে, আৰু জৈৱ বৈচিত্ৰ বৃদ্ধি কৰিব পাৰে। স্থানীয় আৰু বহনক্ষম খাদ্য ব্যৱস্থাক সমৰ্থন কৰা, খাদ্যৰ অপচয় হ্ৰাস কৰা আৰু উদ্ভিদ ভিত্তিক প্ৰসাৰেও প্ৰাকৃতিক সম্পদৰ ওপৰত চাপ কম কৰিব পাৰে আৰু সেউজ গৃহ গেছৰ নিৰ্গমন হ্ৰাস কৰিব পাৰে।

নগৰায়নে পৰিৱেশ সংৰক্ষণৰ বাবে প্ৰত্যাহ্বান আৰু সুযোগ দুয়োটাক উপস্থাপন কৰে। বহনক্ষম নগৰ পৰিকল্পনাই উচ্চ ঘনত্বৰ উন্নয়ন, ৰাজহুৱা পৰিবহণ, সেউজ আন্তঃগাঁথনি আৰু শক্তি-দক্ষ অট্টালিকাক প্ৰসাৰিত কৰি চহৰসমূহৰ পৰিৱেশগত স্থান কম কৰিব পাৰে। নগৰীয়া জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, আৱৰ্জনা হ্ৰাস আৰু বাসিন্দাসকলৰ মাজত বহনক্ষম জীৱনশৈলীক উৎসাহিত কৰিও চহৰীয়া অঞ্চলসমূহে সংৰক্ষণৰ ক্ষেত্ৰত ভূমিকা ল'ব পাৰে।

সংৰক্ষণৰ প্ৰচেষ্টাত পৰিৱেশ ন্যায় এক গুৰুত্বপূৰ্ণ বিবেচনা। প্ৰান্তীয় সম্প্ৰদায়সমূহে প্ৰায়ে পৰিৱেশৰ অৱক্ষয়ৰ বোজা বহন কৰে আৰু প্ৰদূষণ, জলবায়ু পৰিৱৰ্তন আৰু সম্পদৰ অভাৱৰ দ্বাৰা অসমতাপূৰ্ণভাৱে প্ৰভাৱিত হয়। সংৰক্ষণৰ প্ৰচেষ্টাসমূহ যাতে সৰ্বাংগীন আৰু সমতাপূৰ্ণ হয় সেয়া নিশ্চিত কৰাটো সামাজিক আৰু পৰিৱেশগত বহনক্ষমতাৰ বাবে অতি প্ৰয়োজনীয়। ইয়াৰ লগত পৰিৱেশৰ বিষয়সমূহৰ সামাজিক মাত্ৰাসমূহ যেনে-ভূমিৰ অধিকাৰ, সম্পদৰ সুবিধা আৰু পৰিৱেশৰ সুবিধা আৰু বোজা বিতৰণ আদিক স্বীকৃতি আৰু সমাধান কৰাটোৰ কথা জড়িত হৈ থাকে।

পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত আমাৰ ভূমিকা বহুমুখী আৰু পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। ব্যক্তিগত কাৰ্য্যৰ পৰা আৰম্ভ কৰি বিশ্ব নীতিলৈকে, বহনক্ষম ভৱিষ্যত সৃষ্টিৰ বাবে প্ৰতিটো স্তৰৰ নিয়োজন অতি গুৰুত্বপূৰ্ণ। পৰিৱেশ পৰিচালনাৰ সংস্কৃতি গঢ়ি তুলি, বৈজ্ঞানিক গৱেষণাক সমৰ্থন কৰি, বহনক্ষম পদ্ধতিসমূহক প্ৰসাৰিত কৰি, আৰু সামাজিক সমতা নিশ্চিত কৰি আমি আমাৰ সময়ৰ জৰুৰী পৰিৱেশগত প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিব পাৰো। কামটো ভয়ংকৰ, কিন্তু সামূহিক প্ৰচেষ্টা আৰু প্ৰতিশ্ৰুতিৰে আমি ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰাকৃতিক জগতখন সংৰক্ষণ কৰিব পাৰো আৰু মানৱতা আৰু পৰিৱেশৰ মাজত এক সুষম সহাৱস্থান নিশ্চিত কৰিব পাৰো।

●●●

# নাৰী আৰু বৰ্তমান সমাজ

দিপিকা ডেকা
প্ৰাক্তন ছাত্ৰী

বৰ্তমান যুগত শিক্ষাৰ প্ৰসাৰ যথেষ্ট বৃদ্ধি হৈছে। সঁচাকৈ প্ৰত্যেক ঘৰতে কমেও দুজনকৈ হ'লেও স্নাতক, স্নাতকোত্তৰ ডিগ্ৰী ধাৰী ব্যক্তি। মুঠতে ল'ৰা-ছোৱালী কেৱল শিক্ষাৰ পিছত। এইয়া সঁচাকৈ সমাজৰ বাবে ইতিবাচক ইংগিত।

কিন্তু এনে এখন ইতিবাচক সমাজত নাৰীৰ স্থান কিমান গুৰুত্বপূৰ্ণ। তোমাৰ নাম কি, তোমাৰ বয়স এইবোৰহে কিয় সমাজত বাৰে বাৰে বিবেচিত। আপোনাৰ ছোৱালীজনীৰ যদি ২০ বছৰ পাৰ হৈ গৈছে তেনেহ'লে বিবাহৰ বাবে উপযোগী। যদি মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰীত প্ৰথম স্থানসহ উত্তীৰ্ণ তেনেহ'লে বিয়া দিয়াই ভাল। তেনে সময়ত যদি কেনেবাকৈ চৰকাৰী চাকৰি নাইবা কোনো ধনী ঘৰৰ ল'ৰা হয় ছোৱালী গৰাকী বিয়া হোৱাটোৱে শ্ৰেয়।

পঢ়া-শুনাত মধ্যমীয়া হৈও যে অন্যান্য বিভিন্ন দিশৰ জৰিয়তে নিজক প্ৰতিষ্ঠা কৰিব পাৰে এই শিক্ষা বৰ্তমান সমাজত কম। শিক্ষাত মধ্যমীয়া হোৱাৰ বাবে নিজৰ ভাল পোৱা কামবোৰ জলাঞ্জলি দিব লগা হয়। অৱশ্যে এনে ঘটনা বেছি ভাগ শিক্ষিত অভিভাৱক সকলেই কৰে। জানোবা তেওঁলোকৰ সমাজত স্থান নাইকিয়া হৈ যায়, ছোৱালী গৰাকীৰ বাবে যদি ভৱিষ্যতে এনে ধনী পৰিয়াল নাপায়।

উচ্চ শিক্ষাৰ বাবে পঢ়াৰৰ বাবেও বহুবাৰ চিন্তা কৰিব লগা হয়। ছোৱালী গৰাকীক পঢ়োৱাৰ মূল উদ্দেশ্যই যেন এখন ধনী ঘৰলৈ বিয়া দি পঠোৱা। কোনোমতে শিক্ষা সমাপ্ত কৰিলে নিজৰ বাবে কিবা এটা কৰাৰ আগতে আকৌ বিয়াৰ বাবে যো-জা কৰাৰ, কিজানি সমাজে বান্ধি থোৱা বয়স পাৰ হৈয়ে যায়।

কন্যা সন্তান হোৱাৰ পৰা মেট্ৰিক, উচ্চ মাধ্যমিকত ভাল ফলাফল পোৱালৈকেহে সন্মান সহকাৰে থাকিব পাৰি। শিক্ষা সমাপ্ত কৰি যদি লগে লগে চাকৰীত নিয়োজিত তেনেহ'লে সমাজৰ পৰা বাচিলে, যদি বিচৰা ধৰণে একো নাপায় কেইবা বছৰো ঘৰত এনেই থাকিলে তেনেহ'লে আকৌ বিয়াৰ বাবে তাগিদা।

সমাজৰ বাবে ঘৰৰ কথামতে অনিচ্ছা স্বত্বেও বিয়াত বহিব লগা হয়। এইবাৰ আকৌ সন্তানৰ বাবে বিয়াৰ কিমান বছৰ পিছত সন্তান সম্ভৱা হ'ব লাগিব, এটা সন্তানতে সীমাৱদ্ধ নাথাকি দ্বিতীয় সন্তান কেতিয়া ভাবিব, যদি ল'ৰা সন্তান হোৱা নাই তেনেহ'লে তাতো মহিলা গৰাকীক দোষাৰোপ ইত্যাদি ইত্যাদি।

বিবাহৰ পিছত মহিলা গৰাকী যদি নতুন পৰিৱেশত মিলিব পৰা নাই। তেওঁলোকৰ মতে যদি উঠা-বহা কৰা, ভাল ৰন্ধা, ঘৰৰ কাম কৰাৰ লগতে আকৌ উচ্চ শিক্ষিত আৰু চাকৰী কৰা হ'ব লাগিব। তেনে নাৰীৰ সন্মান বৰ্তমান সমাজত। অৱশ্যে ইয়ো সম্পূৰ্ণ শুদ্ধ নহয়, যিহেতু আপুনি মহিলা আপুনি, গতিকে যি কোনো বিভাগত চাকৰি কৰিব নোৱাৰিব ।

আকৌ ইমানতেই আমাৰ সমাজ ব্যৱস্থা শান্ত থকা নাই। বিবাহিত ঘৰখনত যদি অৰ্থনৈতিক আপত্তি হৈছে তাতো কিন্তু মহিলা গৰাকীৰ মাংগলিক দোষ; নতুন ঘৰখনত হোৱা বিপদ, বিবাহিত পুৰুষজনৰ স্বভাৱ সলনি ইত্যাদি ইত্যাদি মহিলা গৰাকীৰে ফল।

এনে এখন উচ্চ শিক্ষিত সমাজত নাৰী গৰাকীৰ কথাই কিয় বাৰু আমাৰ মনলৈ আহেহু কিয় এবাৰো তেওঁ ভালপোৱাবোৰৰ কথা গুৰুত্ব দিয়া নহয়। কেৱল যে শিক্ষাত ভাল হ'লেও ভাল ভৱিষ্যতৰ অধিকাৰী হ'ব এনে নহয়। ইয়াৰ বাহিৰেও বহুতো কৰিব লগা আছে। প্ৰত্যেকৰে দক্ষতা সুকীয়া। আমি কেৱল ল'ৰাজনকহে স্বাধীনভাৱে এৰি দিওঁ, মহিলাগৰাকীক নিদিওঁ কিজানি তেওঁক সমাজে বেয়া দৃষ্টিৰে চায়। বিয়াৰ বাবে ভাল সম্বন্ধ আহিলে নাকচ কৰিব। এনে এটা জীৱনৰ অধিকাৰী কৰিবলে আমি চেষ্টা নকৰো কিয়, য'ত ছোৱালী গৰাকীয়ে নিজে স্বাৱলম্বী হৈ নিজে ল'ৰা চাব। ছোৱালী গৰাকীকো উৎসাহ দি এখন সুস্থ সমাজ গঢ়াৰ মানসিকতা গঢ়ি তোলক । তেতিয়া সমাজত উচ্চ ডিগ্ৰী ধাৰীৰ লগতে উচ্চ চিন্তা-ধাৰাৰ সমাজ গঢ়ি উঠিব। সমাজৰ বাবে ইতিবাচক পৰিৱেশ গঢ় ল'ব।

●●●



# বিষ্ণুপ্ৰসাদ ৰাভা ঃ জীৱন আৰু কৃতি

⏭ **ধ্ৰুৱ কুমাৰ দাস**
দ্বাদশ শ্ৰেণী (বিজ্ঞান শাখা)

একাধাৰে কবি, গীতিকাৰ, গায়ক, সুৰকাৰ, নৃত্যশিল্পী, চিত্ৰশিল্পী, গল্পকাৰ, নাট্যকাৰ, ঔপন্যাসিক আৰু ৰাজনীতিকৰূপে বিষ্ণুপ্ৰসাদ ৰাভাই দিয়া অৱদান অসমৰ জাতীয় জীৱনৰ পৰম সম্পদ বুলি স্বীকৃত হৈছে। সংস্কৃতিৰ বিশাল পথাৰত বিচৰণ কৰি অসমৰ জনজীৱনৰ সান্নিধ্যলৈ আহি বিশাল অভিজ্ঞতাৰ সঞ্চয়েৰে সকলোৰে মাজত তেওঁ সৌৰভ বিলাই ফুৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনকালৰ ভাৰত তথা অসম আছিল নানা ঘটনাৱলীৰে ভৰপূৰ। এই ঘটনাৱলীৰ পেক্ষাপটতে ৰাভাৰ ব্যক্তিত্ব আৰু শিল্পীসত্ত্বা গঢ় লৈ উঠিছিল। তেওঁৰ জন্ম হৈছিল অবিভক্ত ভাৰতৰ ঢাকা নগৰত ১৯০৯ চনৰ ৩১ জানুৱাৰীত। তেওঁৰ দেউতাকৰ নাম আছিল গোপাল চন্দ্ৰ ৰাভা। তেওঁ এজন ব্ৰিটিছ চাকৰিয়াল আছিল। পোনতে আসাম ৰাইফল্‌ছত নিযুক্তি লাভ কৰি পিছলৈ চুবেদাৰ মেজৰ হৈছিল। গোপাল চন্দ্ৰ ৰাভাৰ মৃত্যুৰ সময়ত (১৯১৭) বিষ্ণু-প্ৰসাদ ৰাভা ঢাকাৰ বাংলা বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ আছিল। ইয়াৰ পাছত তেওঁলোকৰ পৰিয়ালটো তেজপুৰলৈ আহে আৰু তাতে থাকিবলৈ লয়। তেজপুৰৰ চৰকাৰী উচ্চ ইংৰাজী স্কুলত তেওঁ নামভৰ্তি কৰে। এই স্কুলৰ পৰাই ১৯২৬ চনত সুখ্যাতিৰে ‘কুইন এম্‌প্ৰেছ’ পদক লৈ প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পিছত তেওঁ উচ্চ শিক্ষাৰ্থে কলিকতালৈ যায়। কলিকতাৰ ছাত্ৰ-জীৱনেই হৈ পৰে বিষ্ণু প্ৰসাদৰ ৰাভাৰ সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰ কঠিয়াতলী। ১৯২৮ চনত ৰাভাই আই এছ চি পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ ৰিপন কলেজত পদাৰ্থ বিজ্ঞানত অনাৰ্ছ লৈ বি এছ চি শ্ৰেণীত নাম ভৰ্তি কৰে। এই সময়ছোৱাত কলিকতাত স্বাধীনতা আন্দোলনৰ তীব্ৰতা বাঢ়িবলৈ লয় আৰু স্বাভাৱিকতে ছাত্ৰ সমাজৰ মাজতো অস্থিৰতা বিৰাজ কৰে। সমাজবাদীক সহযোগ কৰা বুলি পুলিচে ৰাভাৰ ওপৰতো নজৰ ৰাখিবলৈ ধৰে। ৰাভা আছিল তেতিয়াৰ কলেজৰ কেপ্টেইন। পুলিছৰ এনে উৎপীড়নত অতিষ্ঠ হৈ ৰাভাই ৰিপন কলেজ এৰি কোচ -বিহাৰৰ ভিক্টোৰিয়া কলেজত নামভৰ্তি কৰে। কোচবিহাৰলৈ অহাৰ পিছতে তেওঁৰ সত্ত্বাত ব্ৰিটিছবিৰোধী চেতনা প্ৰকাশ পায়, ফলস্বৰূপে ৰাভাই কোচবিহাৰো এৰিবলগা হয়। এইবাৰ ৰাভাই নামভৰ্তি কৰে ৰংপুৰৰ কাৰমাইকেল কলেজত। তাত তেওঁ বি এ শ্ৰেণীৰ চতুৰ্থ বাৰ্ষিকত নামভৰ্তি কৰে। ইয়াতো আৰক্ষী তেখেতৰ পাছত লগাত পঢ়া আধাতে এৰি দি ১৯৩১ চনত ঘৰলৈ ঘূৰি আহে।

ৰংপুৰ কলেজত পঢ়ি থকা কালতে ৰাভাই মাধৱচন্দ্ৰ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত 'বাঁহী' আলোচনীৰ সাংস্কৃতিক শিতান 'চিত্ৰলেখা' বিভাগটো পৰিচালনা কৰিবলৈ সুযোগ পায়। ১৯২৯ চনত ডাঃ দীননাথ শৰ্মাৰ সম্পাদিত যুগান্তকাৰী 'আৱাহন' আলোচনীৰ জন্ম হয়। 'আৱাহন'ৰ পাতত প্ৰকাশিত হ'ল তেওঁৰ 'বৃহত্তৰ অসমৰ কল্পনা', 'শ্ৰী শংকৰদেৱ গায়ন'ৰ দৰে মূল্যৱান ৰচনা। 'আৱাহন'ৰ প্ৰচ্ছদ আঁকি তেওঁ চিত্ৰশিল্পী হিচাপেও আত্মপ্ৰকাশ কৰে। এই সময়ছোৱাত চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰতিও ৰাভা আকৰ্ষিত হ'ল। মণিৰাম ৰায় নামে এজন লোকৰ সহযোগত ১৯৩১ চনত কলকতাৰ ভবানী পুৰত 'আৰনগো পিক্‌চাৰ্চ কৰ্পোৰেশ্বন' নামে এটি কোম্পানীও খোলে। কলিকতাৰপৰা তেজপুৰত উভতি অহাৰ পিছত চৰকাৰে তেওঁক পুলিচ বিভাগৰ উচ্চ পদস্থ বিষয়াৰ পদ যাঁচিলে। ৰাভাই তাক প্ৰত্যাখ্যান কৰিলে। তেওঁ অসমীয়া সংস্কৃতিৰ সাধনাত নিমগ্ন হ'ল। অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰাণ শ্ৰীমন্ত শংকৰদেৱৰ বিপুল সৃষ্টিৰাজিয়ে তেওঁক অফুৰন্ত অনুপ্ৰেৰণা যোগালে। ইয়াৰ পিছত মহান শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৈতে আত্মীয়তা গঢ়ি উঠিল। ফণী শৰ্মাৰ দৰে নাট্যশিল্পীৰ সৈতে তেওঁৰ প্ৰগাঢ় বন্ধুত্ব স্থাপন হ'ল।

কলকতাৰ ছেনোলা কোম্পানী আৰু এইচ. এম. ভি.ৰ জৰিয়তে অসমীয়া গীত-নাট প্ৰচলনত ৰাভাই মনোনিৱেশ কৰিলে। ছেনোলা কোম্পানীৰ পৰা ১৯৩৫ চনত জ্যোতিপ্ৰসাদৰ সৈতে লগ লাগি তেওঁ জ্যোতিপ্ৰসাদৰ 'শোণিতকুঁৱৰী' আৰু বেজবৰুৱাৰ 'জয়মতী' নাটক দুখন ৰে'কৰ্ড কৰি উলিয়ায়। ইয়াৰ পিছতে নিজৰ পৰিচালনাত ৰাভাই 'বেউলা', বিহুৱতী' 'ৰতনী', 'শংকৰদেউ', 'মাধৱদেউ', 'বৰদৈচিলা' আদি নাটকৰ গ্ৰাম'ফোন ৰেকৰ্ড কৰে। ১৯৩১ চনত বিষ্ণুপ্ৰসাদ ৰাভাই কলিকতাৰ ভৱানীপুৰত মণিৰাম নামৰ এজন ব্যক্তিৰ সহযোগত Agro pictures corporation নামেৰে এটা বোলছবি নিৰ্মাণ সংস্থা প্ৰতিষ্ঠা কৰিছিল। ১৯৩৯ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে বাৰানসীত 'তাণ্ডৱ নৃত্য' প্ৰদৰ্শন কৰি খ্যাতি অৰ্জন কৰে। ইয়াতেই সৰ্বপল্লী ৰাধাকৃষ্ণণে তেখেতক 'কলাগুৰু' উপাধি প্ৰদান কৰে।

বিষ্ণুপ্ৰসাদ ৰাভা সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত আছিল। সংগীত, নৃত্য, চিত্ৰকলা আৰু অভিনয়ৰ উপৰি সংগীত পৰিচালক হিচাপে আৰু কথাছবি পৰিচালক হিচাপেও কাম কৰি গৈছে।

সংগীত ঃ

ৰাভাই বহুতো কালজয়ী গীত ৰচনা কৰি থৈ গৈছে। ৰাভাৰদ্বাৰা ৰচিত মুঠ ১৩৭ টা গীত 'বিষ্ণুপ্ৰসাদ ৰাভা'ৰ ৰচনাৱলীত সন্নিৱিষ্ট হৈছে। গীতসমূহ প্ৰেম, প্ৰকৃতি, ঐতিহ্য, সৰ্বহাৰাৰ মুক্তিকামী বিপ্লৱীভাৱ আদি ভিন্ন ধৰণৰ বিষয়বস্তুৰ আছিল। কিছু সংখ্যক শিশু উপযোগী গীত আছে। ৰাভাৰ জনপ্ৰিয় গীতসমূহৰ ভিতৰত আছে-

- মোৰ কবিতাৰ ছন্দ লাগি
- তেজৰ বোলেৰ লিখি যাম ইতিহাস
- পৰজনমৰ শুভলগণত
- হে বিপ্লৱী বীৰ অধিনায়ক হে
- লগন উকলি গ'ল
- মোৰ জীৱনৰ আকাশতে ইন্দ্ৰধনু গঢ়িম
- টিলাই টিলাই ঘূৰি
- আজলী ছোৱালী নানা ফুল তুলি
- এয়ে মোৰ শেষ গান
- অ' গুৰু মোৰ শংকৰ তৰিবাৰ কিনো উপায়
- বল বল বল কৃষক শক্তি দল
- নিছলা আইৰে আমি খাটি অসমীয়া
- বিশ্বৰ ছন্দে ছন্দে
- কাষতে কলচি লৈ
- আজি মন্দিৰ দুৱাৰ খোলা
- অ' অসমীয়া ডেকা দল ইত্যাদি

উল্লেখনীয় যে, জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক 'কাৰেঙৰ লিগিৰী'ত ৰাভাদেৱে 'মোৰে জীৱনৰে সখা কৃষ্ণ' শীৰ্ষক গীতটি প্ৰাণ ঢালি গাইছিল। তেখেতৰ ৰচিত আৰু সুৰ আৰোপিত গানৰ বিশেষত্বৰ বাবে তেখেতে লিখা গীতবোৰ বিষ্ণু ৰাভা সংগীত হিচাপে পৰিচিত।

নৃত্যশিল্পী ঃ

১৯২৮ চনত কলিকতাত পঢ়ি থকা কালত ৰাভা দেৱে ৰাচিয়াৰ বিখ্যাত বেলে নৰ্তকী আনা পাভলোভাৰ নৃত্য দেখি অনুপ্ৰাণিত হৈছিল। নৃত্য কলা সম্পৰ্কে দিয়া উপদেশৰপৰা প্ৰভাৱান্বিত হৈছিল। কলেজ এৰাৰ পাছত তেওঁ কিছুদিন

বৰপেটাত আছিল। তাতে তেওঁ সত্ৰীয়া নৃত্যশৈলী আয়ত্ত কৰে। ১৯৩১ চনৰ জানুৱাৰী মাহত তেজপুৰৰ বান ৰংগমঞ্চত মণিপুৰী নৃত্য প্ৰদৰ্শন কৰিছিল। ৰাভায়ো তেওঁলোকৰ লগত হৰ-গৌৰী নৃত্য প্ৰদৰ্শন কৰি প্ৰশংসা লাভ কৰে। অসমৰ জনজাতীয় নৃত্যৰপৰা আৰম্ভ কৰি দাক্ষিণাত্যৰ বিভিন্ন মুদ্ৰা আৰু শৈলী আয়ত্ত কৰিছিল। ১৯৪০ চনত 'প্ৰাচীন কামৰূপী নৃত্য সংঘ'ৰ লগত জড়িত হৈ বিভিন্ন ঠাইৰ লগতে শ্বিলঙতো নৃত্য প্ৰদৰ্শন কৰি সকলোকে মুগ্ধ কৰে। ১৯৪১ চনত ৰোহিণী বৰুৱাৰ মনোমতী বোলছবিত নৃত্য পৰিচালক ৰূপে কাম কৰে।

নাটক আৰু বোলছবিত অভিনয় ঃ

অসমৰ নাট্য সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই নাট্যাভিনয়ৰ পাতনি মেলিছিল আঠ বছৰ বয়সত। ঢাকা নগৰত মঞ্চস্থ এখন নাটকত প্ৰথমে ৰাজকোঁৱৰৰ ভাৰত ৰাভাই অভিনয় কৰিছিল। নাটকখনৰ নাম আছিল হৰিশ্চন্দ্ৰ। তেখেতৰ অভিনীত বোলছবি 'এৰা বাটৰ সুৰ', 'প্ৰতিধ্বনি', 'ছিৰাজ'। জ্যোতিপ্ৰসাদৰ আমন্ত্ৰণত অসমীয়া কথাছবি 'জয়মতী' নিৰ্মাণত তেখেতে জ্যোতিপ্ৰসাদ আগৰৱালাক নৃত্য পৰিচালনাৰ লগতে আন কেইটাও বিষয়ত সহায় কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাট পৰিচালনা কৰোঁতেও ৰাভাই সংগীত পৰিচালনাৰ দায়িত্ব লৈছিল আৰু 'সুদৰ্শন' চৰিত্ৰত অভিনয়ো কৰিছিল। ফণী শৰ্মাৰ সৈতে যুটীয়া ভাৱে পৰিচালনা কৰিছিল। তেতিয়ালৈ আটাইতকৈ সফল বোলছবি আছিল ছিৰাজ। ভূপেন হাজৰিকাৰ 'এৰা বাটৰ সুৰ'ত ৰাভাই 'ভজলুংকা'ৰ ভাও আৰু প্ৰতিধ্বনি ছবিত খাচী চিয়েমৰ ভাও দিছিল।

চিত্ৰকলা ঃ

বিষ্ণুৰাভা এগৰাকী নিপুণ চিত্ৰকৰ আছিল। তেওঁ বৰপেটাৰ শ্ৰীমন্ত শংকৰদেৱৰ আৰু শংকৰ-মাধৱৰ যুগল ছবি আঁকি তিনিটা ৰঙত ছপাই ৰাইজৰ মাজত বিতৰণ কৰিছিল। ৰাভাৰ ৰচনাৱলীৰ পৰিশিষ্টত ১৯ খন ছবিৰ আলোকচিত্ৰ সংযোজিত হৈছে। ৰাভাই শংকৰদেৱৰ তিনিখন ছবি অংকন কৰিছিল। এখন ১৯৩৫ চনত, এখন ১৯৪০ চনত আৰু আনখন ১৯৪৫ চনত আঁকিছিল। ইয়াৰে ১৯৪০ চনত অংকিত ছবিখন বেছি সমাদৃত। শংকৰ-মাধৱৰ যুগল ছবিখন ১৯৩৫ চনত অংকণ কৰিছিল। ৰাভাই অংকন কৰা আন ছবিসমূহৰ ভিতৰত আছে - চিত্ৰলেখা (১৯৩৫), নটৰাজ (১৯৩৭), শকুন্তলা (১৯৩৯), গৰমৰ দিনৰ তিৰোতা (১৯৪০), বড়োসকলৰ বিবাহৰ সমাদল (১৯৪৪), ভূমিকল্প (১৯৫০), গাঁৱৰ প্ৰাকৃতিক দৃশ্য (১৯৬৫), আদি। 'বাঁহী', 'আমাৰ প্ৰতিধ্বনি' আদি আলোচনীৰ বেটুপাতো তেওঁ অংকন কৰিছিল।

সাহিত্য ঃ

বিষ্ণুপ্ৰসাদ ৰাভাই সংগীত, কবিতা ৰচনা কৰাৰ লগতে গল্প, উপন্যাস আৰু অসমীয়া সমাজ-সংস্কৃতি বিষয়ক প্ৰবন্ধ পুথিও ৰচনা কৰিছিল। তেওঁ 'বৃহত্তৰ অসমৰ পৰিকল্পনা নামৰ এলানি প্ৰবন্ধ ১৯৩০ চনৰ পৰা একেলেঠাৰিয়ে 'বাঁহী'ত প্ৰকাশ পাইছিল। তেওঁৰ উল্লেখনীয় পুথিসমূহ হ'ল-

<u>প্ৰবন্ধ ঃ</u>

- অসমীয়া কৃষ্টিৰ চমু আভাস
- অতীত অসম
- মুক্তি দেউল
- ন পৃথিৱীৰ নতুন যুগ
- বড়ো জাতিৰ ইতিহাস
- ৰাভা জাতিৰ ইতিহাস
- অসমীয়া কৃষ্টি
- বানে কেবাং
- ডিমাছা কছাৰীৰ বুৰঞ্জী

<u>উপন্যাস ঃ</u>

- সোণপাহি
- মিচিং কেনেং
- জীৱন লালসা

<u>গল্পসমূহ ঃ</u>

- মামীৰ হাৰ
- কুৰি বছৰ জেইল
- জাল কেছ
- হিয়াৰপুং
- ফুংকা

(বড়ো ভাষাত ৰচিত)

ৰাজনৈতিক জীৱন ঃ

১৯২০ চনত কমবয়সীয়া ৰাভা নব্য-বৈষ্ণৱবাদী কলা আৰু সংস্কৃতিৰ অনুশীলনত সম্পৰ্কৰূপে নিয়োজিত হৈ আছিল। মুক্তি সংগ্ৰামৰ সময়ত দৰিদ্ৰ কৃষক আৰু শ্ৰমিকৰ প্ৰতি জাতীয়তাবাদী নেতাসকলৰ অনীহা আৰু ৰাছিয়াৰ অক্টোবৰ বিপ্লৱৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ পিছতে ক্ৰমান্বয়ে কমিউনিষ্ট মতাদৰ্শৰ প্ৰতি ৰাভা আকৰ্ষিত হয়। ১৯৪৬ চনত তেওঁ আনুষ্ঠানিকভাৱে ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টি (আৰ চি পি আই)ৰ সদস্য হয়। ৰাভাই নিশ্চিত আছিল যে, ভাৰতীয় বুৰ্জোৱা শ্ৰেণীয়ে আকাংক্ষা কৰা স্বাধীনতা প্ৰকৃত স্বাধীনতা নহয়। সেয়ে ১৯৪৭ চনৰ ১৫ আগষ্টত যেতিয়া ভাৰত স্বাধীন হৈছিল, তেতিয়া ৰাভাৰ নেতৃত্বত এটা সমদলে ক'লা পতাকা লৈ (এই স্বাধীনতা মিছা, কেৱল ছালৰ পৰিৱৰ্তন) বুলি চিঞৰিছিল। যেতিয়া চৰকাৰে কমিউনিষ্ট বিপ্লৱীক কঠোৰ হাতেৰে দমন কৰিবলৈ লয় তেতিয়া ৰাভাই পাঁচ বছৰ নিৰ্বাসনত থাকি বিপ্লৱী কৰ্তব্য পালন কৰিছিল। অৱশেষত ১৯৫২ চনত কোকৰাঝাৰত ধৰা পৰে আৰু তেওঁক কাৰাগাৰলৈ প্ৰেৰণ কৰে। ইয়াৰ পাছত ক্ৰমান্বয়ে এটাৰ পাছত এটা কৰ্তব্য পালন কৰিছিল অসমৰ শান্তিৰ বাবে।

ব্যক্তিগত জীৱন ঃ

বিষ্ণুপ্ৰসাদ ৰাভাই ১৯৩৭ চনৰ ২৪ নবেম্বৰত যোৰহাটৰ সুগায়িকা প্ৰিয়লতা দত্তৰ লগত বিবাহ পাশত আৱদ্ধ হয় যদিও মাত্ৰ ২৮ দিন সংসাৰ পতাৰ পিছতে ১৯৩৭ চনৰ ২২ ডিচেম্বৰত প্ৰিয়লতা দত্তৰ মৃত্যু হয়। তাৰপিছতেই বিষ্ণুপ্ৰসাদ ৰাভা নিৰুপমা দেৱীৰ সান্নিধ্যলৈ আহে। ১৯৫০ চনত বিষ্ণু ৰাভাই নলবাৰীৰ বেলশৰৰ নবীনচন্দ্ৰ মেধিৰ কন্যা কনকলতা মেধিক বিবাহ কৰায়। কনকলতা মেধিৰ ফালৰপৰা ৰাভাৰ দুটি পুত্ৰৰ পৃথ্বীৰাজ ৰাভা আৰু হেমৰাজ ৰাভাৰ পিতৃ হয়। ১৯৬২ চনৰ ৪ জানুৱাৰীত ৰাভাৰ পত্নী কনকলতাৰ দুৰাৰোগ্য ৰোগত মৃত্যু হয়। ইয়াৰ পিছত ৰাভাই বসুমতাৰীক বিবাহ কৰায়। তাৰ ফালৰপৰা এগৰাকী কন্যা আৰু এটি পুত্ৰ সন্তানৰ পিতৃ হয়। কন্যা সন্তানটি জন্মৰ লগে লগে মৃত্যুমুখত পৰে। পুত্ৰ সন্তানটিৰ নাম আছিল মেণ্ডেলা ৰাভা। স্বামী মৃত্যুৰ পাছতো বসুমতাৰীয়ে নিজকে সমাজৰ অনন্য কাৰ্যসূচীৰ লগত জড়িত কৰি জীৱন-যাপন কৰি ৰাভা পৰিয়ালৰ দায়িত্বভাৰ লৈছিল।

মৃত্যু ঃ

১৯৬৯ চনৰ ২০ জুন তাৰিখে ৰাতি ২-২৫ বজাত তেজপুৰত ৰাভাদেৱে মৃত্যুক সাৱটি লয়। পাকস্থলীত হোৱা কৰ্কট ৰোগত তেখেতৰ মৃত্যু হয়। ৰাভা দিৱসে অসমৰ সাংস্কৃতিক আইকন বিষ্ণুপ্ৰসাদ ৰাভাৰ অসাধাৰণ জীৱন আৰু অৱদানৰ স্মাৰক হিচাপে আজিও অসমীয়াৰ প্ৰাণত জিলিকি আছে।

●●●

## মহৎ লোকৰ বাণী

১) পৃথিৱীৰ আটাইতকৈ সুন্দৰ বস্তুটো হ'ল ফুল, কিন্তু তাৰ শিপা মাটি আৰু গোবৰতহে থাকে। -ডি. এইছ. লৰেঞ্চ।

২) ঘৃণাৰে নিজক ভাৰাক্ৰান্ত কৰি নল'বা। তুমি ভবাতকৈ ই অতি গধুৰ বোজা। -মেডাম দ্য চেভিন।

৩) ধন ব্যয় কৰাত ফুটি ওলায় মানুহৰ জীৱনবোধৰ পৰিচয়। -গ্যেটে।

৪. তোমাৰ লক্ষ্য স্থান ক'ত? সেইটো যদি ঠিক কৰিব নোৱাৰা, তেন্তে কোন পথে খোজ দিবা কেনেকৈ জানিবা। তোমাৰ লক্ষ্যই তোমাৰ পথ নিৰ্ধাৰণ কৰিব। –লিটন

৫. শিক্ষাই জীৱন, জীৱনেই শিক্ষা। –লজ

৬. নিজক সদায় আনন্দত ৰাখিবা। আনন্দময়, উৎসাহী আৰু শক্তিমানৰ কাৰণেহে জগতখন, দুৰ্বল, নিৰুৎসাহী মানুহৰ বাবে নহয়। –ওমাৰ্চন

৭. যি মানুহৰ ধৈৰ্য শক্তি আছে, তেওঁৰ অসাধ্য একোৱে নাই। -বেঞ্জামিন ফ্ৰেংকলিন

৮. আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা। –চক্ৰেটিচ

৯. মানুহে যিমান কিতাপ পঢ়িবলৈ শিকে সিমানে ভাবিবলৈ শিকে। –জৱাহৰলাল নেহৰু

১০. প্ৰতিকুল পৰিস্থিতিত ধৈৰ্য্যৰে সন্মুখীন হোৱা জনেই সাহসী ব্যক্তি। -হোমেন বৰগোহাঞি

১১. ভীৰুৰ দৰে জীয়াই থকাতকৈ বীৰৰ দৰে মৃত্যুবৰণ কৰাই শ্ৰেয়। -মহাত্মা গান্ধী।

১২. প্ৰকৃত শিক্ষাই মানুহৰ মৰ্যদা বঢ়ায়। তদুপৰি ই আত্মসন্মানো বৃদ্ধি কৰে। -এ. পি. জে. আব্দুল কালাম

১৩. চৰিত্ৰবান মানুহ পবিত্ৰ জলৰ নিচিনা, সিহঁত নিজেও পবিত্ৰ আৰু আনকো পবিত্ৰ কৰে। -সত্যনাথ বৰা।

# গল্পাঞ্জলি...



গল্পই কাহিনী কয়, কাহিনীয়ে পৰিৱেশক
লগত লৈ জীৱনৰ আঁকোৰা-পকোঁৰা পথেৰে
বাট বুলে। আধুনিক জীৱনৰ খিৰিকীৰে
অতীতলৈ গভীৰ দৃষ্টি গল্পৰ মূল কথা...




Naruttam Das
B.Com 4th Sem.

গল্প

# বন্ধুত্বৰ বান্ধোন

⏭ শ্ৰেয়া চুতীয়া
প্ৰাক্তন ছাত্ৰী

অংকিতা আৰু দীক্ষিতা দুজনী বৰ ভাল বান্ধৱী। সৰুৰ পৰাই একেলগে ডাঙৰ হোৱা দুয়োজনী সমবয়সীয়া। দুয়োজনী খুব ৰসাল মনৰ স্ফূৰ্তি কৰি ভালপোৱা ছোৱালী। ক'ৰবাত যাব লগা হ'লে, কিবা খাবলৈ মন গ'লেও সিহঁতে সদায় একেলগে যায়। অংকিতাৰ ঘৰৰপৰা দুঘৰমান পাৰ হ'লেই দীক্ষিতাৰ ঘৰ পায়, পৰিয়াল দুটাৰ মাজতো বিৰাট মিল।

দুয়োজনী কলেজত পঢ়ি আছে, একেখন কলেজত অহা-যোৱা একেলগেই কৰে। অংকিতাৰ দেউতাক নাই, মাকৰো বয়স হৈছে তাই ঘৰৰ ওচৰতে দুই তিনিটা টিউচন কৰি যিখিনি পায় সেইখিনি দি পঢ়াৰ প্ৰয়োজনখিনি পূৰ কৰে। দীক্ষিতা সমৃদ্ধিশালী খুউব ধনী ঘৰৰ ছোৱালী যদিও তাইৰ কোনো অহংকাৰ নাই। কলেজীয়া জীৱন চলি থাকোতেই হঠাতে অংকিতা কলেজ একেবাৰে নোযোৱা হ'ল, দীক্ষিতাই কাৰণ সুধিবলৈ তাইৰ ঘৰলৈ যায় যদিও তাই এবাৰ গা বেয়া, এবাৰ ঘৰত আলহী, এনেকৈ কৈ কৈ তাইৰ লগত ভালকৈ কথাবোৰ পাতিব নোখোজাৰ দৰে থকাৰ বাবে দীক্ষিতাও তাইৰ ঘৰলৈ তেনেকৈ ঘনাই নোযোৱা হ'ল।

এদিন ঘপককৈ কাণে কাণ বাগৰি দীক্ষিতাই অংকিতাৰ বিয়াৰ খবৰ শুনিলে। সেয়া শুনি তাই দৌৰা দৌৰিকৈ তাইৰ ঘৰলৈ গ'ল। নাই কথাটো সঁচা অংকিতাৰ বিয়া। মাকে হেনো জীয়াই থাকোতেই তাইক বিয়াখন দি আজৰি হ'ব খুজিছে। তাইৰ চকুত চকু পৰোতেই অংকিতাৰ দুচকুৰেদি ধাৰসাৰ চকুপানী ব'ব ধৰিলে। অংকিতাই দিক্ষিতাক সাৱটি ধৰি ক'লে - "মই বিয়া নহওঁ, মই পঢ়িম মোৰ একেবাৰে বিয়া হ'বলৈ মন নাই"। এনে কথা শুনি দীক্ষিতাৰো বুকু বিষেৰে ভৰি গ'ল। দুয়োৱে কি কৰিব একোকে ভাবি নাপালে।

চাওঁতে চাওঁতে তাই বিয়া হৈ গ'ল, দুখেৰে ভৰি থকা মনটো খামুচ মাৰি ধৰি, ক'ৰবাত যেন তাই দীক্ষিতাক কৈ গ'ল "মাক চাবি"। বিয়াৰ পিছত দিক্ষিতা প্ৰায়ে তাইৰ ঘৰত যায় আৰু মাকক এখন দুখন কাম কৰি দি আহে, প্ৰয়োজন হোৱাবোৰ আনি দিয়ে।

বিয়াৰ পিছত বহুদিনলৈ দিক্ষিতা আৰু অংকিতাৰ কথা হোৱা নাছিল। এদিন ঘপককৈ অংকিতাই দীক্ষিতাক ফোন লগাই ক'লে! "অ'ই মই মৰি যাম, মোক ইয়াৰ পৰা লৈ যা, মই মাক কৈছো মায়ে নুবুজে শুনিছ নে হেল্ল" এনেকৈ কৈ তাইৰ ফোনটো কাট খাই গ'ল।

দীক্ষিতাই পুনৰ যোগাযোগ কৰিবলৈ চেষ্টা কৰিলে যদিও, নাই নালাগিল। তাই দৌৰি গৈ অংকিতাৰ মাকক সকলো বিৱৰি ক'লে, কিন্তু হতাশাৰ বতাহে তাইক যেন ঠেলি নি পেলাই দিলে এচুকত। তাইৰ মাকে উত্তৰ দিলে - "এখন ঘৰলৈ গৈছে যিহেতু কিছু সুখ থাকিলে কিছু দুখ থাকিবই"। তাই অংকিতাৰ মাকলৈ এবাৰো ঘূৰি নাচায় নিজৰ ঘৰলৈ গ'ল আৰু নিজকে নিজে সুধিলে - "তাইৰ বিয়াখন মই ৰখাব কিয় নোৱাৰিলো, মই নিজে তাইক দ' খাৰৈত জপিয়াই পৰিবলৈ কেনেকৈ দিব পাৰিলো।"

দীক্ষিতাই গৈ সকলো কথা তাইৰ নিজৰ ঘৰতো ক'লে কিন্তু একেটাই প্ৰত্যুত্তৰ - "তই এইবোৰত নোসোমাবি মাজনী"। দিক্ষিতাই যেন জ্বলা জুই একুৰা বুকুত লৈ ঘূৰি আছিল। নাই এইবাৰ মই একেই ভুল নকৰো মই যাম তাইক লৈ আহিম কোনো নগ'লেও মই যাম।

তাইৰ বান্ধ খাই থকা বন্ধুত্বৰ বান্ধোনে তাইক টানি নি আছিল, আৰু তায়ো একো নভবাকৈ গ'ল আৰু গৈ অংকিতাৰ কৰুণ অৱস্থা দেখি তাইৰ বুকুখন যেন জহি-খহি গ'ল। তাই অংকিতাক ক'লে- "ব'ল, যি হ'ব নহ'ব বাদ দে, তই মোৰ লগত ব'ল।" অংকিতাই ক'লে গৈ থাকিম ক'ত? দীক্ষিতাই খুউব সাহসেৰে ক'লে -"ইমানখিনি পঢ়ি শুনি কিবা এটা কৰি খাব নোৱাৰিম নে?"

এনেকৈ তাই অংকিতাক নিজৰ লগত লৈ আহি একেলগে থাকি কিছু কাম আৰম্ভ কৰিলে। বহুত বিপদ আহিল যদিও, একেলগে থিয় দিলে দুয়োজনী। ইজনীয়ে-সিজনীৰ সাৰথি হ'ল। বন্ধুত্বৰ বান্ধোন সঁচাকৈয়ে অৱিচ্ছেদ্য।

●●●

## কুইজ

- প্ৰাক্ বৈষ্ণৱ যুগৰ শ্ৰেষ্ঠ কবি কোন আছিল?
  উত্তৰঃ মাধব কন্দলি।
- শংকৰদেৱৰ প্ৰিয় শিষ্য কোন  আছিল?
  উত্তৰঃ মাধৱদেৱ।
- অসমত প্ৰথম বিশ্ববিদ্যালয় কেতিয়া স্থাপিত হয়?
  উত্তৰঃ ১৯৪৮ চনত (গুৱাহাটী)।
- প্ৰথম অসমীয়া অনাতাঁৰ নাট ?
  উত্তৰঃ বীন বৰাগী।
- 'বাঁহী' ৰ প্ৰথম সম্পাদক কোন আছিল?
  উত্তৰঃ লক্ষ্মীনাথ বেজবৰুৱা।
- চৈয়দ আব্দুল মালিকে মাধৱদেৱৰ বিষয়ে লিখা পুথিখনৰ নাম কি?
  উত্তৰঃ প্ৰেম অমৃতৰ নদী।
- অসম সাহিত্য সভাৰ প্ৰতীকটো কোনে আঁকিছিল?
  উত্তৰঃ যুগল দাসে।

# Imperfectly perfect

সি কোলাহল ভালপায়,
তাইৰ সহ্য নহয়
কোলাহল, সি জধলা হৈ
থাকিব ভাল পায়, তাই
আকৌ ভাল পায় ফিট-
ফাট হৈ থাকিলে, সি
চাহপ্ৰেমী, তাই আকৌ
নাক কোঁচাই চাহৰ নামত,
সি সৰ্বভোজী, তাই
নিৰামিষভোজী এনেকৈ
বহুত আছিল সিহঁতৰ
ৰাহিযোৰা নলগা বিষয় ।


⏭ **প্ৰত্যুষ ডেকা**

স্নাতক পঞ্চম ষান্মাসিক
অভিনয় বিভাগ


মে মাহৰ উৎকট গৰম দুপৰীয়াটিত এচাটি শীতল বতাহে চুই গ'ল নিবিৰক। ঘামে ভিজি যোৱা দেহাটো শাঁত পৰি গ'ল তাৰ। হাতৰ ঘড়ীটোলৈ চাই দেখিলে দুপৰীয়া দুই বাজিছে । গনেশগুৰিৰ ব্যস্ত ফুটপাথৰ সৰু চাহৰ দোকান এখনৰ বেঞ্চ এখনত বহি সি চাই আছে আগলৈ। সদাব্যস্ত জি, এচ ৰোডটোত হৰ্ণ বজাই শব্দ কৰি বিভিন্ন ধৰণৰ গাড়ীবোৰ আহিছে গৈছে। তাৰ লগতে চিটিবাছবোৰৰ কণ্ডাক্টৰৰ চিঞঁৰ, ট্ৰেফিক পুলিছৰ হুইছেল, দোকান কিছুমানত উচ্চস্বৰত বাজি থকা ভোজপুৰী গান, ফুটপাথতে কাপোৰৰ দোকানত, শাক-পাছলিৰ দোকানত দৰ-দাম কৰা গ্ৰাহকৰ বাৰ্তালাপ, হোটেললৈ গ্ৰাহক মাতি থকা কৰ্মচাৰী বিলাকৰ চিঞৰবোৰে পৰিবেশটো ভীষণ উপভোগ কৰিছে সি। এজন এজন মানুহ আৰু তেওঁৰ কামবোৰ অতি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি গ'ল সি, যাতে তাৰ চিত্ৰপটত উঠাব পাৰে গোটেই পৰিবেশটো।



কি হে, নিবিৰ ৰঞ্জন শইকীয়া, বহি বহি কি ভাবি আছা, হাতৰ চাহকাপচোন চেঁচাই হ'ল।

-চিন্ময়ীৰ মাতত সি উচপ খাই বাস্তৱ জগতখনলৈ ঘূৰি আহিল।

'চাহৰ চেঁচা আৰু মাছৰ কেঁচা একেই দেই.....পিছে'

স্বভাবসুলভ খিলখিল হাঁহিটো মাৰি তায়ো তাৰ কাষতে বহি ল'লে। নীলা কুৰ্তীটোৰ লগত বগা দোপাট্টাখন লৈ আগৰ দৰেই কপালত ক'লা অকণমানি ফোঁটটোৰে চিন্ময়ীজনী যেন আজিও তাৰ প্ৰিয় সাজযোৰত আহিছে এনে লাগিল নিবিৰৰ।

'তুমি একে আছা চিন্ময়ী, পাঁচবছৰ আগৰ চিন্ময়ী জনীয়ে হৈ'

'কিয়, মই ছিৰিয়াছ, কম কথা কোৱা, চ'কলড মেচি'ৰ ৰ'মেন হৈ যাব লাগিছিল নেকি?'

আকৌ খিল-খিল হাঁহিটোৰে উপচি উঠিল তাই। নিবিৰৰ মুখতো মিচিকি হাঁহি এটা বিৰিঙিল।

'মই এনেকৈয়ে থাকিবলৈ ভাল পাওঁ জানা... পিছে তুমিচোন বহুত সলনি হ'লা নিবিৰ.. ঘৰ-সংসাৰৰ দায়িত্বত চেপা গৈছা যেন পাইছো।'

'নাই, নাই তেনেকুৱা একো নাই, জীৱনটো এতিয়াও থান-থিত লগাবই পৰা নাই, এনেকুৱাই আৰু মোৰ সদায়... তোমাৰ কোৱা'

মোৰ থিক-থাক চলি আছে, পাৰ্লাৰখন ডাঙৰ কৰিছো এইবাৰ, ব্যস্ততা বাঢ়িছে মাত্ৰ অলপ... বাকী থিক-থাক আৰু তাই অলপ ৰৈ তালৈ চাই আকৌ ক'লে, 'তোমাৰ দাঢ়ি-চুলিৰ এনে ৰূপ যে, কিমানদিন হ'ল দাঢ়ি নুখুৰোৱা, আৰু ইমান উৰঁলি থকা চোলা কোনে পিন্ধে...'

ক্ষন্তেক সময়ৰ বাবে তাই পাহৰি গৈছিল যে সিহঁত পাঁচ বছৰৰ আগৰ নিবিৰ-চিন্ময়ী হৈ থকা নাই এতিয়া। তাৰ চুলিকোচাত ধৰি ঘটাঁলি দিবলৈ গৈ ৰৈ গ'ল তাই অপ্ৰস্তুত হৈ।

'ইটচ্ অকে'

সি পৰিস্থিতিটো বুজি কৈ দিলে যদিও তাৰ নিজৰে লাজ লাগিল। চেঃ দাঢ়িখিনিটো কটাই আহিব পৰা গ'ল হয় আজি। আগতেটো তাইৰ লগত এইকাৰণেই বহুত কাজিয়া। সি তাইৰ খং তুলিবলৈকে ইচ্ছা কৰি পিন্ধি অহা কেইবাটাও টি-চাৰ্ট ফালিছে তাই।

'বৰ হুলস্থুল এই ঠাইখন, ব'লা বেলেগ কৰবালৈ যাওঁ'

কৈয়েই তাই উঠি দিলে বেঞ্চখনৰ পৰা। আকাশনীলা স্কুটীখনৰ পিছত তাক উঠিব দি তাই স্টাৰ্ট কৰি চলাই দিলে জুৰোডৰ দিশে।

নিবিৰৰ মনটো গধুৰ হৈ পৰিল। দুয়োৰে কিছুমান ক্ষেত্ৰত আকাশ পাতাল পাৰ্থক্য আছিল, তেতিয়াও আৰু এতিয়াও চাগৈ। এতিয়াৰ লগত মিলাবলৈ মন নগ'ল তাৰ।

সি কোলাহল ভালপায়, তাইৰ সহ্য নহয় কোলাহল, সি জধলা হৈ থাকিব ভাল পায়, তাই আকৌ ভাল পায় ফিট-ফাট হৈ থাকিলে, সি চাহপ্ৰেমী, তাই আকৌ নাক কোঁচাই চাহৰ নামত, সি সৰ্বভোজী, তাই নিৰামিষভোজী এনেকৈ বহুত আছিল সিহঁতৰ ৰাহিযোৱা নলগা বিষয় ।কিন্তু opposite attracts বোলা কথাষাৰ যেন সিহঁতৰ ক্ষেত্ৰত খাটিছিল। দুয়ো তথাপিও দুয়োৰে বাবে পাগল আছিল। চাৰি বছৰীয়া সম্পৰ্কৰ শেষ পৰিণতি এনেকুৱা হ'ব বুলি ভাবিবই পৰা নাছিল কোনোৱে।

স্কুটীখন আহি লাচিতঘাটত ৰৈছিলহি। কেতিয়া এম এন ৰোডত উঠি কেতিয়া সেইখিনি পালেহি সি গমকে নাপালে।

ইমানদূৰ আনিলা ?

বাটত কিবা কৈছিলো মনত আছেনে?

কেতিয়া?

মূৰ খজুৱাই সি মনত পেলাবলৈ চেষ্টা কৰাৰ দৰে সুধিলে।

'কিছুমান মানুহৰ কিছুমান লক্ষণ, পৃথিৱী ওলট-পালট হৈ গ'লেও সলনি নহয়।'

কৃত্ৰিম খং দেখুৱাই তাই ক'লে।

ইমান গৰম, এইখিনি ঠাইয়ে আটাইতকৈ শান্তিপূৰ্ণ, চোৱা বতাহো বলি আছে ইমান ধুনীয়াকৈ।

কৈ কৈ তাই গছবোৰৰ ছাঁত থকা পকা খটখটীটোত বহি ল'লে। সিও গৈ কাষত বহিল।

খবৰ-খাতি কোৱাছোন, তোমাৰ সংসাৰ, ল'ৰা-ছোৱালী

ইমানপৰে উজ্জ্বল হৈ থকা চিন্ময়ীৰ মুখখন হঠাৎ শেঁতা পৰি গ'ল।

আমি একেলগে নাথাকো এতিয়া....

মানে, কেতিয়াৰ পৰা....

নিবিৰ যেন উচপ খাই উঠিল।

বিয়াৰ কেইমাহমানৰ পাছৰে পৰা... তেওঁলোকে বিচৰা ধৰণৰ বোৱাৰী হ'ব নোৱাৰিলো মই..... বাদ দিয়াচোন এইবোৰ, তোমাৰ কোৱা...

মই যেনেকৈ ৰৈছিলো তেনেকৈয়ে আছো এতিয়াও, খালী আদৰ যত্ন নোহোৱা হ'ল নিজৰ প্ৰতি.... কিন্তু....

আকৌ কথাটো সুধিবলৈ গৈ ৰৈ গ'ল সি, তাইৰ মুখখন দেখি।

কি কৰি আছা তুমি, কাৰো লগত একো সংযোগ নাৰাখা খবৰ ৰাখিবলৈকো...

পাৰ্লাৰ এখন চলাই আছো, মা-দেউতাহঁতৰ লগত নাথাকো আজিকালি..... ঘৰৰ পৰা অলপ দূৰত ফ্লেট এটাত থাকো.. চিংগল লাইফ, বিন্দাচ লাইফ.... আৰু তুমি?

মই.... সেই তুমি আগতে কোৱাৰ দৰেই ঠিক নহ'লগৈয়ে জীৱনটো ।কলকাতাত পেইণ্টিং বনাই, অ'ত-ত'ত গিটাৰ বজায়ে ঘূৰি ফুৰোঁ ।য'তে ৰাতি ত'তে কাতি,অঘৰী জীৱন... হাঃহাঃহাঃ... ইয়ালৈ আহিছিলো পেইণ্টিং দুখনমান বিক্ৰী কৰিবলৈ... বিভাসৰ তাতে আছো কালিৰ পৰা, তোমাক এবাৰ চাবলৈ মন গ'ল, সেয়ে...

দুয়ো ক্ষন্তেকৰ বাবে নিশ্চুপ হৈ ৰ'ল। সন্মুখেৰে পাৰ হৈ যোৱা আইচক্ৰীম বেপাৰীটো ৰখাই দুটা আইচক্ৰীম ল'লে তাই। এটা তাক দি আনটোৰ পেকেটটো গুছাবলৈ ধৰিলে মনে মনে। নিবিৰে আইচক্ৰীমটো হাতেৰে ধৰি তাইলৈ চাই ৰ'ল। আজিও তাই মনত ৰাখিছে তাৰ প্ৰিয় ফ্লেভাৰৰ আইচক্ৰীম কোনটো।

তোমাৰ মনত আছে এতিয়াও....

তাৰ কথা শেষ হ'বলৈ নিদি তাই লগে লগে সুধিলে,

কিবা কৰিম বুলি ভাবিছানে নিৰ্দ্দিষ্টকৈ জীৱনটোত.... নে এনেকৈয়ে গোটেই জীৱন..... তুমি যিয়ে নাভাবা কিয়... আৰু এনেকৈ নহয়... কিবা এটাত ভালকৈ লাগা.... ঘৰৰ কথা ভাবিছা কোনোবা এদিন, ইমানবছৰে ঘৰলৈটো যোৱা নাইয়ে... ফোন এটাও নকৰা....ৰেস্পনচিবিলিটিবিলাকৰ পৰা আৰু কিমান পলাবা..

তাৰ মুখলৈ নোচোৱাকে কৈ থকা কথাখিনিত সি মন্ত্ৰমুগ্ধ হৈ ৰ'ল, আগৰ চিন্ময়ীজনীৰ দৰে একেধৰণৰ গালি শুনিবলৈ পালে আকৌ আজি। অলপ প্ৰকৃতিস্থ হৈ দোষী দোষী ভাবত তলমূৰ কৰি ক'লে,

তুমিওটো তোমাৰ মা-দেউতাৰ একমাত্ৰ চিন্তাৰ কাৰণ হৈ আছা ?

সেইটো

কিবা এটা ক'ব খুজি তাই তভক মাৰি ৰ'ল। তাইৰ এইটো কথা নিবিৰে কেনেকৈ জানিলে। একে চিন্তাত পৰিল নিবিৰো। তাই তাৰ ঘৰত নোযোৱা কথাটো কেনেকৈ জানিলে।

তুমি.....

দুয়ো একেলগে দুয়োকে সুধিব খুজি ৰৈ গ'ল।

মানে....

আকৌ একেলগে কৈ উঠিল দুয়ো। হঠাৎ বাঢ়ি অহা বুকুৰ ধপধপনিবোৰত হাজাৰটা প্ৰশ্ন উকমুকাই উঠিছিল দুয়োৰে।

'তুমি...তুমি কেনেকৈ জানা মোৰ কথাবোৰ'

আৰু তুমিও কেনেকৈ

তুমি কি ভাবিছা, মই খবৰ নোলোৱাকৈ থাকিম তোমাৰ... ইমান বছৰ মই থাকিব পাৰোঁ কলকাতাত, কিন্তু তোমাৰ খবৰ লৈ থাকো....

আৰু তুমি কি ভাবা.... ময়ো পাহৰি যাম তোমাক... ময়ো জানো তুমি কোনখন পেইণ্টিং বেচিবলৈ আহিছা আকৌ উভতি... বিভাস অকল তোমাৰে বন্ধু নহয় ।

নিবিৰ আৰু চিন্ময়ী দুয়ো স্তব্ধ হৈ পৰিল। মনৰ মাজত বহু কিবাকিবি খেলিমেলি হৈ গ'ল দুয়োৰে। ইমান বছৰে সাঁচি ৰখা অভিমানবোৰ গলি চকুলো হৈ বৈ আহিল দুয়োৰে। চিন্ময়ীয়ে দুয়োহাতেৰে মুখখন ঢাকি হুকহুকাই কান্দি উঠিল। নিবিৰৰো চকুহাল চলচলীয়া হৈ পৰিল।

তোমাৰ তেন্তে কি হৈছিল সিদিনা... ঘৰলৈ গৈয়ে যে বিয়াৰ বাবে হা কৰি দিলাগৈ... আমাৰ চাৰিবছৰৰ ৰিলেশ্যনশ্বিপ কি ধেমালি আছিল.... না ফোন এটা কৰিলা... না মেছেজ এটা... মই কেনেকে যে আছিলো সেইকেইদিন....

চিন্ময়ীয়ে কেৱল কান্দি গ'ল। নিবিৰে দিওঁ-নিদিওঁকৈ তাইৰ কান্ধত হাতখন ৰাখিলে। তাই যেন পমি গ'ল লগে-লগে। তাৰ গাত আওঁজি দিলে তাই কান্দি কান্দি। হাতৰ আইচক্ৰীমকেইটা গলি গৈছিল ইতিমধ্যে। নিবিৰে ৰুমাল এখনকে দিওঁ বুলি পকেটত হাত দি চালে। তাত কেৱল চিগাৰেটৰ পেকেটটোহে আছিল। তাৰ লাজ লাগিল অলপ।

অলপপৰ পাছতে চিন্ময়ীৰ কন্দা বন্ধ হ'ল। পোন হৈ বহি পাৰ্চটোৰ পৰা ৰুমালখন উলিয়াই চকুলো মচি তাই শান্ত হ'ল।

সকলোবোৰ ইমান হঠাতে হৈ গৈছিল যে মই একো ভাবিবলৈকে পৰা নাছিলো। দেউতাহঁতে চাৰপ্ৰাইজৰ নামত এনগেজমেণ্ট কৰাই দিছিল বিজনেছ পাৰ্টনাৰ এজনৰ ল'ৰাৰ লগত। মোৰ সন্মতি লোৱাৰ কোনো অৱকাশেই যেন নাছিল কাৰো, ইফালে দেউতাৰ সন্মান ৰক্ষা কৰিবলৈ প্ৰতিবাদ কৰিবলৈও ৰাস্তা নাছিল...মোৰ ফোনটো মায়ে ৰাখি থৈছোঁ বুলি যি ল'লে আজিলৈ নাপালো আৰু.... বিয়াৰ পিছতে তাৰ পৰা আমেৰিকালৈ নি সিহঁতৰ নীতি নিয়ম, চা-চিনাকি হোৱা, নতুন পৰিবেশত মিলিব চেষ্টা এইবোৰ কৰি কৰি ছয়মাহ গুছি গ'ল... আমেৰিকাৰ পৰা আহিয়ে প্ৰথম তোমাকে বিচাৰিছিলো গোটেই পৰিস্থিতিটো বুজাই ক'বলৈ... কিন্তু তুমি যে....

নিবিৰে তাইক ৰখাই দিলে। অনুভূতিবোৰ সামৰি ৰাখিব নোৱাৰি তাইক জোৰেৰে সাৱটি ধৰিলে সি। এইবাৰ সি হুকহুকাই কান্দি উঠিল। তাই তাৰ পিঠিত হাত বুলাই দিলে।

তাৰ কন্দা বন্ধ হোৱাত তাই ৰুমালখন আগবঢ়াই দিলে। তাই প্ৰসংগটো সলনি কৰি ক'লে,

শুনা... তোমাৰ মাৰ সৈতে মই কথা-বতৰা হঁও প্ৰায়ে .... তেখেতৰ এটাই আশা.... তুমি উভতি আহা ঘৰলৈ.... তোমাৰ অবিহনে বৰ কষ্টত আছে মানুহগৰাকী.... ফোন এটা কৰা এতিয়াই..... মই জানো তোমাৰ সাহস নহয় কল কৰিবলৈ....

সি তলমূৰ কৈ ৰ'ল। তাই ফোনটোত তাৰ মাকৰ নাম্বাৰটো ডায়েল কৰি তালৈ আগবঢ়াই দিলে। সি লঁও - নলওকৈ লৈ ফোনটো কাণত লগালে। ৰিং হৈ থকা শব্দকেইটাই যেন তাৰ হৃদস্পন্দনৰ গতি বঢ়াই নি আছে। সি অসহায়ভাবে চালে তাইলৈ। তাই মূৰ দুপিয়ালে। ইমান বছৰৰ মূৰত মাকৰ মাতটো শুনি সি যেন মুক হৈ পৰিল ক্ষন্তেকলৈ। কোনোমতে চেষ্টা কৰি মাতটো উলিয়াই সঁহাৰি দিলে।সিফালে মাকৰো চাগে একেই অৱস্থা।

ফোনতে বহুসময় সি কথা পাতিলে। যিখিনি কথা মুখামুখিকৈ কোৱাৰ সাহস তাৰ তেতিয়াও নাছিল এতিয়াও নাই।

ফোনটো উভটাই দিওঁতে তাই তাৰ হাতখনত ধৰি ক'লে

কেনে লাগিল,নাদান পৰিন্দা ঘৰৰ ল'ৰা ঘৰলৈ উভতিবনে এতিয়া...

সি মূৰ দুপিয়ালে।

তুমি এনেই থাকিব নোৱাৰিবা কিন্তু, পেইণ্টিংবোৰ বনাই থাকিবা আৰু মিউজিক স্কুল এখনত মোৰ কথা পাতি থোৱা আছে তাত গিটাৰ শিকাবা.... হ'ব নে নাই

তাই অভিভাবকৰ দৰে কোৱা কথাষাৰত তাৰ মনটো ভাল লাগিল।

মোৰ বিষয়ে ইমান ভাবিছা তুমি...ধন্যবাদ কি বুলি দিওঁ... কিন্তু এই জীৱনৰ নতুন বাটত আগবঢ়াই দি অকলে আগবাঢ়িবলৈ দিবা জানো.....

তাকেই তোমাৰ মায়ে কৈছিল ছোৱালী এজনী চাবলৈ.... চাই দিম দিয়া সোনকালে....

দুষ্টামিভৰা হাঁহি এটা মাৰি তাই ক'লে।

এটা কথা কি জানা.... ময়ো সপোন দেখিছিলো, কাকো কোৱা নাছিলো যদিও প্লেনিং জীবনৰ বাবে মোৰো আছিল... কিন্তু অকলে দেখা নাছিলো সেইবোৰ... মোৰ জীৱনৰ প্ৰতিটো চিন্তাই তোমাৰ লগতে জড়িত হৈ আছিল... সেয়ে তোমাৰ লগতে মোৰ লক্ষ্য-উদ্দেশ্য সকলো হেৰাই গৈছিল... দিকভ্ৰান্ত হৈ মই বহুত অকলশৰীয়া হৈ পৰিছিলো তোমাৰ অবিহনে...চিন্ময়ী... মোৰ আগন্তুক জীৱনটোলৈ আগবাঢ়ি যাবলৈ আৰু মৰহা সপোনবোৰ জীপাল কৰি তুলিবলৈ তোমাৰ অবিহনে অসম্ভৱ... will you be my lifelong partner for this new journey of life....?

তাই কথাবোৰ শুনি আশ্চৰ্য্চকিত হৈ থিয় হৈ দিলে দুহাতেৰে মুখখন ঢাকি।

কিন্তু মই যে.....

তাইক ক'বলৈ নিদি সি এটা আঁঠুৰে আঠুকাঢ়ি সোঁহাতখন আগবঢ়াই দিলে,

'will you hold my hand for forever....'

তাই হাতখন ধৰি তাক উঠাই দি সাৱটি ধৰিলে।নিবিৰৰ বুকুখন পাতল লাগিল যথেষ্ট। অতবছৰে কঢ়িয়াই লৈ ফুৰা দুখ-বেদনা, অভিমানবোৰ যেন আজি গলি ওলাই গ'ল।

'নিবিৰ...'

হু...

আমি পাৰিম নে একেলগে আগবাঢ়িবলৈ? আমাৰ দুয়োৰেচোন বহুক্ষেত্ৰত অমিল -

তাতে কি হ'ল, আগতে তেনেকৈয়ে আছিলো, আগলৈও থাকিম। এতিয়া ময়ো চেষ্টা কৰিম ভুলবোৰ নকৰিবলৈ, কৰিলে তুমি শুধৰাই দিবা।

না, তুমি আগৰ নিবিৰটো হৈয়ে থাকিবা, মই তাৰ লগতে লাগি - যুঁজি থাকিবলৈ ভাল পাম ।

হয়নে.... পিছে এন আৰ আইটোৰ দৰে মোৰ ধন দৌলত কি আছে দেখিছাই.... আকৌ গুছি নাযাবাগৈ আৰু ধেৎ অকৰাটো.... মই কেৱল তোমাৰেই আছিলো আৰু থাকিম... কোনো আহিব নোৱাৰে আৰু আমাৰ মাজত.. তোমাৰ অবিহনে আন কাৰো হ'ব নোৱাৰো অ' মই

আৰু জোৰকৈ সাৱটি ধৰিলে সি তাইক। বেলিটো পশ্চিমত ডুবি সন্ধিয়া হ'বলৈ লৈছিল। দুবাহুৰ মাজত সোমাই থকা ছোৱালীজনীক তাৰ ক'বলৈ মন গ'ল

এই যি ধৰিলো তোমাক, আৰু কেতিয়াও এৰি যাবলৈ নিদিওঁ।

উভতি অহাৰ বাটত সি তাইক সুধিলে,

মোৰ ভাললগা কম্বিনেশ্যনৰ কাপোৰযোৰ ইচ্ছা কৰিয়ে পিন্ধি আহিছিলা নে coincidence?

যি বুলি ভাবা তুমি....

●●●

সি মানসিকভাৱে দুৰ্বল হৈ পৰিল। সময় যোৱাৰ লগে লগে খগেনৰ মুখৰপৰা এটা কথাকে শুনি শুনি মানুহবোৰো তাৰপৰা অতিষ্ঠ হ'বলৈ ধৰিলে। মানুহবোৰে লাহে লাহে তাক পাগল বুলি ভাবিবলৈ ধৰিলে। এটা অপবাদমূলক ধাৰণাই খগেনক চাৰিওফালৰ পৰা আৱৰি ধৰি তাৰ মন-মগজুত গুৰুতৰ ভাৱে ক্ৰিয়া কৰি তাক পাগল আখ্যা দিয়ালে।

# অপবাদ

**নৱনীতা শইকীয়া**
স্নাতক পঞ্চম ষান্মাসিক (বিজ্ঞান শাখা)

খগেন দুপৰীয়া পথাৰৰপৰা ঘৰলৈ গৈ থাকোতে সি মানুহ এজন ৰাস্তাৰ কাষত পৰি থকা দেখিলে। ওচৰে-পাজৰে কোনো মানুহ নাই। মানুহজনক এনেকৈ পৰি থকা দেখি খগেন আচৰিত হ'ল। সি মানুহজনৰ ওচৰলৈ গৈ দেখিলে যে মানুহজন অচেতন অৱস্থাত তাত পৰি আছে। সি মানুহজনক এনেকৈদেখি লৰালৰিকৈ পথাৰলৈ লৈ যোৱা মোনাটোৰ পৰা পানীৰ বটল এটা উলিয়াই পানী অকণমান মানুহজনৰ মূৰত ঢালি দিলে; আৰু মানুহজনক লাহেকৈ 'ডাঙৰীয়া, ডাঙৰীয়া উঠকচোন' বুলি জগাবলৈ ধৰিলে। কিছু সময়ৰ পাছত মানুহজন সাৰ পালে। মানুহজন সাৰ পোৱা দেখি খগেনে মানুহজনক তেওঁ কোন, ক'ৰ পৰা আহিছে বুলি প্ৰশ্ন কৰিলে। কিন্তু মানুহজনে উত্তৰ দিব নোৱাৰিলে। আচলতে মানুহজন সাৰ পালে যদিও তেওঁ কথা ক'ব পৰা হোৱা নাই। মানুহজন সম্পূৰ্ণ ভাৱে সুস্থ হোৱা নাই বুলি অনুমান কৰিব পাৰি খগেনে মানুহজনক তাৰ ঘৰলৈ লৈ গ'ল।

ঘৰলৈ আনি খগেনে মানুহজনৰ ভালকৈ যত্ন ল'লে। দুঘণ্টা মানৰ ভিতৰতে মানুহজন সুস্থ হৈ পৰিল। মানুহজন সুস্থ হোৱা দেখি খগেনৰ মনটো পাতল লাগিল। সি মানুহজনৰ পৰিচয় জানিব বিচৰাত মানুহজনে তেওঁৰ পৰিচয় দি ক'লে যে- তেওঁ সেই গাঁৱৰে লক্ষী চন্দ্ৰ ডেকাৰ ঘৰলৈ আলহী খাবলৈ আহিছিল। ৰ'দটো বৰ চোকা হোৱাৰ বাবে তেওঁ মূৰ ঘূৰাই ৰাস্তাৰ কাষত পৰি গ'ল। এনেদৰে কিছু সময় কথা পতাৰ পিছত মানুহজনে খগেনক সি তেওঁক কৰা সহায়ৰ বাবে ধন্যবাদ জনাই যাবলৈ ওলাল। খগেনেও মানুহজনক বিদায় দিলে।

কৃষক হ'লেও খগেন সহজ-সৰল । মানুহক নিজৰ সামৰ্থ অনুযায়ী সহায় কৰি ভাল পোৱা মানুহ। গাঁৱত তাৰ কাৰো লগত শত্ৰুতা নাই। গাঁৱত তাক সকলোৱে ভাল মানুহ বুলিয়েই জানে।

এদিন ৰাতিপুৱা খগেন পথাৰলৈ বুলি ওলাল। বাটতে তাক সেই গাঁৱৰে মুকেশে লগ পাই সুধিলে "খগেন, তই বোলে সিদিনা বাটত মানুহ এজন পৰি থকা পাইছিলি? মানুহজন হেনো লক্ষী চন্দ্ৰ ডেকাৰ ঘৰলৈ আহিছিল।" মুকেশৰ কথাখিনি শুনি খগেনে ক'লে -"হয়। তই

কেনেকৈ গম পালি?" মুকেশে খগেনক ক'লে-" মানুহজনৰ হেনো পইচাৰ বেগটো হেৰাল। মানুহজনে লক্ষী চন্দ্ৰ ডেকাৰ সৈতে তেওঁ পৰি থকা ঠাইত পইচাৰ বেগটো বিচাৰি থাকোতে মই গৈ পালোঁ, কি হ'ল বুলি সোধাত লক্ষী চন্দ্ৰ ডেকাই কথাটো ক'লে। মানুহজনে বহুত বিচাৰিলে কিন্তু বেগটো বিচাৰি নেপালে।" এই বুলি কৈ মুকেশ গুচি গ'ল। মুকেশৰ কথাখিনি শুনি খগেনৰ মনত এটা ভাৱে দোলনি দিবলৈ ধৰিলে। খগেনে মনতে ভাবিলে-"মুকেশে যে মানুহজনে বেগটো নোপোৱা বুলি ক'লে সি বাৰু বেগটো মই লোৱা বুলি ভাবিছে নেকি? এই ভাৱনাই খগেনৰ মনত উদ্বেগৰ জন্ম দিলে। তাৰ মনটো অশান্ত হৈ পৰিল। খগেন লক্ষী চন্দ্ৰ ডেকাৰ ঘৰলৈ গ'ল আৰু সি যে বেগটো পোৱা নাই সেই কথা তেওঁক বুজাই ক'লে। লক্ষী চন্দ্ৰ ডেকায়ো তাৰ কথা বিশ্বাস কৰি তাক পঠিয়াই দিলে। খগেন তথাপি শান্তিত থাকিব পৰা নাই সি যেন লক্ষী চন্দ্ৰৰ চকুত তাৰ প্ৰতি এটা সন্দেহৰ ভাবহে দেখিলে। এনেদৰে কিছু দিন পাৰ হৈ গ'ল।

খগেনে এতিয়ালৈ কথাটো পাহৰিব পৰা নাই। সি অনবৰতে কথাটোকে ভাবি থাকিবলৈ ল'লে। এই কথাটোকে ভাবি ভাবি সি নিজৰ ওপৰতে নিয়ন্ত্ৰণ হেৰাই পেলালে। খগেনে এতিয়া তাৰ পিনে কোনোবাই চালে সি মনতে ভাবে মানুহবোৰে বাৰু বেগটো মই লোৱা বুলি ভাবিছে নেকি? সি সকলো মানুহৰ চকুত তাৰ প্ৰতি এটা সন্দেহৰ ভাব দেখিবলৈ ধৰিলে। সি চিনাকী-অচিনাকী সকলো মানুহকে সি যে বেগটো লোৱা নাই, সেই কথাটো কৈ ফুৰিবলৈ ল'লে। খগেনে সুস্থিৰ চিন্তা কৰিব নোৱাৰা হৈ পৰিল। সি মানসিকভাৱে দুৰ্বল হৈ পৰিল। সময় যোৱাৰ লগে লগে খগেনৰ মুখৰপৰা এটা কথাকে শুনি শুনি মানুহবোৰো তাৰপৰা অতিষ্ঠ হ'বলৈ ধৰিলে। মানুহবোৰে লাহে লাহে তাক পাগল বুলি ভাবিবলৈ ধৰিলে। এটা অপবাদমূলক ধাৰণাই খগেনক চাৰিওফালৰ পৰা আৱৰি ধৰি তাৰ মন-মগজুত গুৰুতৰ ভাৱে ক্ৰিয়া কৰি তাক পাগল আখ্যা দিয়ালে।

●●●

## কুইজ

- বিহগী কবি বুলিলে কোন অসমীয়া কবিক বুজায়?
  উত্তৰঃ ৰঘুনাথ চৌধাৰীক।
- অসমীয়া ভাষাৰ প্ৰথম কবিতা পুথিখনৰ নাম কি?
  উত্তৰঃ হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত'।
- ইংৰাজৰ পৰা 'ছাৰ' উপাধি লাভ কৰা প্ৰথমগৰাকী অসমীয়া কোন ?
  উত্তৰঃ ছাৰ চৈয়দ চাদুল্লা।
- সাহিত্য অকাডমী বঁটা লাভ কৰা 'ককাদেউতাৰ হাড়' পুথিখনৰ লেখক কোন?
  উত্তৰঃ নৱকান্ত বৰুৱা।
- সংস্কৃতৰ পৰা অসমীয়ালৈ অনূদিত হোৱা প্ৰথম নাটকখন কি আছিল?
  উত্তৰঃ শকুন্তলা (লম্বোদৰ বৰা)।
- অসমৰ প্ৰথম চনেট কবি কোন আছিল?
  উত্তৰঃ হেমচন্দ্ৰ গোস্বামী।

# কলঙৰ সীপাৰে

অসীম ডেকা
স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিক (পৰ্যটন বিভাগ)

আশা আৰু সপোনেই হৈছে মানুহৰ জীয়াই থকাৰ এক মুখ্য কাৰণ। সকলো মানুহৰে নিজা এক সপোন থাকে। ঠিক তেনেদৰে আকাশৰো এটা সপোন আছিল। শিক্ষকতা, এই যে সৰুতে আমাক সুধিছিল ডাঙৰ হৈ কি হ'বা? বহুতে হয়তো কৈছিল ডাক্টৰ, ইঞ্জিনিয়াৰ নাইবা আমাৰ হাতত সেই প্ৰশ্নটোৰ কোনো উত্তৰেই নাছিল। কিন্তু আকাশে একে উশাহতে কৈছিল শিক্ষক। নিজৰ লগতে আনকো শিক্ষিত কৰাটোৱেই আছিল তাৰ একমাত্ৰ সপোন। আকাশৰ আজি TET পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। ৰাতিপুৱাৰেপৰা তাৰ লগতে ঘৰৰ সকলোৰে চিন্তা।

মাকে ভগৱানৰ আশীৰ্বাদ বিচাৰি ৰাতিপুৱাই গোঁসাই ঘৰত ধূপ-ধূনা জ্বলাইছে। আকাশে ম'বাইলটো হাতত লৈ ঘৰৰ বাৰাণ্ডাতে বহি আছে। তেনেকুৱাতে ঘৰৰ ভিতৰৰ পৰা এটা চিঞৰ 'আকাশ তই চাকৰি পাই গলি'। চিঞৰটো আকাশৰ বৰদেউতাকৰ ল'ৰা ভাৰ্গৱৰ। সি ৰাতিপুৱাৰেপৰা লেপটপটো লৈ ফলাফল ঘোষণা কৰাৰ লৈ ৰখি আছিল। খবৰতো শুনাৰ লগে লগে আকাশো আনন্দত উৎফুল্লিত হৈ গৈছে। মাকৰো আনন্দত চকুলো বৈ গৈছে। দেউতাকেও খবৰতো পাই লগতেই অফিচৰ পৰা গুচি আহিছে। সকলো ঠিকেই আছিল, কিন্তু আকাশৰ পোষ্টিংটোহে এখন বহু ভিতৰুৱা গাঁৱত হ'ল। কলং নদীৰ পাৰত অৱস্থিত এখন ভিতৰুৱা গাঁও। যিহেতু আকাশ সৰুৰে পৰাই মহানগৰত থাকিয়ে ডাঙৰ হোৱা গতিকে, গাঁৱৰ পৰিৱেশৰ বিষয়ে সি বিশেষ জ্ঞাত নহয়। সেই বুলিতো সি তাৰ সপোনটোক দলিয়াই পেলাব নোৱাৰে। গতিকে সি যোৱাটোৱেই সিদ্ধান্ত কৰিলে। মা- দেউতাক আৰু ঘৰৰ সকলোৰে আশীৰ্বাদ লৈ সি যাবলৈ ওলাল। তাক থবলৈ তাৰ লগত ভাৰ্গৱো গৈছে। গাঁওখন সিহঁতে ভবাতকৈয়ো বহুত বেছিয়ে ভিতৰুৱা এখন গাঁও। কলং নদীৰ লগত থকা মাথাউৰিটোৰে গৈ গৈ সিহঁতে সেই গাঁওখন পালেগৈ। বহুত বিচৰাৰ পাছত সিহঁতে এটা ভাড়াঘৰ বিচাৰি পালে যদিও, ঘৰটোত চহৰৰ দৰে সুবিধা উপলব্ধ নাছিল। তথাপিও আকাশে ঘৰটো বেয়া পোৱা নাছিল। ঘৰটোৰ আগত দুজোপাকৈ কৃষ্ণচূড়া ফুলৰ গছ। তাৰ কাষতে এজোপা নাৰিকলৰ গছ। এক মনোমোহা গাঁৱলীয়া পৰিৱেশ। যদিও ঘৰখন এৰি অহাৰ বাবে মনত দুখ

লাগি আছে, তথাপিও কিন্তু গাঁওখনৰ মনোমোহা দৃশ্যাংকই আকাশৰ মনটো আকৌ জীপাল কৰি তুলিছে। ভাৰ্গৱে সকলো ঠিক-ঠাক কৰি তাৰপৰা বিদায় ল'লে। আকাশৰ বুকুখন কঁপিবলৈ ধৰিছে। নতুন ঠাই তাতে গাঁৱৰ পৰিৱেশত আগতে সি সময় কটোৱা নাই। তাতে আকৌ ভাৰ্গৱো গুছি গ'ল। ভাৰ্গৱৰ যোৱাৰ পাছত সি তাৰ ৰুমটো ভালদৰে ঠিক-ঠাক কৰি অলপ সময় জিৰণি ল'লে। পাছদিনা ৰাতিপুৱা সোনকালেই উঠি আকাশে বিদ্যালয়লৈ বুলি ওলালে। সেইদিনা তাক বহুতেই শুভেচ্ছা জ্ঞাপন কৰিলে। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰেৰণা বাইদেৱে তাক সকলোৰে লগত চিনাকি কৰি দিলে। বিদ্যালয়খনত ইংৰাজী বিষয়তো পঢ়াবলৈ তাক দায়িত্ব দিলে। বহুত কম দিনতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগত আকাশ বন্ধুৰ দৰে হৈ পৰিল। সকলো ছাত্ৰ-ছাত্ৰীৰে প্ৰিয় শিক্ষক হৈ পৰিল আকাশ। লাহে লাহে গাঁৱৰ কিছু ব্যক্তিৰ লগতো আকাশৰ চা-চিনাকি হ'ল। শিক্ষক হিচাপে আকাশক গাঁৱৰ সকলোৱে সন্মান কৰে। আজিকালি আকাশে মাজে মাজে কলঙৰ পাৰলৈও ওলাই যায়। কলঙৰ পাৰত গাঁৱৰ মানুহবোৰে বাদাম, আলু আৰু বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি কৰে। এইবাৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত সু-খ্যাতিৰে উত্তীৰ্ণ হোৱা গাঁৱৰ ছাত্ৰ-ছাত্ৰীক আজি সম্বৰ্দ্ধনা জনোৱা হ'ব। সম্বৰ্দ্ধনা অনুষ্ঠানত আকাশকো নিমন্ত্ৰণ জনাইছে। আকাশে নিমন্ত্ৰণ ৰক্ষা কৰি সম্বৰ্দ্ধনা অনুষ্ঠানলৈ বুলি ওলাল। আকাশে সম্বৰ্দ্ধনা অনুষ্ঠানত গৈ বহুত আনন্দিত হ'ল; কাৰণ গাঁৱৰ বহুতে ভাল ফলাফল কৰিবলৈ সক্ষম হৈছে. সেই গাঁৱৰে সাগৰিকা নামৰ এগৰাকী ছোৱালীয়ে গোটেইকেইটা বিষয়তে লেটাৰ নম্বৰ লৈ উত্তীৰ্ণ হৈছে। আকাশে অনুষ্ঠানটোত গৈ নথৈ আনন্দিত হ'ল। ইমান এখন ভিতৰুৱা গাঁৱৰ ল'ৰা-ছোৱালীও যে ইমান ভাল ফলাফল কৰিব পাৰে সেইটো ভাবিয়েই তাৰ ভাল লাগিল। সি জনা মতে সাগৰিকা এজনী দুখীয়া ঘৰৰ ছোৱালী। হয়তো তাই পাবলগীয়া সকলো সা-সুবিধা মাক-দেউতাকে দিব পৰা নাই, কিন্তু তাই প্ৰমাণ কৰি দেখুৱালে ধন-সম্পত্তি যে শিক্ষাৰ ক্ষেত্ৰত কেতিয়াও হেঙাৰ হ'ব নোৱাৰে।

ৰাতিপুৱা ৬ বাজিছে তেনেকুৱাতে আকাশৰ ম'বাইলটো বাজি উঠিল। কোনোবাই ফোন কৰিছে। ফোনটো চাই দেখে যে মাকে কৰিছে। ফোনটো উঠোৱাৰ লগতে মাকে ক'লে- 'বাবা এটা ভাল খবৰ আছে'। আকশে কি ভাল খবৰ বুলি সোধাত মাকে ক'বলৈ ধৰিলে তোৰ transfer ৰ কামটো হৈ গ'ল। এতিয়া তই ঘৰত থাকিয়ে চাকৰি কৰিব পাৰিবি। আকশে অমান্তি হৈ মাকক ক'বলৈ ধৰিলে গাঁওখনৰ কথা। সি যে গাঁওখনৰ লগত আপোন হৈ গৈছে, গাঁওখন এৰি যোৱাৰ ইচ্ছা অলপো নাই তাৰ। অৱশেষত মাকেও ক'লে, তই যদি ভাল পাইছ তাতেই থাক। তই য'তেই নাথাক কিয় ভালদৰে থাকিলেই আমাৰ শান্তি।

প্ৰত্যেক দিনাৰ দৰে আকাশে স্কুল ছুটিৰ পাছত কলং নদীৰ মাথাউৰিটোৰে খোজকাঢ়ি তাৰ ৰুমলৈ বুলি গৈ আছিল। তেনেকুৱাতে তাৰ চকুত পৰিল গাঁৱৰ ডাঙৰ আঁহত জোপাৰ তলত গাঁৱৰ সকলো মানুহ গোট খাই আছে। গাঁৱৰ সকলোবোৰ মানুহক একেলগে দেখি সিও আগুৱাই গ'ল। বহুত মানুহ আৰু মাজত কোনোবা এজনী ছোৱালী। যদিও মানুহৰ ভিৰৰ কাৰণে সি ভালদৰে একো দেখা পোৱা নাই, তথাপিও সি এটা কথা ভালদৰেই ধৰিব পাৰিছে মানুহবোৰৰ মাজত কোনোবা এজনী ছোৱালী। গাঁৱৰে এজন মানুহক আকশে সুধিলে কি হৈ আছে ইয়াত জনাব নেকি? মানুহজনে ক'লে ডাইনী ওলাইছে। মানুহজনৰ উত্তৰত সি আচৰিত হৈ উঠিল। কাৰণ সৰুতে আইতাকে তাক ভূত/ ডাইনী এইবোৰৰ সাধু শুনাইছিল যদিও সি জীৱনত কেতিয়াও ডাইনী দেখা পোৱা নাছিল। সি মানুহবোৰৰ মাজলৈ ঠেলি-হেচি সোমাই গ'ল; আৰু সি দেখি আচৰিত হ'ল । মানুহবোৰে যাক ডাইনী বুলি পৰিচয় দি আছে তাই আন কোনো নহয় উচ্চতৰ মাধ্যমিক পৰীক্ষাত গাঁৱৰ ভিতৰতে ভাল ফলাফল লাভ কৰা সাগৰিকা। সি আচৰিত হৈ উঠিল মানুহ কেনেকৈ ডাইনী হ'ব পাৰে। সি সাগৰিকাৰ ফালে চালে, মেলা চুলিখিনিৰ সৈতে আঁহত জোপাৰ তলতে বহি আছে তাই। তাই মুখলৈ আকাশে ভালদৰে চালে। আৰু সি বুজি উঠিল মানসিক ভাৱে যে তাই বহুত দুৰ্বল। হয়তো কিবা নহ'বলগীয়া কিবা ঘটিছিল তাইৰ লগত। তেনেকুৱাতে গাঁৱৰ গাঁও প্ৰধান জনে ক'বলৈ ধৰিলে ৰাইজ এই ডাইনীজনী আমাৰ সমাজৰ বাবে বহুত ভয়ানক, যিহেতু গাঁৱত বহুতো সৰু সৰু ল'ৰা-ছোৱালী আছে। ভৱিষ্যতে হয়তো তাই কাৰোবাৰ ক্ষতি কৰিব

পাৰে। গতিকে, যদি তাইক ইমানতে শেষ কৰি পেলোৱা নহয়, তেনেহ'লে পাছত গাঁৱত এক ভয়ানক বিপদ হ'ব। সকলোৰে গাঁও প্ৰধান জনৰ কথাত সন্মতি দিলে। আকাশ আৰু সাগৰিকাৰ ঘৰৰ মানুহে গাঁৱৰ মানুহবোৰক বহুত বুজাবলৈ চেষ্টা কৰিছে । কিন্তু কোনোৱে শুনিবই নিবিচাৰে, সাগৰিকাক আঁহত গছডালত বান্ধি থলে আৰু ৰাইজে সিদ্ধান্ত ল'লে অহা কাইলৈ যিহেতু শনিবাৰ গতিকে, তাইক কালি মাৰ আগত বলি দিয়া হ'ব। ৰাতিটো তাইক গছডালতে বান্ধি থোৱাৰ সিদ্ধান্ত ল'লে। আকাশে বহুত ভাবি-চিন্তি তাইক উদ্ধাৰ কৰাৰ কথা ভাবিলে আৰু ৰাতিয়েই সি ভাগৰক ফোন কৰি মাতি তাইক চহৰলৈ লৈ গ'ল। ঘৰত মাক-দেউতাকৰ আগত আকাশে সকলো কথা খুলি ক'লে। সকলোৱে সাগৰিকাক ঘটনাটোৰ বিষয়ে সোধাত লাগিল। কিন্তু তাই যে কাৰো কথাৰেই উত্তৰ নিদিয়ে। আকাশে নিজেও বহুবাৰ সুধিছে তাইক কিন্তু তাই একো উত্তৰেই নিদিয়ে। পিছদিনা আকাশে সাগৰিকাৰ ঘৰৰ মানুহক ফোন কৰি সকলো জনালে। সাগৰিকাৰ ঘৰৰ মানুহে আকাশক অশেষ ধন্যবাদ দিলে আৰু তাক অনুৰোধ কৰিলে তাইক যেন গাঁৱলৈ ঘূৰাই নানে। সাগৰিকাৰ ঘৰৰ মানুহৰ লগত কথা পতাৰ পাছত তাইক সি হাস্পাতাললৈ লৈ গ'ল। ডাক্তৰে কোৱা মতে মানসিকভাৱে তাই কিবা ডাঙৰ আঘাত পাইছে।

আকাশে ঘৰৰ বেলকনিতে থিয় হৈ কিবা এটা চিন্তা কৰি আছে। পাছ ফালৰ পৰা কোনোবাই মাত দিছে। শুনকছোন? সি ঘূৰি চাই দেখে সাগৰিকা। সি বহুত আচৰিত হ'ল তাই ক'লে মই আজি সকলো কম আপোনাক। তাই ক'বলৈ ধৰিলে তাইৰ সেই অভিশপ্ত দিনটোৰ কথা। আনদিনাৰ দৰে সেই দিনাও মই কলেজলৈ গৈ আছিলো। আপুনি হয়তো দেখিছেই মাথাউৰিতোৰে কিছুদূৰ যোৱাৰ পাছত চাৰিওফালে জংঘল এডৰা পোৱা যায়। সেইদিনা মই যেতিয়া সেই ঠাইডোখৰ পাইছিলো, পাছফালৰ পৰা এজন মানুহ আহি মোক হাবিৰ মাজলৈ টানি লৈ গ'ল। মানুহজনে মুখ ক'লা মাস্ক পৰিধান কৰি আছিল। যাৰ কাৰণে তেওঁক মই চিনি নাপালোঁ। মানুহজনে মোৰ লগত বহু নকৰিবলগীয়া কাম কৰিলে। যাৰ কাৰণে মই মানসিকভাৱে ভাঙি পৰিলোঁ। পাগলীৰ দৰে হৈ পৰিলো । গাঁৱৰ মানুহবোৰে ভাবিলে মই ডাইনী। মোৰ গাত কিবা ডাইনী লম্ভিছে। গাঁৱৰ মানুহে মোক মাৰি পেলোৱাৰ সিদ্ধান্ততো মই মাত দিয়া নাছিলো । কাৰণ মোৰ জীয়াই থকাৰ কোনো ইচ্ছা নোহোৱা হৈ গ'ল। আৰু শেষত আপুনি আহি মোক বচালে। আপুনি মোৰ বাবে যি কৰিলে তাৰ বাবে আপোনাৰ ওচৰত মই কৃতজ্ঞ। কিন্তু মোৰ যে জীয়াই থকাৰ কোনো ইচ্ছাই নাই। সাগৰিকাৰ কথাবোৰ শুনি আকাশে ক্ষন্তেক সময় নিস্তব্ধ হৈ ক'বলৈ ধৰিলে। তোমাৰ লগত যি হ'ল সেয়া হয়তো তোমাৰ বাহিৰে আন কোনোবাই তাৰ কষ্ট অনুভৱ কৰিব নোৱাৰে। কিন্তু মানুহ মৰাৰ হাজাৰটা কাৰণ থাকিলেও, মানুহক জীয়াই থকাৰ কাৰণে মাত্ৰ এটা কাৰণ লাগে। আৰু তোমাৰো হয়তো তেনেকুৱা কিবা কাৰণ আছে, যাৰ কাৰণে তুমি জীয়াই থকাৰ সাহস পোৱা। তুমি তোমাৰ সপোনবোৰ পূৰ কৰা মই সদায় তোমাৰ সাহস হৈ থিয় দিম। সাগৰিকা এতিয়া প্ৰায় সুস্থ। আকাশহঁতৰ ঘৰৰ সকলোৱে তাইক নিজৰ ছোৱালীৰ দৰেই মৰম কৰে। তাইক সাহস দিবলৈ আকাশতো আছেই তাইৰ কাষত। আকাশে এতিয়া চহৰতে শিক্ষকতা কৰে। গাঁৱৰ পৰা চহৰলৈ তাৰ ট্ৰেন্সফাৰটো হৈ গ'ল। আকাশে আৰু সিহঁতৰ ঘৰৰ মানুহে বহুবাৰ কোৱাত সাগৰিকাই এইবাৰ Neet পৰীক্ষা দিছে। আৰু তাই Neet পৰীক্ষাত ভাল ফলাফল কৰি Guwahati medical College ত Admission লৈছে। যিহেতু আকাশহঁতৰ ঘৰৰ ওচৰতে কলেজখন, সেইবাবে তাই কোনো হোষ্টেলত বা ভাড়াঘৰ লোৱা নাই। আজিকালি তাই আকাশৰ লগত সন্ধিয়া অলপ উলাইয়ো যায়। তাই যে এতিয়া সম্পূৰ্ণ সুস্থ। তাই কেতিয়াবা ভাবে আকাশৰ কথা । তাইৰ কাৰণে সি যেন মানুহ ৰূপী ভগৱানহে; আৰু কেতিয়াবা তাই ভাবে তাই বাৰু প্ৰেমত পৰিছে নেকি আকাশৰ। প্ৰত্যেক সময়তে যে তাইৰ মনত আকাশৰ মুখখনেই ভাঁহি থাকে। কিন্তু তাই আকাশক একো ক'বও নোৱাৰে। কাৰণ তাইৰ অতীত যে অতি ভয়ংকৰ। সেই ভাবিয়ে তাই তাক এই বিষয়ে একো নকয়। আজি সাগৰিকাৰ কলেজৰ শেষৰটো দিন। আজিৰপৰা তাইৰ পৰিচয় সাগৰিকা বৰুৱা নহয়, ডাঃ সাগৰিকা বৰুৱাহে। তাই, আকাশ আৰু ঘৰৰ সকলোৰে মনত আজি এক সুকীয়া আনন্দ। আজি সন্ধিয়া আকাশহঁতৰ ঘৰত এটা সৰু পাৰ্টি আছে। পাৰ্টিটো সাগৰিকাই চাকৰি পোৱাৰ বাবে আয়োজন কৰা

হৈছে। পাৰ্টিত ঘৰৰ সকলোৰে আকাশৰ বিয়াৰ কথা উলিয়াইছে। সিহঁতৰ ঘৰৰ ওচৰৰ বৰুৱানী খুৰীয়ে ভাল ছোৱালী এজনী আছে বুলি কোৱাত সাগৰিকাৰ মুখখন যে ক'লা পৰি গৈছিল। আকাশেও কথাটোত মান্তি নহ'ল। তাৰ মতে এতিয়াই বিয়াৰ কাৰণে সাজু নহয় সি।পাছদিনা ৰাতিপুৱা সাগৰিকা সোনকালেই উঠিলে। কাৰণ সেইদিনা চাকৰিৰ প্ৰথমটো দিন তাইৰ । গতিকে, তাইক থৈ আহিবলৈ আকাশকো জগাই আছে। আকাশে তাইক থৈ আকৌ স্কুললৈ যাব লাগিব। গতিকে সি সোনকালেই ওলাই যাব লাগিব। সি আৰু সাগৰিকাই breakfast কৰি দুয়োটাই ওলাই গ'ল। আকাশৰ বাইকৰ পাছৰ চিটতো যেন তাইৰ বাবে Reservation চিট। সিহঁত হাস্পাতাল পালেগৈ। সাগৰিকাই আকাশক সন্ধিয়া ওলাই যোৱাৰ কথা ক'লে, সি হ'ব বুলি কৈ স্কুললৈ গ'ল। আবেলি দুয়োটাই নিজৰ নিজৰ কাম সামৰি ঘৰত সকলোৰে লগত একেলগে বহিছে। ঘৰৰ সকলোৰে সাগৰিকাক চাকৰিৰ প্ৰথম দিনটোৰ অভিজ্ঞতাৰ বিষয়ে সুধিছে। অলপ পাছত আকাশ আৰু সাগৰিকা পাৰ্কৰ ফালে ওলাই গ'ল। কও নকও কৈ সাগৰিকাই আকাশক ক'লে, 'তোমাৰ লগত মোৰ এটা কথা আছিল'। আকাশে উত্তৰ দিলে - 'কোৱা আকৌ'। তাই ক'লে 'কথাটো ক'লে যদি তুমি বেয়া পোৱা'। তাই ক'লে, অতীত যদি ধুৱলি-কুঁৱলী হয়, তেন্তে ভৱিষ্যতৰ সপোনবোৰ ৰঙীন কৈ দেখিব পাৰিনে? আকাশে ক'বলৈ ধৰিলে মানুহৰ অতীত যিমানেই ধুৱলি-কুঁৱলী নহওক কিয় ভৱিষ্যতৰ সপোন সদায় ৰঙীন ভাবেই দেখিব লাগে। তাই ক'লে যদি সেই ভয়ংকৰ অতীতে ভৱিষ্যতত কেতিয়াবা আঘাত দিয়ে। আকাশে ক'লে, পাৰ হৈ যোৱা সময়ে মানুহক কেতিয়াও আঘাত নিদিয়ে, মানুহক আঘাত দিয়ে বৰ্তমান আমি কৰি থকা ভুলবোৰে। যদি মই বেয়া কিবা কৰিছিলো সেইটোৰেই কেতিয়াও আঘাত নিদিয়ে । যদি মই বেয়া কিবা কৰি আছো সেইটোৰেহে মানুহক বেছিকৈ আঘাত দিয়ে। সাগৰিকাই ক'লে, মই বহুত দিনৰ পৰা এটা কথা তোমাক ক'ম বুলি ভাবিও ক'ব পৰা নাই। আজি বহুত সাহস গোটাই ক'বলৈ আগবাঢ়িছো। আকাশে ক'লে - মোক কিবা ক'বলৈও তুমি সাহস গোটাব লাগেনে, কি কথা কোৱা । সাগৰিকাই ক'লে, তুমিতো জানাই - মোৰ বিষাক্ত অতীতৰ কথা - তথাপিও যদি তুমি গ্ৰহণ কৰা, তেনেহ'লে মই চিৰদিনৰ বাবে তোমাৰ হ'ব বিচাৰো। আকাশে ক'লে, তোমাৰ অতীত মোক নালাগে আৰু তোমাৰ লগত যি হৈছিল তাতটো তোমাৰ কোনো দোষ নাই। আচলতে মইয়ো বহুদিনৰ পৰাই ভাল পাঁও তোমাক, কিন্তু তোমাক ক'বলৈ মোৰ সাহস নহ'ল । কাৰণ যদি তুমি মোক স্বাৰ্থপৰ বুলি ভাবা, সেই ভাবিয়ে কোৱা নহ'ল। সাগৰিকাই ক'লে তুমি স্বাৰ্থপৰ নহয়, তুমিতো মোৰ বাবে ভগৱান। আজি যদি মই জীয়াই আছো সেয়া কেৱল তোমাৰ বাবে। সন্ধিয়া পাৰ্কখনত থকা ৰাধাচূড়া জোপাৰ তলত এজনে আনজনক সাৱটি ধৰিছে। তাতে জোনাক নিশাৰ আকাশ এক মনোমোহা দৃশ্যাংশ। অলপ পাছত সিহঁত ঘৰলৈ গুছি আহিল। প্ৰত্যেক দিনাৰ দৰে পাছদিনা আকৌ আকাশে সাগৰিকাক হাস্পাতালত থবলৈ গ'ল। সেইদিনা হাস্পাতালত সাগৰিকাই হঠাতে সিহঁতৰ গাঁৱৰ গাঁও প্ৰধানৰ জীয়েক পৰীক দেখিলে। দেখি লগে লগেই তাই পৰীৰ ওচৰলৈ আগবাঢ়ি গ'ল। পৰীয়ে প্ৰথমে তাইক চিনি পোৱা নাছিল যদিও, পাছত তাই কোৱাত চিনি পালে। পৰী আচৰিত হৈ গ'ল - যিজনী ছোৱালীক ডাইনী বুলি ভাবি গাঁৱৰ মানুহে হত্যা কৰিব ওলাইছিল সেইজনী ছোৱালী আজি এজনী ভাল চিকিৎসক। সাগৰিকাই পৰীক সুধিলে, তই ইয়াত যে কাৰ কি হৈছে? পৰীয়ে ক'লে দেউতাৰ হাই প্ৰেচাৰ । আজি বহুত দিন ধৰি হাইপ্ৰেচাৰ-এইবাৰ বহুত বেছি। বহুত চিকিৎসা কৰিছো তথাপিও ভাল হোৱা নাই। সাগৰিকাই পৰীক সান্ত্বনা দি ক'লে মই আছো খুৰাৰ একো নহয়। খুৰা কোনটো ৰুমত আছে? পৰীয়ে সাগৰিকাক দেউতাকৰ ওচৰলৈ লৈ গ'ল। এসপ্তাহমান চিকিৎসা কৰাৰ পাছত পৰীৰ দেউতাক প্ৰায় সুস্থ হৈ উঠিছে। পৰীয়ে সাগৰিকাৰ সকলো কথা দেউতাকক বুজাই ক'লে। তাৰ পাছত লগে লগে পৰীৰ দেউতাকে সাগৰিকাক মাতি আনি ক্ষমা বিচাৰিলে। কিদৰে অন্ধবিশ্বাসৰ বলি হৈ তাইক ডাইনী সজাই হত্যা কৰিবলৈ চেষ্টা কৰিছিল। যাক ডাইনী বুলি ভাবিছিল তাইয়েই আজি চিকিৎসা কৰি তেওঁক সুস্থ কৰি তুলিলে। সাগৰিকা আৰু আকাশৰ ঘৰৰ সকলোৰে সিহঁতৰ বিয়াখনত সন্মতি দিছে। এইবাৰ বহাগতে আকাশ আৰু সাগৰিকাৰ বিয়া। গাঁৱৰ সকলো মানুহেই এতিয়া বুজি উঠিল যে কোনো ডাইনীয়ে এখন সুস্থ সমাজ ধ্বংস কৰিব নোৱাৰে, সমাজ ধ্বংস কৰে অন্ধবিশ্বাস আৰু ঠেক মানসিকতাই।

●●●

এটা সময়ত যিটো বৃদ্ধাশ্ৰমত এই দম্পতীয়ে নিজেই অসহায় বৃদ্ধ মানুহবোৰক আনি আশ্ৰয় দিছিলে, সময়ৰ কালচক্ৰত সেই বৃদ্ধাশ্ৰমত থকা আটাইতকৈ দুৰ্ভগীয়া দম্পত্তি হালেই হৈছে ৰিমা আৰু মৃন্ময়। কিন্তু তেওঁলোকক বাহিৰৰ পৰা দেখিলে কোনেও ক'ব নোৱাৰিব যে আটাইতকৈ দুৰ্ভগীয়া পিতৃ-মাতৃ হালেই হৈছে ৰিমা আৰু মৃন্ময়। কিয়নো তেওঁলোকৰ নাছিল ভগৱানৰ প্ৰতি কিবা অভিযোগ, নাছিল নিজৰ সন্তানৰ প্ৰতি কিবা খং, অভিমান বা অভিযোগ।



# সময়


**নিখিতা দাস**
স্নাতক পঞ্চম ষান্মাসিক (বিজ্ঞান শাখা)


ৰিমাই তাইৰ গিৰিয়েক মৃন্ময় আৰু ল'ৰা-ছোৱালী তপন আৰু ৰিম্পিৰ সৈতে নগাঁৱৰ নিজৰ বাসগৃহতে বসবাস কৰে। ৰিমা হৈছে এগৰাকী গৃহিনী আৰু মৃন্ময় হৈছে এজন ব্যৱসায়ী। তেওঁলোকৰ নিজাকৈ এখন বৃদ্ধাশ্ৰম আছে, য'ত ৰিমা আৰু মৃন্ময়ে অসহায় বৃদ্ধ মানুহবোৰক আনি তাতে আশ্ৰয় দিয়ে আৰু নিজৰ মা-দেউতাৰ দৰেই সেৱা-শুশ্ৰূষা কৰে। ৰিমাহঁতৰ বৃদ্ধাশ্ৰমত থকা প্ৰতিজন মানুহে মৃন্ময় আৰু ৰিমাক বহুত ভাল পায়। মৃন্ময়ে যিদৰে বাহিৰত ব্যৱসায়ৰ কাম চম্ভালে ঠিক তেনেদৰে ৰিমায়ো ঘৰতে থাকি নিজৰ ল'ৰা-ছোৱালীৰ আল-পৈচান ধৰাৰ পৰা আৰম্ভ কৰি বৃদ্ধাশ্ৰমত থকা ব্যক্তিসকলৰ সকলো ধৰণৰ খা-খবৰৰ পৰা চোৱা-চিতা কৰালৈ সকলো কাম তাই নিজৰ হাতেৰে কৰে।

এনেদৰেই ৰিমা আৰু মৃন্ময়ে সুখেৰে দিনবোৰ পাৰ কৰি আছিল। ৰিমা আৰু মৃন্ময় বহুত সহজ-সৰল, সৎ আৰু পৰোপকাৰী স্বভাৱৰ হোৱা বাবে তেওঁলোকক সকলোৱে বহুত ভাল পাইছিল। কাৰোবাৰ যেন ৰিমা আৰু মৃন্ময়ৰ এই সুখৰ সংসাৰ খনৰ ওপৰত নজৰ পৰিল। দিনক দিনে মৃন্ময়ৰ ব্যৱসায় লাহে লাহে অৱনতিৰ ফালে আগবাঢ়িল কিয়নো, মৃন্ময়ৰ ব্যৱসায়ৰ সহযোগীজনে গোপনে ব্যৱসাগৰ লাভৰ আধাতকৈ বেছি অংশ নিজে আত্মসাৎ কৰিছিল, যিটো মৃন্ময়ে গমকে পোৱা নাছিল। যাৰ ফলস্বৰূপে ব্যৱসায় প্ৰায় বন্ধৰ দিশত। কিন্তু ইমানখিনি হৈ যোৱাৰ পিছতো ৰিমা আৰু মৃন্ময়ে নিজৰ ওপৰত আৰু ভগৱানৰ ওপৰত বিশ্বাস ৰাখি আগবাঢ়ি গৈ থাকিল। তেওঁলোকে পুনৰ নিজৰ ব্যৱসায়টো আকৌ নতুনভাৱে আৰম্ভ কৰিলে আৰু বহুখিনি সফলো হ'ল, লাহে লাহে আকৌ আগৰ দৰে হৈ আহিছিল তেওঁলোকৰ জীৱন। সকলোবোৰ ঠিকেই চলি আছিলে। সদায় নতুন নতুন অসহায় বৃদ্ধ মানুহ তেওঁলোকৰ বৃদ্ধাশ্ৰমৰ সদস্য হৈ গৈ আছিল। চাওঁতে চাওঁতে ১০ বছৰ পাৰ হ'ল। ৰিমা আৰু মৃন্ময়ৰো বয়স হ'ল যদিও তেওঁ লোকে আগৰ দৰেই অসহায় মানুহবোৰক সহায় কৰি গৈ আছিল, কিন্তু তেওঁলোকে সেইখিনি সময়ত এইটোজনাই নাছিলে যে তেওঁলোকৰ জীৱনলৈ আটাইতকৈ বেদনাদায়ক সময়খিনি

আগন্তুক হৈ ৰখি আছিল।

কেইদিনমান পিছত ৰিমাৰ ঘৰত এক ব্যস্ততামুখৰ পৰিৱেশ কাৰণ তেওঁলোকৰ ল'ৰা-ছোৱালী তপন আৰু ৰিম্পীয়ে পঢ়া-শুনা শেষ কৰি চাকৰি লৈ বিদেশৰ পৰা ঘৰলৈ আহি আছিল। সিহঁত দুটা ঘৰ আহি পোৱাৰ পিছত মাক-দেউতাকৰ যেন সুখৰ অশ্রু বৈ গৈছিলে। কিন্তু, কেইদিন মানৰ ভিতৰত সুখৰ সেই অশ্রুখিনি দুখৰ অশ্রুলৈ ৰূপান্তৰিত হৈছিল। কিয়নো ৰিমা আৰু মৃন্ময় তেওঁলোকৰ উচ্চ শিক্ষিত সন্তানৰ ওচৰত বোজা হিচাপে পৰিগণিত হৈছিল। এদিন তপন আৰু ৰিম্পীয়ে মাক-দেউতাক কাৰ লগত থাকিব, কোনে চিৰদিনৰ বাবে মাক-দেউতাকৰ দায়িত্ব ল'ব এইবোৰক লৈ তৰ্ক কৰি আছিল। কাৰণ তপন আৰু ৰিম্পী দুয়োজনৰ ভিতৰত এজনেও মাক-দেউতাকৰ দায়িত্ব ল'ব খোজা নাছিল। সিহঁত দুটাই নিজৰ নিজৰ জীৱন বিদেশত একেবাৰে স্থায়ী বসবাসী হ'বলৈ সকলো ঠিক কৰি পেলাইছিল। এই কাৰণতে সিহঁত দুটাই নিজৰ মাক-দেউতাকক লগত নিব খোজা নাছিল। ৰিম্পীৰ মতে সিহঁতৰ মাক-দেউতাক হেনো বেকডেটেদ; বিদেশত গৈ নিজকে তাৰ পৰিৱেশৰ লগত মিলাই ল'ব নোৱাৰিব আৰু মাক-দেউতাকক লগত লৈ গ'লে খৰচো বেছি হ'ব। এই সকলোবোৰ ভাবি তপন আৰু ৰিম্পী কোনেও মাক-দেউতাকৰ দায়িত্ব ল'ব খোজা নাছিল আৰু এইবোৰ লৈয়ে সিহঁত দুটাৰ মাজত কাজিয়া আৰু তৰ্কা-তৰ্কি।

ৰিম্পী আৰু তপনে এনেকৈ কাজিয়া লাগি থাকোতে এই সকলোবোৰ ৰিমা আৰু মৃন্ময়ে বাহিৰৰপৰা শুনি আছিল-যাৰ ফলত তেওঁ লোকে মনত বহুত কষ্ট পালে। তথাপিও সিহঁতৰ দুটাৰ সন্মুখত আহি ক'লে- 'বাৰু মাজনী তহঁতে আমাক লৈ চিন্তা কৰিব নালাগে। তহঁতে য'তে যাব খুজিছ, যি কৰিব খুজিছ তাকেই কৰিব পাৰ। আমাৰ কাৰণে তহঁতৰ জীৱনত কোনোধৰণৰ বেমেজালি সৃষ্টি হওঁক সেইটো আমি নিবিচাৰো। আমি তহঁতক ডাঙৰ-দীঘল কৰিলো, পঢ়া-শুনা শিকালো, নিজৰ ভৰিত থিয় কৰালো; এতিয়া আমাৰো দায়িত্ব শেষ। বাকী জীৱনটো সুন্দৰভাৱে চলি যাব পাৰিবি আৰু আমাক লৈ ইমান চিন্তা কৰিব নালাগে। আমি ইয়াতে কিবা এটা কৰি জীৱনৰ অন্তিম সময়খিনি পাৰ কৰিব পাৰিম। এইদৰে কৈ ৰিমা আৰু মৃন্ময় ভিতৰলৈ সোমাই গ'ল। এনেদৰে কেইদিনমান যোৱাৰ পিছত তপন আৰু ৰিম্পীয়ে নিজৰ নিজৰ প্ৰয়োজনীয় নথি-পত্ৰৰ লগতে সা-সামগ্ৰীবোৰ লৈ নিজৰ বৃদ্ধ মা-দেউতাকক এৰি চিৰদিনৰ বাবে বিদেশলৈ যাত্ৰা কৰিলে। সিহঁত যোৱাৰ পিছতেই মাক-দেউতাকে নিজৰ সা-সম্পত্তি গোটেইবোৰ Charity house ত দি বৃদ্ধাশ্ৰমত আশ্ৰয় ল'লে।

এটা সময়ত যিটো বৃদ্ধাশ্ৰমত এই দম্পতীয়ে নিজেই অসহায় বৃদ্ধ মানুহবোৰক আনি আশ্ৰয় দিছিলে, সময়ৰ কালচক্ৰত সেই বৃদ্ধাশ্ৰমত থকা আটাইতকৈ দুৰ্ভগীয়া দম্পত্তি হালেই হৈছে ৰিমা আৰু মৃন্ময়। কিন্তু তেওঁলোকক বাহিৰৰ পৰা দেখিলে কোনেও ক'ব নোৱাৰিব যে আটাইতকৈ দুৰ্ভগীয়া পিতৃ-মাতৃ হালেই হৈছে ৰিমা আৰু মৃন্ময়। কিয়নো তেওঁলোকৰ নাছিল ভগৱানৰ প্ৰতি কিবা অভিযোগ, নাছিল নিজৰ সন্তানৰ প্ৰতি কিবা খং, অভিমান বা অভিযোগ। মাথো এটা কথাই ভাবি জীয়াই থকাৰ প্ৰেৰণা পাই যে, হয়টো এয়াই আছিল তেওঁলোকৰ ভৱিষ্যত যাক হাঁহি মুখেৰে আদৰি লৈ জীৱনৰ শেষ সময়খিনি পাৰ কৰা।

●●●

মানুহৰ কৰ্তব্যৰ মূল কথা মাত্ৰ দুটা ঃ ভগৱানৰ প্ৰতি কৰ্তব্য- এইটো প্ৰতিজন লোকে অন্তৰত অনুভৱ কৰিব লাগিব, আৰু ওচৰ-চুবুৰীয়াৰ প্ৰতি কৰ্তব্য - তোমাৰ প্ৰতি আনে যেনেকুৱা আচৰণ কৰিলে তুমি ভালপোৱা, তেওঁলোকৰ প্ৰতিও তুমি তেনেকুৱা আচৰণকে কৰিব লাগে।

--উইলিয়াম মৰিচ

# অনুগল্প

## আৱৰ্জনা

⏭ **সুস্মিতা দাস**
প্ৰাক্তন ছাত্ৰী

গিৰীয়েকৰ মৃত্যুৰ পাছত মালতীয়ে বহুত কষ্ট কৰি নবীনক ডাঙৰ-দীঘল কৰি পঢ়াই-শুনাই এজন ডাঙৰ অভিযন্তা কৰিবলৈ সক্ষম হ'ল। নবীনে নিজে পচন্দ কৰা অফিচৰ এগৰাকীক নিজৰ জীৱন সংগী কৰিলে। কিন্তু, সৰুৰেপৰা ইমান কষ্টেৰে ডাঙৰ- দীঘল কৰা মাক মালতী আজি নবীন আৰু তেওঁৰ পত্নীৰ বাবে ঘৰৰ আৱৰ্জনা হৈ পৰিল।

●●●



## অভাৱ

⏭ **ধ্ৰিৰুপৰন বৰদলৈ**
স্নাতক তৃতীয় ষান্মাসিক

আজি দেৱালীৰ নিশা। চৌদিশে ফটকা-ফুলজাৰী, ৰঙীন ৰঙীন লাইটেৰে সকলোৰে ঘৰ উজ্বলাই তুলিছে। একমাত্ৰ পোনাকণহঁতৰ ঘৰৰ বাহিৰে সকলোৰে পদূলিত পোহৰ, কেৱল পোহৰ। মাক মনোমতীয়ে আমন-জিমন কৰি পিৰালীতে বহি আছে, কাষত পোনাকণে নিজৰ ভৰি দুখনৰ তলত মূৰটো সুমুৱাই কিবা-কিবি ভাবি আছে। হঠাৎ চাইকেলৰ টিলিঙাৰ শব্দত পোনাকণ দেউতাকৰ কাষলৈ দৌৰ মাৰে আৰু গৈয়ে চাইকেলৰ পৰা নমাই থোৱা মোনাটো আনন্দ মনেৰে খুলি চালে । কিন্তু পোনাকণে কেইটামান চাউলৰ বাদে মোনাটোত আন একো নাপালে। পোনাকণে খঙত চিঞঁৰি উঠাৰ দৰে ক'লে - "দেউতা, সকলোৱে ব'ম-ফটকা ফুটাইছে আৰু মই ঘৰতে এনেই আছোঁ, মোকো আনি দিয়া না।" তাৰ এনে প্ৰশ্নৰ উত্তৰত দিন-হাজিৰা কৰা দেউতাকে হাতেৰে চকু দুটা মচি ল'লে। আৰু ক'লে - "পিতাই কিছুমান উৎসৱ আমাৰ দৰে মানুহৰ বাবে নহয় অ'।"

●●●

# ভয়

⏭ **প্ৰণৱজ্যোতি দাস**
স্নাতক প্ৰথম ষান্মাসিক

ৰাজপথৰ দাঁতিত থিয় হৈ থকা চাৰিঠেঙীয়া কুকুৰকেইটাক দেখি ভয়ত উচপ্ খাই উঠি কণমানিজনীয়ে মাকক সাৰটি ধৰি ক'লে -'মা মোৰ বৰ ভয় লাগিছে'। উত্তৰত মাকে ক'লে - ভয় কৰিব নালাগে মাজনী, কাৰণ কুকুৰকেইটা চাৰিঠেঙীয়াহে, সিহঁত দুঠেঙীয়া 'মানুহ' নহয়তো!

●●●



# প্ৰতাৰণা

⏭ **ভনিতা শৰ্মা**
স্নাতক পঞ্চম ষান্মাসিক

বিবাহ পাশত আৱদ্ধ হৈ এক নতুন জীৱনৰ সপোন দেখা, ৰিমাশ্ৰী আজি ৰাজপথত ঘূৰি ফূৰা এজনী পাগলী। কিন্তু তাইক প্ৰতাৰণা কৰা ভৰেশ আৰু তাৰ মাতৃ এতিয়াও মুক্ত আকাশৰ তলত। ভৰেশৰ পত্নী ৰিমাশ্ৰী যদি এগৰাকী নাৰী হয়; তেন্তে ভৰেশৰ মাতৃয়োতো এগৰাকী নাৰীয়েই !!

●●●

# বাস্তৱ

⏭ **চুম্পি দাস**
স্নাতক তৃতীয় ষান্মাসিক

ৰমেনে পথাৰৰপৰা খৰখেদাকৈ আহি ভাত দুমুঠি খাই চিন্তিত মনেৰে কলেজলৈ বাট ললে। কিয়নো মাকে মাহেকত পোৱা অৰুণোদয় আঁচনিৰ টকাকেইটাৰে যাৱতীয় ঔষধৰ পইচাই নহয়, তেনেস্থলত সৰুতে বাপেক হেৰুৱা ৰমেনে কেনেকৈ মাকক নিজৰ বাবে প্ৰয়োজন হোৱা নতুন কিতাপ কিনাৰ কথাটো কয়? আনহাতে বৰা খুড়াৰ জীয়েক ৰিম্পীয়ে মাহেকত পোৱা নিযুত মইনা আঁচনিৰ পইচাৰে নিজৰ বন্ধু - বান্ধৱীৰ লগত ৰেষ্টুৰেণ্টত ৫০০০ টকা খৰচ কৰি জন্মদিন পালন কৰিবলৈ গৈছে .... এয়াই হৈছে বাস্তৱ।

●●●

# পৰিচয়

⏭ **ড° মীৰা বৈশ্য**
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

তুমি সজাই দিয়া দূৰ্গৰ আৱেষ্টনীত মই নিজকে নিৰাপদ অনুভৱ কৰিছিলো। কিন্তু, ৰাতিৰ ধুমুহা-বৰষুণজাকে কৈ গ'ল ... সেয়াটো দূৰ্গ নহয় ... উঁই হাফলুহে ...!!

●●●

# প্ৰতিদান

⏭ **নিখিতা দাস**
স্নাতক পঞ্চম ষান্মাসিক



ৰাতি ভাত খাই থাকোতে আয়ানে মাকক সুধিলে- 'মা, আইতাক যে দেউতাই ৰাতিপুৱা ক'ৰবালৈ নি থৈ আহিছে, তাত বাৰু সকলো মানুহকেই বয়স হ'লে থৈ আহে নেকি?' মাকে ক'লে -'বাবা, তাতে আইতাৰ দৰে আৰু বহুতো মানুহে একেলগে বহুত ভালকৈ থাকে।' তেতিয়া আয়ানে ক'লে- 'মা, তাৰমানে তোমালোকৰো যেতিয়া আইতাৰ দৰে বয়স হ'ব, তোমালোককো তাত থৈ আহিব লাগিব ন মা'? নিজৰ সন্তানৰ মুখত এনে কথা শুনি ভাতৰ গৰাহত মুখ দিবলৈ লোৱা আয়ানৰ মাকৰ মুখ শুকাই গ'ল, ডিঙিৰপৰা যেন মাতটো ওলাব নিবিচৰা হ'ল !!

●●●



তোমাক লৈ বহুত সপোন দেখিছিলো, একেলগে সপোনবোৰ পূৰ কৰাৰ আশাৰে জীৱনৰ পাতনি মেলিছিলো....., কিন্তু কাৰোবাৰ যেন আমাৰ এই সুন্দৰ সম্পৰ্কটো সহ্য নহ'ল, হয়তো তাৰবাবেই.....

# নীলা খামৰ চিঠি

প্ৰিয়তমা,

মৰমৰ প্ৰিয়া..... ফাগুনৰ পলাশৰ ৰঙা ৰঙৰ অগণি। লগতে তোমাৰো আগমণি হৈছিল মোৰ জীৱনলৈ। তুমি মোৰ জীৱনলৈ আহি পলাশৰ ৰঙা ৰঙেৰে উপচাই পেলাইছিলা। কিন্তু কি জানা - পলাশৰ ৰং মাথোঁ ফাগুনতে প্ৰিয়। তাৰবাবেই হয়তো তুমি মোৰ জীৱনলৈ আহি এজাৰ ফুলাদি মনত বেজাৰ লগালা। জানানে আজিও মনত পৰে - তোমাৰ স'তে পতা সেই কথাবোৰ। কিন্তু এতিয়া সেই দিনবোৰ বৰ বিষাক্ত যেন অনুভৱ হয়। তুমি আঁতৰি যোৱা আজি  সাতবছৰ হ'ল, কিন্তু মোৰ বাবে তুমি এতিয়াও ৰাংঢালী ৰচকী জনীয়েই হৈ আছা। তোমাক লৈ বহুত সপোন দেখিছিলো, একেলগে সপোনবোৰ পূৰ কৰাৰ আশাৰে জীৱনৰ পাতনি মেলিছিলো....., কিন্তু কাৰোবাৰ যেন আমাৰ এই সুন্দৰ সম্পৰ্কটো সহ্য নহ'ল, হয়তো তাৰবাবেই.....

অ প্ৰিয়া, জানানে আজিও সেই পদূলিৰ সন্মুখত থকা কৃষ্ণচূড়া জোপাই তোমাৰ কথাকে সোধে। তোমাৰ সেই প্ৰিয় চৰাই-চিৰিকটিয়ে তোমাক বিচাৰি আজিও আমলখি গছজোপাত বহেহি। তুমি ভালপোৱা বস্তুবোৰেও আজি মোৰ দৰে হাঁহিবলৈ পাহৰি পেলাইছে। "মই নাজানো তুমি ক'ত আছা, মই নাজানো তুমি কেনে আছা? মাথোঁ জানো তুমি মোৰ হৃদয়ত আছা।"

শেষত নেদেখাজনলৈ এটাই প্ৰাৰ্থনা তুমি য'তেই আছা ভালেই থাকা। সৌ দূৰণি আকাশত তৰা হৈ জিলিকি থাকা, মোৰ প্ৰতিটো উশাহৰ তুমি স্পন্দন হৈ থাকা ...

ইতি
তোমাৰ আজন্ম প্ৰেমিক
সোনাই

**স্মৃতি দাস**

●●●

# সৃষ্টিৰ বাটেৰে...



## ক বি তা

কবিতা হৃদয়ৰ সন্তান।
চিন্তন আৰু মননে
তাক লালন-পালন কৰে।
অনুভৱৰ গভীৰতাত
কবিতা হৈ পৰে প্ৰাণোচ্ছল।
কবিতা অনুভূতিৰ গোপন আলিৰে
গৈ থকা এক জীৱন প্ৰৱাহ...




Chandramallika Maloi

# বিয়লি বেলাৰ আকুতি


**ড° হাবীবুৰ ৰহমান**
মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ


মই যেতিয়া বুঢ়া হৈ যাম
একেবাৰে আলৰ বৃদ্ধ
তেতিয়া তই মোৰ ওচৰত থাকিবিনে সোণ?
অলপ ধৈৰ্য ধৰি থাকিবিনে মোৰ ওচৰত?
ধৰ, এনেকুৰা যদি হয় কেতিয়াবা -
মোৰ হাতৰ পৰা তোৰ
দামী কাচৰ বাটি এটা পৰি ভাগি গ'ল,
নতুবা, আঞ্জাৰ বাটিটো বগৰাই পেলালোঁ চকচকীয়া মজিয়াখনত
তই মোক খং নকৰিবি দেই -
মই যে তেতিয়া চকুৰে ভালদৰে
মনিবই নোৱাৰা হ'ম
তই তেতিয়া চিঞৰি চিঞৰি গালি নেপাৰিবি প্লিজ
বৃদ্ধসকলে যে প্ৰতিপল নিজকে অৱহেলিত বুলি ভাবে
তই বাৰু জাননে সেই কথা ?

জান! এটা সময় আহিব
মই হয়তোবা কাণেৰেও নুশুনা হ'ম
তই কোৱা কথাখিনি একেবাৰতে নুবুজাও হ'ব পাৰোঁ -
সেই বুলি তই মোক
বধিৰ বুলি নেমাতিবি দেই সোণ!
লাগিলে অলপ কষ্ট কৰি
আকৌ এবাৰ কবি কথাটো!
নহয়তোবা কাগজ এটুকুৰাতে
লিখি দিবি গোট গোটকৈ!
তাৰ বাবে তই মোক বেয়া নাপাবি -
প্ৰকৃতিৰ নিয়ম মানিয়েইতো
বাৰ্ধক্যৰ সাজ পিন্ধিছোঁ,
কি কৰিম ক?

এটা সময়ত যেতিয়া মোৰ আঁঠু কঁপিব
ভৰি দুখনে আৰু শৰীৰৰ ভাৰ ববলৈ অস্বীকাৰ কৰিব
অকমান ধৈৰ্য ধৰি
মোক উঠিবলৈ সহায় কৰিবিনে বাৰু?
যেনেকৈ তই মোৰ দুভৰিৰ পতাৰ ওপৰত থিয় হৈ
প্ৰথম খোজ কাঢ়িবলৈ শিকিছিলি
ঠিক তেনেকৈ!

কেতিয়াবা মই ভগা ৰেকৰ্ড-প্লেয়াৰৰ দৰে
হকে-বিহকে বকবক কৰি থাকিলেও
তই অলপ কষ্ট কৰি হ'লেও শুনিবি কিন্তু
মোৰ কথাবোৰ -
মোৰ বকবকনিত তই মোক নেহাঁহিবি প্লিজ!
তোৰ বাৰু মনত আছেনে -
তই যে এটা বেলুনৰ কাৰণে
মোৰ ওচৰত কিমান ঘেনঘেনাই আছিলি,
কিনি নিদিয়ালৈকে যে
মোৰ কাণ দুখন ঘোলা কৰিছিলি
মনত পৰেনে তোৰ?

মোৰ গাৰ গোন্ধটোকো পাৰিলে ক্ষমা কৰি দিবি -
কাৰণ মোৰ গাত যে এতিয়া বাৰ্ধক্যৰ গোন্ধই বাহ লৈছে
গা ধুবলৈকো জোৰ নকৰিবি তেতিয়া
মোৰ গাটো যে বৰ দুৰ্বল হ'ব সোণ
অলপমান তিতিলেই পানী লগা হ'ব
তেতিয়া মোলৈ চাই নাক নোকোঁচাবি প্লিজ!

মনত আছেনে তোৰ -
সৰু থাকোঁতে তোৰ পিছে পিছে কিমান দৌৰিছিলোঁ মই
তই যে গা ধুবলৈ বৰ বেয়া পাইছিলি -

বিশ্বাস কৰ,
বৃদ্ধসকলৰো এনেকুৱাই হয়
হয়তো তয়ো বুজিবি এদিন
কোনোবা এদিন!

মই জানোঁ
সীমাহীন ব্যস্ততা তোৰ!
তথাপি সময় অকণ উলিয়াই আমি একেলগে
বহু কথা পাতিম, আড্ডা দিম দেই -
হওক বাৰু সি
কেইটামান মুহূৰ্তৰ বাবে
মইতো ওৰেটো দিন অকলশৰেই থাকোঁ!
তোৰ হয়তো ভাল নেলাগিবও পাৰে
তথাপি মোৰ কাষত অলপ পৰ বহিবি মোৰ সোণ
অন্ততঃ মোৰ ভাল লাগিবলৈ!
নিশ্চয় মনত আছে তোৰ -
তোৰ সৰু সৰু পুতলাৰ কথাবোৰ
মই যে কিমানবাৰ শুনিছিলোঁ -
তই যে কেৱল কৈয়েই আছিলি
আৰু মই?
মই শুনিয়েই আছিলোঁ
তোৰ পুতলাৰ অনন্ত সাধুবোৰ!



এনে এটা দিনো আহিব
মই বিছনাখনতে পৰি থাকিম
অথৰ্ব-অসহায় হৈ!
তেতিয়া তই মোৰ অলপ যত্ন ল'বিনে বাৰু?
ভুলতে কেতিয়াবা
বিছনাখন তিয়াই পেলালে
নাইবা চাদৰখন লেতেৰা কৰিলে
খং নকৰি তই মোক ক্ষমা কৰি দিবিনে বাৰু ?

এটা অনুৰোধ কৰোঁ -
মোৰ অন্তিম সময়খিনিত
মোক অকলশৰীয়াকৈ এৰি থৈ
দূৰলৈ নাযাবি প্লিজ
যেতিয়া সময় আহিব
যেতিয়া মই মোৰ স্ৰষ্টাক দেখা পাম
তেতিয়া তই মোৰ ওচৰত বহি
মোৰ হাতদুখন মুঠি মাৰি ধৰিবি -
তাৰ পিছত
তোৰ বুকুতখনত হাতদুখন হেঁচি ধৰি
মোক অকমান সাহস দিবি
যেন চিৰন্তন মৃত্যুক মই নিৰ্ভয়ে আলিঙ্গন কৰিব পাৰোঁ -
বিদায়ৰ মুহূৰ্তত এচামোচ গাখীৰ নতুবা পানী এচামোচকে
মোৰ মুখত বাকি দিবলৈ নেপাহৰিবি কিন্তু
চিন্তা নকৰিবি সোণ -
মই যেতিয়া মোৰ স্ৰষ্টাৰ সাক্ষাত পাম
তেঁৰক হাতযোৰকৈ ক'ম
তোৰ ওপৰত যেন তেওঁ কৃপা বৰ্ষণ কৰে!

তোক মই বৰ ভাল পাওঁ অ' সোণ
তই ভালে থাকিবি
আশীৰ্বাদ কৰোঁ -
তোৰ কুশল হওক, মঙ্গল হওক
আৰু নো কি আছে দিবলৈ মোৰ।

# সম্পৰ্ক

ড° লভিতা শৰ্মা
সহকাৰী অধ্যাপক
পদাৰ্থ বিজ্ঞান বিভাগ



মা!
আজীৱন দুহাতেৰে আলফুলে আঁৰি ৰখা এটা শব্দ।
এটা শব্দ যেন জীৱনৰ প্ৰতিটো মুহূৰ্তত জীয়াই
থাকিবলৈ দিয়া দুৰ্বাৰ প্ৰেৰণা।

আৰু দেউতা!
কঠিনৰ পৰা কঠিনতম সমস্যাৰ পৰা
মুক্ত কৰি দিব পৰা এক দুৰ্দান্ত সাহস।
যি নিজে জ্বলি হ'লেও
সন্তানক আলোকিত কৰিব পৰা এটা সংজ্ঞা।
আৰু ভৰপক যৌৱনত লগ পোৱা
জীৱন লগৰীবোৰ...
যেন প্ৰেম আৰু বিশ্বাসৰ এক জটিল সংজ্ঞা।
প্ৰেম-বিষাদ- দন্দ্ব-খৰিয়ালৰ এক মিঠা আমেজ।
এই সম্পৰ্ক সূচাৰুৰূপে দায়িত্ব
পালনত জীয়াই নাথাকে,
জীয়াই থাকে কেৱল,
সঁচা প্ৰেম, পাৰস্পৰিক সন্মান আৰু অন্তৰংগ আলাপত।
আৰু সেই মাতৃৰ গৰ্ভৰ পৰা
পৃথিৱীৰ পোহৰ চাবলৈ উদ্‌বাউল
হৈ থকা সন্তানবোৰ ...
প্ৰেমিকা যুগলক দায়িত্বশীল মা-দেউতালৈ
ৰূপান্তৰিত কৰা আশাৰ চাকিবোৰ।
যেন সাহসৰ লাখুটি হৈ
সমাজ আলোকিত কৰা এক অক্ষয় প্ৰদীপ।
আৰু সমাজ ...
পৃথিৱীখন সৰ্বাংগসুন্দৰ কৰি তুলিব পৰা
এটা পথ।
জীৱন যুদ্ধত সঠিক পথৰ সন্ধান দিয়া
এক সংজ্ঞা।
আৰু মই ...
এই সম্পৰ্কবোৰৰ পৰা অমৃত মন্থন
কৰিব খোজা এটা ক্ষুদ্ৰ সত্ত্বা।
সময়ে সময়ে জীৱন যুদ্ধত কক্‌বকাই থকা
এজন অক্লান্ত যোদ্ধা।
আৰু এই অনুভৱ ...
কোনোবা এটা সংজ্ঞাহীন দিনৰ দোকমোকালিত
গৰ্ভস্থ হ'বলৈ উক্‌মুকাই থকা শব্দৰ কোলাহল।

# স্তৱকত স্তব্ধ সময়

**⏭ ওম প্ৰকাশ ডেকা**
মূৰব্বী অধ্যাপক, হিন্দী বিভাগ

(১)
!!!Tranquility!!!
কবিতাৰ কথা....ভবা হোৱা নাছিল।
পদুলিমুখেৰে পাৰ হৈ যোৱা বাটৰুৱাই ৰিঙিয়াই কৈ যায়;
কবিতাৰ কথা..সাধুকথা কবিতাৰ... ! (গান হৈ সৰে)
সন্ধিয়াৰ কোমল সুবাসত....
তলসৰা পাতত..কবিতাৰ মূৰ্ত্ত গান...,
বতাহৰ স'তে তাৰ অভিন্ন হৃদয়...
পক্ষীৰ কলৰৱত দিনান্তৰ ইংগিত...
অম্লান ক্লান্তি, অৱসাদ ক্ষন্তেকীয়া...
প্ৰাত্যহিক জীৱন....,
দিগন্তত অস্তমিত সুৰুজৰ সেন্দুৰীয়া ৰেখা;
তাত লিখা আছে প্ৰতিশ্ৰুতি এটি নতুন কবিতাৰ...
"The petty done, the undone vast" (Browning)

(২)
!!! Longing !!!
আকাশ... মোৰ হৃদয় বিশালতাৰে পূৰ্ণ কৰা...
উদাৰতাখিনি মোক দিয়া...
জন্মান্তৰৰ কাহিনী আছে তোমাৰ হৃদয়ত সাধুকথা হৈ...
মোক কোৱা ৰ'দৰ কথা, শুভ্ৰ আস্বাদন তোমাৰেই গান...
তোমাৰ গীতে শ্যামলীমাক শুব নিদিয়ে...
মইও বহু নিশা উজাগৰে আছোঁ...
তোমাৰ বিশালতাৰ গীত শুনিবলৈ...
অপেক্ষা...
মই জানো, এদিন তুমি আহিবা মন্বন্তৰৰ কাহিনী হৈ...

(৩)
!!! Nostalgia !!!
চৰাইৰ মাতত সাৰ পাই গাঁওখন
প্ৰতিটো কেঁকুৰিত কৃষকৰ গাঁথা ৰ'দ-বৰষুণবোৰ তেওঁলোকৰ নিজৰ
তেজগোড়া কৃষকৰ কৰ্মঠ হাতৰ পৰশত পথাৰখনে প্ৰাণ পাই উঠিব...
নানা ৰঙী সপোনৰ মেলা বহিব...
পুৱাকাশৰপৰা শুভ্ৰ ৰেখা টানি বগুলাৰ শাৰী...
সিহঁতে কঢ়িয়াই নিছে 'সৰলতা' দিগন্তলৈ বুলি...
জীৱনাভূতিৰ ছন্দ বিচাৰি বট্‌ বৃক্ষৰ ছাঁত জুৰাইছোঁ...



তলসৰা পাতত হৃদয়ৰ কবিতা...
নিশা আকাশৰ তৰাবোৰে গোৱা মতলীয়া গীতৰ কলিবোৰ সৰি পৰে...
শুকান পথাৰে প্ৰাণ পাই উঠে
অপৰূপ সান্নিধ্য..
আকৌ আহিম অনুভৱৰ কবিতা লৈ তোমাৰ কাষলে
শ্যামলীমা, তুমি ৰৈ থাকিবা সদায়... মই অহাৰ বাটত ....

(৪)
!!! Invincible !!!
ড্ৰয়িং ৰুমৰ বেৰত এখন ফটোগ্ৰাফ উলমি আছে
কাষতে এটি এপিটাফ কেভিনৰ ছবিখনে বুভুক্ষ মানৱৰ কথা কয়
জীৱনৰ শেষ বিন্দুৰ কথা
অভিজাতসকলে ব্যংগ কৰি কয়...Pornography of poverty
যান্ত্ৰনাকাতৰ উলংগ নাৰীৰ সমদল দেখি
মুক্তিৰ গান গোৱা কবিৰ কলম থমকি ৰয়
দুখবোৰে ভূত হৈ নাচে
যাযাবৰী ইতিহাসৰ পাতত সিহঁত এদিন হেৰাই যাব..
ভ্ৰূক্ষেপ নাই সিহঁতৰ
হেজাৰ যুগৰ সাধু কোৱা স্মৃতিৰ গুঢ়াত উচুপি সিহঁতে লিখিব দস্তাৱেজ
মানৱ সভ্যতাৰ....
(Dedicates to Kevin Carter----'The pain of li
fe overrides the joy to the point that joy does
not exist', --Carter in his suicide note)

(৫)
Promising
নিশাৰ ৰাজপথটিয়ে ইনাই-বিনাই কান্দিছে
বিচিত্ৰ অভিব্যক্তি তাৰ...
বুকুয়েদি নিগৰি অহা হুমুনিয়াহটোৱে পদপথত অপেক্ষা কৰিছে পুৱালৈ
কাৰণ, পুৱা হ'লেই কোনো মিছিলৰ পদস্পৰ্শত সি চেতনা ঘূৰাই পাব
আৰম্ভ হ'ব এটি তাৰ নতুন যাত্ৰা
এইদৰেই সি সেউজী সপোনবোৰ গঢ়িব নতুন প্ৰজন্মৰ বাবে...
সিহঁতে এদিন তাৰ শিতানত বহি সাধু শুনিব অনাগত দিনৰ....

(৬)

!!! Paroxysm !!!

তোমাক কবিতাত স্থান দিছোঁ
সেয়ে, কবিতাৰ সন্ধানত অভিলাষী যাত্ৰা মোৰ তোমাৰ বাবে....
আশংকা...
মনৰ পৃথিৱীৰ বিশালতাক আকোঁৱালি উদ্বেলিত মনৰ ভাৱনাবোৰলৈ
ডেউকা মেলি মই উৰাৰ চেষ্টা কৰিছোঁ...
তোমাৰ ভাৱনাৰ সীমনালৈ..
য'ত পৰিব তোমাৰ-মোৰ দোদুল্যমানতাৰ
আমি খোজ দিম ফাগুন বনৰ তল-সৰা ৰঙীন শিমলু ফুলৰ দলিচাত...

(৭)

!!! Never Let Me Down !!!

সময় নিৰবধি... জীৱনক জোখাৰ প্ৰয়াসত
নীলাভ জলৰাশিৰ পাৰে পাৰে ঘূৰিছোঁ
দূৰ দিগন্তৰ পৰা উঠি অহা অশান্ত উৰ্মিমালাত নিজকে বিচাৰি চাইছোঁ
মৃত বালিচৰত দুভৰিৰ খোজ
পৰিহাসস্পৃষ্ট...
হৃদয়ৰ গোপন কোঠাত বন্দী শব্দবোৰে কথা পাতে
জীৱনক জোখাৰ প্ৰয়াসৰ অন্তহীন...

(৮)

!!! Realistic saga !!!

ফৰিং-ফুটা জোনাকত
চোতালত বহি অনেক সাধুকথা আমি শুনিছোঁ
নিস্প্ৰভ তৰাবোৰ হেনো জোনাকৰ বন্ধু...
সিহঁতে সদায় যায় হাতীপটীৰ দেশলৈ
তাতে হাট বহে
তৰাখচিত গহনাবোৰ ধৰালৈ নমাই আনে পপীয়াই
দিঠক হয়..কণমাণিহঁতৰ সপোনবোৰ
অ'তদিনে উচুপি থকা মেঘৰ চপৰাবোৰেও আনন্দত নাচি উঠে
বন্যা বোঁৱাই ডাৱৰবোৰ উভতি যায়গৈ সপোন ৰাজ্যলৈ
প্ৰজন্মৰ গাঁথাবোৰ বুকুত সাৱতি এদিন যামগৈ
দিগন্তৰে বাটবুলি জোনবাইৰ দেশলৈ..



# তোমাৰ নামত এটি কবিতা

⏭ **পৰাণজ্যোতি মহন্ত**

সহকাৰী অধ্যাপক, পৰ্যটন বিভাগ

মই এটি কাঁচিজোন
পূৰ্ণিমাৰ অপেক্ষাত
কলংক গাত লৈয়ো
মোৰ নাই কোনো ভ্ৰূক্ষেপ
কিয় বাৰু?
জানানে --
কোৱাকুই কৰে
সেইয়া হেনো চন্দ্ৰকলংক !!
মনত নাই যে
মোৰ একো আতংক!!
কিয় বাৰু জানানে ?
কলংকবোৰক মই দাগ কৰি নাৰাখো
কদাপি -
মই আঁকো একো একোখন অৰ্থৱহ ছবি।
আৰু সেই হৃদয়ৰ কেনভাছত
প্ৰতিখন ছবিত ৰং-তেল লগোৱাটো
মোৰ যে এক অনামী হবি।
সেই অনামি হবিৰ কি যে মাদকতা!
কি নাম দিওঁ এই অনামি হবিৰ?
কেতিয়াবা ৰিক্ত কেতিয়াবা সিক্ত
আৰু কেতিয়াবা আকৌ মুক্ত!
মোৰ বাবে তাই হয়
চ'তৰ বা-মাৰলি
শীতৰ নিয়ৰ সনা শুভ্ৰ শেৱালি
মাঘৰ বহ্নিমান ভোগালী।

# প্ৰত্যাশিত ক্ষণ

▸▸। অবন্তি কুমাৰ বৰা



প্ৰত্যুষতে উঠি অহা
ৰাঙলী সূৰুযে
নতুনত্বক আদৰি ল'বলৈ
প্ৰতিটো দিনতে
আকুলতা বিচাৰি
উন্মাদ হৈ পৰে।

উপত্যকাৰ প্ৰাচীৰবোৰেও
হাত বাউল দি মাতে
আমিও আছোঁ ৰৈ
আত্মজৰ আশাত।

ভাৱবোৰ তেনেকৈয়ে
প্ৰতিফলিত হয়
সুৰংগৰ বেহুত থকা
পাৰহীন বাসনাৰ
সীমাহীন অন্তৰত।



# স্ৰোতস্বিনী

▸▸। বিপুল পাতৰ

তীৰ বেগে বই যায়
বাট পথ পথাৰ পাৰ হৈ
মাজে মাজে কেকুঁৰি সলাই
মিচিকিয়াই উভতি চায় মোলৈ।

শাওণৰ বৰষুণত জকে তাই
ভাঙে মোৰ ঘৰ-বাৰী
উচন কৰে শইচ-সোণালী

উমৰাংচুৰ স'তে দুৰ্ঘোৰ চুলিয়াচুলি
দুয়ো উঘালে দুয়োৰে পোখা-পুলি
খৰখৰ কঁপে মোৰ নিৰহি পদূলি।
সুথিৰ গধূলি মেঘৰ স'তে তাইৰ মিতিৰালি
মোলৈ চাই কেতিয়াবা হাঁহে, অঁকৰা হাঁহি
তাই মোৰ কপিলী
তাই মোৰেই কপিলী।

# আই অসমী

⏭ অভিজিৎ কোঁৱৰ
স্নাতক তৃতীয় ষান্মাসিক

সবাতোকে মৰমৰ মোৰ আই অসমী।
ভাষা মোৰ অসমীয়া ।
অসীম বছৰ ধৰি আহিছা তুমি বৈ
অসমীয়া মনে প্ৰাণে আই।

বিভিন্ন শিলালিপিত আছে তোমাৰে সাক্ষী
কাৰোৰে অনুৰূপ নহয় মোৰ আই
চিঞৰি গগন ফালি জনাম সকলোকে,
ধ্ৰুপদী হ'ল মোৰ আই।

তোমাৰ কাৰণে বহুতো কবিয়ে
কৰিছিল অহোপুৰুষাৰ্থ,
আজি এই শুভক্ষণত পাইছে শান্তি
তেওঁলোকৰ আত্মাই আই।

আজিৰ এই অসমীয়াই নুবুজে
তোমাৰ মহত্ব আই,
যেতিয়া আহিব সময় ভাষা যাব হেৰাই
বুজিব তোমাৰ মহত্ব আই।

# আকাশ চুবৰ মন

⏭ বিস্মিতা বৰা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

মোৰ আকাশ চুবৰ মন।
সপোনৰ ডেউকাৰে যাবলৈ মন
সেই জগতলৈ,
য'ত আছে আশাৰ ৰেঙনি
য'ত আছে মানুহৰ প্ৰতি ভালপোৱা
য'ত আছে, মানৱতা।

মোৰ আকাশ চুবৰ মন।
জীৱনৰ কঠিন বাধা নেওচি যাবলৈ মন
সেই জগতলৈ,
য'ত আছে প্ৰেম, আনন্দ।
যাবলৈ মন সেই জগতলৈ
য'ত আছে,
মোৰ পিতৃ-মাতৃৰ হেৰাই যোৱা হাঁহি।

মোৰ আকাশ চুবৰ মন,
সপোনৰ পম খেদি যাবলৈ মন
সেই ঠাইত, য'ত - মই
বিচাৰি পাঁও মোৰ নিজৰ অস্তিত্ব।
কিন্তু, মই পাৰিমনে? প্ৰশ্ন কৰোঁ - নিজকে
এই মানৱতাহীন যান্ত্ৰিকতাৰ জীৱনত
পাম জানো নিজকে বিচাৰি?
পাম জানো নিজকে বিচাৰি !
পাম জানো মোৰ হেৰুৱা সপোনবোৰ!
পাম জানো মোৰ হেৰুৱা অস্তিত্ব --
পাম জানো সেই জগতখন -- য'ত আছে,
মানুহৰ প্ৰতি ভালপোৱা।

# প্ৰকৃতিৰ সন্তান

⏭ মাণিক ডেকা
স্নাতক তৃতীয় ষাণ্মাসিক

গভীৰ পৃথিৱীৰ বুকুৰ মাজত
আছে প্ৰকৃতিৰ ন-ৰূপৰ সৃষ্টি।
প্ৰকৃতিৰ আছে অনেক সন্তান
যিয়ে প্ৰকৃতিক সজাই ৰাখিছে।

পৃথিৱীৰ প্ৰকৃতিৰ মাজত থকা
হেজাৰ জোপা গছৰ সৃষ্টি কৰ্তা এই সন্তান
প্ৰকৃতি এনেই মনোমোহা সৌন্দৰ্যৰে ভৰা
তাত সন্তানে খোজ পেলাই শস্যৰ ভৰাঁল পূৰাবলৈ।

ন-ৰূপৰ প্ৰকৃতিয়ে হেজাৰ সপোন ৰচিব,
নতুন নতুন ফুল-ফলৰ উপহাৰ দিব
য'ত তেওঁৰ সন্তানে মনস্ফূৰ্টি লভিব
প্ৰকৃতিৰ সন্তান বুলি গৰ্ব কৰিব।



# প্ৰেম

⏭ ভবেশ ডেকা
স্নাতক প্ৰথম ষাণ্মাসিক

প্ৰেম,
প্ৰেমে কয়, মই এটি মুক্ত আত্মা
মোৰ নাই কোনো নিৰ্দিষ্ট ঠিকনা
নিজান নিশা চাবাচোন মহাকাশলৈ
তাতে বিচাৰি পাবা মোক।

কেতিয়াবা জোন নতুবা চিক্‌মিকিয়া তৰা হৈ
মোৰ নামতে কাৰোবাৰ অনুভৱ
কাৰোবাৰ আকৌ আৰেগৰ নৈ বৈ।
মই কেৱল এটি মানৱী দেহত নহয়
বিচাৰি চাবাচোন ক্ষন্তেক জিৰণি লৈ
জীৱ-জন্তু আকাশে বতাহে
প্ৰকৃতিৰ মাজতো আছো মই ।
কেতিয়াবা কাৰোবাক ৰ'দৰ কোমল পৰশত উমলাও,
কাৰোবাক আকৌ সমীৰণৰ মধুৰ সুৰেৰে নিচুকাও,
এনেদৰে মই সকলোৰে জীৱন জুৰাও
কোনোৱে কয় মোক পালেই,
কাৰোবাৰ সপোনে প্ৰাণ পায়।
জীৱন পথত যিয়ে মোক এবাৰ বিচাৰি চাই,
তেৱেঁই জীৱনৰ শেষলৈ মোৰ সঁহাৰি পাই।
মই আছো বাবেই সকলো আছে জীয়াই
মোৰ অবিহনে এই সংসাৰত
কোনো বস্তুৰ অস্তিত্ব নাই।



## এটি আশা

⏭ **নিশিতা বৰ্মন**
একাদশ শ্ৰেণী (বিজ্ঞান শাখা)

এটি কবিতা শেষ হ'ল
জীৱনৰ আশা ভৰষা থুলবোৰ
নিষ্ঠুৰ সমাজৰ ভৰিৰ
তলত শেষ হ'ল।
পুৱাৰ সুৰুযৰ পোহৰ যেনেদৰে
আবেলিৰ লগে লগে শেষ হ'ল।
হাঁহি সময়ৰ গৰ্বত
টুকুৰা-টুকুৰ হ'ল,
তথাপি এটি আশা আছে
সৌ আন্ধাৰ ৰাতিৰ আকাশত
জ্বলি থকা তৰাটোৰ দৰে।
পুনৰ এটি আশা আছে
এটি আশাৰ বাটত
আগবাঢ়ি যোৱাৰ বাটত
এটি আশা উজ্বলি উঠিছে
যেনেদৰে জোন জ্বলিছে,
সূৰুযৰ কিৰণৰ সমাগমত।

## দেউতা

⏭ **মানস প্ৰতীম দাস**
স্নাতক তৃতীয় যান্মাসিক

মোৰ জীৱনৰ আটাইতকৈ ভাল এটা শব্দ
য'ত আছে ভক্তি, শ্ৰদ্ধা আৰু মৰমৰ এক মধুৰ সম্বন্ধ
দেউতাৰ হাতত ধৰি এদিন খোজ দিব শিকিছিলোঁ,
লগতে সুন্দৰ পৃথিৱীখন তেওঁৰ বাবেই বুজি পাইছিলো
মোৰ সপোনবোৰ পূৰ কৰোঁতে কৰোঁতে
দেউতাই নিজকে কিমান হেৰুৱালে
কিন্তু তেওঁ কেৱল মোৰ সফলতাহে বিচাৰে
যিয়ে দিয়ে মোক আগুৱাই যোৱাৰ অশেষ অনুপ্ৰেৰণা
তেওঁৰেই স্বাৰ্থহীন ভাৱে মৰম কৰা,
মোৰ মৰমৰ দেউতা।



# দিপ্তী

⏭ **দিপ্তী বিশ্বাস**
প্ৰাক্তন ছাত্ৰী

থমকি ৰৈ আছিল এই জীৱনটি
বাট বিছাৰি নোপোৱা মই পথিক !
নাছিল কোনো জ্ঞান
নাছিল কোনো ধ্যান।
কিজানি কিয় পাইছো - এই জীৱনটি ?
নাজানো কি কৰিলে পাম আশাৰ কলিটি ?
এনেকুৱাও নহয় যে কৰা নাই কোনো চেষ্টা
সকলো ফালৰ পৰা কৰিছো - পোৱা নাই আস্থা।

হঠাতে ক'ৰ পৰা আহিল পোহৰৰ দিপ্তী
বিচাৰি পালো সঠিক ৰাস্তা এই জীৱনৰ ।
দেখা নাই কোনেও মোৰ এই প্ৰতিভা,
তেওঁ আঙুলিয়াই বুজালে সেইটোৱেই তোমাৰ ৰাস্তা।
তেওঁৱেই চাগে মোৰ সচাঁ বন্ধুটি।
যিজনে দেখুৱাইছে মোৰ জীৱনৰ পথটি ।
হাতত উঠাই দিলে কলম,
লিখা যি আছে তোমাৰ অনুভৱত।
বাৰু বন্ধু - ক'ৰ পৰা আহিছা তুমি
ভগৱানে তোমাক মোৰ বাবে পঠাইছে নেকি ?
মানানে বাৰু কথা এটি,
তুমি মোৰ লিখা কলমটি।

তুমি মোৰ চিন্তাৰ শক্তি,
তুমি মোৰ ভাৱনাৰ অনুভূতি।
তোমাৰ পৰা পাওঁ লিখাৰ কৌশল,
লিখা নাই কবিতা অকল।

গল্প, কবিতা, জীৱনী -
সকলো সম্ভৱ হৈছে, তুমি আছা বুলি।
নাযাবা কেতিয়াওঁ মোক এৰি,
মোৰ জীৱনটো অকলশৰীয়া কৰি।
তুমি মোৰ সচাঁ বন্ধুটি
তোমাৰ অবিহনে শূন্য এই জীৱনটি।



# সময়

⏭ **সুস্মিতা দাস**
স্নাতক প্ৰথম যান্মাসিক

তিনিটা আখৰে গঠিত
সময় শব্দটি বৰ আচৰিত।
কেতিয়াবা সুখ, কেতিয়াবা দুখ
এই সকলোবোৰ যেন
সময়ৰ পাততে লিপিবদ্ধ।

জীৱনৰ প্ৰতিটো কাৰ্যই
সময়ৰ ওচৰত হাৰ মানে।
অতীতৰ প্ৰতিটো স্মৃতিক
সময়ে আঁকোৱালি লৈ ফুৰে।
সময়ে দুখৰ বোজা এৰি
সুখৰ স্পন্দনক আলিঙ্গন কৰে।
তথাপিও ক'ৰবাত যেন
বৰ্তমান আৰু ভৱিষ্যতৰ মাজত অতীত আহি পৰে।

সময় যোৱাৰ পিছত ভাৱো
মূল্যৱান কি আছিল জীৱনত ?
কেতিয়াবা থৰ লাগি চাই থাকোঁতেই
সময় পাৰ হৈ যায়।
চব্বিছ ঘণ্টীয়া দিনটো
কাৰোবাৰ বাবে নাযায়-নোপোৱাই,
আকৌ আন কাৰোবাৰ বাবে সেই দিনটো
চকুৰ পলকতে শেষ হৈ যায়।
তথাপিও সময় কাৰোবাৰ বাবে ৰৈ নাথাকে,
সময় সদায় বিশেষ,
সচাঁই সময় বৰ আচৰিত।

# নাই আজি নাই

▸▸। ভূপালী ঠাকুৰীয়া
স্নাতক দ্বিতীয় ষান্মাসিক

এন্ধাৰ ৰাতি অকলে
তুমি ৰৈ যে আছিলা
ভয়  লগা নাছিল নে?
তাই কৈছিল - উম্ হু, নাই লগা
বুকুত জ্বলি থকা জুইখিনিয়ে
মোৰ এন্ধাৰ বাটটি পোহৰ কৰি তুলিছে।
যেতিয়া মই বিষাদ নৈৰ পাৰত আছিলোঁ
তেতিয়াতো কোনো অহা নাছিল
মোক সান্ত্বনা দিবলৈ
কিন্তু আজি যে আহিলা
মোৰ লজ্জিত অৱস্থাটি চাবলৈ?

নাই কোনো মানৱতা,
নাই কোনো নীৰৱতা
নাই আজি নাই
একোকে নাই।

বিষাদৰ অশ্রু চকুৰ কোণত ৰাখি
হাঁহি হেলাৰঙে কাৰোবাক দেখি
আজি মই
দুঃখিত।
সহস্র আত্মাৰ মাজত দেখিছোঁ কাৰোবাক
ৰুধিত কণ্ঠত
তেজস্বী মনক লুকুৱা।



# জীৱন

▸▸। মণিকা সৰকাৰ
স্নাতক পঞ্চম ষান্মাসিক

জীৱন, কি এই জীৱন
এদিনৰ মৃত্যুৰ বাবে
গোটেই জীৱন অপেক্ষা।

হ'লেও জানো শেষ হয়
আশা - প্রত্যাশাৰ ভাণ্ডাৰ
চাগে - নহয় ;
শেষ বুলিলেই যদি শেষ হ'ল হয়
আজি কাহিনীৰ জন্ম নহ'ল হয়।

কি এই জীৱন, আৰম্ভণি
নে এটি যুগৰ অন্ত?
শুনিছিলোঁ জীৱন বিশেষ কিছু
অৰ্থৰ সমাহাৰ;
সেয়ে যদি হয়, তেন্তে
সেই অৰ্থৰ ঠিকনা কি?
পাম জানো বিচাৰি?
এই প্ৰশ্নৰ উত্তৰ বিচাৰিয়েই
যেন শেষ হৈ যায়  হাজাৰৰ জীৱন।।
এয়ে নেকি জীৱন??

# অলপ শান্তিৰ সন্ধানত

⏭ **প্ৰত্যুষ ডেকা**
স্নাতক পঞ্চম ষান্মাসিক



কেতিয়াবা বহুত শান্তিৰ মাজতো
অলপ শান্তিৰ প্ৰয়োজন হয়,
ক'ত পোৱা যায় শান্তিবোৰ?
প্ৰখৰ ৰ'দৰ মাজত chilled spriteৰ এঢোকত?
জেপৰ মনিবেগটোৰ এটা নিৰ্দিষ্ট ভৰত?
নিজৰ(?) বিশেষণটো লগাব পৰা
বিশেষ্যবোৰৰ কুশলতাৰ update বোৰত?
খবৰ কাগজৰ হেডলাইনত
কিম্বা 'হটস্পট'ত নিজৰ বুলিব পৰা বিশেষ্য
একোটা দেখা নোপোৱাৰ স্বস্তিৰ নিশ্বাসত?
আপুনি শান্তি ক'ত বিচাৰে?
অৱসাদত, আতংকৰ শেষত, বাতৰি কাকতত নে
নিজৰ মাজত?

পুঁজিপতিৰ আতংকত কঁপা বন্ধ গলীটোৰ
কোঠালীবোৰত
এসময়ত কোনো কমৰেডে হাঁহিছিল
প্ৰাণখুলি,
গাইছিল সমতাৰ গান,
ফেচিষ্ট হ'বলৈ ওলোৱা আকাশখন ভৰি পৰিছিল ধোঁৱাৰে
উন্মুক্ত হৈ পৰা মুখবোৰত বিৰিঙিছিল
বিভীষিকাৰ ক'লা চেকুৰা,
ভিয়েটনামৰ trence বোৰত উতলি থকা বতাহচাটিত
সিজিছিল জীয়া কেঁচা মঙহ !!!

এতিয়া শৰ উটা ৰঙা নদীখনৰ দুয়োপাৰে
শিপাইছে অসংখ্য কবৰে,
এপিটাফবোৰ আজিও প্ৰতিধ্বনিত হয়
অভিশাপত।

ক্ষুধাৰ পৰিসীমা জুখিবলৈ লৈ
নিজক নিজে আজি বিৱৰ্তনৰ পূৰ্বৱৰ্তী পৰ্যায়লৈ
থেলি দিয়াৰ পাছত
ঘূৰি চাবলৈ বা আগলৈ এতিয়া মাথো
শূন্যতা!
বেঁকা ৰাজহাড়ডালত পৰা শেলুৰৈখিনিত
বাৰে বাৰে পিছলি পৰে এটা লেহেমীয়া শামুক !!!
শান্তিবোৰ আচলতে ক'ত পায়?
চিৰপ্ৰতিদ্বন্দ্বিতাৰ গ্ৰাফডালৰ প্ৰতিক্ৰমত নে
ন্যায় ন্যায় কৰি ক্লান্ত হোৱা নিৰপৰাধ আঙুলিবোৰৰ
অৱসৰত?

অলপ সময়
যদি নিজৰ চাৰিওফালে এটা বৃত্ত আঁকি পাৰ কৰোঁ,
কেবাটাও বিষমবাহু ত্ৰিভুজৰ মাজত আৱদ্ধ হৈ পৰিম
আৰু উশাহৰ বিনিময়ত এটা চুক্তি কৰিব লাগিব
বিবেকৰ সতে!
সেয়ে, প্ৰয়োজন নাই স্বাধীনতাৰ
প্ৰয়োজন নাই একোৰেই -

মাথো শান্তিৰ সন্ধান থাকিব
আজীৱন,
অবিৰাম।

# নিসংগতাৰ পিছত

⏭ সবিতা মেধি
স্নাতক পঞ্চম যান্মাসিক

বহু নিসংগতাৰ পিছত
মই মোৰ প্ৰেমত পৰিলোঁ
মই মোৰ প্ৰেমত পৰাৰ দিনাই
প্ৰকৃতিয়ে যেন নতুন ৰূপ ললে।
নীলা আকাশখনৰ
কলীয়া ডাৱৰবোৰ
আঁতৰিব ধৰিলে।
ঘৰৰ সন্মুখৰ ফুলনিখনৰ
মৰহা ফুলবোৰেও
প্ৰাণ পাই উঠিলে।
সেউজীয়া পোছাক পিন্ধি
পখীবোৰেও সুমধুৰ কণ্ঠৰে
গীত জুৰিলে।





# ৰস নাইকিয়া জীয়া বৃক্ষ

⏭ ৰিম্পী বৰুৱা
স্নাতক পঞ্চম যান্মাসিক

মই এডাল
ৰস নাইকিয়া
জীয়া বৃক্ষ।
মোৰ ওঠঁত
কুটিল হাঁহি।
বাটৰ ভিক্ষাৰীৰ
থালত থকা
খুচুৰা পইচা
কেইটাৰ দৰে,
দিনে দিনে
বাঢ়ি অহা
সপোনবোৰ
ফুটপাথৰ ডাষ্টবিনত
পোত খাইছে।
মোৰ অলখিতে
মই বেচো
মোৰ মানসিকতা
বজাৰৰ বেপাৰীৰ
হাতত।

# এটি সুন্দৰ আগমণি

⏭ শ্ৰেয়া চুতীয়া
প্ৰাক্তন ছাত্ৰী

এজাক সুমধুৰ বতাহে
মেৰিয়াই ধৰে মোক,
আহিছে হেনো বসন্ত
নদীৰ দৰে তীব্ৰগতিত
নিজকে সুসজ্জিত কৰি।

খিৰিকিখন খুলি জুমি চালো
উস! কি যে নিৰ্মল
বসন্তক আদৰিবলৈ সকলোৰেচোন
নসাজ,
প্ৰাণ পালে সেউজীয়াই
প্ৰাণ পালে বতাহে
প্ৰাণ পালে মাটিয়ে।

হেৰা কৃষক উঠা
মাটিয়ে মাতিছে,
অ' নাচনী ব'লা
ৰৈ আছে চোতালৰ দুবৰি।

ক'লা ডাৱৰৰ বাট ভেদি
আৰু উজ্বল হ'ল সূৰ্য,
আৰু ৰঙীন হৈ পৰিল পৃথিৱী
অ' হয় এয়াই বসন্তৰ আগমণি ।



# জাগীৰোড মহাবিদ্যালয়

⏭ ধিৰু পৱন বৰদলৈ
স্নাতক দ্বিতীয় যান্মাসিক

কলঙৰ কাষতে এখন সেউজীয়া বৃন্দাবন,
য'ত ফুলবোৰে পাতে মনৰ বহু গোপন কথা।
য'ত ফাগুন নাহিলেও প্ৰতিজোপা ফুলৰ
কোঁহে কোঁহে সানে প্ৰেমৰ আবিৰ।

য'ত ক্লান্ত ফুলবোৰে জিৰাই কেতিয়াবা
বকুলৰ তলত, কেতিয়াবা কৃষ্ণচূড়াৰ তলত নতুবা কাষৰে
কাফিটিৰিয়াৰ বুকুৰ উমত গৈ
প্ৰাণৰ সখাৰ স'তে প্ৰাণৰ কথা পাতিছে।
কলং, কিলিং, কপিলী এই ত্ৰিবেণীত
য'ত সবে মিলি বুটলে জ্ঞানৰ মাণিক।
যাৰ প্ৰাঙ্গনত নিতৌ আহে ভৱিষ্যতৰ সপোন।
য'ত আমাৰ যাত্ৰাৰ অন্ত নাই।

পবিতৰাৰ কাষৰে সোণাইকুছিৰপৰা
বতাহৰ লহৰত নিগৰি আহে
চিফুং বাঁহীৰ মিঠা সুৰ।

য'ত সুউচ্চ শ্যামলী পাহাৰৰ চূড়াই
বিভাষিক কৰে জোনবিলৰ জোনাকক,
নিৰগ্ঠুক নীৰৱ মুহূৰ্তত স্বপ্নালয় মজিকাৰ
ঢৌবোৰে কঁপাই সকলোৰে হৃদয়
এয়াই আমাৰ জাগীৰোড মহাবিদ্যালয়।



# শেষ নিশাৰ চকুলো

প্ৰণৱজ্যোতি দাস

স্নাতক পঞ্চম যান্মাসিক

আকাশত বাৰিষা ৰাতিৰ সেমেকা জোন
বাহিৰত ধুমুহাৰ আগমন।
আন্ধাৰ ৰাতিত যেন দুয়োৰে বুকুত নামিছে
শাওণৰ ঢেৰেকণিৰ ঢল।।
তোমাৰ দুচকুত জ্বলিছিল কামনাৰ ফিৰিঙতি,
তিতা দেহাটিতো যেন অপ্ৰাপ্তিৰ দহন।
আমাৰ সম্বন্ধ যেন বহাগৰ জেতুকা পাতৰ দৰেই,
মনত আনন্দ, খন্তেকীয়া কিছু ৰং।।
সিদিনা আছিল মোৰ আকাশ মেঘাচ্ছন্ন...
নিমাত বুকুৰ সপোনবোৰ।
মোৰ অন্তিম চাৱনিয়ে কিয় বিচাৰিছিল
তোমাৰ সান্নিধ্য?
এতিয়া সেয়াও এক প্ৰশ্ন গধুৰ!!
অমানিশাৰ জাননী পাই হৃদয়ে গীত জুৰিছিল
ফাগুনৰ সৰাপাতৰ সুৰত।
তুমি তেতিয়াও ইমান নিমাত আছিলা যেন,
কোনোবাই বৰফ চতিয়াইছিল আমাৰ উতলা প্ৰাণত।।
ফাগুনৰ কাননত এতিয়া আৰু পলাশ নুফুলে
বসন্তৰ বাকৰিতো কুঁহিপাতৰ বিলুপ্তি।
হেৰা, শুনিছা নে!
আমি যে গাঁথি ছিলো সপোনৰ মালাধাৰি,
এতিয়া তাৰ সুঁতা ডালিও সন্ধানহীন।।

# তুমি মোৰ বৰ আপোন

⏭ **ড° মীৰা বৈশ্য**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

তুমি --
তুমি মোৰ বৰ আপোন
তোমাৰ জন্ম-যন্ত্ৰণাত
মই এটি এমাডিমা শিশু।
তুমি মোৰ অতীত নোহোৱা,
তথাপিও মই তোমাক ভাল পাওঁ।
তুমি মোৰ অতীত নহ'ব পাৰা
কিন্তু, তুমি মোৰ বৰ্তমান
তুমি মোৰ ভৱিষ্যত ...
মোৰ অস্তিত্ব - তোমাৰ মাজতেই লীয়মান
মোৰ সত্ত্বা তোমাত এতিয়া বিলীন
তোমাৰ সেউজী কোলাত মূৰ থৈ
মই মোৰ ভৱিষ্যতৰ সপোন ৰচো।
তোমাৰ বুকুৰ স্পন্দনত
মোৰ কলিজাত গজে
এজাক হেঁপাহৰ বসন্ত !
তেতিয়া --
মই তোমাক বুজিবলৈ যত্ন কৰো।
মোৰ বাস্তৱ তুমি
তুমি বাৰু মোক কি দিয়া নাই ?
মোৰ ক্ষুধাৰ অন্ন, মোৰ মূৰৰ চালি
লগতে মোৰ ভৱিষ্যতক কংক্ৰিটৰ দালানৰ দৰে
থিয় কৰাই ৰাখিব পৰা
হয়তো -
তুমি মোৰ আশ্ৰয়।
তুমি মোৰ প্ৰত্যয় ...
হয়তো, তুমি মোৰ মাতৃ!
তোমাক মই কি স'তে ভাল নাপাম ?
তোমাক মই কি স'তে ভাল নাপাম!!
নিজৰ বুকু উজাৰি প্ৰতিটো দিনতে তুমি মোক দিয়া
তোমাৰ চেনেহৰ জীয়া উম
তোমাক ভাল নোপোৱাজনকো তুমি জানো কেতিয়াবা পাৰিছা
তোমাৰ চেনেহী উমৰপৰা নিলগাই ৰাখিব ?
মই জানো - তুমি নোৱাৰা।
তুমি মাতৃ ...
তোমাৰ সেউজী বতাহে, তোমাৰ নীলাভ আকাশে
প্ৰতিদিনে মাথো মোক শিকাই -
মানুহক ভালপাবলৈ, ধৰণীক স্নেহ দিবলৈ ...
কেতিয়াবা মনতে প্ৰশ্ন হয় -
তুমি ইমান আদৰাই-যতনাই আমিবোৰক তুলি ধৰাৰ পিছতো
আমি বাৰু কিয় তোমাৰ প্ৰেমত বলীয়ান হ'বপৰা নাই?
কিয় আমি কেৱল তোমাৰ স্নেহৰ বাবেই
মানৱতাৰ-বিশালতাৰ-উদাৰতাৰ-বিভেদহীনতাৰ-স্বাৰ্থহীনতাৰ
শুভ্ৰ সাজযোৰেৰে নিজকে সজাই গাব পৰা নাই
ঐক্যতাৰ সা-ৰে-গা-মা-পা ...
তোমাৰ উচুপনি মই শুনিছো
তোমাৰ হিয়া ভঙা কান্দোনত মোৰ হৃদয় জৰ্জৰ্
তোমাৰ উচুপনিত পোৱা উন্মাদ আনন্দই
দিব পাৰিব জানো কাৰোবাক জীৱনৰ প্ৰশান্তি ...!
সকলো পোৱাৰ পিচতো একো নোপোৱাৰ দৈন্যতাত
মই হ'ব নিবিচাৰো কেতিয়াও
পৃথিৱীৰ আটাইতকৈ দৈন্য মানুহজন !!!
সেয়ে মই তোমাক ভাল পাওঁ -
সেয়ে মই তোমাক ভাল পাওঁ।
তোমাৰ বুকুৰ সেউজীয়া গচকি গচকি মই শিকো
কেৱল ভালপোৱাৰ গান, সম্প্ৰীতিৰ গান, প্ৰগতিৰ গান প্ৰতিদিনে...
এটি নতুন পুৱা -
প্ৰতিদিনে - এটি নতুন হেঁপাহ -
প্ৰতিদিনে - এটি নতুন উচ্ছাস -
প্ৰতিদিনে - এটি নতুন সংকল্প।
এয়ে মোৰ জীৱনৰ মন্ত্ৰ।
তুমি ...
তুমি কোন জানা ?
তুমি মোৰ বৰ আপোন -
তুমি মোৰ জাগীৰোড মহাবিদ্যালয়।

# অনুভৱ



সোণালী সপোন গঢ়াৰ সংকল্প লৈ
প্ৰতি বছৰে মহাবিদ্যালয়ত প্ৰৱেশ কৰে...

মনত দোলা দি থকা কিছু মিঠা অনুভৱ



Nishita Barman
HS 1st Year

আমাৰ মহাবিদ্যালয়ৰ সন্মুখত এখন ডাঙৰ জিৰণি ঠাই আছে, ইয়াৰ চাৰিওফালে বিভিন্ন ধৰণৰ ৰঙা, নীলা, হালধীয়া বিভিন্ন ধৰণৰ ডালিয়া, জৰা, গেন্ধাৰী আদি ফুলেৰে ভৰা আছিল আৰু তাৰ মাজত বহা ঠাই আছে। আমি ঠাইখনক 'বৃন্দাবন' বুলিও কওঁ। বৃন্দাবনত ঠাণ্ডাৰ দিনত ছাত্ৰ-ছাত্ৰীবিলাকে বহি ৰ'দৰ তাপৰ আনন্দ লয়।

# বন্ধু আৰু বৰণীয়া দিন

▸▸ দিপ্তী বিশ্বাস
প্ৰাক্তন ছাত্ৰী

মই দিপ্তী, জাগীৰোড মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ছাত্ৰী। ইংৰাজী বিভাগৰ আমিয়েই জ্যেষ্ঠ। আমাৰ ১২ জনীয়া ছোৱালীৰ এটা দল আছে। আমি আকৌ বাৰ জনীয়া ভিন্ন জাতিৰ বঙালী, কাৰ্বি, তিৱা, বড়ো, অসমীয়া আদি। হাঁহি ঠাট্টা-ধেমালিৰ মাজেৰে আমাৰ দিনবোৰ পাৰ হৈ আছিল। এনেকৈ বিদ্যায়তনিক ব্যস্ততাৰ মাজেৰে আমি অন্তিম শাখা পালোহি। মহাবিদ্যালয়ৰ কলেজ সপ্তাহ শেষ হোৱাৰ পিছদিনা আমি সকলোৱে স্বাভাৱিক ভাৱে class attend কৰিবলৈ গ'লো। সেইটো সময়ত second year ৰ বাৰ্ষিক পৰীক্ষা চলি আছিল, সেয়ে স্বাভাৱিকভাৱে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী বিলাকৰ exam duty পৰাৰ বাবে, সেই দিনা কেৱল দুটাহে ক্লাছ হ'ল।

আমাৰ মহাবিদ্যালয়ৰ সন্মুখত এখন ডাঙৰ জিৰণি ঠাই আছে, ইয়াৰ চাৰিওফালে বিভিন্ন ধৰণৰ ৰঙা, নীলা, হালধীয়া বিভিন্ন ধৰণৰ ডালিয়া, জৰা, গেন্ধাৰী আদি ফুলেৰে ভৰা আছিল আৰু তাৰ মাজত বহা ঠাই আছে। আমি ঠাইখনক 'বৃন্দাবন' বুলিও কওঁ। বৃন্দাবনত ঠাণ্ডাৰ দিনত ছাত্ৰ-ছাত্ৰীবিলাকে বহি ৰ'দৰ তাপৰ আনন্দ লয়। আমিও গৈ তাত গোল হৈ বহিলো। আমাৰ এই ১২ জনীৰ এজনী আছিল আমাৰ শ্ৰেণীৰ 'Topper' । তাই আমাৰ লগত সেইদিনা নবহি পুথিভঁৰালত কিতাপ বিচাৰি গ'ল। আমাৰ এই ১২ জনীৰ দলটোৰ নিজৰ নিজৰ প্ৰতিভা আছে। এজনী পঢ়াত ভাল, খেল-ধেমালিত ভাল, নাচিবলৈ জানে, গান গাব জানে। আন এজনী ৰান্ধি ভাল পায়। বাৰে বৰণীয়া আমাৰ এই দলটো। দিনটো আছিল শুক্ৰবাৰ আৰু ফেব্ৰুৱাৰীৰ মাহ, ৰ'দত বহি ৰ'দৰ পোহৰত বগৰীৰ জুতি লৈ আছিলো। সেইটো সময়তে আমাৰ মাজৰে এজনীয়ে, যি আমাৰ দলৰ Motherhood হয়, তাই ক'লে - 'অই, বল ক'ৰবাত গৈ বনভোজ খাওঁ, বহুত দিন হ'ল কৰোবাত ফুৰিবলৈ যোৱা হোৱা নাই, লগতে আমাৰ ডিগ্ৰী শেষ হোৱাৰ পিছত কোনে ক'ত যায়, কেতিয়া আকৌ লগ হয় তাৰ কোনো ঠিকনা নাই। আৰু আমিও তাইৰ লগত তাল মিলালো, যেনে চিন্তা তেনে কাম, দিনবাৰ ঠিক কৰি পইচা উঠাই বজাৰ কৰিবলৈ ললো। পিছে ইয়াতে মোৰ দুটা বুদ্ধি আছে বাৰু।

"ছোৱালী মানুহ যিহেতু এটা নিৰাপত্তাৰ কথা আছে ভাবি, খানাবোৰ ঘৰৰ পৰা বনাই লৈ যাম। ৰান্ধি মই ভাল পাঁও বুলি ময়েই ৰন্ধাৰ দায়িত্বটো লৈছিলো।

দ্বিতীয়টো হ'ল আমি হ'লো ছাত্ৰী, ৰুম ভাড়া কৰি থাকো ঘৰৰপৰা ইমান টকা-পইচাও নিদিয়ে। যিহেতু আমি মধ্যবিত্ত পৰিয়ালৰ ছোৱালী সেয়ে ২৪০ টকাকৈ উঠাইছো লগতে অনান্য যাৱতীয়া বস্তু ঘৰৰপৰাই আনিব দিছো।"

খাদ্য তালিকাত আছিল “ঝালমুড়ি, - colddrinks, chips মটৰ পনীৰ আৰু লগতে ৰুটি। ইয়াতে এটা কথা আমাৰ লগৰ শ্ৰেণীৰ Topper জনীয়ে computer class ৰ অজুহাত দি আমাৰ লগত নগ'লে। দিনটো শনিবাৰ পিকনিক খোৱাৰ ঠাইটো আছিল “গোপাল কৃষ্ণ চাহ বাগিচাত”। ৰাতিপুৱা ১০ বজাত সকলোৰে Neli Bus Station ত লগ হৈ টেম্প এখনত উঠি লক্ষ্য স্থানলৈ আগুৱাই গ'লো। গোটেই ৰাস্তাটো কথা পাতি পাতি, চিঞৰি বাগৰি গৈছিলো। চিঞৰাৰ মাতত ৰাস্তাৰ মানুহেও ছাগে ভাবিবলৈ বাধ্য হৈছে, কি নো হৈছে ক'ত ইমান চিঞৰ পাখৰ হৈ আছে'। যি কি নহওক ২০ মিনিটৰ ভিতৰত 'বাগান গেট' পালো গৈ । চাহ বাগিচাৰ গেটৰ ভিতৰত সোমোৱাৰ লগে লগে তাৰ চাৰিওফালৰ সেউজীয়া পৰিৰেশ আৰু কোমল কৈ বলা বতাহে শৰীৰৰ লগতে মনটোও শীতল কৰি পেলালে। এই বতাহত কিছু নতুন ধৰণৰ অনুভূতি আছে, এটা সময়ত মনত ভাবনা আহি গ'ল এই ঠাইতে যদি মোৰ ঘৰ হ'লে হেতেন। য'ত মোৰ লগৰ বিলাকে ফটো উঠাত ব্যস্ত হৈ পৰিছিল, মই সেই সময়ৰ এই সেউজীয়া পৰিৰেশৰ অনুভূতি লোৱাত ব্যস্ত আছিলো।

যিহেতু বনভোগ এসাজ খাবলৈ গৈছিলো গতিকে বহিবলৈ ঠাই বিচৰাত, দলঙৰ কাষতে অকণ খোলা ঠাই দেখা পালো, য'ত জানুৱাৰী মাহত মানুহে বনভোজ খোৱা চিন ৰূপে ইটাৰে বনোৱা টো আছিল। তাতে চাদৰ পাৰি বহিলো।

কিন্তু মোক এটা কথা ভাবিবলৈ বাধ্য কৰাইছিল “আমি যেতিয়া চাহ বাগিচাৰ মাজেৰে পাৰহৈ আহি আছিলো, বাগিচাৰ মাজত মানুহে ঘৰ বনাই কাম কৰা কৰ্মচাৰী সকলো মানুহে আমাক জুমি জুমি চাই আছিল, যেনে আমি অন্য এক গ্ৰহৰ পৰা আহিছো নেকি?”

নানা প্ৰশ্নয়ে মোৰ মগজুত বাঁহ ল'লে, কিয় মানুহ বিলাকে আমাৰ ফালে এনেকৈ চাই আছিল? কিবা কাৰণ আছে নেকি? বাৰু সকলোবোৰ কথা বাদ দি কামত মন দিলো, বেগত থকা সকলো বস্তু উলিয়াই এঠাইত ৰাখি এটা এটা বস্তু খাবলৈ ধৰিলো- কমলা টেঙা, ঝালমুড়ী, cold drink আদি। আমাৰ খোৱা আধা হৈছিলহে সেই সময়তে দুটা অদ্ভুত ঘটনা ঘটিল আৰু যাৰ বাবে আমি সেই ঠাইখন এৰি আমাৰ খানাটো বাগান গেটৰ Main Road ৰ কাষৰ এখন হোটেলতে খাবলগীয়া হ'ল।

প্ৰথমটো ঘটনা - আমাৰ খোৱা চলি আছিল। হঠাতে এখন ক'লা (Bolero) গাড়ী দলংখন পাৰ হৈ দক্ষিণ ফালে গ'ল। অকণমান পিছতে গাড়ীখন উভতি আহিলে, আহি ৰাস্তাৰ কাষতে গাড়ীখন ৰখাই গাড়ীৰ পৰা driver জন নামি আমাক সুধিলে। তোমালোকে ক'ৰপৰা আহিছা, কি কৰিব আহিছা। তাৰ উত্তৰত আমাৰ Motherhood এ ক'লে, আমি জাগীৰোডৰ পৰা আহিছো বনভোজ খাবলৈ। পিছে উত্তৰটো পাই মানুহজন গাড়ী লৈ গুচি গ'ল। গাড়ীত কিন্তু দুজন ব্যক্তি আছিল। ইয়াতে হোৱা ঘটনাবোৰ লগত দ্বিতীয় ঘটনাটোৰ এটা সম্পৰ্ক আছে।

দ্বিতীয়টো ঘটনা - আমাৰ খোৱা শেষ হোৱা মাত্ৰেই এজন মানুহ চাইকেল লৈ আমি বহা ঠাইখনত আহি চাইকেলখন ৰাখি আমাক সুধিলে “গাড়ীৰ পৰা নমা মানুহজনে কি সুধিলে নো ?” তাৰে উত্তৰত আমাৰে মাজৰ এজনী যাক আমি চুলবুলি বুলি মাতো, তাই ক'লে - আমি ক'ৰপৰা আহিছো সেইটো সুধিছে। পিছত মানুহজনৰ কথোপকথনৰ পৰা জানিব পাৰিলো যে, আচলতে যিজন মানুহ গাড়ীৰ ভিতৰতে আছিল সেইজনেই এই চাহ বাগিচাৰ মালিক । পিছে প্ৰথমতে মানুহজনক ভাল মানুহ বুলিয়েই লাগিছিল কিয়নো, য'ত আমি বহি খাই আছিলো তাৰ কাষতে এখন নদী আছিল । আমি ভাবিছিলো যে তাত গৈ হাত ভৰি ধুই আহিম, সেই সময়তে মানুহজনে আহি আমাক সেই নদীত যাবলৈ মানা কৰিলে, কিয়নো ঠাইখন বেছি সুবিধাৰ নহয়। কথা প্ৰচলিত আছে যে, সেই নদীত জলকুঁৱৰী আছে আৰু জলকুঁৱৰীয়ে নিৰৰস্থানত মানুহক অকলে পাই পানীৰ ভিতৰত টানি লৈ মাৰি পেলাই। লগতে এয়াও জানিব পাৰিছো যে, বৰ্তমানলৈ তিনিজনৰো অধিক মানুহ সেই ঠাইখিনিতে পানীত ডুবি মৰিছে।

এইখিনিলৈ সকলো ঠিকেই আছিল। কিন্তু এটা সময়ৰ পিছত মানুহজন বৰ সুবিধাজনক বুলি লগা নাছিল। মানুহজনে বিভিন্ন ধৰণৰ অৰ্থ নোহোৱা কথাবিলাক কৈ আছিল, তাৰ কথাত এটা ভয়ৰ অনুভূতি প্ৰকাশিত হৈছিল। যেনে, মানুহজনে বাৰে বাৰে কৈ আছিল, 'ভয় নাখাবা মই জাগীৰোডৰ সকলোকে চিনি পাঁও, আনকি পুলিচকো চিনি পাঁও, লগতে কৈছিল 'মই ইয়াতে ঘাঁহ কাটিব আহিছো । মোৰ চাইকেলটো ইয়াতেই থৈ যাম, মোৰ চাইকেলত হাত নিদিবি, যদি দিয় এই দাঁৰে কাটিম তহঁতক'।

কথাটো শুনি আমাৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। আমি সকলোৰে ঠিৰাং কৰিলো ঠাইখন এৰি বেলেগ ঠাইলৈ যাম। সকলোৰে মনে মনে বেগত বস্তু গোটাই যাবলৈ ওলোৱাৰ

সময়তে মানুহজনে আমাৰ ফালে লক্ষ্য কৰি আছিল। আমাক যোৱা দেখা পাইয়েই মানুহজনে চিঞঁৰি চিঞঁৰি কৈ উঠিল - 'পলাই আছে পলাই আছে, এ.........এ. ভয় পালে।'

মানুহজনৰ কথা শুনি মই সকলোকে লৈ আহি ছুৰী এখন হাতত লৈ ললো- নিৰাপত্তাৰ কাৰণে। ঠাইখন নিৰাপদ নোহোৱা জানি বেলেগ ঠাইত নবহি আগুৱাই যাবলৈ ধৰিলো। কিয়নো তাৰে কাম ল'ৰা ডেকা বিলাকেও আমাৰ ফালে জুমি জুমি চাই আছিল। আমি ৰাস্তাৰ কাষৰে হোটেল এখনত বহি আমাৰ আধৰুৱা আহাৰ খাই নিজৰ নিজৰ ঘৰলৈ গুচি গ'লো। পিচদিনা কলেজত গৈ মই আকৌ যিজনী বান্ধবী আমাৰ লগত বনভোজ খাবলৈ যোৱা নাছিল তাইক সকলোবোৰ ঘটনা বিৱৰী ক'লো। এই কথাবিলাক শুনি তাইৰ ফালৰপৰা পোৱা উত্তৰে মোৰ বন্ধুৰ প্ৰতি থকা ভৰষাটোৱেই কমাই পেলালে। তাই ক'লে - 'আচলতে মই সেই ঠাইখন যে ইমান এটা ভাল নহয়, মই আগৰ পৰাই জানো, সেইকাৰণে মই তোমালোকৰ লগত বনভোজ খাবলৈ যোৱা নাই।'

●●●

# বিজ্ঞানৰ সৌন্দৰ্য

**যীশুমণি বিশ্বাস**
স্নাতক তৃতীয় ষান্মাসিক

অন্বেষণৰ কাব্যিক গতিত বিজ্ঞানে মহাবিশ্বৰ সুৰবোৰ উন্মোচন কৰে। কণিকাৰ ৰূপৱতী নৃত্য-নাটকৰ পৰা আৰম্ভ কৰি তাৰকাৰাজ্যই গোৱা মহাজাগতিক ছনেটলৈকে, ই বৈজ্ঞানিক নীতিৰ এক সুৰ-সমলয়ৰ আয়োজন কৰে যিয়ে আমাক মনোমোহা যাত্ৰাৰ মাজেৰে পথ প্ৰদৰ্শন কৰে।

প্ৰতিটো প্ৰকাশেই হৈ পৰে এক গীতিময় টোকা, যিয়ে প্ৰাকৃতিক জগতৰ জটিল টেপেষ্ট্ৰীত নিহিত হৈ থকা সৌন্দৰ্য্যৰ প্ৰতিধ্বনি দিয়ে। মানুহৰ কৌতুহলৰ কৌতুহলী কৰ্ডৰ সৈতে অনুৰণন কৰি স্কেলক অতিক্ৰম কৰা এক সুৰ।

বিজ্ঞানৰ সৌন্দৰ্য্য কেৱল ইয়াৰ তথ্যতেই নহয় চিৰন্তন অনুসন্ধানৰ ছন্দত নিহিত হৈ আছে। যিটো গীতে আমাৰ মন আৰু হৃদয়ক বন্দী কৰি ৰাখে আৰু বিশ্ব ব্ৰহ্মাণ্ডৰ আশ্চৰ্যৰ স'তে নাচিবলৈ আমাক আমন্ত্ৰণ জনায়।

●●●

"সৰহভাগ লোকেই জীৱনত যিমান সুখী হ'ব খোজে সিমানহে সুখী হয়।"

--আব্ৰাহাম লিংকন

"সুখৰ ৰহস্য জনাটো দৰকাৰী কথা।"

--জন বাৰ উগঘচ

জাগীৰোড মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ যথেষ্ট উদ্দীপক। অভিজ্ঞ অধ্যাপক আৰু যুৱ, উদ্যমী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ এক সংমিশ্ৰণ।

# জাগীৰোড মহাবিদ্যালয়ত পঢ়ি থকাৰ মোৰ অনুভৱ

**অভিজিত চৌধুৰী**
প্ৰাক্তন ছাত্ৰ

জাগীৰোড মহাবিদ্যালয়ত পঢ়াটো মোৰ বাবে সঁচাকৈয়ে এক সমৃদ্ধিশালী অভিজ্ঞতা। শৈক্ষিক বিকাশ আৰু ব্যক্তিগত বিকাশ- দুয়োটাৰে এক যাত্ৰা। প্ৰতিটো প্ৰতিষ্ঠানৰ নিজস্ব চৰিত্ৰ আছে যদিও, ইয়াত কটোৱা সময়খিনিয়ে মোৰ জীৱনত এক অমলিন চিন ৰাখিছে।

প্ৰথমতে, জাগীৰোড মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ যথেষ্ট উদ্দীপক। অভিজ্ঞ অধ্যাপক আৰু যুৱ, উদ্যমী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ এক সংমিশ্ৰণ। তেওঁলোকে নিজৰ বিষয়সমূহকনিবেদন কৰি , শিক্ষাৰ জ্ঞান দক্ষতাৰে আগবঢ়াবলৈ চেষ্টা কৰে। সমালোচনাত্মক চিন্তাধাৰা আৰু স্বতন্ত্ৰ শিক্ষণৰ ওপৰত গুৰুত্ব দিয়াটো বিশেষভাৱে মূল্যৱান। মহাবিদ্যালয়ৰ পুথিভঁৰালটো যদিও সামান্য, তথাপিও ইয়াত কিতাপ আৰু আলোচনীৰ এক মান্য সংকলন আছে, য'ত গৱেষণা আৰু অধ্যয়নৰ বাবে যথেষ্ট সম্পদ উপলব্ধ।

ইয়াৰ আন্তঃগাঁথনিৰ সুবিধাসমূহ উন্নত কৰিবৰ প্ৰয়োজন। শ্ৰেণীকক্ষসমূহ কাৰ্যকৰী হ'লেও উন্নত বায়ু চলাচল আৰু হয়তো অধিক আধুনিক দৃশ্য-শ্ৰাব্য ব্যৱস্থাৰ দ্বাৰা উপকৃত হ'ব পাৰে। এইবোৰ অৱশ্যে সৰু সৰু অভাৱ যিয়ে সামগ্ৰিক ইতিবাচক শিক্ষণৰ অভিজ্ঞতাক প্ৰভাৱ নিদিয়ে।

শৈক্ষিক দিশৰ বাহিৰেও জাগীৰোড মহাবিদ্যালয়ত এক সজীৱ আৰু সৰ্বাংগীন কেম্পাছ সংস্কৃতিৰ লালন-পালন কৰে। মহাবিদ্যালয়খনত সাংস্কৃতিক অনুষ্ঠান, সমাজ সেৱাৰ পদক্ষেপকে ধৰি বিভিন্ন পাঠ্যক্ৰমৰ বাহিৰৰ কাৰ্যসূচীৰ আয়োজন কৰে, যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ আগ্ৰহ অন্বেষণ আৰু ব্যক্তিত্ব বিকাশৰ সুযোগ লাভ কৰে। এই কাৰ্য্যসূচীসমূহে কেৱল সুস্থ প্ৰতিযোগিতা আৰু দলীয় কাম-কাজক প্ৰসাৰিক কৰাই নহয়, ছাত্ৰ সমাজৰ মাজত সামাজিক দায়বদ্ধতাৰ ভাৰো জগাই তোলে।

মহাবিদ্যালয়ত বিভিন্ন পটভূমি আৰু সংস্কৃতিৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ এটি বৈচিত্ৰপূৰ্ণ জনসংখ্যা আছে। এই বৈচিত্ৰ্যই শিক্ষণ অভিজ্ঞতাক সমৃদ্ধ কৰে, ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দৃষ্টিভংগীৰ সৈতে পৰিচয় কৰাই দিয়ে আৰু বুজা-বুজিৰ ভাৱনাক বৃদ্ধি কৰে। বিভিন্ন পটভূমিৰ সহপাঠীসকলৰ সৈতে হোৱা আদান-প্ৰদানে মোৰ সৃষ্টিভংগীক অধিক প্ৰসাৰিত কৰিছে আৰু মোক আশ-পাশৰ পৃথিৱীখনৰ এটা সঠিক বুজাবুজি দিয়াৰ ক্ষেত্ৰত সহায় কৰিছে।

সৰু সৰু অভাৱবোৰৰ মাজতো জাগীৰোড মহবদ্যালয়ত পঢ়াটো এজন ছাত্ৰ হিচাপে মোৰ বাবে এটি সাৰ্থক অভিজ্ঞতা আছিল। এই মহাবিদ্যালয়ে মোক মোৰ পছন্দৰ অধ্যয়ন ক্ষেত্ৰত শক্তিশালী ভিত্তি প্ৰদান কৰিছে। লগতে মোৰ ব্যক্তিগত আৰু সামাজিক বিকাশৰ পোষণ কৰিছে। মহাবিদ্যালয়ৰ পৰা পোৱা সুযোগবোৰৰ বাবে মই কৃতজ্ঞ আৰু মোৰ আগন্তুক প্ৰচেষ্টাবোৰত ইয়াৰপৰা লাভ কৰা অভিজ্ঞতাসমূহ অমূল্য হ'ব বুলি বিশ্বাস কৰোঁ।

সামৰণিত ক'ব পাৰি যে জাগীৰোড মহাবিদ্যালয় হৈছে এনে এখন ঠাই য'ত শৈক্ষিক সাধনা ব্যক্তিগত আৰু সামাজিক বিকাশৰ সৈতে আন্তঃসম্পৰ্কিত। উন্নতিৰ বাবে সদায় সুযোগ থাকে যদিও, এই মহাবিদ্যালয়খনে শিক্ষাৰ বাবে এটি উপযোগী পৰিৱেশ প্ৰদান কৰে। জাগীৰোড মহাবিদ্যালয়ত কটোৱা মোৰ যাত্ৰা এটি পৰিৱৰ্তনশীল অভিজ্ঞতা আছিল, আৰু ইয়াৰপৰা পোৱা স্মৃতি আৰু অভিজ্ঞতাসমূহ মোৰ বাবে অতি মূল্যৱান।

●●●

# জাগীৰোড মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটোৰ অভিজ্ঞতা

⏭ **ৰাজ চৰকাৰ**
স্নাতক প্ৰথম ষান্মাসিক

মহাবিদ্যালয়ৰ মোৰ প্ৰথম দিনটোৰ বাবে মই অতি আনন্দিত আছিলোঁ। একে সময়তে মই উদ্বিগ্ন, সুখী অনুভৱ কৰিছিলোঁ। সেই অদ্ভুত অনুভৱটো আছিল অভূতপূৰ্ব আৰু সঠিকভাৱে বুজাব নোৱাৰা।

মহাবিদ্যালয়ত যিকোনো ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ নতুন আৰম্ভণি হয়। বিদ্যালয়ৰ বহু অনুশাসিত জীৱনৰ পিছত মহাবিদ্যালয়খন আহে। আমি হঠাতে ভাবিবলৈ আৰম্ভ কৰো যে, আমি আচলতে ডাঙৰ হৈছো আৰু এতিয়া যিকোনো কাম কৰিব পাৰো। আমি এটা মুক্ত চৰাইৰ দৰে অনুভৱ কৰোঁ।

সেইটো আছিল এটা উজ্জ্বল হৰ্ষিত দিন। দিনটো আছিল ২০২৪ চনৰ আগষ্টত ২ তাৰিখ। মোৰ মহাবিদ্যালয়খনৰ প্ৰথম দিনটো। আমাৰ মহাবিদ্যালয়খন হ'ল আমাৰ জাগীৰোড চহৰৰ আগশাৰী জাগীৰোড মহাবিদ্যালয়।

মহাবিদ্যালয়ৰ মোৰ প্ৰথম দিনটোৰ বাবে মই অতি আনন্দিত আছিলোঁ। একে সময়তে মই উদ্বিগ্ন, সুখী অনুভৱ কৰিছিলোঁ। সেই অদ্ভুত অনুভৱটো আছিল অভূতপূৰ্ব আৰু সঠিকভাৱে বুজাব নোৱাৰা। মই এই মহাবিদ্যালয়ৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিলো পযেক আগতেই। কিতাপ-পত্ৰ, বহী-কলম, ইউনিফৰ্ম আদি সকলো ক্ৰয় কৰি মহাবিদ্যালয়লৈ যাবলৈ প্ৰথম দিনটোৰ বাবে অতি আগ্ৰহী হৈ আছিলো।

অৱশেষত সেই দিনটো আহিল। মই মহাবিদ্যালয়লৈ গৈ উপস্থিত হ'লো। চৌহদত প্ৰৱেশ কৰাৰ লগে লগে মই মোৰ শ্ৰেণীকোঠাৰ বাবে সোধা-পোছা কৰিলোঁ। পিতৃ-মাতৃৰ সৈতেও বহু ছাত্ৰ-ছাত্ৰী আহিছিল। মই মোৰ শ্ৰেণীকোঠালৈ গৈ দ্বিতীয় বেঞ্চত বহিলো। এইটো এটা সঁচাকৈয়ে অতি অস্বস্তিকৰ অনুভৱ আছিল যে, তাত অধিকাংশই ছাত্ৰ-ছাত্ৰী অচিনাকি আছিল। কিন্তু বৰ্তমানলৈ তেওঁলোক মোৰ একো একোজন ভাল বন্ধু বা বান্ধৱীলৈ পৰিণত হ'লগৈ।

তাৰ পিছত প্ৰায় নটা বজাত আমাৰ শ্ৰেণী অধ্যাপক আহিল আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ এটি চমু পৰিচয় দাঙি ধৰা হ'ল। প্ৰায় চল্লিছ মিনিটৰ অন্তত শ্ৰেণীটোৰ সামৰণি পৰিল আৰু দিনটোৰ সময়খিনি বিভিন্ন কাৰ্যকলাপত আদৰণি জনোৱা হ'ল। এনেকৈয়ে মহাবিদ্যালয়ৰ মোৰ প্ৰথম দিনটোৰ সামৰণি হ'ল।

এয়াই আছিল মোৰ জাগীৰোড মহাবিদ্যালয়ৰ প্ৰথম দিনটোৰ অভিজ্ঞতা। যিটো আছিল অতি মধুৰ, আনন্দপূৰ্ণ আৰু সুখদায়ক। মহাবিদ্যালয়খনত বৰ্তমানলৈ পাৰ কৰা এই ছমাহ যিদৰে সন্মানীয় অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকাসকলৰ দ্বাৰা শিক্ষা-জ্ঞান লাভ কৰিছো প্ৰাৰ্থনা কৰোঁ ভৱিষ্যতেও একেদৰে বাকী শিক্ষা লাভৰ সময়খিনি পাৰ হ'ব।

●●●

জাগীৰোড মহাবিদ্যালয়ৰ অভিনয় বিভাগত পঢ়াটো মোৰ বাবে এটা অপূৰ্ব অভিজ্ঞতা। নাট্যকলাৰ প্ৰতি মোৰ গভীৰ আগ্ৰহ আছিল, আৰু ইয়াতে পঢ়িবলৈ পাই সুখী অনুভৱ কৰোঁ।

# জাগীৰোড মহাবিদ্যালয়ত পঢ়ি থকাৰ মোৰ অনুভৱখিনি

**বিদ্যুৎ দত্ত**
স্নাতক প্ৰথম ষাণ্মাসিক

জাগীৰোড মহাবিদ্যালয়ৰ বিষয়ে ক'বলৈ গ'লে জাগীৰোড মহাবিদ্যালয়ৰ চৌহদটো আওকাণ কৰিব নোৱাৰি। জাগীৰোড মহাবিদ্যালয়ৰ চৌহদটো প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা। গছ-গছনি, ফুলনি বাগিচাৰ (বৃন্দাবন) মাজত থকা সেউজীয়া ঘাঁহনি দৰা, জাতীয় সম্পদ এহিঙীয়া গড় আৰু অন্যান্য প্ৰতিমা সমূহে মহাবিদ্যালয়খনৰ চৌহদটো অতিকৈ মনোমোহা কৰি তুলিছে।

জাগীৰোড মহাবিদ্যালয়ৰ অভিনয় বিভাগত পঢ়াটো মোৰ বাবে এটা অপূৰ্ব অভিজ্ঞতা। নাট্যকলাৰ প্ৰতি মোৰ গভীৰ আগ্ৰহ আছিল, আৰু ইয়াতে পঢ়িবলৈ পাই সুখী অনুভৱ কৰোঁ।

প্ৰথম দিনতে মই অনুভৱ কৰিছিলোঁ যে, এই স্থানখন কেৱল এখন শিক্ষা প্ৰতিষ্ঠান নহয়, বৰং এটা সৃষ্টিশীল পৰিৱেশ, য'ত অভিনয়ৰ প্ৰতি সঁচা ভালপোৱা থকা সকলোৱে নিজকে প্ৰকাশ কৰাৰ সুযোগ পায়। আমাৰ শিক্ষকসকলে কেৱল পাঠ্যপুথিৰ জ্ঞানেই নিদিয়ে, তেওঁলোকে জীৱনৰ অভিজ্ঞতা আৰু বাস্তৱধৰ্মী অভিনয় শৈলীও শিকায়। শুদ্ধ সংলাপ প্ৰস্তুতি, শৰীৰৰ অভিব্যক্তি, মঞ্চত আত্মবিশ্বাসেৰে থকাটো--এই সকলোবোৰ শিকাৰ অভিজ্ঞতা মোৰ বাবে এক মূল্যৱান সম্পদ। মহাবিদ্যালয়ত বিভিন্ন নাট্য-অনুষ্ঠান, প্ৰতিযোগিতা, অনুষ্ঠিত হয়। বিশেষকৈ মঞ্চ অভিনয়ৰ লগতে, মূকাভিনয়, কেমেৰা অভিনয়, কেমেৰাৰ সন্মুখত প্ৰস্তুতি, আৰু পৰিচালনাৰ সূক্ষ্ম কলাসমূহো শিকিবলৈ পাইছোঁ। সৰ্বাধিক উৎসাহজনক বিষয় হ'ল আমাৰ অধ্যয়নকালত আমি একেলগে নাটক সৃষ্টি কৰি উপস্থাপন কৰো। কেতিয়াবা হাস্যৰসাত্মক, কেতিয়াবা গভীৰ অনুভৱেৰে ভৰা নাটকবোৰত অভিনয় কৰাৰ সময়ত এখন সম্পূৰ্ণ নতুন জগতলৈ যাত্ৰা কৰাৰ অনুভূতি হয়। ইয়াতে মই নতুন বন্ধু-বান্ধৱ পাইছোঁ, যি সকল মোৰ দৰেই অভিনয়ৰ প্ৰতি উৎসাহী।

জাগীৰোড মহাবিদ্যালয়ত মই অভিনয় বিভাগত পঢ়িলেও, অন্য বিষয়ৰ অধ্যাপকসকলৰ লগতো মোৰ যথেষ্ট ভাল সম্পৰ্ক আছে। তেওঁলোকৰ জ্ঞান, শিক্ষা প্ৰদানৰ ধৰণ আৰু শিক্ষাৰ ক্ষেত্ৰত হোৱা আগ্ৰহ মোৰ বাবে অনুপ্ৰেৰণাদায়ক।

মুঠতে, জাগীৰোড মহাবিদ্যালয়ত মোৰ অভিনয় শিক্ষা কেৱল পাঠ্যপুথিৰ সীমাৰ ভিতৰত নাথাকে। ইয়াত মই জীৱনৰ নাট্যমঞ্চৰ এক বিশেষ পাঠ শিকিছোঁ, যি মোক আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰি গৈছে। ভৱিষ্যতে এই অভিজ্ঞতাসমূহ লৈ মই অভিনয় জগতত কিবা দাঙি ধৰি যাব পাৰিম বুলি বিশ্বাস কৰোঁ।

●●●

# কলেজীয়া জীৱনৰ প্ৰথম দিনৰ অনুভৱ

**⏭ সবিতা মেধি**
স্নাতক পঞ্চম ষান্মাসিক

সেই দিনাখন মনটো আনন্দৰে ভৰি আছিল। কাৰণ মই আমাৰ গাওঁৰে জাগীৰোড মহাবিদ্যালয়ত পঢ়ি অহা দাদা - বাইদেউ সকলৰ মুখত মহাবিদ্যালয়খনৰ প্ৰশংসা শুনি শুনি মহাবিদ্যালয়খনৰ প্ৰেমত পৰিছিলোঁ।

আনফালে আকৌ নানাবোৰ চিন্তা ভাবে মনটো আবৰি ধৰিছিল.... নতুন বন্ধু - বান্ধৱী পাম সিহঁত বা কেনেকুৱা হয়, শিক্ষক - শিক্ষয়িত্ৰীসকল বা কেনেকুৱা ইত্যাদি ইত্যাদি ভাব মনত কঢ়িয়াই লৈ ফুৰিছিলোঁ। চাওঁতে চাওঁতে মহাবিদ্যালয়লৈ যাবৰে হ'ল আৰু মই ভগৱানৰ ওচৰত সেৱা এটা লৈ মা-দেউতাক মাত লগাই মহাবিদ্যালয়লৈ বুলি ওলালোঁ .... যিমানে মহাবিদ্যালয়ৰ কাষ পাইছোঁ সিমানে মোৰ বুকুৰ স্পন্দন বাঢ়ি গৈ আছিল।

মহাবিদ্যালয়ত সোমায়েই ভয় লাগি আছিল যদিওঁ মহাবিদ্যালয়খনৰ মনোমোহা সৌন্দৰ্য ই মোক মহাবিদ্যালয়খনৰ প্ৰতি আকৰ্ষিত কৰি তুলিছিল।

বকুল ফুলবোৰৰ সুবাস, কৃষ্ণচূড়াৰ ফুলবোৰ, মহাবিদ্যালয়খনৰ সন্মুখতে থকা বাগিচাখনৰ লগতে মহাবিদ্যালয়খনৰ প্ৰাকৃতিক সৌন্দৰ্যবোৰৰ মাজত মই যেন হেৰাই গৈছিলো।

তাৰ পিছত মই ক'ত যাম কি কৰোঁ বুলি ভাবি থাকোঁতেই হঠাতে পিছফালৰ পৰা মোৰ বন্ধু এজনে মাত লগালে আৰু তাক সুধিলোঁ আমাৰ অসমীয়া বিভাগটো কোন ফালে আছে .... তাৰ পিছত সি ক'লে– আহ মোৰ লগত মই দেখুৱাই দিম .... মোক বিভাগটো আৰু শ্ৰেণীকোঠাটো দেখুৱাই দি সি গুচি গ'ল আৰু মইয়ো শ্ৰেণীকোঠালৈ বুলি খোজ ললোঁ । তাৰ পিছত মই শ্ৰেণীকোঠাত সোমাই দুই - চাৰিজনী বান্ধৱীৰ লগত চিনাকি হ'লোঁ, ফটো উঠিলোঁ, নাম্বাৰ ললোঁ আৰু WhatsApp ত status লগালোঁ কলেজীয়া জীৱনৰ প্ৰথম দিন বুলি .....

> মহাবিদ্যালয়ত সোমায়েই ভয় লাগি আছিল যদিওঁ মহাবিদ্যালয়খনৰ মনোমোহা সৌন্দৰ্য ই মোক মহাবিদ্যালয়খনৰ প্ৰতি আকৰ্ষিত কৰি তুলিছিল।

এনেদৰে কিছু সময় পাৰ হোৱাৰ পিছত আমাৰ শ্ৰেণীকোঠাত বাইদেউ এগৰাকী সোমাই আহিল। বাইদেউ আমাক তেখেতৰ পৰিচয় দিলে আৰু আমাকো এজন এজনকৈ নিজৰ পৰিচয়বোৰ দিবলৈ ক'লে। তাৰ পাছত বাইদেউ আমাক বহুত ভাল ভাল কথা ক'লে আৰু বাইদেউৰ কথা শুনি মনত থকা ভয়বোৰ যেন লাহে লাহে কমিবলৈ ধৰিছিল। এনেদৰেই অলপ সময় পাছত বাইদেউ কোঠাৰ পৰা ওলাই গ'ল ।

এনেদৰেই দিনটো পাৰ হৈছিল আৰু দিনটোৰ শেষত মই উপলব্ধি কৰিছিলোঁ যে মই সঁচাকৈ বহুত বেছি ভাগ্যবান। জাগীৰোড মহাবিদ্যালয়ৰ দৰে ইমান ধুনীয়া এখন মহাবিদ্যালয়ৰ সকলোকে আকোঁৱালি ল'ব পৰা এটি বিভাগত পঢ়িবলৈ পায়।

●●●

# জাগীৰোড মহাবিদ্যালয় মোৰ এক প্ৰেম যাৰ নাম এক ৰসাল স্মৃতিৰ অনুভৱ

উজ্জ্বলমণি তালুকদাৰ
প্ৰাক্তন ছাত্ৰ

কলেজৰ মধুৰ স্মৃতিবোৰ জানো আকৌ কেতিয়া ঘূৰাই পাওঁ নাজানো, এইটো জনমৰ শ্ৰেষ্ঠ উপহাৰ আছিল কলেজীয়া দিনবোৰ। কলেজত প্ৰেম হৈছিল জগত জিনাৰ বাবে।

তিনি বছৰ কেনেকৈ পাৰ হৈ গ'ল গমকে নাপালো। মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ মনোৰম দৃশ্যবোৰ এতিয়াও ভাঁহি উঠে মন-মগজুত। মহাবিদ্যালয় সপ্তাহৰ সেই মধুৰ অভিজ্ঞতাবোৰ হয়তো এদিনতে কৈ শেষ কৰিব নোৱাৰিম বা লিখি শেষ কৰিব নোৱাৰি। প্ৰতিটো দিন এটা ৰসাল মুহূৰ্ত আছিল আমাৰ বাবে, মহাবিদ্যালয়ৰ চাৰ-বাইদেউসকল আমাৰ অভিভাৱকৰ দৰে হৈ পৰিছিল। প্ৰত্যেকজনৰ নাম হয়টো প্ৰকাশ কৰিব নোৱাৰিম কিছুমানৰ নাম নাজানো; তথাপিও মুখকেইখন সদায় মনত থাকি যাব। নিঃস্বাৰ্থভাবে তেওঁলোকে যি সমস্ত জ্ঞানৰ ভঁৰাল আমাক দিলে তাৰ বাবে মহাবিদ্যালয় পৰিয়ালৰ ওচৰত তাৰ বাবে চিৰ কৃতজ্ঞ হৈ ৰম।

মহাবিদ্যালয়খনৰ হৈ তিনি বাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশগ্ৰহণ কৰি যি অভিজ্ঞতা হ'ল সেইবোৰ হয়তো এনেকৈ লিখি বুজাব নোৱাৰিম বিশেষকৈ জাগীৰোড মহাবিদ্যালয়ৰ মীৰা মেম, বৰ্ষা কলিতা মেম, গাৰ্গী মেম, আহমেদ চাৰ, ৰহমান চাৰ,লভিতা মেম, দীপ্তি মেম,বিজিত চাৰ, হাঁলৈ চাৰ, প্ৰীতম দলে চাৰ, পুৰুযোত্তম ভাণ্ডাৰী চাৰ, অমৰ চাৰ, খগেন গগৈ চাৰ, সৃজনী মেম লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ভবেন চন্দ্ৰ নেওগ চাৰে আমাক যিদৰে আগুৱাই নিয়াৰ প্ৰচেষ্টা কৰিছিল তাৰ বাবে সদায় চিৰঋণী হৈ ৰ'লো,বহুতৰ নাম হয়তো এই মুহূৰ্তত উল্লেখ কৰিব পৰা নাই তাৰ বাবে ক্ষমা কৰিব। তদুপৰি এজন মানুহৰ নাম কব লাগিব- সকলোৰে চিনাকি বৰা দা বহুত বেছি মনত থাকি যাব। কলেজৰ উৎপাত বোৰৰ মাজত নিজক হেৰুৱাই পেলাইছিলো তাৰ মাজতে নিজৰ কামবোৰো কৰি গৈছিলো। কলেজৰ সময়খিনি যদি আকৌ এবাৰ ঘূৰাই পালোঁহেঁতেন সঁচাকৈ বহুত ফুৰ্তি কৰিলোঁ হেঁতেন। মহাবিদ্যালয়ৰ কেণ্টিনত দিয়া আড্ডাবোৰ সদায় মনত থাকি যাব। পুথিভঁৰালটো যেন মোৰ বাবে দৈনন্দিন কাৰ্যসূচী আছিল। কুইজ,তৰ্ক, সাহিত্য প্ৰতিযোগিতা সমূহ নিজৰ দখলত আনিব পাৰিছিলো অশেষ সাধনা কৰিছিলোঁ। অসমৰ বহু কেইখন মহাবিদ্যালয়ত হোৱা কুইজ আৰু তৰ্ক প্ৰতিযোগিতাবোৰত জাগীৰোড মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিব পাই নিজক গৰ্ব কৰিছিলোঁ যে আমি জাগীৰোড কলেজৰ একো একোজন অক্লান্ত সৈনিক। ইয়াত পঢ়া কালছোৱাৰ মাজেৰে অভিজ্ঞতা সঞ্চয় কৰিবলৈ সক্ষম হ'লো।

কলেজৰ মধুৰ স্মৃতিবোৰ জানো আকৌ কেতিয়া ঘূৰাই পাওঁ নাজানো, এইটো জনমৰ শ্ৰেষ্ঠ উপহাৰ আছিল কলেজীয়া দিনবোৰ। কলেজত প্ৰেম হৈছিল জগত জিনাৰ বাবে। চাৰ মেমহঁতৰ গালিবোৰ যেন আমাৰ বাবে চিনাকি সুৰ হৈ গৈছিল আমি এটা পৰিয়াল হৈ পৰিছিলো স্মৃতিৰ এখিলা পাতত এই মধুৰ সময় বোৰ জাগীৰোড মহাবিদ্যালয়ৰ নামত নিজক বিলীন কৰি দিলোঁ।তিনি বছৰ যেন তিনি মিনিটত শেষ হৈ গ'ল গমেই নাপালোঁ। এতিয়া হে উপলব্ধি হৈছে কলেজীয়া জীৱনৰ আচল মজা এই সময়খিনি আছিল। আমি সঁচাকৈ ধন্য হৈ ৰ'ম এজন ছাত্ৰ হিচাপে এই মহাপুণ্য জাগীৰোড মহাবিদ্যালয়ত পঢ়িবলৈ সুযোগ পাইছোঁ, যত মলয়া গোস্বামীৰ দৰে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিবলৈ সক্ষম হোৱা অভিনয় জগতৰ এগৰাকী মহান অসমীয়াই অধ্যাপনা কৰি গৈছিল।

শেষত জাগীৰোড মহাবিদ্যালয়ৰ পুণ্য কামনা কৰি এই মহাবিদ্যালয়খনে যাতে যুগ যুগলৈ মানৱ সম্পদ গঢ়ি যায়, তাৰেই কামনা কৰিলো।

জয়তু জাগীৰোড মহাবিদ্যালয়।

●●●

ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা, ৰঙে-ৰসে উপচি পৰা, মধুৰ স্বপ্নালিৰ আৱেশেৰে ভৰপূৰ বৈচিত্ৰ্যময় সময়ছোৱাই হৈছে মহাবিদ্যালয়ত পঢ়ি থকা সময়ছোৱা। মুক্ত আকাশৰ তলত, মুক্ত মন আৰু মুক্ত চিন্তা লৈ জীৱনৰ জ্যোতিৰ বাট পোহঁৰাই তোলাৰ প্ৰচেষ্টাত আগবঢ়াত সুন্দৰ পৰিৱেশ মহাবিদ্যালয়ত বিৰাজমান।

# জাগীৰোড মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটোৰ অভিজ্ঞতা


**জিনি মেধী**

স্নাতক প্ৰথম ষান্মাসিক


'অনন্ত অপাৰ মহা শস্ত্ৰৰ
মহা সিন্ধু মথি
আমি আহৰণ কৰো জ্ঞানৰ অমৃত
মহাবিদ্যালয়ৰ পৰা'

ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা, ৰঙে-ৰসে উপচি পৰা, মধুৰ স্বপ্নালিৰ আৱেশেৰে ভৰপূৰ বৈচিত্ৰ্যময় সময়ছোৱাই হৈছে মহাবিদ্যালয়ত পঢ়ি থকা সময়ছোৱা। মুক্ত আকাশৰ তলত, মুক্ত মন আৰু মুক্ত চিন্তা লৈ জীৱনৰ জ্যোতিৰ বাট পোহঁৰাই তোলাৰ প্ৰচেষ্টাত আগবঢ়াৰ সুন্দৰ পৰিৱেশ মহাবিদ্যালয়ত বিৰাজমান। নিজৰ প্ৰতিভা মুক্তভাৱে প্ৰকাশ কৰিবলৈ আৰু সেই প্ৰতিভাৰ বিকাশৰ বাবে অপাৰ সুযোগ পোৱা যায় মহাবিদ্যালয়ত।

জাগীৰোড মহাবিদ্যালয়ত প্ৰথম দিনটি ঃ ২০২৪ বৰ্ষৰ আগষ্ট মাহৰ ১ তাৰিখ, সেই দিনা পুৱা ৯ বজাত জাগীৰোড মহাবিদ্যালয়ত উচ্চ শিক্ষা অৰ্থাৎ স্নাতক ডিগ্ৰী লাভৰ বাবে মহাবিদ্যালয়ৰ মজিয়াত প্ৰৱেশ কৰিছিলো। বিদ্যালয়ত পঢ়া বন্ধু-বান্ধৱী কেইজনৰ বাহিৰে সকলো আছিল অচিনাকি। মহাবিদ্যালয়ৰ জ্যেষ্ঠ দাদা-বা হঁতক সুধি শ্ৰেণীকোঠা বিচাৰি পালো। দাদা-বা বুলি মাত দিওঁতে তাৰে দুই এজন মোৰ দৰে প্ৰথম মহাবিদ্যালয়ত অহা বন্ধু-বান্ধৱীক লগ পালোঁ। শ্ৰেণীকোঠাত গৈ দেখো যে ইতিমধ্যে শ্ৰেণীকোঠাত অধ্যাপক সোমাইছিল। মনত বহু ভয়-আশংকা লৈ অধ্যাপকৰ অনুমতি লৈ শ্ৰেণীকোঠাত প্ৰৱেশ কৰিলো।

অধ্যাপকজনে আমাক সকলোৰে নিজৰ নাম-ঠিকনাৰ পৰিচয় ল'লে আৰু আমি ইজনে-সিজনৰ সৈতে চিনাকি হ'লো। অধ্যাপক দেৱেও নিজৰ পৰিচয় দি ক'লে যে 'তেওঁৰ আমাক ভূগোল পঢ়াব'। অধ্যাপকে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা ল'লে আৰু ক্লাছটো সামৰিছিল। তাৰ পিছতে ১১ বজাত মহাবিদ্যালয় অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগদেৱে এখন সভা আয়োজন কৰিলে। তেওঁ আমাক মহাবিদ্যালয়ৰ নীতি-নিয়ম, উপস্থিতিৰ হাৰ ৭৫%, নতুন শিক্ষা-নীতিৰ পাঠ্যক্ৰমৰ বহু নজনা কথা ক'লে। সভা সাং কৰি ঘৰলৈ ওভতি আহিলো। এনেদৰে মহাবিদ্যালয়ৰ প্ৰথম দিনটো পাৰ হ'ল।

ভৱিষ্যতৰ কৃতকাৰ্যতা, সুন্দৰ জীৱন গঢ়াৰ কৰ্মশালা কলেজসমূহ, বিদ্যাৰ্থীসকলৰ সাধনাৰ একোখন মহা আশ্ৰম। এই মহা আশ্ৰমৰ নিয়াৰিত গঢ়ি উঠে ভৱিষ্যতৰ সম্ভাৱনাময় একোটা মহান জীৱন। মহাবিদ্যালয়ৰ শিক্ষা সাং কৰি ওলাই অহা সকলক স্নাতক বুলি কোৱা হয়। এই মহাবিদ্যালয়ত উচ্চ শিক্ষাৰে শিক্ষিত, উচ্চ অৰ্হতাসকলৰ উচ্চ মানৰ শিক্ষাদান কাৰ্যই এই জ্ঞানৰ মন্দিৰ জ্যোতিৰ্ময় কৰি তোলক।

●●●

মোৰ জাগীৰোড মহাবিদ্যালয় ইমানে ভাল লাগিল যে মই আকৌ এইখন মহাবিদ্যালয়তে প্ৰথম ষান্মাসিকত নাম ভৰ্তি কৰিলো। প্ৰথম ষান্মাসিকৰ প্ৰথম দিনটোত মহাবিদ্যালয়ত মোৰ ভয় লগা নাছিল কাৰণ এইখন মোৰ চিনাকী কলেজ। এই মহাবিদ্যালয় খনৰ পৰিৱেশ সকলো দিশৰপৰাই অতি সুন্দৰ তথা মনোমোহা।

# জাগীৰোড মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটো

**দিপিকা বিশ্বাস**
স্নাতক তৃতীয় ষান্মাসিক

মই জাগীৰোড মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলো একাদশ শ্ৰেণীত। আকৌ উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হৈ জাগীৰোড মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলো। যেতিয়া মই একাদশ শ্ৰেণীত নামভৰ্তি কৰিবলৈ আহিছিলো। তেতিয়া মই মোৰ মা-দেউতাৰ লগত আহিছিলো। তেতিয়া বৰ্ষটো আছিল ২০২১। তেতিয়া কৰ'না মহামাৰীৰ সময়।

যেতিয়া মই মহাবিদ্যালয়ৰ সন্মুখ পাইছিলো, তেতিয়া মোৰ বহুত ভয় লাগিছিল; আৰু মনে মনে ভালো লাগিছিল। কাৰণ মই ইমান ডাঙৰ মহাবিদ্যালয়ত পঢ়িব আহিছো। তাৰ পিছত যেতিয়া আমি গেটৰ ভিতৰত সোমাব ওলাইছো তেতিয়া গম পালো যে কৰ'নাৰ কাৰণে অভিভাৱকক ভিতৰলৈ সোমাব নিদিয়ে। মোৰ ভয় তেতিয়া আৰু বেছি হ'বলৈ ধৰিলে। ভয় আৰু আনন্দ মনত লৈ মই অকলে ভিতৰলৈ সোমাই গ'লো। তাৰ পিছত মই বহুতৰ লগত চিনাকি হ'লো আৰু সিহঁতৰ লগত লগ হৈ মই নামভৰ্তি হোৱা কোঠাত গৈ নামভৰ্তি কৰি আহিলো।

কেইদিনমান পিছত মোৰ পাঠদান কাৰ্য আৰম্ভ হ'ল। আৰু দেউতাই মোক মহাবিদ্যালয়ৰ সন্মুখত নমাই দি আহিল আৰু ভালকৈ পঢ়িব ক'লে। তাৰ পিছত মই গেটৰ ভিতৰত সোমাই গ'লো। মই মহাবিদ্যালয়খনত অকলে ঘূৰি আছিলো আৰু ভয়ো লাগি আছিল। কাৰণ মই মোৰ ক্লাছ ৰুম বিচাৰি পোৱা নাছিলো। তাৰ অলপ পিছত নামভৰ্তি কৰিব অহাৰ দিনা লগ হোৱা লগৰ কেইজনীৰ লগত লগ হ'লো আৰু সিহঁতৰ লগত ক্লাছ ৰুম বিচাৰি ক্লাছ কৰিবলৈ গ'লো। প্ৰথমত ভাবিছিলো আমাৰ শিক্ষাগুৰু সকল কেনেকুৱা বা হ'ব, কিন্তু তেখেতসকল বহুত ভাল।

মোৰ জাগীৰোড মহাবিদ্যালয় ইমানে ভাল লাগিল যে মই আকৌ এইখন মহাবিদ্যালয়তে প্ৰথম ষান্মাসিকত নাম ভৰ্তি কৰিলো। প্ৰথম ষান্মাসিকৰ প্ৰথম দিনটোত মহাবিদ্যালয়ত মোৰ ভয় লগা নাছিল কাৰণ এইখন মোৰ চিনাকী কলেজ। এই মহাবিদ্যালয় খনৰ পৰিৱেশ সকলো দিশৰপৰাই অতি সুন্দৰ তথা মনোমোহা। বৰ্তমান সময়তো মই এই মহাবিদ্যালয়তে অধ্যয়ন কৰি আছো।

●●●

# জাগীৰোড মহাবিদ্যালয়ত পঢ়া মোৰ অনুভৱ

গীৰ্জা ঠাকুৰীয়া
স্নাতক প্ৰথম ষান্মাসিক

মহাবিদ্যালয়খনৰ কথা ভাবিলে মনটো অশেষ শ্ৰদ্ধা-ভক্তিৰে ভৰি পৰে। মহাবিদ্যালয়খনৰ সেই সেউজীয়া গছ-গছনিৰে ভৰা চৌপাশটো দেখিলে মনটোৰে নতুন প্ৰাণ পায়। ছাৰ-বাইদেউসকলৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি থকা অটুত মৰম। আমাৰ জীৱনটো যাতে আমি ভাল দৰে গঢ় দি তুলিব পাৰো তাৰ বাবে তেওঁলোকে অশেষ কষ্ট কৰে।

আমাৰ জাগীৰোড মহাবিদ্যালয়খন অসমৰ মৰিগাঁও জিলাৰ জাগীৰোডত অৱস্থিত এখন স্নাতক শিক্ষাৰ মহাবিদ্যালয়। ১৯৭৯ চনত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল। বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ বিভিন্ন পাঠ্যক্ৰম প্ৰদান কৰা আমাৰ এই মহাবিদ্যালয়খন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত। আমাৰ এই জাগীৰোড মহাবিদ্যালয়খনৰ অধ্যক্ষ মহোদয় হৈছে বি চি নেওগ চাৰ। জাগীৰোড মহাবিদ্যালয় প্ৰাচীন তিৱা ৰাজ্যৰ ৰাজকোঁৱৰৰ বাসস্থান "ন-খোৱাৰ" সমীপত অৱস্থিত এই অঞ্চলৰ এচাম দূৰদৰ্শী আৰু সংকল্পবদ্ধ সমাজকৰ্মীৰ প্ৰচেষ্টাতে মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল।

মই জাগীৰোড মহাবিদ্যালয়ৰে স্নাতক কলা শাখাৰ প্ৰথম বৰ্ষৰ অসমীয়া বিভাগৰ এগৰাকী ছাত্ৰী। ২০২৪ বৰ্ষত স্নাতক ডিগ্ৰীৰ বাবে এই জাগীৰোড মহাবিদ্যালয়খনত নামভৰ্ত্তি কৰিছিলো। ২০২৪ চনত উচ্চতৰ মাধ্যমিকৰ দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হৈ বহুত উৎসাহেৰে এই মহাবিদ্যালয়খনত নামভৰ্ত্তি কৰিছিলো। এই মহাবিদ্যালয়খনৰ বিষয়ে আগৰ পৰাই ইয়াত পঢ়ি যোৱা দাদা-বাইদেউসকলৰ পৰা শুনিবলৈ পাইছিলো তেতিয়া মহাবিদ্যালয় খনত পঢ়িবলৈ উৎসাহ বেছিকৈ বাঢ়িবলৈ ধৰিছিল। যেতিয়া আমাৰ গাঁৱৰ দাদা-বাইদেউ সকলো সেই মহাবিদ্যালয়ৰ ইউনিফৰ্ম যোৰ পৰিধান কৰি মহাবিদ্যালয়লৈ যোৱা দেখিছিলো তেতিয়া মইয়ো মহাবিদ্যালয় খনলৈ পঢ়িবলৈ যোৱাৰ কথা ভাবিছিলো। আৰু সেই ভবাৰ কথা সকলো হ'ল। এতিয়া মই এগৰাকী ছাত্ৰী হিচাপে এই মহাবিদ্যালয়খনত শিক্ষা আহৰণ কৰি আছো। মহাবিদ্যালয়খনত মোৰ প্ৰথম দিনটোত বহুত ভাল লাগিছিল যে, আগৰ পৰা পঢ়িম বুলি ভাবি থকা মহাবিদ্যালয় খনত আজি মোৰ প্ৰথম দিন। মহাবিদ্যালয়খনৰ কথা ভাবিলে মনটো অশেষ শ্ৰদ্ধা-ভক্তিৰে ভৰি পৰে। মহাবিদ্যালয়খনৰ সেই সেউজীয়া গছ-গছনিৰে ভৰা চৌপাশটো দেখিলে মনটোৰে নতুন প্ৰাণ পায়। ছাৰ-বাইদেউসকলৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি থকা অটুত মৰম। আমাৰ জীৱনটো যাতে আমি ভাল দৰে গঢ় দি তুলিব পাৰো তাৰ বাবে তেওঁলোকে অশেষ কষ্ট কৰে। মহাবিদ্যালখনৰ চৌপাশটোত ফুলৰ লগতে ফলৰ গছ-গছনিও দেখিবলৈ পোৱা যায়। মহাবিদ্যালয়খনৰ পিছফালে ল'ৰা-ছোৱালী বিলাকৰ খেলা-ধূলা কৰা এখন খেল-পথাৰ দেখিবলৈ পাওঁ আৰু সেই খেল-পথাৰ খনতে মহাবিদ্যালয়ৰ NCC ত থকা দাদা-বাইদেউ আৰু ভাইটি-ভণ্টি সকলে প্ৰেক্টিচ কৰি থাকে আৰু আমিও মাজে সময়ে গৈ উপভোগ কৰি থাকো। এই মহাবিদ্যালয়খনৰ বহুতো নীতি- নিয়ম আছে। সেই নীতি-নিয়মবোৰ পালন কৰাটো মই বাধ্যতা মূলক বুলি অনুভৱ কৰো। মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

●●●

এনেকৈ এদিন দুদিনকৈ পাৰ হৈ যোৱা সময়ৰ কোলাত মই প্ৰতিদিনে যুগুতাই গ'লো বহুতো তিতা-মিঠা স্বাদযুক্ত অভিজ্ঞতা। এই তিনিটা ষান্মাসিকত কেৱল আনুষ্ঠানিক শিক্ষাই নহয়, জাগীৰোড মহাবিদ্যালয়ৰ অভিজ্ঞতাবোৰৰ পৰা পলে পলে লাভ কৰিছোঁ বহু মূল্যৱান জীৱন সম্পৰ্কীয় শিক্ষাও। ভালদৰে উপলব্ধি কৰিব পাৰিছোঁ জীৱন, একতা, মানৱতা, বন্ধুত্ব আদিৰ দৰে বিষয়সমূহৰ প্ৰকৃত অৰ্থ।

# জাগীৰোড মহাবিদ্যালয় আৰু মোৰ অনুভৱ

**ধিৰু পৱন বৰদলৈ**
স্নাতক তৃতীয় ষান্মাসিক

জাগীৰোড মহাবিদ্যালয় আছিল মোৰ বাবে এখন সপোনৰ ঠাই, য'ত মোৰ আশাবোৰে জেচিয়ানৰ বুকুত পোশা মেলিছিল। আজিও মনত আছে মেট্ৰিক পাছ কৰি যেতিয়া হায়াৰ ছেকেণ্ডাৰীৰ বাবে কলেজ এখনত নামভৰ্তি কৰাৰ দিন ওচৰ চাপিছিল মাক বাৰে বাৰে কৈছিলো যে, মই জাগীৰোডতে পঢ়িম, লাগিলে প্ৰাইভেট কলেজত দিব নালাগে জাগীৰোড কলেজখনত হ'লেও হ'ব। যিহেতু বৰদেউতাৰ ছোৱালীজনী জাগীৰোডতে এডমিছন কৰিছে মোৰ মনটোৱেও সেইবাবে ইয়ালৈ ঢাপলি মেলিছিল। মাজনিশা যেতিয়া সাৰ পাওঁ কান্দি কান্দি কৈছিলো- অ' মা ময়ো জাগীৰোডতে পঢ়িম, মোৰ কান্দোনত মাৰ বুজনি- এতিয়া আমাৰ ওচৰৰে নেলী কলেজখনতে পঢ়। হায়াৰ ছেকেণ্ডাৰী ভালকৈ পাছ কৰিলে বি,এ টো তেতিয়া জাগীৰোডতে পঢ়িবি দে.. ময়ো ওলোটাকৈ একো নকৈ মাৰ কথাত মান্তি হৈ যাওঁ। তেনেকৈ হায়াৰ ছেকেণ্ডাৰী নেলী জুনিয়ৰ কলেজৰ পৰাই প্ৰথম বিভাগত উৰ্ত্তীণ হৈ এতিয়া স্নাতকৰ বাবে জাগীৰোড মহাবিদ্যালয়তে, অসমীয়া বিভাগত মেজৰ হিচাপে লৈ নামভৰ্তি কৰিলো।

কলেজৰ প্ৰথম দিন যাবলৈ ওলালোঁ। মনত অলপ ভয়, অলপ সংকোচ, নহ'বনো কিয় নতুন কলেজ, নতুন ঠাই। কিন্তু সেই অনুপাতে যেনিবা স্ফুৰ্তিও নলগা নহয় নতুন নতুন বন্ধু - বান্ধৱী লগ পাম। অলেখ চিন্তাৰ জোৱাৰ আৰু ভয়, সংকোচেৰে ভৰি পৰা গধুৰ মনটোক কঢ়িয়াই লৈ সোমাই গৈছিলো মহাবিদ্যালয়ৰ বুকুত। কোনোবাখিনিত লুকাই আছিল আমাৰ এক অপৰিসীম সুখ। সুখ এনে এটি সপোন পূৰ্ণ ৰূপ পোৱাৰ, সুখ আদৰৰ জেচিয়ানৰ প্ৰাংগনত স্নাতক পৰ্যায়ৰ মোৰ সেইয়া প্ৰথমটো দিন। কলেজ গেটৰ সন্মুখ পাওঁতে মনতে এবাৰ 'কৃষ্ণ' বুলি কৈ আগবাঢ়িছিলোঁ। অকলে গোটেই কেম্পাচটো ঘূৰিলো। ভাল লাগিল, ধুনীয়া। চাৰিওফালে সেউজীয়া আৰু সেউজীয়া। মন ভাল লগাব পৰাকৈ কাষে কাষে ভিন্ন ৰঙী ফুলবোৰ। গোটেই কলেজখন সেউজীয়াৰে আৱৰি আছে। এনে লাগিছিল যেন কলেজখন সেউজীয়াখিনিৰ বুকুত শুই পৰিছে। সময়টো চালোঁ ন বাজেই, আৰু কিছু সময়ৰ পিছতে ক্লাছ আৰম্ভ হ'ব যিহেতু প্ৰথমটো ক্লাছ অসমীয়া আছিল গতিকে ল'ৰা - ছোৱালীবোৰ যি দিশে গতি কৰিছে ময়ো সেই দিশে গ'লো। কোনোবা এজনে চিঞৰি চিঞৰি গৈছে BDB 2 ত ক্লাছ হ'ব। তাৰ পিছে পিছে সকলোৱে গৈছে। বেচেৰা সিহঁতৰো চাগে মোৰ দৰে একে অৱস্থা হৈছে। এজন নতুন ছাত্ৰ হিচাপে চাগে' সেই অনুভৱকণ সকলোৰে হয়। তেনেকৈ ক্লাছ আৰম্ভ হয়, প্ৰথম দিন হিচাপে ক্লাছ নহ'ল যদিও চিলেবাছখিনিৰ বিষয়ে বুজাই দিলে। প্ৰথম পৰ্বতে নিজৰ পৰিচয়, চা - চিনাকি এইবোৰে আৰম্ভ হৈছিল। তাৰ পিছত ৰহমান ছাৰ ক্লাছৰ পৰা ওলাই যায়। ছাৰৰ পিছে পিছে আমিও আগবাঢ়োঁ। যি সকলৰ বেলেগ ক্লাছ আছিল তেওঁলোক তাতে ৰয়। অকলে অকলে ঘূৰি ফুৰিছোঁ। ভিৰৰ মাজত থাকিও যেন নিজকে অকলশৰীয়াৰ দৰে অনুভৱ হৈছিল। আগৰ লগৰবোৰক খুব মনত পৰিছিল পিছফালৰ পৰা যেন কোনোবাই মাতিব, নাই কোনো নাই। সকলো অচিনাকি মুখ। প্ৰায় এঘণ্টা সময় এনেকৈয়ে পাৰ হয়। তাৰ পিছতে মোৰ economics ক্লাছ আছে। সময় হৈছে কিন্তু ৰূমটো বিচাৰি পোৱা নাই কোনফালে হয় ক'ত আছে একো নাজানো। মুঠতে বিচাৰিব লাগে বিচাৰি আছোঁ। নাই নাপালোঁ। তেনেকৈ মোৰ প্ৰথম ক্লাছবোৰ মিছ হৈছিল। লাহে লাহে যেনিবা পিছত সকলো চিনি পালোঁ। এদিন ক্লাছলৈ গৈ থাকোঁতে হঠাৎ

কাৰোবাৰ মাত। ঘূৰি দেখো এটা গ্ৰুপ একেলগে বহি আছে তাৰ পৰা কোনোবা এজনে মাতিছে মোক। ভয়ে ভয়ে ওচৰলৈ গৈছো মনলৈ বাৰে বাৰে আহিছে সেই ভয়ংকৰ ‘ৰেগিং’ শব্দটো। বহুতৰ বাবে ৰেগিং এক বিভীষিকা। এই বিভীষিকাৰ মাজত মানসিক ভাৰসাম্য হেৰুৱাই দুই-এক বিদ্যাৰ্থীয়ে শিক্ষা - জীৱনৰ ইমানতে সমাপ্তি ঘটোৱাৰ উদাহৰণো বিৰল নহয়। প্ৰকৃততে ৰেগিং এক নিৰ্দোষ ধেমালি, সীমা অতিক্ৰম কৰি গ'লেই সি বিভীষিকাত পৰিণত হয়; তেতিয়া সি হৈ উঠে ক্ৰুৰ ধেমালি। নাই নাই মই ভবাৰ মতে তেওঁলোকে একো কোৱা নাই। ‘ভয় কৰিব নালাগে, আমাৰ ইয়াত ৰেগিং নহয়, এতিয়া সকলোতে নোহোৱা হৈ পৰিছে, তোমাক ৰেগিং কৰি ৰঙাঘৰৰ আলহী হোৱাৰ ইচ্ছা নাই দেই। ঘৰ ক'ত , কিহত মেজৰ, কি কৰি ভালপোৱা, কোনোবা প্ৰিয় আছে নে নাই এইবোৰ হে সুধিলে। তেওঁ ইংৰাজী বিভাগৰ আছিল। তেনেকৈ কথা বতৰা পাতি মই তেওঁলোকৰ পৰা বিদায় লৈ আহিলোঁ। প্ৰথম দিনকেইটা একেবাৰে ক্লাছবোৰত মন দিব পৰা নাছিলোঁ। বাৰে বাৰে পুৰণি যদিও ৰঙীণ স্মৃতিবোৰে আমনি কৰি আছিল। হয়তো সেয়া স্মৃতি নহয় মৰম, ভালপোৱা যিটো পাহৰাটো মোৰ বাবে সহজ নাছিল। বিশেষকৈ ইকনমি'ৰ ক্লাছত মন দিব পৰা নাছিলোঁ। বাৰে বাৰে চিনাকি আপোন মুখ এখনে আমনি কৰি আছিল। যেতিয়া ভাণ্ডাৰী ছাৰে পঢ়াই থাকে তেতিয়া এনে লাগিছিল যেন সেই সময়ৰ মোৰ বিশেষ আপোন মানুহজনে হে পঢ়োঁৱাই আছে। লাহে লাহে নিজকে শান্ত্বনা দিওঁ।তেনেকৈ সকলোৰে লগত সহজ হৈ পৰো।

ইয়াৰ পাছৰ পৰ্যায়টো কিন্তু আদৰণীয় আৰু অতিশয় সৌহাৰ্দ্যপূৰ্ণ। কলেজৰ পুৰণি বিদ্যাৰ্থীসকলে নৱাগতসকলক দৰা আদৰা দি আৱেগ আৰু অনুভূতিৰে আগবঢ়াই নি আদৰণি জনোৱা অনুষ্ঠানটি মহামানৱৰ মহাসাগৰত মহা মিলনৰ মনোৰম নিদৰ্শন। ভাৱৰ বিনিময়ৰ, মৰম-স্নেহৰ বিনিময়ৰ যোগেদি অচিনাকিৰ লগত চিনাকি হৈ, আপোনজন বুলি চেনেহেৰে বুকুত সাৱটি লৈ পোহৰৰ বাটত প্ৰথম খোজ পেলোৱাৰ বীজ-মন্ত্ৰত নৱাগতসকলক দীক্ষিত কৰা হয়।

এনেকৈ দিনবোৰ পাৰ হ'ল। পঢ়া, পৰীক্ষা, ব্যস্ততা, লগৰবোৰৰ লগত ধেমালি আড্ডাৰে প্ৰথম দিনটো আৰম্ভ হোৱাৰ পৰাই আজি পৰ্যন্ত মহাবিদ্যালয়ত কটোৱা প্ৰতিটো মুহূৰ্ত মোৰ বাবে খুবেই বিশেষ।

এনেকৈ এদিন দুদিনকৈ পাৰ হৈ যোৱা সময়ৰ কোলাত মই প্ৰতিদিনে যুগুতাই গ'লো বহুতো তিতা-মিঠা স্বাদযুক্ত অভিজ্ঞতা। এই তিনিটা ষাণ্মাসিকত কেৱল আনুষ্ঠানিক শিক্ষাই নহয়, জাগীৰোড মহাবিদ্যালয়ৰ অভিজ্ঞতাবোৰৰ পৰা পলে পলে লাভ কৰিছোঁ বহু মূল্যৱান জীৱন সম্পৰ্কীয় শিক্ষাও। ভালদৰে উপলব্ধি কৰিব পাৰিছোঁ জীৱন, একতা, মানৱতা, বন্ধুত্ব আদিৰ দৰে বিষয়সমূহৰ প্ৰকৃত অৰ্থ। য'ত মন গ'লেই মনৰ কথাবোৰ খুলি ক'ব পৰাকৈ, ব্যস্ততাই আৱৰি ৰখা দিনটোৰ শেষত একেলগে বহি অকণমান হাঁহিব পৰাকৈ, দু-আষাৰ কথা পাতিব পৰাকৈ এচাম বন্ধুক বিচাৰি পাইছোঁ। ক্লাছ কৰা প্ৰতিটো বিষয়ৰ ভিতৰত অসমীয়া বিষয়টোত ‘বৰিং’ নামৰ শব্দটো বিচাৰি নাপালোঁ। আচলতে যিটো বস্তুক মনৰ পৰা শ্ৰদ্ধা আৰু ভালপোৱা থাকে তাত কেতিয়াও বৰিং শব্দটো নাথাকে। ক্লাছবোৰৰ মাজে মাজে খুব অনুপ্ৰাণিত হওঁ, মৰহি যোৱা মনটো, হেৰাই যাব ধৰা আশাবোৰক শিক্ষাগুৰু সকলৰ প্ৰেৰণাদায়ক কথাবোৰত দুচকুত আকৌ সপোনবোৰে নাচি উঠিছিল। আকৌ নতুনকৈ সাৰ পাই উঠিছিল মনৰ আশাবোৰ। আচলতে আমাৰ জীৱনটোৰে তেতিয়াই পূৰ্ণতা পায় যেতিয়া আমাৰ কথাবোৰে কাৰোবাৰ জীৱনত প্ৰভাৱ পেলাই তেওঁক মৰাৰ পৰা জীয়াই তোলাত সহায় কৰে। ইয়ো জীৱনৰ আটাইতকৈ ডাঙৰ প্ৰাপ্তি বুলি ভাবোঁ। যদিওবা মোৰ অসমীয়া বিভাগটোৰ সৈতে ওতপ্ৰোতভাৱে এক নিবিড় সম্পৰ্ক আছে তাৰ অৰ্থ এইয়া নহয় যে কলেজৰ আন বিভাগবোৰ বেয়া পাওঁ। এতিয়া প্ৰতিটো বিভাগৰ সকলো শিক্ষক- শিক্ষয়িত্ৰীৰ লগতে এক ভাল সম্বন্ধ গঢ়ি উঠিছে। যেতিয়া ভিৰৰ মাজত থাকিও এজন ছাত্ৰৰ নাম মনত থাকে নাইবা হাজাৰ গৰাকী ছাত্ৰৰ মাজত যেতিয়া কোনোবা এগৰাকী ছাৰ - মে'মে নিজে খবৰ এটা লৈ সেয়াও ছাত্ৰ জীৱনৰ এক প্ৰাপ্তি। কলেজ এখনত পঢ়ি যদি এজন শিক্ষকেও চিনি নাপায় তাত পঢ়াৰ যুক্তি ক'ত ? তিতা মিঠা অজস্ৰ অভিজ্ঞতাৰে মই নিজকে এক পৃথক ৰূপত বিচাৰি পাইছোঁ। মহাবিদ্যালয়ৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত হ'বলৈ আৰু কিছুমান ভাল কাম কৰিব পৰাকৈ জাগীৰোড মহাবিদ্যালয়ে মোক সুবিধা প্ৰদান কৰিলে যাৰ জৰিয়তে বহুতো সুন্দৰ মনৰ মানুহৰ সৈতে চিনাকি হ'বলৈ আৰু তেওঁলোকৰ সৈতে কাম কৰিবলৈ এক সুযোগ লাভ কৰিলোঁ। জাগীৰোড মহাবিদ্যালয়ক কিমান প্ৰাণভৰি ভালপাওঁ সেয়া প্ৰমাণ কৰিব নাযাওঁ ।জাগীৰোড মহাবিদ্যালয় সদায় চিৰস্থায়ী হৈ ৰ'ব মোৰ হৃদয়ৰ এক গোপন কোঠালীত। এটাই কামনা কৰিছোঁ, কেৱল শিক্ষাৰ ক্ষেত্ৰতেই নহয়, সাংস্কৃতিক, ক্ৰীড়া কাৰ্য সমূহৰ দিশতো যুগ যুগ ধৰি জিলিকি ৰওক সকলোৰে আদৰৰ আমাৰ জাগীৰোড মহাবিদ্যালয়।

●●●

# এক আৱেগ জাগীৰোড মহাবিদ্যালয়- এৰি অহা স্মৃতি সুঁৱৰি

নমিতা দাস
প্ৰাক্তন ছাত্ৰী

সময়ৰ কাঁটাডাল ঘূৰিয়ে থাকিব, ৰৈ যাব মাথো স্মৃতি। আৱেগ-অনুভূতিৰে জড়িত জাগীৰোড মহাবিদ্যালয়ৰ কথাবোৰ দুই-চাৰিটা বাক্যত প্ৰকাশ কৰিবলৈ টান। বহু কথা আছে যিবোৰ লিখি শেষ কৰিব নোৱাৰি।

নেলী কণিষ্ঠ মহাবিদ্যালয়ৰ পৰা দ্বাদশ পাছ কৰি গৈ জাগীৰোড মহাবিদ্যালয়ত নামভৰ্ত্তিৰ সুযোগ পাই কৃতাৰ্থ হ'লো। জীৱনত প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত পঢ়িবলৈ যোৱা আমাৰ ঘৰখনৰ তথা পৰিয়ালৰ ভিতৰত ময়েই আছিলো প্ৰথম।

মহাবিদ্যালয়ৰ প্ৰথম দিনা গেটৰ ভিতৰেদি সোমাবলৈ লওঁতেই শাৰী-শাৰীকৈ থকা বকুল গছকেইজুপি যে মোৰ ছাঁত বহাহি বুলি মোক মাতি থকা যেন অনুভৱ হ'ল। কাৰণ বকুল গছ মোৰ প্ৰিয়। যষ্ঠ মান শ্ৰেণীত পঢ়ি থাকোতেই বকুলৰ গুটিৰ সোৱাদ পোৱা মইজনিয়ে আকৌ ইমান বছৰৰ পিছত বকুল দেখি নিজৰ শিশু মনটোক কোনোমতেহে সংযত কৰিবলৈ সক্ষম হ'লো।

মহাবিদ্যালয়ৰ চৌহদটোত আছিল এটি শান্ত পৰিৱেশ। প্ৰথম দিনা কাৰোবাক সুধি লৈ কলা শাখাৰ ক্লাছত প্ৰৱেশ কৰি হতবাক হ'লো ইমান ডাঙৰ শ্ৰেণীকোঠাটো। কিন্তু চিনাকী মুখ এখনো নাই। সেই ভাবি অলপপৰ বেয়া লাগিছিল যদিও, শিক্ষা বিষয়ৰ ক্লাছ কৰিবলৈ মলয়া গোস্বামী বাইদেউ কোঠালৈ সোমাই অহাত হঠাৎ নিজকে সপোনৰ পৰা এইমাত্ৰ সাৰ পোৱা যেন লাগিল। ইমান দিনে যিগৰাকী ব্যক্তিক কেৱল ফটোতহে দেখিছিলো তেওঁ আজি মোৰ চকুৰ সন্মুখত! মোৰ এনে লাগিল যেন সাক্ষাৎ দেৱী সৰস্বতী আহি নিজেই জ্ঞানৰ পোহৰ বিলাই আছে। অলপ আগতে বেয়া লাগি থকাবোৰ যেন ক'ৰবাত হেৰাই গ'ল। মনটো এক অনাবিল আনন্দেৰে ভৰি পৰিল। তেওঁৰ দৰে মহান ব্যক্তিসকলৰ সান্নিধ্য এই মহাবিদ্যালয়ত লাভ কৰিম। এক মুহূৰ্তৰ বাবে মোৰ মনত আনন্দৰ সীমা নাইকিয়া হ'ল। সেইদিনাৰ পৰা তেওঁৰ শ্ৰেণীত কেতিয়াও উপস্থিত নোহোৱাকৈ থকা নাছিলো।

সেইসময়ৰ মহাবিদ্যালয়খনৰ সকলো শিক্ষাগুৰুকে মোৰ ভাল লাগিছিল। তেওঁলোকৰ পাঠদানৰ যি কৌশল তাক পাহৰিব নোৱাৰি।

আমাৰ শ্ৰদ্ধাৰ ড° হাবীবুৰ ৰহমান ছাৰৰ ৰসিকতাৰে ভৰা কথাকেইটাৰে ভাষাবিজ্ঞানৰ দৰে জটিল বিষয় ইমান ধুনীয়াকৈ বুজাইছিল যে এই বিষয়টো বহুত উজু হৈ পৰিছিল। তেওঁ শ্ৰেণীত পঢ়োৱাৰ লগতে বাস্তৱ জীৱনৰ সৈতে সাঙুৰ খাই থকা বহু কথাই কৈ গৈছিল। তেওঁৰ এযাৰ কথা আজি কাণত বাজি থকা যেন অনুভৱ হয় যে, তোমালোকে জীৱনত ছাৰ অথবা বাইদেউ হ'বলৈ যত্ন কৰিবা আৰু তেওঁৰ এই যাৰ কথাই মোৰ জীৱনত বাৰুকৈয়েই প্ৰভাৱ পেলাইছিল; আৰু এই

> সকলো শিক্ষক-কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী আটাইৰে সান্নিধ্যই সৌঁৰণিৰ পথাৰখন আজিও সমৃদ্ধ কৰি ৰাখিছে। মহাবিদ্যালয়খনৰ বহু কথাই আজি মনলৈ আহিছে কিমান যে সুন্দৰ আছিল সেই দিনবোৰ। শিক্ষকসকলে শাসন কৰিছিল যেনেকৈ, মৰমো কৰিছিল নিজৰ ল'ৰা-ছোৱালীৰ দৰে।

সকলোবোৰেই মোৰ সোণালী জীৱনটো আগুৱাই যোৱাত সহায় কৰিছিল।

ইয়াৰ পাছতেই আমাক মাতৃসুলভ মৰম কৰা অদিতি দাস বাইদেউক কেনেকৈ পাহঁৰো। তেওঁক লগ পাই এনে লাগিছিল যেন এই পৃথিৱীত ইমান শান্ত স্বভাৱৰ মানুহ কিজানি তেওঁৱেই আছিল। কেতিয়াও তেওঁৰ মুখমণ্ডলত খং-ৰাগৰ ভাৱ নাথাকে। তেতিয়া মই ভাবিছিলো যে শ্ৰীকৃষ্ণ বিষয়ক বিষয়বস্তুৰ ওপৰত পাঠদান কৰা বাবেই তেওঁ ইমান শান্ত সৰল হৈ পৰিল নেকি বাৰু? মাতৃ যশোদাৰ কৃষ্ণৰ প্ৰতি থকা বাৎসল্য প্ৰেম তেওঁ যেন আমাৰ ওপৰতে ঢালিব চেষ্টা কৰিছিল।

আমাৰ মৰমৰ বিষ্ণু ডেকা ছাৰকো কেনেকৈ পাহৰো। শ্ৰেণীত সোমায়েই তেওঁ আমাক উদ্দেশ্যি কয়, "তোমালোকৰ কথা পাতি হ'লনে বাৰু?" তাৰ পিছতেই পঢ়া আৰম্ভ কৰে। তেওঁৰ পৰাই গুৱাহাটী বিশ্ববিদ্যালয় খুহুটীয়া এটি কথাও জানিবলৈ সক্ষম হ'লো যে, বিশ্ববিদ্যালয়ত সকলোকে 'মাইনা' বুলি ধেমালিৰে মতা হয়।

অনবৰতে মুখত এমুকুৰা হাঁহি লৈ ফুৰা শ্ৰদ্ধাৰ তথা মৰমৰ বৰ্ণা শৰ্মা বাইদেউ।তেওঁ যে এইখন মহাবিদ্যালয়তেই পঢ়ি ইয়াতেই শিক্ষকতা কৰিবলৈ সুযোগ পাইছে সেই কথা জনাৰ দিনাখনৰ পৰাই ক'ৰবাত তেওঁৰ দৰে হ'বৰ বাবে নিজকে গঢ়িবলৈ যত্ন কৰিছো। তেওঁ আমাক কেতিয়াও গালি পৰা নাছিল সদায় মৰমেৰে আঁকোৱালি ৰাখিছিল। তেওঁৰ ধনাত্মক চিন্তা-ধাৰাই মোৰ জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল।

দেৱজিত শইকীয়া ছাৰৰ কথাও বৰকৈ মনত পৰে। তেওঁ শাৰীৰিক অসুস্থতাৰ বাবে মহাবিদ্যালয়ত বেছি সময় পাঠদান কৰিব নোৱাৰিলে কিন্তু যিকণ অমূল্য সময় আমাক তেওঁ দিছিল সেইকণেই আমাৰ ভৱিষ্যত জীৱনৰ বাবে যথেষ্ট আছিল।

ইয়াৰ পাছতেই মহাবিদ্যালয়ত নতুনকৈ অহা বাইদেউ ড° মীৰা বৈশ্য বাইদেউৰ লগত আমাৰ বিভাগৰ প্ৰধান ৰহমান ছাৰে চিনাকী কৰি দিলে। প্ৰথমে ভাবিছিলো- খুব কঠোৰ হ'ব ছাগে তেওঁ শ্ৰেণী নকৰিলে ছাগে গালি পাৰিব কিন্তু সেই ভাৱনাবোৰ বিপৰীতহে হ'লগৈ। তেওঁ মোক নিজাকৈ নাম এটাও দিছিল। শ্ৰেণীত তেওঁ পঢ়োৱা 'মমতা চিঠি' কবিতাটি আজিও মনত পৰে আৰু সেইদিনাৰ পৰাও মইয়ো কবিতাৰ প্ৰেমত পৰিলো। তেওঁৰ সৈতে মোৰ যেন এক আৱেগ জড়িত হৈ পৰিল যেনেদৰে তেওঁ শাসন কৰিছিল ঠিক তেনেদৰে অজস্ৰ মৰমো কৰিছিল। তেওঁৰ সৈতে বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ কামত তেওঁৰ আৰু বেছি কাষ চাপিবলৈ যেন এয়া এক সুযোগহে আছিল। সেইদিনাৰ কথা আজিও মনত পৰে . . . . মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ কাম কৰিবলৈ বহুত বাকী আছিল, সেয়েহে বাইদেউয়ে আমাক (তিনিগৰাকী) তেওঁৰ ঘৰতেই থাকিবলৈ কৈছিল। যিহেতু ৰাতি আৰু অলপ কাম কৰিব লগা আছিল সেইদিনা জীৱনত কোনোৱা শিক্ষাগুৰুৰ ঘৰত থকাৰ প্ৰথম সুবিধা তথা অভিজ্ঞতা আছিল।

সেইদিনাৰ পৰা তেওঁৰ মাজত মই সৰল মনৰ আৰু বুকুত এসাগৰ মৰমৰ টোপোলা কঢ়িয়াই লৈ ফুৰা এজন ব্যক্তিক লগ পালো। তেওঁৰ এষাৰ কথা আজিও মনত পৰে। তেওঁ কৈছিল যিটো তোমাৰ হ'বলগীয়া থাকে জীৱনত সেইটো হ'বই তাৰ বাবে আগৰ পৰাই হাবাথুৰি খোৱাৰ প্ৰয়োজন নাই আৰু কোনো কাৰো কেতিয়াও চিৰস্থায়ী নহয়।

কেতিয়াবা আজৰি পৰত মহাবিদ্যালয়ৰ পৰা অলপ বাহিৰ ওলাবৰ মন যায়। কিন্তু বৰা দা (আমাৰ মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰি) তেওঁ ২.৩০ বজাৰ আগত কাকোৱেই গেটৰ বাহিৰ হ'ব নিদিয়ে, কিন্তু আমি জানো বৈ থকা ভকত, তেওঁক মিঠা-মিঠা কথাকৈ কাকুতি-মিনতি কৰি এবাৰ হ'লেও ওলাই যাওঁৱেই।

আৰু যে কিমান স্মৃতি জড়িত হৈ আছে এই মহাবিদ্যালয়খনৰ সৈতে ষষ্ঠ ষান্মাসিকৰ শেষৰ পৰীক্ষাৰ দিনাহে অনুভৱ হৈছিল যে- আমি আজিৰপৰা আৰু ইয়ালৈ পঢ়িবলৈ নাহো, সদায় ৰাতিপুৱা জাগীৰোড মহাবিদ্যালয়লৈ বুলি খৰ-খেদা নকৰো সেইদিনা পৰীক্ষা দি থকা সময়তে বুকুখনৰ কোনোবাখিনিত এটি বিষ অনুভৱ কৰিছিলো, পৰীক্ষা গৃহৰ পৰা ওলাই আহি চাৰিওফালে চাই বৈ আছিলো আৰু চকুৰ কোণত এটোপাল চকুপানী জমা হৈছিল।

সকলো শিক্ষক-কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী আটাইৰে সান্নিধ্যই সোঁৱৰণিৰ পথাৰখন আজিও সমৃদ্ধ কৰি ৰাখিছে। মহাবিদ্যালয়খনৰ বহু কথাই আজি মনলৈ আহিছে কিমান যে সুন্দৰ আছিল সেই দিনবোৰ। শিক্ষকসকলে শাসন কৰিছিল যেনেকৈ, মৰমো কৰিছিল নিজৰ ল'ৰা-ছোৱালীৰ দৰে। আজি জীৱনৰ বহু দূৰ আগবাঢ়ি আহিও যেন এনে লাগে আকৌ ঘূৰি যাম সেই সোণসেৰীয়া দিনবোৰলৈ আকৌ যেন পঢ়িম আমাৰ মৰমৰ জাগীৰোড মহাবিদ্যালয়খনত।

●●●

মহাবিদ্যালয়খনৰ দৰেই মোৰ শিক্ষাগুৰুসকলৰ মনটোও বৰ বহল। তেওঁলোকৰ পৰামৰ্শসমূহে মোক বৰকৈ অনুপ্ৰাণিত কৰিছিল। কেৱল কিতাপৰ বিষয়কে সামৰি নলৈ দৈনিক জীৱনত নিজকে কিদৰে কঠোৰ পৰিশ্ৰমৰ আৰু অধ্যৱসায়েৰে আগবঢ়াই নিব পাৰিম সেই বিষয়তো বৰ সুন্দৰকৈ বুজাইছিল।

# জাগীৰোড মহাবিদ্যালয়ত পঢ়ি থকাৰ সময়ৰ মোৰ অনুভৱ


**পৰিস্মিতা বৰা**
প্ৰাক্তন ছাত্ৰী


জাগীৰোড মহাবিদ্যালয় নামটোৱেই সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে এক আৱেগ। সেউজীয়া গছ-গছনিয়ে মনমোহিত কৰা মহাবিদ্যালয়খনত পঢ়াৰ সপোন বিদ্যালয়ত পঢ়ি থকাৰ সময়ৰ পৰাই মনতে পুহি ৰাখিছিলো। সেইসময়ত মহাবিদ্যালয়খনত অধ্যয়ন কৰি থকা দাদা-বাইদেউসকলৰ আচাৰ-ব্যৱহাৰৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্ন পোছাকযোৰে মোক বৰকৈ আকৰ্ষিত কৰিছিল মহাবিদ্যালয়খনৰ প্ৰতি। সেই আশা পূৰণ হ'ল হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত। মা-দেউতাৰ অনুমতিত মহাবিদ্যালয়ৰ কলা শাখাত নামভৰ্ত্তি কৰিবলৈ সুযোগ পালো।

মহাবিদ্যালয়খনৰ দৰেই মোৰ শিক্ষাগুৰুসকলৰ মনটোও বৰ বহল। তেওঁলোকৰ পৰামৰ্শসমূহে মোক বৰকৈ অনুপ্ৰাণিত কৰিছিল। কেৱল কিতাপৰ বিষয়কে সামৰি নলৈ দৈনিক জীৱনত নিজকে কিদৰে কঠোৰ পৰিশ্ৰমৰ আৰু অধ্যৱসায়েৰে আগবঢ়াই নিব পাৰিম সেই বিষয়তো বৰ সুন্দৰকৈ বুজাইছিল।

মহাবিদ্যালয়খনত লগ পোৱা বন্ধু-বান্ধৱীৰ সৈতে কটোৱা সময়খিনি মোৰ জীৱনৰ আটাইতকৈ ভাল লগা মধুৰ স্মৃতি হিচাপে বুকুত সাঁচি ৰাখিছো। আমি প্ৰত্যেকেই শিক্ষাগুৰুসকলৰ প্ৰত্যেকটো পাঠদান বৰকৈ উপভোগ কৰিছিলো। হয়তো সেয়ে দুবছৰ H.S পঢ়াৰ পিছতো মহাবিদ্যালয়খনৰ মোহ এৰিব নোৱাৰাত ২০১৯ত আকৌ স্নাতক মহলাত নামভৰ্ত্তি কৰিলো।

পঢ়াত বৰ তীক্ষ্ণ নাছিলো যদিও মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰত থকা অজস্ৰ কিতাপবোৰে মোক প্ৰথমবাৰৰ বাবে উপন্যাস পঢ়াৰ যি আমেজ, ইয়াৰ মাদকতাৰ সৈতে পৰিচয় কৰালে। কাঞ্চন বৰুৱাৰ 'অসমীত যাৰ হেৰাল সীমা' পঢ়ি থাকোতে আৱেগিক হৈ পৰাৰ দৃশ্য এতিয়াও মনত ভাহে।

মাতৃভাষাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু অসমীয়া সাহিত্যিকসকলক বিস্তৃতভাৱে জানিবলৈ বিচৰাৰ ইচ্ছুকতাৰ বাবে মই অসমীয়া বিভাগত নামভৰ্ত্তি কৰিছিলো। মই মোৰ এই সিদ্ধান্তত বৰ সুখী। আমাৰ অসমীয়া বিভাগটোৰ প্ৰত্যেকজন শিক্ষাগুৰুৱে এক সুকীয়া সুকীয়া আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী। পাঠদানৰ প্ৰথম দিনাখন অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° হাবীবুৰ ৰহমান ছাৰে কোৱা কথা এষাৰে মোৰ মনত বৰকৈ সাঁচ বহুৱাইছিল। তেওঁ কৈছিল - "বিভাগটোৰ কথা যদি কোনোবাই কিবা ক'লে তোমাৰ গাত চুই নাযায় তেতিয়া হ'লে তুমি প্ৰকৃততে বিভাগটোক ভাল পাব নোৱাৰা।"

বিভাগটোৰ লগতে মহাবিদ্যালয়ৰ প্ৰায় সকলো কামতে জড়িত হৈ থাকিবলৈ চেষ্টা কৰিছিলো। এনেদৰেই বিভাগটোৰ স'তে কলেজখনো মোৰ বৰ আপোন হৈ পৰিছিল। কিন্তু দুঃখিত যে, সেইখিনি সময়তে কৰ'ণা মহামাৰীয়ে দেখা দিয়াত ঘৰৰপৰাই পাঠদানৰ ব্যৱস্থা চলিছিল সেয়ে দ্বিতীয় যান্মাসিকটোত মহাবিদ্যালয়ত উপস্থিত থাকিব নোৱাৰিলো। পৰিস্থিতি ভাললৈ অহাৰ পিছত তৃতীয় যান্মাসিকৰ পৰা লাহে লাহে ক্লাছ বোৰ হ'বলৈ ধৰিলে।

পাঁচ বছৰ অধ্যয়ন কৰি পোৱা মোৰ অভিজ্ঞতা কৈ শেষ কৰিব নোৱাৰা। জাগীৰোড মহাবিদ্যালয় আৰু অসমীয়া বিভাগটোৰ প্ৰতি মই চিৰকৃতজ্ঞ।

জয়তু, জাগীৰোড মহাবিদ্যালয়।

●●●

মোৰ অনুভৱত জাগীৰোড বিদ্যালয় মোৰ জীৱনৰ সেউজীয়া দলিচা। এই দলিচাত প্ৰথম খোজটো দিয়াৰ পৰা যোৱাৰ দিনালৈকে মোৰ জীৱনৰ প্ৰতিটো দিনৰ অভিজ্ঞতাই মোক দি গৈছে জীৱনৰ অনাবিল আমেজ। চকু দুটা মুদি যেতিয়া এই মহাবিদ্যালয়ত ভৰি দিয়াৰ প্ৰথম দিনটো অনুভৱ কৰো তেতিয়া দেখা পাওঁ যে, প্ৰথম দিনটো মোৰ বাবে আছিল যথেষ্ট উদ্বেগজনক, ভয়, শংকা আৰু এক অনাবিল আনন্দৰ। অনুভৱ হৈছিল, ময়ো অসমৰ এখন আগশাৰীৰ প্ৰতিষ্ঠানৰ আজি অংশীদাৰ হ'লো।

# মোৰ অনুভৱত জাগীৰোড মহাবিদ্যালয়

**সঞ্জয় ৰাজভৰ**
প্ৰাক্তন ছাত্ৰ

মোৰ অনুভৱত জাগীৰোড বিদ্যালয় মোৰ জীৱনৰ সেউজীয়া দলিচা। এই দলিচাত প্ৰথম খোজটো দিয়াৰ পৰা যোৱাৰ দিনালৈকে মোৰ জীৱনৰ প্ৰতিটো দিনৰ অভিজ্ঞতাই মোক দি গৈছে জীৱনৰ অনাবিল আমেজ। চকু দুটা মুদি যেতিয়া এই মহাবিদ্যালয়ত ভৰি দিয়াৰ প্ৰথম দিনটো অনুভৱ কৰো তেতিয়া দেখা পাওঁ যে, প্ৰথম দিনটো মোৰ বাবে আছিল যথেষ্ট উদ্বেগজনক, ভয়, শংকা আৰু এক অনাবিল আনন্দৰ। অনুভৱ হৈছিল, ময়ো অসমৰ এখন আগশাৰীৰ প্ৰতিষ্ঠানৰ আজি অংশীদাৰ হ'লো। বিগত পাঁচ বছৰ এই মহাবিদ্যালয়ত পঢ়া- শুনাৰ মাজেৰে কলেজখনৰ সামগ্ৰিক সকলো দিশতে নিজক নিয়োজিত কৰাৰ প্ৰয়াস কৰিছিলো। এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা ময়ো আছিলো শ্ৰেণী প্ৰতিনিধি। আমাৰ অধ্যয়ন কালৰ সমাপ্তিৰ দিনটোত শিক্ষাগুৰু সকলৰ লগত লগ-লাগি এসাজ হাঁহি-ধেমালি আনন্দত আমি খাইছিলো। যিটো দিন আমাৰ বাবে হৈ পৰিছিল গুৰুৰ আৰ্শীবাদস্বৰূপ। জাগীৰোড মহাবিদ্যালয়ৰ স্মৃতি মোৰ জীৱনৰ এটি সোণালী স্মৃতি। এই মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰিলো।

জয়তু জাগীৰোড মহাবিদ্যালয়।

●●●

# জাগীৰোড মহাবিদ্যালয়ত মোৰ প্ৰথম দিন

⏭ **কুশল বৰদলৈ**
প্ৰাক্তন ছাত্ৰ

ডাঙৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত পঢ়াৰ ইচ্ছা কাৰ নো নাথাকে! হয়তো প্ৰতিজন মধ্যবিত্ত পৰিয়ালৰ ল'ৰা-ছোৱালীৰ এনেকুৱা ধৰণৰ সপোন থাকেই। মোৰো আছিল - জাগীৰোড মহাবিদ্যালয়ত পঢ়াৰ সপোন। সপোনৰ পিছে পিছে দৌৰি ফুৰিলে সপোনে এদিন ৰং দিয়ে, বাস্তৱত ধৰা দিয়ে। সৰুৰেপৰাই মাতৃভাষাৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তিৰ বাবে স্নাতক কৰাৰ সময়ত মাতৃভাষাকেই বিশেষ বিষয় হিচাপে লৈ পঢ়িবলৈ আগ্ৰহ প্ৰকাশ কৰিলোঁ। সেইমৰ্মে মই জাগীৰোড মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিলোঁ।

আগষ্ট মাহৰ উৎকট গৰম। চৌদিশে সেউজীয়া প্ৰকাণ্ড শিলৰ পৰ্বতৰ কাষতে এখন বিদ্যাৰ নগৰী, যাৰ নাম জাগীৰোড মহাবিদ্যালয়। সন্মুখত এখন প্ৰকাণ্ড গেট। সেই গেটেৰেই মহা বিদ্যালয়ৰ মূল পথটোৰ বাওঁফালে এটা বিৰাট লাইব্ৰেৰী। মূল পথৰ দুয়োকাষে বকুল গছৰ শাৰী। মূল পথৰ সোঁফালে থকা সৰু ৰাস্তাটোৰে পায়গৈ প্ৰশাসনীয় ভৱন। তাৰ লগতে লাগি আছে অসমীয়া, বাংলা, হিন্দী, বড়ো বিভাগ। মুঠতে, মহাবিদ্যালয়ত বহুটো প্ৰকাণ্ড প্ৰকাণ্ড গছ আছে। জাগীৰোড মহাবিদ্যালয়ৰ আৰু এটা ভাল লগা দিশ হ'ল ৰাতিপুৱা ন বজাত 'অ' মোৰ আপোনাৰ দেশ' জাতীয় সংগীতৰ গুণ-গুণণিয়ে অন্য এক মাদকতা প্ৰদান কৰে। মহাবিদ্যালয়ৰ শ্ৰেণীবোৰ আৰম্ভ হয় ৯-১৫ বজাত, বৰ গৰম তাতে আকৌ নতুন মানুহ, নতুন পৰিৱেশ, নতুন ছাৰ-বাইদেউ। কিবা কয়, কিবা সোধে। ভয়তে যেন পেপুৱা লাগি আছিলোঁ। ওচৰত বহি থকা কেইজনৰ লগতো ভয়তে কথা পতা নাছিলো। তেনেতে চাদৰ-মেখেলা পিন্ধা বাইদেউ সোমাই আহিল হাতত কিতাপ, হাজিৰা বহী, বেগটো লৈ। আমি সকলোৱে থিয় হৈ সম্ভাষণ জনালোঁ। লগে লগে তেওঁ আৰম্ভণি কৰিলেই নহয় - 'আজি নতুন নতুন চেহেৰাবোৰ দেখিছোঁ ভাল লাগিছে। শেষৰ ফালৰপৰা নামবোৰ কোৱাচোন। একেবাৰেই শেষত আছিলোঁ মই, মোক যেতিয়া থিয় হৈ নিজৰ পৰিচয় দিবলৈ ক'লে তেতিয়া মোৰ ভয়তে উশাহ চুটি হ'বলৈ ধৰিলে । কপালত ঘাম বিৰিঙি উঠিল, থোকাথুকি মাতেৰে ক'লো - 'নমস্কাৰ মোৰ নাম কুশল বৰদলৈ, মোৰ ঘৰ দহালীত।' ঘৰত ভাত খাই অহা নাই নেকি? ইমান সৰুকৈ মাত উলিয়াইছা' (বাইদেউৱে ক'লে। সেইটো মোৰ আছিল প্ৰথম দিনৰ প্ৰথম ক্লাছটোৰ অভিজ্ঞতা। পিছত গম পালো সেই বাইদেউ গৰাকীৰ নাম ড° মীৰা বৈশ্য।

পৰৱৰ্তী সময়ত দ্বিতীয় পিৰিয়ডটো আৰম্ভ হয় পেক্ষাগৃহত (BDB-1) ওখ-পাখ এগৰাকী স্বাস্থ্যৱান মানুহ কিন্তু কথাবোৰ লাহে লাহেকৈ কয়, ভাবি চিন্তি কয়, কথাবোৰ ইমান সাৱলীল ভাৱে, এটা বাক্যৰ লগত আন এটা বাক্য মিলি যোৱাটো অসমীয়া ভাষাৰ প্ৰতি থকা সচেতনতা খিনিয়ে ব্যক্তি গৰাকীৰ প্ৰকাশভংগীয়ে মোক বাৰুকৈয়ে আপ্লুত কৰিলে। সুৰ-লহৰ, য'তি-বিৰাম চিন ব্যৱহাৰ নকৰিলে যে আমাৰ বাক্য গাঠনিয়ে অন্য অৰ্থ প্ৰকাশ কৰিব পাৰে সেই বিষয়ে সাম্যক ধাৰণা পালো সেই ছাৰ গাৰকীৰ ক্লাছত। পিছত গম পালো সেই ছাৰ গৰাকী অসমীয়া বিভাগৰ, তেওঁৰ নামটো হ'ল ড° হাবীবুৰ ৰহমান ছাৰ।

জাগীৰোড মহাবিদ্যালয়ৰ শৈক্ষিক বাতাৱৰণে মোক যথেষ্ট পৰিমাণে উপকৃত কৰিছিল । মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় গৰাকীৰ কৰ্তব্য নিষ্ঠাই আমাক অনুপ্ৰাণিত কৰিছিল। তদুপৰি, জাগীৰোড মহাবিদ্যালয় ভাল লগাৰ আন এটা কাৰণ হৈছে অসমীয়া বিভাগটো। এই অসমীয়া বিভাগটোৱে আমাক বহুত কিবা-কিবি দিলে, যিবোৰ আমি ধন-সোণ, মণি-মুকুতাৰেও কিনিব নোৱাৰিম। অসমীয়া বিভাগ মানে কিতাপৰ সোৱাদ লোৱা এজাক মানুহ। কিতাপৰ মাজত জীৱন বিচৰা এজাক মানুহ।

●●●

# English Section





**Debajani Khasar**
HS 1st Year (Arts)




# Artificial Intelligence


⏭ **Dr. Pranjal Sarma**

Assistant Professor, Department of Physics


Artificial Intelligence, commonly known as AI has become an integral part of the modern world. Nowadays, we encounter various types of AI applications software in our daily life, and we occasionally employ them for multiple purposes. Despite the enormous technological advancements made for research & development of modern AI, the growth in the field of AI has a very long history and is not the development of the current decade. Alan Turing, a British mathematician, is credited with the development of the first fundamental concept of AI. In 1936, Turing proposed the Turing Machine, a theoretical device that formalized the concepts of computation. The idea that a machine can exhibit intelligent behavior identical to that of a human was also reported by Turing in 1950. However, the phrase Artificial Intelligence was first coined in 1956 by John McCarthy, Marvin Minsky, Nathaniel Rochester and Claude Shannon in their research paper presented at the Dartmouth Conference. This was considered the formal birth of AI, and since then, researchers have been working on various AI-related projects. Now, we are using the most recent and modern version of AI

daily for various purposes.

**What is AI :**

Artificial Intelligence is a technology that enables machines to perform activities that require human intelligence. It provides devices such as computers or smartphones the ability to simulate capabilities such as learning, decision-making, problem-solving etc, which are normally accomplished by humans only. AI is capable of making such intelligent behavior by analyzing huge amounts of data, that could help in finding patterns to model their decision making process. Humans generally supervise the learning process for Artificial Intelligence to make wise decisions. However, some AIs are being designed in such a way that they can learn without any supervision from humans. The main ingredient of Artificial Intelligence technology is algorithms and data. At first, a huge amount of data is being collected and are applied to mathematical models or algorithms. These algorithms use the information to recognize patterns in the data and then make predictions. This process of making predictions is known as training. Once the algorithms have been trained, they can be applied to various tasks, where the algorithms continuously learn and adapt to new data. Over time, this learning process allows AI technology to perform complex tasks such as image recognition, language processing, data analysis and many more with remarkable accuracy and efficiency. For the development of AI, some specialized hardware and software are required for writing the algorithms and training. There is no specific programming language used exclusively in AI. However, AI developers generally use Python, R, Java, C++ etc. as the programming language.

The most important and primary approach to building an Artificial Intelligence technology is Machine Learning (ML). The research on Artificial Intelligence starts to shift towards ML in the year 1980. In the Machine Learning method, a large number of datasets are being used by machines to identify patterns and relationships present within the data. The algorithms of ML are statistical that can help machines to learn and with time, it becomes progressively better at a task, without necessarily having been programmed for that certain type of task. Machine Learning can also use historical data as input to predict new output values. Machine Learning consists of two types: (a) Supervised learning and (b) Unsupervised learning. In supervised learning, labelled data are used to train algorithms to classify data or predict outcomes accurately. On the contrary, in unsupervised learning the expected outputs are unknown due to the use of unlabeled datasets.

There are many types of machine learning techniques. However, the most popular type of machine learning algorithm is called the neural network. Here, networks are modelled by mimicking the structure of the human brain. A neural network consists of interconnected layers of nodes or neurons, that process information and pass it between each other. Neural networks are extremely good for performing tasks to identify complex patterns and relationships in large amounts of data. The strength of the connection between neurons can be adjusted so that the network can learn to recognize complex patterns within data, make predictions based on new inputs and even learn from mistakes. This behavior of the neural network is very useful for recognizing images, understanding human speech and translating works between languages.

Deep learning is an important subset of machine learning. It uses a type of artificial neural network known as deep neural networks, which contain several hidden layers through which data is processed, allowing a machine to go 'deep' in its learning process and recognize increasingly complex patterns, making connections and weighting input for the best results. Deep learning is particularly effective at tasks like image and speech recognition and natural language processing, making it a crucial component in the development and advancement

of AI systems.

Natural language processing commonly known as NLP is also one of the important subsets of machine learning. It refers to the processing of human language by computer programs. In the Natural language processing method, computers are taught to understand and produce written and spoken language in a similar manner as humans. The NLP method combines various processes such as computer science, linguistics, machine learning and deep learning concepts to help computers analyse text that is unstructured text or voice data to extract relevant information from it. Natural language processing is mainly used to tackle speech recognition and natural language generation and it is used for cases like spam detection and virtual assistants.

**Scope of AI:**

The primary aim of artificial intelligence is to provide machines with processing and analysis power similar to that of humans. This makes AI a useful and powerful counterpart to humans in everyday life. Artificial Intelligence can interpret data, solve complicated problems and automate various tasks simultaneously, which can save time and fill in operational gaps missed by humans. Artificial Intelligence is the foundation for computer learning and hence, it is used in almost every industry starting from healthcare, education, and finance to manufacturing.

Apart from these applications, many existing technologies use artificial intelligence to enhance capabilities. Machines such as smartphones with AI assistants, e-commerce platforms with recommendation systems and vehicles with autonomous driving abilities. AI can also help to protect humans by preventing fraud detection systems online and robots for dangerous jobs. Also, artificial intelligence is now being used in leading research in healthcare and climate initiatives. Specifically, in the healthcare sector, AI is used to improve the accuracy of medical diagnosis, facilitate drug research and development, manage sensitive medical robots, and automate online patient experiences. It is also one of the driving factors for developing medical robots, which are being used to assist with various surgical procedures as well as in therapy. Moreover, artificial intelligence is used in the manufacturing process, which can reduce assembly errors and production times while increasing worker safety. Robots operated by AI also used in factories and warehouses to automate manufacturing workflow and handle serious tasks. Apart from manufacturing, the finance industry also utilizes artificial intelligence to detect fraud in the banking sector, assess financial credit standings, predict financial risk for businesses plus manage stock and bond trading based on market patterns. Artificial intelligence is also used in banking apps to personalize banking and provide 24x7 customer service support. Further, AI is also used in the military sector. AI assist militaries on and off the battlefield. Off the field, artificial intelligence processes military intelligence data faster, detects cyberwarfare attacks or automates military weapons, defense systems and vehicles. Artificial intelligence robots and drones are specifically used to automate combat or search and rescue operations.

**Sources:**


https://builtin.com/artificial-intelligence

https://www.javatpoint.com/history-of-artificial-intelligence

https://www.britannica.com/science/history-of-artificial-intelligence

https://aws.amazon.com/what-is/neuralnetwork/#:~: text=A%20neural%20network%20is%20a, that%20resembles%20the%20human%20brain.

https://www.techtarget.com/searchenterpriseai/definition/AI-Artificial-Intelligence


●●●




# Can Plants Talk?

⏭ **Dr. Sangeeta Sarma**
Assistant Professor,
Department of Botany

Have you ever smelled freshly mowed grass? If yes then congratulations! You have communicated with plants.

"My fruits are ready to eat!", "Land here!", "Get off!", "Conserve resources!" are some of the several messages plants can send right from moss to a 300 ft tall sequoia.

A study conducted in March 2023 revealed that many plant species can make ultrasonic sounds to communicate stress. Plants can basically "talk" with almost everything from predators to pollinators.

A single plant can communicate with its roots, stem, leaves, flowers and fruits. While roots keep an eye on circumstances below ground—issues with nutrients, water, and below-ground predators—leaves can identify predators or changes in light and sound. Chemical movement allows electrical signals to travel. When roots sense a drought, they can instruct leaves to reduce transpiration and save water.

By positioning electrodes in two distinct locations on a plant, researchers can see this electrical connection in action. Even instruments that convert the electric charge into audible sounds have been created. Electrical impulses are released from an injured plant, and plants can exchange these signals between individuals.

When touched, plants like *Mimosa pudica* and Venus fly trap both send forth electrical signals. The former moves to brush insect off while the later seals its mouth to trap its victim.

Hormones are among the chemicals that travel through plants. When a sprout tries to penetrate the soil's surface, a hormone called auxin is created at the top of the plant and moves downward, indicating which direction is up. The plant must respond swiftly or perish completely in the event of an immediate threat, such as insect attack. Under this type of stress, a lot of plants release the hormone jasmonic acid, which instructs the plant to begin making a toxin in order to protect itself.

Certain animals can identify plants reacting to danger (a mouse may "hear" it, an insect may "smell" it), such as when they hear someone shout "ow!" from a distance. It's hard to tell if those signals are meant for other people to hear or if they just happen.

Plants can live by interacting with their environment. Beautiful flowers that blossom in the spring let animals and insects know that their blooms are ready for pollination.

Researchers discovered that you can also hear plants using specialised microphones that pick- up bat cries. When under stress, a variety of plants, including cactus and tomatoes, make ultrasonic popping noises that mammals like bats and mice and insects like moths can hear. In order to develop new techniques for diagnosing, treating, and monitoring plants without coming into contact with them, scientists are paying attention to these distressing sounds.

Humans can frequently smell plant communications, even if we may not be able to hear them naturally. A fragrant distress signal is released when grass is chopped, releasing gaseous compounds. For those of us who identify it with being outside during the warmer months, it's a reassuring aroma. When a caterpillar consumes a plant, it releases this aroma as well. As if in response to the caterpillars' plea for assistance, other insects notice and prey on them.

This smelly signal is part of a class of compounds known as volatiles, which are gases that may travel great distances above and below ground. Every type of plant has a unique combination of volatile substances. These volatile substances serve a wide range of purposes. When a flower is ready, volatiles can attract pollinators and even guide them to unpollinated blooms. Fruit volatiles draw in creatures that will consume and disperse seeds. Additionally, they are sent from leaves to "intoxicate" and repel predators (consider your own reaction when you are near someone wearing excessive amounts of perfume).

Additionally, scientists have discovered that plants can use volatiles to communicate about certain dangers they face, such as predators. It has been noted that plants that are close to a volatile-emitting plant will get ready to defend themselves before they are threatened.

Using volatiles, plants may also distinguish between kin and non-kin and alter their behaviour accordingly. For instance, rather than competing with their progeny for resources, plants will recognise them and aid in their growth.

Volatiles are also released underground by plants. Fungi that wrap around the root receive a "come here" signal from plants, which are particularly common in forests. Numerous fungus have the ability to stretch and collect nutrients, which they then return to the plant in return for the sugar that the plant produced during photosynthesis.

In a forest, a tree will have relationships with numerous fungi, and a single fungus will have relationships with numerous trees, forming a mycorrhizal network (the word "myco" refers to fungus and "rhizal" to root).

Where fungus and root meet, fascinating "conversations" take place. It has been shown that the two parties exchange short RNA fragments, which change the expression of genes in the other creature. If the fungus is an ally, it tells the plant, "You can trust me," and aids in its growth. If the fungus is an enemy, its tiny RNA disables the plant's defence genes, which facilitates the fungus's attack.

A fungus that connects several trees can allow them to exchange resources. Fungal networks have been found to carry carbon from an older "nurse" tree to a younger tree that is too young to get adequate light and engage in photosynthetic activity.

Microbes and plants can also communicate below earth. They adhere to the roots by creating a biofilm, just like fungi do. Bacteria that promote growth, for instance, can strengthen a plant's defences and make it more resistant to illness.

Underground plant microbiome research is ready for investigation, and the results may help us improve soil to feed our expanding population.

●●●

